## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Pareekhit Hajorika | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sahaitya Sabhaa Patraikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha. | |
| Place of Publication: Jorhat. | Publisher: Asam Sahitya Sabha – Jorhat |
| Year: 1979 | Edition: |
| Size: 23½ cms. 8+90+8+3+7+96+4+8+129+11+78 pages | Genre: Magazine |
| Volumes: 36 – 4 issues | Condition of the original: Good. |
| Remarks: 1s. vol. published in the year 1927 and has been conting | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

ষটত্ৰিংশ বছৰ ঊনৈশ শ উনাশী-আশী চতুৰ্থ সংখ্যা।

# অসম সাহিত্য সভা পত্ৰিকা

সম্পাদক :
ড° পৰীক্ষিত হাজৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

ষট্‌ত্ৰিংশ বছৰ : চতুৰ্থ সংখ্যা

সম্পাদক

ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্ৰিকা
ষট্‌ত্ৰিংশ বছৰ
চতুৰ্থ সংখ্যা
ডিচেম্বৰ, জানুৱাৰী, ফেব্ৰুৱাৰী, ১৯৭৯-৮০

সম্পাদক
ডঃ পৰীক্ষিত হাজৰিকা
বেড ক্ৰছ ৰোড,
ডিব্ৰুগড়

প্ৰকাশক
শ্ৰীলীলা গগৈ
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

মূল্য
তিনি টকা

ছপাশাল
ভাৰতী প্ৰেছ
যোৰহাট-১

# অসম সাহিত্য সভা পত্ৰিকা

**ষট্‌ত্ৰিংশ বছৰ, চতুৰ্থ সংখ্যা**

এই সংখ্যাত আছে :

সম্পাদকীয় ॥ ক ॥

অসমীয়া স্বৰলিপিৰ বিকাশৰ ধাৰা : নাৰায়ণ দাস ॥ ১ ॥ কালিকা পুৰাণ আৰু অসম : ভৌগোলিক বিৱৰণ ॥ বিশ্বনাৰায়ণ শাস্ত্ৰী ॥ ১২ ॥ হৰিশ্চন্দ্ৰ-উপাখ্যান ॥ ডঃ হৰিনাথ শৰ্মাদলৈ ॥ ১৬ ॥ কুমৰ-হৰণ কাব্যৰ শৃংগাৰ ৰস ॥ ডঃ নবীনচন্দ্ৰ শৰ্মা ॥ ২৬ ॥ 'ফুলনি'ৰ মাজত গীতি-কবি পদ্মধৰ চলিহা ॥ ৩২ ॥ পঞ্চপাণ্ডৱ : এটি অধ্যয়ন ॥ অশ্বিনীচৰণ চৌধুৰী ॥ ৩৫ ॥ অসমীয়া ভাষাৰ লগত ডিমাছা ভাষাৰ সম্পৰ্ক : নলিনীন্দ্ৰকুমাৰ বৰ্মণ ॥ ৪২ ॥ পাঁচনী ক্ৰিয়া ॥ প্ৰিয়দাস তালুকদাৰ ॥ ৪৫ ॥ খাচপুৰৰ শিলালিপি ॥ গুণেশ্বৰ পাঠক ॥ ৪৭ ॥ পুথি সমালোচনা ॥ ৪৯ ॥ পঢ়ুৱৈৰ মতামত ॥ ৫৮ ॥ অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা ॥ ৬১ ॥

# অসম সাহিত্য সভা পত্ৰিকাৰ

## *নিয়মাৱলী*

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণা-মূলক প্ৰবন্ধাদিয়ে ঘাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনিমাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, ৰেড ক্ৰছ ৰোড, ডিব্ৰুগড়' এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰবাবে পঠোৱা গ্ৰন্থৰ প্ৰতিখনৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙনি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১, এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙনি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰপৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখাসভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মণিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

### পত্ৰিকা সম্পাদনা সমিতি

১। শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, সভাপতি, অসম সাহিত্য সভা
২। শ্ৰীলীলা গগৈ, প্ৰধান সম্পাদক, অসম সাহিত্য সভা
৩। শ্ৰীনগেন শইকীয়া, সদস্য
৪। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য
৫। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য
৬। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য
৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক

সম্পাদকীয়

## অসমৰ সাম্প্ৰতিক আন্দোলন :

### পটভূমি, কাৰণ আৰু স্বৰূপ

বৰ্তমান অসমত সমগ্ৰ ৰাজ্য জুৰি এক ব্যাপক গণ-আন্দোলন চলি আছে। এই গণ-আন্দোলনৰ কাৰণ হ'ল— অসমলৈ দীৰ্ঘকাল ধৰি বিদেশী বহিৰাগতৰ জন-স্ৰোত বৈ আছে ; এই প্ৰব্ৰজনে সম্প্ৰতি অসমৰ মানচিত্ৰ ভাৰতৰপৰা নিঃচিহ্ন কৰাৰ উপক্ৰম দেখা গৈছে। অসমৰ থলুৱা বাসিন্দাসকলৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয় নোহোৱা হ'বৰ শংকাই দেখা দিছে। প্ৰাচীন ঐতিহ্যপূৰ্ণ অসমীয়া জাতিৰ অস্তিত্ব আজি বিপদাপন্ন হৈছে। বৃহৎ জাতি এটাৰ এনে শংকটাপূৰ্ণ অৱস্থাৰ গুৰিতে হ'ল বিদেশী আৰু বহিৰাগতৰ এই ৰাজ্যলৈ ব্যাপক প্ৰব্ৰজন। এই প্ৰব্ৰজন যদি বন্ধ কৰা নহয় আৰু বিদেশীবিলাকক যদি অসমৰ ভোটাৰ তালিকাৰপৰা বাদ দিয়া নহয় অথবা সিবিলাকক ৰাজ্যখনৰপৰা বহিষ্কাৰ কৰা নহয় তেন্তে কেইবছৰমানৰ ভিতৰতে অসম ৰাজ্য আৰু অসমীয়া জাতিৰ অস্তিত্ব আধুনিক ভাৰত বুৰঞ্জীৰ-পৰা স্বাভাৱিকতেই বাদ পৰি যাব।

১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে স্বাক্ষৰিত হোৱা ইয়াণ্ডাবু সন্ধি অনুসৰি স্বাধীন অসম বৃটিছৰ অধীন হয়। সিবিলাকে নতুন ৰাজ্যখন শাসন কৰিবলৈ লোৱাত তেওঁলোকৰ পূৰ্ব অধিকৃত বংগদেশৰপৰা ভালেমান বঙালী বিষয়া, কেৰাণী, মহৰি আদিও অসমলৈ আহে। সিবিলাকে বৃটিছক প্ৰভাৱিত কৰি নিজৰ সুবিধা অনুযায়ী অসমৰ শাসন-নীতি চলাবলৈ সক্ষম হয়। তেতিয়াৰপৰাই চকুত পৰাকৈ অসমত বঙালীৰ প্ৰব্ৰজন ঘটে। কম বছৰৰ ভিতৰতে প্ৰব্ৰজনকাৰী বঙালীসকলে অসমৰ চাকৰি-বাকৰি, বেপাৰ-বণিজ, মাটি-বাৰী ভালেখিনি দখল কৰি লয়। তেতিয়াৰ কম সংখ্যক সচেতন আৰু শিক্ষিত অসমীয়াই যথাস্থানত এই বিষয়ে আপত্তি দৰ্শাইছিল। এই সন্দৰ্ভত তেতিয়াৰ বংগীয় চৰকাৰৰ নিৰ্দেশক্ৰমে অসম পৰিদৰ্শন কৰিবলৈ অহা মোফাট মিল্‌চে প্ৰতিবেদনত উল্লেখ কৰিছে : 'The natives of the Province (Assam) have great reasons to complain of the prefer-

ence which is to often given to the Bengalees, when selecting officers to fill the vacancies. A number of Bengalees came into Assam when we took the Province, and from the uneducated State of the Assamese, it was necessary to give them service, but there are now in Sibsagar and Gauhati many youngmen of high family and good character who have Qualified themselves for employ, and it is most discouraging to them to see most of the high and some of the inferior offices filled by foreigners? এয়া ১৮৫৩-৫৪ খ্ৰীষ্টাব্দৰ কথা। সেই খোপনি পোতাৰ সময়ৰপৰা ১৯৮০ চনলৈকে পশ্চিম আৰু পূব বংগৰপৰা (বৰ্তমানৰ বাংলাদেশ) বঙালীলোকৰ অসম আগমন চলিয়ে আছে। সিবিলাকৰ জনসংখ্যা অসমত আজি ভয়াবহৰূপে দেখা দিছে। অসমৰ চৰকাৰী, অৰ্ধচৰকাৰী, বেচৰকাৰী অফিচত তেওঁলোকৰ প্ৰভাৱ লেখত-ল'বলগীয়া; ব্যৱসায়-বাণিজ্যত তেওঁলোক আগৰণুৱা, আনকি পৰিকল্পিত-ভাৱে মাটি-বাৰী কৰি লোৱাতো সিদ্ধহস্ত। তদুপৰি, ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোক সদা জাগ্ৰত। এনেকুৱা সামগ্ৰিকভাৱে তীব্ৰ-সচেতন ব্যক্তি বংগৰ পক্ষে গৌৰৱৰ পাত্ৰ হ'ব পাৰে; কিন্তু অসমৰ পক্ষে সেয়া যথেষ্ট ক্ষতি-কাৰক; কিয়নো তেওঁলোকে আশ্ৰয়দাতা থলুৱা অসমীয়াক আপোন কৰি ল'ব পৰা নাই, অসমক নিজৰ মাতৃভূমি বুলি ভাবিব পৰা নাই; অসমত জন্ম গ্ৰহণ কৰিও তেওঁলোকে বংগদেশকহে মাতৃভূমি বুলি জ্ঞান কৰাৰ দৃষ্টান্ত পাইছোঁ। এইটো সঁচা কথা যে অসমৰ সকলো বঙালীয়েই এই দৃষ্টিভংগীৰ লোক নহয়; কিছুমান গুণী-জ্ঞানী বঙালীলোকে অসমৰ উন্নতিৰ কাৰণে বিশেষ বৰঙনি যোগোৱা উদাহৰণো আছে।

হিন্দু বঙালীৰ বাহিৰেও বৃটিছৰ আমোলত পূব বংগৰপৰা অসংখ্য মুছলমান লোক অসমত সোমাই পৰে। ১৯০৫ চনত 'পূৰ্ব বংগ ও আসাম' নামেৰে একেখন প্ৰদেশ গঠিত হোৱাত প্ৰব্ৰজনৰ সুবিধা বেছি সুচল হয়; ১৯১২ চনৰ এপ্ৰিল মাহৰপৰা অসম প্ৰদেশ পূব বংগৰপৰা ফাটি আহি এখন সুকীয়া প্ৰদেশ গঠিত হ'ল যদিও প্ৰব্ৰজনৰ সোঁত বন্ধ নহ'ল। তাতে আকৌ চাৰ চৈয়দ চাদুল্লাৰ নেতৃত্বাধীন মুছলীম লীগে অসম মন্ত্ৰীসভা গঠন কৰাত মুছলমানসকলৰ অসম আগমন বহুগুণে বৃদ্ধি পালে। ১৯৪৪ চনত এনেকুৱা শংকটে দেখা দিলে যে অসম প্ৰদেশ পূব বংগৰ লগত চামিল হ'বৰ উপক্ৰম হ'ল।

অসম চৰকাৰৰদ্বাৰা নিয়োজিত ১৯৩৮ চনৰ Line System Commiteeৰ



প্ৰতিবেদনৰপৰা দেখা যায় যে বহিৰাগত মুছলমানৰ সংখ্যা-বৃদ্ধি ১৯২১ চনৰ ৯%ভাগৰ ঠাইত ১৯৩১ চনত ১৯%ভাগ হয় আৰু ১৯৪১ চনত ২৩%ভাগ হয়। অকল বৰপেটা মহকুমাতেই ১৯১১ চনৰ ০.১%ভাগৰ ঠাইত ১৯৪১ চনত ৪৯% ভাগ বৃদ্ধি পায়। ১৯২১ চনত কামৰূপ জিলালৈ অহা বহিৰাগত মুছলমানৰ সংখ্যা আছিল ৪৪,০০০ আৰু ১৯৩১ চনত সেয়া হ'লগৈ ১,৩৪,০০০। ১৯২১ চনৰপৰা ১৯৩১ চন পৰ্যন্ত মাত্ৰ দহটা বছৰৰ ভিতৰত বৰপেটা মহকুমাৰ এখন বিশেষ মৌজাত বহিৰাগত মুছলমানৰ সংখ্যা বৃদ্ধি হৈছিল ১৫০%ভাগ; গুৱাহাটী মহকুমাৰ অন্তৰ্গত পূব আৰু পশ্চিম ছমৰীয়া মৌজা দুখনত ক্ৰমে ১৪২%ভাগ আৰু ১৬৮%ভাগ বৃদ্ধি পাইছিল। চৰকাৰী প্ৰতিবেদনমতে নগাঁও জিলাৰ লাওখোৱা, ধিং, বোকানী, লাহৰীঘাট আৰু জুৰীয়া মৌজাত ১০০ৰ-পৰা ২৯৫%ভাগ বৃদ্ধি পাইছিল। অসম উপত্যকাত বহিৰাগত মুছলমানৰ বৰ্ধিত সংখ্যাৰ পৰিমাণ বৰ আচৰিত ধৰণৰ; ১৯১১ চনত ৩,৬৫,৫৪০ জন মুছমানৰ ঠাইত ১৯৩১ চনত ৯,৫৩,২৯৯জন হয়গৈ। অসমৰ অন্যান্য জিলাতো পৰিকল্পিতভাৱে মুছলমানৰ সংখ্যা বৃদ্ধি কৰি শেষত মুছলীম লীগে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি দাবী জনাইছিল। সৌভাগ্যক্ৰমে জাতিৰ পিতা মহাত্মাগান্ধীৰ আশীৰ্বাদত আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ বলিষ্ঠ নেতৃত্বত অসমে সুকীয়া অস্তিত্ব ৰক্ষা কৰিবলৈ সমৰ্থ হ'ল।

ভৌগোলিক মানচিত্ৰত অসম থাকিল; কিন্তু অসমীয়াৰ মাটি-বাৰী, বেপাৰ-সমাৰ, চাকৰি-বাকৰি, শিল্প-প্ৰতিষ্ঠান, টকা-সিকা প্ৰভৃতি জীয়াই থকাৰ ঘাই সমলবিলাক অনা-অসমীয়াৰ হাতলৈ গ'ল। আচলতে ১৮২৬ খ্ৰীঃৰপৰা ১৯৪৭ চনৰ অন্তৰ্গত কালছোৱাতেই অসম আৰু অসমীয়া ক্ষয়-ৰোগত আক্ৰান্ত হৈ পৰিছে। যোৱা ৩৩ টা বছৰত কম্মা অসমমাতৃ অৱহেলিতা হৈ থাকিল। তেওঁৰ সুযোগ্য সন্তান গোপীনাথ বৰদলৈয়ে যথাসাধ্য যত্ন নকৰা হলে আজি হয়তো আমি পুৰণি ভূগোল-বুৰঞ্জী পঢ়ি হিয়া ধাকুৰি কান্দিব লাগিলহেঁতেন।

সম্প্ৰতি দুটা প্ৰধান সমস্যাই থলুৱা অসমবাসীক শংকাগ্ৰস্ত কৰি তুলিছে; এটা হ'ল পৰিকল্পিতভাৱে বাংলাদেশী মুছলমানৰ ভয়ংকাৰী অসম-আগমন, আৰু আনটো হ'ল হিন্দু বঙালীৰ সম্প্ৰসাৰণবাদিতা। বহিৰাগত মুছলমান-সকলে ধৰ্মৰ ভেঁটিত অসমক বাংলাদেশৰ লগত চামিল কৰিবলৈ বিচাৰে, আনহাতে বঙালীসকলে ভাষাৰ গইনা লৈ 'বৃহত্তৰ বাংলা' সৃষ্টি কৰিব খোজে। ১৯০৬ চনত ঢাকাত মুছলীম লীগ স্থাপিত হোৱা সময়ত নবাব চেলিম উল্লা খাঁই সম্পূৰ্ণ অসমক মুছলমান

বহুল কৰি ভাৰতৰপৰা পৃথক কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল। ১৯৩১ চনলৈকে চাৰ চাদুল্লাৰ নেতৃত্বত গঠিত অসমৰ মুছলীম লীগ মন্ত্ৰী-সভাই এই ক্ষেত্ৰত ভালেখিনি ইন্ধন যোগাইছিল। অসমক পাকিস্তানত সুমাই ল'বলৈ মুছলমান নেতাসকল বৰ তৎপৰ হৈছিল। মহম্মদ আলি জিন্নাই তেওঁৰ ব্যক্তিগত সচিব মইনুল হক চৌধুৰীক (ভাৰতৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী) কৈছিল যে—আৰু দহবছৰ অপেক্ষা কৰক, মই সমগ্ৰ অসম ৰাজ্যখন ৰূপৰ থালত তুলি আপোনাক উপহাৰ দিম।" (দৈনিক বিশ্বামিত্ৰ, হিন্দী, ৬ ফেব্ৰুৱাৰী, ১৯৮০) এই সপোন বাস্তৱত পৰিণত কৰিবলৈ এতিয়াও কিছুমান মুছলমান নেতাৰ তৎপৰতা পৰিলক্ষিত হয়। ১৯৬২ চনৰ ২৭ জুন তাৰিখে লোকসভাত অসমৰ এজন এম-পিয়ে অসংখ্য পাকিস্তানী মুছলমানৰ অসম-প্ৰৱেশ সম্পৰ্কে প্ৰশ্ন কৰোঁতে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে উত্তৰত কৈছিল—'You refer to Pakistani infiltration. This is perfectly true. But you will appreciate the fact that this infiltration from Bengal to Assam has been taking place for a long time past. I remember reading about it in census report of half a century ago. Infiltration should be stopped and effectively dealt with. I believe that much of this infiltration took place in the first five years after independence when the border was not adequately guarded. Probably it will be difficult now to deal with illegal immigrants who came before 1952. We might therefore fix 1952 as the date of our enquiry." (The Assam Tribune, January 31, 1980). প্ৰসংগোচিত কথা যে ১৯৬২ চনতে প্ৰধানমন্ত্ৰী নেহৰুৱে বহিৰাগতৰ সমস্যাৰ গুৰুত্ব উপলব্ধি কৰিছিল; কিন্তু বৰদলৈৰ পিছৰ অসমৰ মুখ্যমন্ত্ৰী-কেইজনে ইয়াৰ সৰ্বনাশী ভূমিকা বুজি নাপালে।

আনহাতে যদি ভাষাভিত্তিক বঙালী সম্প্ৰসাৰণবাদিতা সম্পৰ্কে দৃষ্টিপাত কৰোঁ তেন্তে তাতো পাওঁ ষড়যন্ত্ৰৰ দৃষ্টান্ত। ১৮২৬ খ্ৰীষ্টাব্দত বৃটিছৰ তলত চাকৰি কৰিবলৈ অসমলৈ অহা বঙালী বিষয়া, কেৰাণী, মহৰিবিলাকে বৃটিছ চৰকাৰী বিষয়াসকলক হাতকৰি ১৮৩৫ খ্ৰীঃৰপৰা ১৮৭২ খ্ৰীঃলৈ অসমত অসমীয়াৰ সলনি বঙলাক চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত চলাবলৈ সক্ষম হ'ল। পিছে অসমত থকা আমেৰিকান বেপ্তিষ্ট মিছনাৰী আৰু থলুৱা মাতৃভাষা-প্ৰেমী অসমীয়া ব্যক্তিকেইজনমানৰ যুটীয়া আন্দোলনৰ ফলস্বৰূপে অসমত পুনৰ অসমীয়া ভাষাই ন্যায্য স্থান পালে। তথাপি বঙালীসকলে ভাবিব



সম্প্ৰসাৰণ-মনোভাৱ এৰি নিদিলে। অসমৰ গাঁৱে-চহৰে স্কুল পাতিলে, বংগৰপৰা লোক আনি চাকৰি, ব্যৱসায়-বাণিজ্যত সুমাই দিলে, অসমত বঙালী জাগৰণ অনাৰ বাবে বিভিন্ন অনুষ্ঠান, সাহিত্য পৰিষদ আদি স্থাপন কৰিলে। ফলত ক্ৰমশ: বাংলাভাষীলোকৰ সংখ্যা বৃদ্ধি পালে। স্বাভাৱিকতেই তেওঁলোকৰ মনলৈ ৰাজনৈতিক বল এটা আহিল। সেয়েহে ১৯৩৫ চনৰ ২০ নৱেম্বৰ তাৰিখে তেজপুৰত অনুষ্ঠিত হোৱা অসমৰ বঙালী সমাজৰ বিৰাট ৰাজহুৱা সভাত ঘোষণা কৰা হ'ল যে অসমত থকা ৫½ লাখ বাংলাভাষী হিন্দুলোকৰ বুদ্ধি, কুৰি হাজাৰ মাৰোৱাৰীৰ সম্পদ, ছয়লাখ বিহাৰী কুলি, ৫½ লাখ অনুপ্ৰৱেশকাৰী ভুটীয়াৰ কৃষি-উদ্যোগ, ৩০০০ শিখ্ ধৰ্মীলোকৰ সামৰিক বল, ১৪০০০০ নেপালী আৰু অন্যান্য অনা-অসমীয়া বাসীন্দা লগ লাগিলে নিশ্চয় অসমক শাসন কৰিব পৰা হ'ব; তেতিয়া অসমীয়া নেতাবিলাকে অসম ভৰি পৰা বঙালীৰ কথামতে চলিবলৈ বাধ্য হ'ব ( The Amrita Bazar Patrika, 22. 11. 35 )।" ১৯৪৪ চনত হুমায়ুন কবিৰে তেওঁৰ সম্পাদিত India কাকতত লিখিছিল : "One can easily vitualise a Bengali State comprising about 10 million people and living in a compact area. Such a State would include the present administrative province of Bengal and some of the outlying districts of Assam and Bihar. In fact the province of Assam may be wholly incorporated in it" ('Assam : Her people and Her Language,' গ্ৰন্থৰপৰা উদ্ধৃত)। ১৯৪৫ চনৰ ১৩-১৫ এপ্ৰিলত শ্বিলঙত বহা নিখিল আসাম বাংলা ভাষা ও সাহিত্য সম্মেলনৰ প্ৰথম অধিবেশনত সভাপতি বাৰিষ্টাৰ এস, ওৱাজেদ আলি ডাঙৰীয়াই দৃঢ়তাৰে কৈছিল যে 'বংগভাষাৰ বিস্তাৰ আৰু বাংলা সাহিত্যৰ ব্যাপক অনুশীলন আৰু আলোচনা এই ( অসম আৰু বংগদেশ লগ লাগি ) বৃহত্তৰ বাংলাৰ প্ৰাদেশিক সংগঠনৰ ওপৰত অনেকখিনি নিৰ্ভৰ কৰে। এই অখণ্ড ৰাজনৈতিক ঐক্যবোধ আনপক্ষে বাংলাভাষা আৰু সাহিত্যৰ মাধ্যমেৰেই সম্ভৱ। সকলোতে বঙালী মাত্ৰেই এইপিনে দৃষ্টি থকা বাঞ্ছনীয়।' —এই নিচিনা বহুত উদাহৰণ দিব পাৰি; কিন্তু বাহুল্য কৰা নিষ্প্ৰয়োজন।

প্ৰসংগক্ৰমে কৈ থোৱা যাওক যে অকল বঙালী হিন্দু আৰু মুছলমানেই যে বৰ্তমান অসমৰ শংকটাৱস্থাৰ সৃষ্টি কৰিছে তেনে নহয়, নেপালৰপৰা অহা লাখ লাখ নেপালীয়েও ইয়াত ইন্ধন যোগাইছে। এই সন্দৰ্ভত স্পষ্টভাৱে কৈ থোৱা ভাল যে বৃটিছ ৰাজত্বৰপৰা আৰম্ভ কৰি ভাৰত বিভাজন

হোৱাৰ সময়লৈকে অসমত বাস কৰা অনা-অসমীয়া বা নতুন অসমীয়া মানুহখিনিৰ বিষয়ে আপত্তি কৰিবলগীয়া একো নাই; সেয়া আইনে ঢুকি নোপোৱা বিষয়। লগতে ইয়াকো ক'ব পাৰি যে তেতিয়ালৈকে বহিৰাগতক ঠাই দিব পৰা সামৰ্থ্য অসমৰ আছিল; কিন্তু এতিয়া বৰ্দ্ধিত জনসংখ্যাৰ ভাৰসাম্য পাৰ ভাঙি গৈছে, গতিকে সহস্ৰ জনস্ৰোত বহন কৰিবলৈ এতিয়াৰ অসম ৰাজ্য অক্ষম। সেয়েহে অসমত আজি ব্যাপক গণ-আন্দোলন চলিছে। এই আন্দোলন অসমত অসমীয়া জাতি সামগ্ৰিকভাৱে বঞ্চিত হোৱাৰ আন্দোলন—অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে কৰা কালজয়ী সংগ্ৰাম। এই আন্দোলন ভাৰতৰ বিভিন্ন ৰাজ্যৰপৰা অসমলৈ অহা লোকৰ বিৰুদ্ধে নহয়, কোনো বিশেষ জাতি, ধৰ্ম বা ভাষাৰ বিৰুদ্ধেও নহয়, এই আন্দোলন অসমত অবৈধভাৱে অনুপ্ৰৱেশ কৰা বিদেশী নাগৰিকৰ বিৰুদ্ধেহে। এয়া এক শান্তিপূৰ্ণ যুক্তিনিষ্ঠ সংবিধানসন্মত আন্দোলন।

অসমৰ সাম্প্ৰতিক গণ-আন্দোলন অকল অসমৰে অস্তিত্বৰক্ষাৰ আন্দোলন নহয়—ই ভাৰতৰ সাৰ্বভৌমত্ব আৰু সংহতি ৰক্ষাৰ কাৰণেও এক গুৰুত্বপূৰ্ণ সংগ্ৰাম। এই আন্দোলনৰ গুৰি ধৰিছে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদে। গণ-সংগ্ৰামত যোগ দিছে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে শিক্ষিত অসমপ্ৰেমী যুৱক-যুৱতী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য চিন্তাশীল ব্যক্তিয়ে। অসম সাহিত্য সভাৰ কৰ্ম পৰিষদে গণ-সংগ্ৰাম পৰিষদৰ সদস্য হিচাপে কাম কৰিছে। আচলতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমস্ত থলুৱা অসমীয়া এই আন্দোলনত জড়িত হৈ পৰিছে। তদুপৰি আন্দোলনৰ মহৎ উদ্দেশ্য বুজি উক্ত দুয়োটা প্ৰধান সন্থাৰ আহ্বানত যোৱা বছৰৰ নৱেম্বৰ মাহৰপৰা চলোৱা গণ-সত্যাগ্ৰহত অসমত বাস কৰা সকলো গোষ্ঠিৰ লোকেই তাত অংশ গ্ৰহণ কৰিছে। উল্লেখযোগ্য কথা যে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও এই আন্দোলনত সঁহাৰি দিছে। দুয়োটা সন্থাই আহ্বান কৰা অসহযোগ আন্দোলনত অসম চৰকাৰৰ প্ৰথম শ্ৰেণীৰ বিষয়াকে ধৰি সকলো কৰ্মচাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ বেংক, জীৱন বীমা, ভাৰতীয় খাদ্য নিগম, ৰেল বিভাগ প্ৰভৃতিৰ কৰ্মীসকলেও যোগ দি সাম্প্ৰতিক গণ-আন্দোলনক সাফল্যমণ্ডিত কৰি তুলিছে। আন্দোলনৰ ফলত অসমৰ ১২টা সমষ্টিত মধ্যকালীন লোকসভাৰ নিৰ্বাচন নহ'ল; কেৱল বঙালী অধ্যুষিত কাছাৰ জিলাৰ দুটা সমষ্টিত নিৰ্বাচন হ'ল। বিদেশী নাগৰিকৰ আধিপত্য থকা কাছাৰ জিলাত নিৰ্বাচন পতাটো একো আচৰিত কথা নহয়।

বিদেশী নাগৰিকক অসমৰ ভোটাৰ তালিকাৰপৰা বাদ দিয়া আৰু সিবিলাকক



ৰাজ্যখনৰপৰা বহিষ্কাৰ কৰা কামটো কোনোমতে অসাংবিধানিক বা অগণতান্ত্ৰিক নহয়; তাতে আকৌ সংশ্লিষ্ট ৰাজ্যখনৰ অস্তিত্ব লুপ্ত হ'ব লগা হ'লে ততালিকে বিদেশীক দেশান্তৰ কৰাটো স্বদেশ-প্ৰেমিকৰ চাৰিত্ৰিক বৈশিষ্ট্য হোৱা উচিত। এনে আন্দোলনত দেশৰ সকলো নাগৰিকে জপিয়াই পৰা বাঞ্ছনীয়। তেনেস্থলত কিছুমান সমাজ বিৰোধী, সুবিধাবাদী আৰু ৰাজনৈতিক ষড়যন্ত্ৰকাৰীয়ে অসমৰ এই আন্দোলনক বিপথে নিবলৈ চেষ্টা কৰাটো অকল অসমবাসীৰ পক্ষেই নহয় ভাৰতবাসীৰ পক্ষেও ক্ষতিকাৰক। আৰু এটা বৰ পৰিতাপৰ কথা যে অসমক গ্ৰাস কৰিবলৈ অবৈধভাৱে সোমোৱা বিদেশীবিলাকক ৰাজ্যৰপৰা বহিষ্কাৰ কৰা কামটো কৰিব লাগিছিল কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সহায়ত; তাৰবাবে আন্দোলনৰ প্ৰয়োজন নাছিল, কাৰণ, এইটো ৰাষ্ট্ৰীয় সমস্যা, অথচ এই ক্ষেত্ৰত আগ বাঢ়িব লগা হ'ল কুমলীয়া ছাত্ৰসকল; চি-আৰ-পি, মিলিটাৰীৰ বলি হ'ব লগা হ'ল খৰ্গেশ্বৰ তালুকদাৰ, নগেন ডেকা, অজিত নেওগ, কুমুদ গগৈ, নৃপেন বৰা প্ৰভৃতি যুৱকসকল। এই সন্দৰ্ভতে দিলীপ হুজুৰী, কমল বৰাও নিহত হ'ল। দুলীয়াজানত আহত হ'ল বহুকেইজন যুৱক-যুৱতী, পুৰুষ-তিৰোতা। উত্তৰ কামৰূপত সামৰিক বাহিনীয়ে নাৰীৰ ওপৰত পাশৱিক অত্যাচাৰ-ব্যভিচাৰ কৰিলে। বলিষ্ঠ ভাৰতীয় জোৱানে নিৰীহ ভাৰতীয় নাৰীক ধৰ্ষণ কৰাৰদৰে ঘৃণনীয় পাপৰ উদাহৰণ মানৱী সভ্যতাৰ বুৰঞ্জীত অতি বিৰল।

সামগ্ৰিকভাৱে আমি অসমবাসী যথেষ্ট ক্ষতিগ্ৰস্ত হৈছোঁ যদিও এটা সময়ত আমি সুফল পামেই। কাৰণ, সত্যৰ সদায় জয়; যথাসময়ত আমি জয়ী হম, ন্যায়ধৰ্মই আমাক আগুৱাই নিব। আন্দোলনৰ সন্দৰ্ভত আমি ইতিমধ্যে কিছুপৰিমাণে সাফল্যও লাভ কৰিছোঁ, দুই-এখন ঠাইৰ বাহিৰে সম্প্ৰতি সমগ্ৰ ভাৰতবাসীয়ে অসমৰ জ্বলন্ত সমস্যাটো সহানুভূতিৰে চাইছে; কেন্দ্ৰীয় চৰকাৰে আগৰ বছৰবোৰৰ তুলনাত এইবেলি তৎপৰতাৰে দৃষ্টি নিক্ষেপ কৰিছে। যোৱা ২২ ফেব্ৰুৱাৰী তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীজৈইল সিং তিনিদিনীয়াকৈ অসম ভ্ৰমণ কৰি ৰাজ্যখনৰ শোকাকুল অৱস্থাৰ বুজ লৈ গৈছে। তেওঁৰ আগতেও দুজন কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আহিছিল। অচিৰতে প্ৰধানমন্ত্ৰীও অসমলৈ আহিব বুলি কৈছে। ইতিমধ্যে সীমান্তত পহৰা-চকীৰ সংখ্যা বৃদ্ধি কৰা হৈছে।

অহিংস আৰু গণতান্ত্ৰিক আন্দোলনটোৱে অসমবাসীক নতুনকৈ জগাই তুলিছে; কম-বেছি পৰিমাণে অসমীয়াৰ মনত জাতীয় চৈতন্য জাগি উঠিছে; আমাৰ

নতুন পুৰুষ ভাগেখিনি সাহসী আৰু সচেতন হৈ পৰিছে; যুক্তি, তথ্য আৰু সংবিধানৰ দৃষ্টিৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ ন্যায্য দাবী উত্থাপন কৰি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক প্ৰত্যয় মনাবলৈ ছাত্ৰনেতা-সকল সক্ষম হৈছে। এয়া কম আনন্দৰ কথা নহয়। ইয়াৰবাবে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দ অসমৰ গৌৰৱস্বৰূপ। এই গৌৰৱৰ ভাগী সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ ত্যাগী কৰ্মীবৃন্দ আৰু অসমপ্ৰেমী জনগণ। আমি আন্তৰিকতাৰে আশাকৰোঁ যে কেন্দ্ৰীয় চৰকাৰে অসমক ৰক্ষা কৰাৰ কাৰণে বিবেচনা কৰিব।

—o—

নাৰায়ণ দাস

# অসমীয়া স্বৰলিপিৰ বিকাশৰ ধাৰা

দেৱানং পিয়ে পিয়দসি ৰজা'ৰ 'ধম্মলিপি'মালাত ব্যৱহৃত বহুকথিত ব্ৰাহ্মী লিপিয়ে কুষাণবংশীয় নৃপতি-সকলৰ হতুৱাই পূবা আৰু পশ্চিমা এই দুই শৈলীৰ জন্ম দিয়ে।[1] গুপ্ত সভ্যতাৰ স্বৰ্ণখচিত যুগত পূৰ্বী-ব্ৰাহ্মীয়ে বিশিষ্টৰূপ পৰিগ্ৰহণেৰে খ্ৰীষ্টীয় সপ্তম শতিকামানত সমীক্ষকসকলৰ কৃপাত 'সিদ্ধমাতৃকা' বা 'কুটিলাক্ষৰ'[2] বিশেষণেৰে বিভূষিত হৈ উত্তৰ-পূৰ্ব ভাৰতভূমিত নাগৰী, কৈথী, বঙলা, উড়িয়া আৰু অসমীয়া লিপিৰ জন্ম দিয়াটো ঐতিহাসিক কথা। খ্ৰীষ্টীয় একাদশ শতাব্দীত পৰিব্ৰাজক আলবেৰুণীয়ে সংস্কৃত ভাষা লিখাৰ কাৰণে যি 'গৌড়ী'লিপিৰ[3] সন্ধান পাইছিল সেয়া নিসন্দেহে 'বংগলিপি' নহয়—সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰতত বহুলভাৱে প্ৰচলিত সামান্য (Common) লিপিহে।

অসমীয়া লিপিৰ ইতিহাস দীৰ্ঘদিনীয়া। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ উমাচললিপিত আৰম্ভ কৰি শ্ৰীৰামপুৰৰ মিছনেৰী প্ৰেছৰ পৰা ইং ১৮১৩ চনত নগাঁৱৰ আত্মাৰাম শৰ্মাৰ দ্বাৰা অনূদিত বাইবেলৰ ছপা ৰূপ ওলোৱাৰ আগলৈকে অসমীয়া লিপিয়ে যি ক্ৰম-বিৱৰ্তনৰ পথেদি আগবাঢ়িছিল তাৰ বিজ্ঞানভিত্তিক অধ্যয়নে অকল সীমা-সুৰিমলি দেশ অসমতে নহয়, সমগ্ৰ পূৰ্বাঞ্চলতেই প্ৰত্নতাত্ত্বিক দিশবিশেষত নতুন পোহৰ পেলায়। গুপ্তলিপিৰ প্ৰাচ্যশৈলীৰ[4] চানেকি প্ৰদৰ্শন কৰা সুৰেন্দ্ৰবৰ্মাৰ লিপিৰ পাথৰে ত্ৰয়োদশ শতাব্দীৰ কানাই বৰশীবোৱা তুৰুস্ক-কম্পৰ লিপিত সম্পূৰ্ণ বিকশিত হৈ মধ্যযুগৰ মধ্যম স্তৰগত আকৌ গড়গঞা, কাইথেলী (লহকৰী) আৰু বামুণীয়া এই তিনিটা ধাৰাত বিভাজিত হৈ[5] বৰ্তমানৰ ছপাশালত আত্মসমৰ্পণ কৰাৰ ইতিহাস বৈচিত্ৰ্যময়। বৰ্তমানৰ প্ৰবন্ধত একমাত্ৰ স্বৰলিপিকেইটাৰহে বিকাশৰ চমু বুৰঞ্জী দাঙি ধৰা হ'ল।

অসমীয়া স্বৰলিপিৰ বিৱৰ্তনৰ পৰিচয় দিবলৈ হ'লে আমি মৌৰ্য্যযুগীয় ব্ৰাহ্মীলিপিৰ ওচৰ চাপিব লাগিব। সম্ৰাট অশোকৰ বিভিন্ন অনুশাসনত অ, আ, ই, এ, উ ও আৰু অং এই সাতোটা স্বৰৰহে অৱস্থিতি লক্ষ্য কৰোঁ।[6] মধ্যৱৰ্তী স্থানত অৱশ্যে ঈ, ঊ, ঐ আৰু ঔ ৰো প্ৰয়োগ নথকা নহয়।[7] ইয়াৰে অ, ই আৰু উ ৰ গঠন মৌলিক। ইয়াৰ পৰাই বাকীবোৰ স্বৰ-লিপিৰ বিকাশ সম্ভৱ হৈছে।[8]

---

১. Verma, T. P.—*The Palaeography of Brahmi Script.* (1971), pp 109-110
২. Bühler, G. *Indian Palaeography* (1959) PP 51-53; Agrawala, V. S—*Indian System of writing* (1966) P. 13. ৩. Sachau (tr) *Alberuni's India* (1910) PP 173
৪. Bühler. G.—*Ibid* P 46 ৫. Bhuyan. S. K. Preface to *Descriptive Catalogue* of *Assamese Manuscript*, (1930) P 17 ৬,৭. Verma, T. P—*Ibid* P 8. ৮. Upasak. C. S. *The History and Palaeography* of *Mauryan Brahmi Script.* (196 ) P 15

উনৈশ প্ৰকাৰ ৰূপভেদ থকা [৯] মৌৰ্যযুগীয় অ ৰ মান্য (standard) ৰূপটো হ'ল কৌণিক। দণ্ডৰ বাওঁফালে কল্পিত শিৰ আৰু ভূমিৰেখাৰপৰা ছুডাল সৰলৰেখা আহি দণ্ডৰ সোঁমাজত তিনিটা সূক্ষ্ম কোণৰ সৃষ্টি কৰে। (অপকৰণমহি—১২ নং গিৰনাৰ শৈললেখ, ৭ শাৰী) অ অক্ষৰৰ দণ্ডৰ শিৰ বা মধ্যস্থানত এডাল চুটি ৰেখা টানি দিলেই সি 'আ'ৰ ৰূপ লয়। (আঞ্ৰপিতং— ৩ নং গিৰনাৰ শৈললেখ, ১ শাৰী) আ ৰ ৰূপভেদৰ সংখ্যা হ'ল ২৮। 'ই' ৰো চাৰিটা প্ৰকাৰভেদ আছে। ইয়াৰে মান্য ৰূপটি হ'ল—কল্পিত ত্ৰিভুজৰ তিনিটা কোণত তিনিটা বিন্দু। বাওঁহাতে তলে-ওপৰে দুটা আৰু সোঁহাতে সমদূৰত্বত আৰু সোঁমাজত এটা বিন্দু। (ইদং— ৪নং গিৰনাৰ ১১ শাৰী। ইৰ দৰে 'উ' ৰো ৰূপ চাৰিটা। ইয়াৰে মান্যৰূপত দণ্ডৰেখাত (vertical line) ভূমিৰপৰা সোঁহাতে অনুভূমিক ৰেখা (horizon tal line) আগবাঢ়ি ইংৰাজী L আখৰৰ সৃষ্টি কৰে (উষ্টান মহি, ৬ নং গিৰনাৰ শৈললেখ, শাৰী ১১)। ই ৰ বিন্দু তিনিটাত তিনিডাল সৰল ৰেখাৰে সংযোগ কৰিলেই মান্য এ পাওঁ (এৰ-১ গিৰনাৰ, ৬ শাৰী)। অৱশ্যে ইয়াৰো ভিন্ন আঠোটা ৰূপ আছে। এডাল উৰ দণ্ডৰ বাওঁফালে শিৰোৰেখা আগবঢ়ালেই সৃষ্টি হয় মান্য 'ও' বৰ্ণ (ওৰধনমহি—৬ নং গিৰনাৰ, ৩ শাৰী)। ইহাৰ ৰূপভেদ চাৰিটা।

খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা দুই শতাব্দী জুৰি অশোক-যুগীয় ব্ৰাহ্মীৰ ভালেখিনি পৰিৱৰ্তন হয়। স্বৰলিপিৰ ভিতৰত অৱ পৰিৱৰ্তন চকুত লগা। বাওঁফালৰ ৰেখাদ্বয়ক্তকৈ দণ্ডৰ দৈৰ্ঘ ভালেখিনি বৰ্দ্ধিত হ'ল। ইয়াৰ নিম্নাংশই সোঁহাতৰপৰা বাওঁহাতলৈ ঢালখালে। বাওঁহাতৰ উৰ্ধৰেখাই নিম্নৰেখাৰ লগত লগলগা সময়ত ক্ষুদ্ৰ একোটি কোণৰ সৃষ্টি কৰি অনুভূমিক ৰেখা এডালেৰে দণ্ডক স্পৰ্শ কৰা দেখা গ'ল। বক্ৰ-শৈলীৰ বক্ৰতা (cursive) অংশই আৰু অধিক ঘোৰ খালে।[১০]

গুপ্তকালীন পূৰ্বী ব্ৰাহ্মীৰ পৰিৱৰ্তনো কোনোপধ্যেই উপেক্ষণীয় নহয়। কলম আৰু চিয়াঁহীৰ প্ৰয়োগে এই সময়ৰ লিপিৰ দ্ৰুত পৰিৱৰ্তন সাধিলে। বাওঁহাতৰ উৰ্ধৰেখাৰ মূৰত শিৰোৰেখা দৃশ্যমান হ'ল। ই ৰ বিন্দু তিনিটাই ক্ষুদ্ৰ ৰেখাৰে মোট সলালে। উ ৰ দণ্ড-ৰেখাৰ শিৰত ক্ষুদ্ৰৰেখা আৰু ভূমিত হাঁকোটা লাগিল। সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তিৰ লিপিয়ে ওপৰৰ মন্তব্যৰ সাক্ষ্য দিয়ে। পুৰণি অসমৰ আদিস্তৰৰ লিপিতো পূৰ্বী গুপ্তলিপিৰ পৰিৱৰ্তনৰ ধাৰাটি লক্ষ্যকৰোঁ। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ দুখন শৈললেখ অসমত আৱিষ্কৃত হৈছে—প্ৰথমখন গুৱাহাটীৰ ওচৰৰ উমাচলত [১১] আৰু দ্বিতীয়খন নগাঁজৰী খনিকৰ গাঁৱত।[১২]

পঞ্চম শতাব্দীৰ লিপি দুখনত স্বৰলিপিৰ ভিতৰত একমাত্ৰ ই আৰু উ লিপিহে আদিস্থানত ব্যৱহৃত হৈছে। (ইদং—উমাচল, শাৰী ৪) ইৰ দণ্ডত ক্ষুদ্ৰ শিৰোৰেখা, নিম্নাংশত ক্ষুদ্ৰ পুচ্ছৰেখা আৰু তাৰ

৯. অশোকৰ অনুশাসনত ব্যৱহৃত স্বৰলিপিৰ ৰূপভিন্নতাৰ আটাইখিনি কথা ড° উপাসকৰ উল্লিখিত গ্ৰন্থৰপৰা লোৱা। ১০. Dani, A. H.— *Indian Palaeography*, (1963) P 86
১১. Sircar, D. C. and Chaudhury, P.D. *Epigraphia Indica* (ইয়াৰ পিছত EI ব্যৱহাৰ হ'ব) Vol XXXI, Part 11. (1956) আৰু Sarma, M. M—*Inscriptions of Ancient Assam* (ইয়াৰ পিছত IAA) 1978 PP 1-3 ১২. Chaudhury, P. C—*Journal of the Assam Research Society* (ইয়াৰ পিছত *JARS*) Vol XX PP 3-5 ; Sircar, D. C—*Journal of the Ancient Indian History* (ইয়াৰ পিছত *JAIS*) Vol VII, P 245 ; *IAA*—PP 303—305



বাওঁহাতে একেশাৰীতে দুটি শূন্যগৰ্ভ বিন্দু। মধ্যৱৰ্তী স্থানৰ আ-কাৰ হেলনীয়াকৈ আহি ব্যঞ্জনৰ শিৰো-ৰেখাত লগ লাগে। (মহাৰাজাধিৰাজ উমা° শা° ১) ই কাৰৰ বক্ৰৰেখা ব্যঞ্জনৰ শিৰোৰেখাৰ সোঁফালে ওপৰত আৰম্ভ হৈ বাওঁহাতলৈ ঘোৰ খাই অধুনা ই-কাৰৰ চৈতন্যৰ ৰূপটি লয়। (মহাৰাজাধিৰাজ— উমা° শা° ১, ৰাজিশ্বেৰাভিঃ, খনি° শা° ২) ঈ-কাৰৰ চৈতনৰ অংশটি অধিক ঘোৰ খোৱা আৰু ই শিৰোৰেখাৰ ওপৰৰ মধ্যস্থানত সংযোজিত। (কীৰ্ত্যাভং খনিকৰ শা° ৩) প্ৰথম কুমাৰ গুপ্তৰ বাইগ্ৰাম তাম্ৰশাসনৰো দীৰ্ঘ ঈ-কাৰ অসমৰ দৰে।

হ্ৰস্ব উৰ শিৰোৰেখাৰপৰা অৱনত দণ্ডই বাওঁ হাতলৈ মুখ কৰি এটি অৰ্ধবৃত্তৰ সৃষ্টি কৰে। (উত্তুঙ্গ—খনি° শা° ৩) ঊ-কাৰৰ ৰেখিকা আকৌ দণ্ডৰ ভূমিৰপৰা প্ৰায় সমান্তৰালভাৱে আন এডাল সৰলৰেখা অগ্ৰসৰ হোৱা দেখা যায়। (গুৰুং—উমা° শা° ৪) মধ্যস্থানস্থ ঋ-কাৰৰ চিন হ'ল— দণ্ডৰ তলত সোঁহাতলৈ মেলখোৱা এটি ক্ষুদ্ৰ অৰ্ধ-বৃত্ত। (কৃতম— উমা° শা° ২)। এ-কাৰযুক্ত ব্যঞ্জনৰ শিৰোৰেখাত দেৱনাগৰীৰ দৰে লগ লাগে। অৱশ্যে ইয়াৰ চৈতনৰ শিৰত টুপী নাই। (মহেন্দ্ৰ—উমা° শা° ২)। এ-কাৰ আৰু আ-কাৰৰ মিশ্ৰণেই ও-কাৰ। (ন্যগ্ৰোধ খনি° শা° ৪)

ষষ্ঠ শতকৰ লিপিৰূপে চিনাক্ত কৰা শৈললেখ পুৰণি অসমত উদ্ধাৰ হৈছে মাত্ৰ এখন। ভূতিবৰ্মাৰ আমোলত সেইখন বৰগংগাত খোদিত কৰা হৈছিল।[১৩]

এই লিপিৰ আদিস্থানত অ, আ আৰু হ্ৰস্ব ই লিপিৰ অৱস্থিতি লক্ষ্য কৰোঁ। দণ্ডৰেখাৰ নিম্নাংশ সোঁহাতলৈ অলপ ওলাই যোৱা। বাওঁহাতৰ বেঁকা ৰেখা দুডালে ৰূপ অসমীয়া ২ৰ ৰূপ লৈছে। ইয়াৰেই শিৰত এটি গোজ। ২ৰ পেটৰপৰা সৰলৰেখা এডাল গৈ দণ্ডৰ লগত মিলি পৰিছে। (অৱগুণস্য— শা° ৩) অনুৰূপ অ সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তি লিপিত আছে।[১৪] 'অ'ৰ তলত হিন্দী হ্ৰস্ব উ-কাৰৰ দৰে ঘোৰখোৱা ৰেখা এডাল বঢ়ালেই 'আ' লিপিৰ আদিস্থানৰ ৰূপটি পাওঁ (আয়ুষ্কাম্—শা°৩) মধ্যস্থানৰ আ-কাৰ (মহাৰাজা—শা° ১), ই-কাৰ (যাজিন—শা° ২) আৰু উ-কাৰ (অৱগুণশ্চ—শা°৩) উমাচল লিপিৰে অভিন্ন।

খ্ৰীষ্টীয় সপ্তম শতিকাত পুৰণি অসমীয়া লিপিৰ ভালেখিনি পৰিৱৰ্তন হয়। কাৰিকৰি ব্যৱস্থাৰ উন্নতি সাধন, অধিক অলংকৰণৰ প্ৰতি মনযোগ আৰু দ্ৰুত গতিত ঘোৰখোৱাকৈ লিখাৰ হেঁপাহ এই তিনিটা কাৰণত সমগ্ৰ ভাৰতৰ বিভিন্ন লিপিয়ে বিকাশৰ পথত উত্তৰণ কৰে বুলি ড° আহমদ হাছান দানীয়ে[১৫] আগবঢ়োৱা অভিমত অসমীয়া স্বৰলিপিৰ বিকাশৰ ক্ষেত্ৰতো প্ৰযোজ্য। কুমাৰ ভাস্কৰ বৰ্মাৰ ডুবি [১৬] আৰু নিধনপুৰ তাম্ৰ শাসনে [১৭] এই শতিকাৰ স্বৰলিপিৰ দিশটি প্ৰোজ্জ্বল কৰে। তদুপৰি এই শতকত অসমভূমিত চলা লিপিৰ দুটি ভিন্ন ষ্টাইলো উপযুক্ত তাম্ৰ শাসনদ্বয়তে দেখা যায়। ডুবিলিপিৰ শিৰোৰেখা বাওঁফালে অলপ মোটা আৰু সোঁফালৰ অন্তিম তৰংগ অৱনত। কোনো কোনো

১৩. Bhattasali — *JARS* Vol VIII, No 4, Sircar, D.C.—*Indian Museum Bulletin*, 1969 Sarma, M.M.— *IAA*—pp 5—9 ১৪. Fleet. J.— *Corpus Inscriptionum Indicarum* vol III (1888) P. I. ১৫. Dani — উল্লিখিত গ্ৰন্থ, পিঠি ১১৩ ১৬. Sircar, D. C. — *EI* Vol xxx No. 47 (1954) Sarma, M. M. — *IAA* pp 10-34 ১৭. পদ্মনাথ বিদ্যাবিনোদ— কামৰূপ শাসনাৱলী (১৮৫৩ শক) পিঠি ১—৪৩, Gupta, K.K—*Copperplate of Sylhet* Vol 1. (1967), Sarma, M. M — *IAA* pp 38-88.

আধৰত অৱনত অংশৰ তলতেই আন এডাল সৰু ৰেখা দি আ-কাৰ দ্যোতনা কৰাৰো দৃষ্টান্ত আছে। নিধনপুৰ শাসনৰ শিৰোৰেখাত ক্ষুদ্ৰ কোণ, দণ্ডৰেখাৰ নিম্নাংশৰ সোঁহাতলৈ গতি আৰু একাধিক ব্যঞ্জনৰ লগত সংযুক্ত আ-কাৰত কুশানযুগীয় মথুৰা শৈলীৰ প্ৰভাৱ পুষ্ট। [১৮]

অ - সোঁহাতে দণ্ড। ইয়াৰ অন্তিমাংশ বাওঁহাতে সোমাই পৰা। বাওঁকালৰ অংশত ছপা অসমীয়া 'ঘ'ৰ বাওঁ অংশ। ইয়াৰ শিৰোদেশত ক্ষুদ্ৰ ৰেখা। দণ্ডৰ সোঁমাজত বাওঁফালে এডাল ক্ষুদ্ৰ অনুভূমিক ৰেখা — এয়ে ডুবি শাসনৰ অ (অধীত্য ১।৭ শা°) নিধনপুৰ শাসনৰ অৰ দণ্ড সোঁফালে ওলোৱা। শিৰোৰেখাত গোজ; বাওঁফালৰ বক্ৰৰেখাৰ মুখ তুথন ডুবিৰ দৰে সোঁহাতে ওলোৱা নহয়—বাওঁহাতেহে- মাজৰ ৰেখাডালো ওপৰফালৰ তললৈ অৱনত (অবিখণ্ডি ১।১২ শা°)

আ ডুবি শাসনত দেখা যায়, অ ৰ তলত বাওঁহাতে মেলখোৱা হিন্দী হ্ৰস্ব উ-কাৰৰ দৰে অৰ্ধবৃত্ত দি আ কৰা হৈছে। আনহাতে নিধনপুৰ শাসন ৰচয়িতাই অ-ৰ দণ্ডৰ শিৰোদেশত সোঁফালে হাকোটা এডাল ওলোমাই দিছে। (ডুবি—আদ্য ২।২।৭ শা°; নিধন পুৰ—আসীদ্ ২।১।৬ শা°) ব্যঞ্জনৰ লগত সংযোজিত আ- কাৰৰ ৰূপ বেলেগ বেলেগ। ডুবি শাসনত ক, খ, গ, চ, জ, ণ, দ, প, ল, শ আৰু স ৰ শিৰোৰেখাৰ ওপৰত অধুনা ছপা অসমীয়াৰ ৰেফৰ দৰে লগ লাগিছে। এয়া নিসন্দেহে পূৰ্বী কৌশাম্বী লিপিৰ অনুকৃতি। ইয়াত ত, থ, ধ, ন, ভ, ম, য়, ৰ, স, আৰু হ ৰ শিৰোৰেখাৰ সোঁহাতে একোটাকৈ ত্ৰিকোণ অথবা অৱনমিত ক্ষুদ্ৰ ৰেখাৰে আ- কাৰ বুজোৱা দেখা যায়। নিধনপুৰ শাসনত সৰ্বদা শিৰোৰেখাৰ সোঁমূৰ অৱনত কৰি অথবা তলমূৰা ক্ষুদ্ৰ ত্ৰিকোণেৰে আ- কাৰ বুজোৱা হৈছে।

ই — ডুবি আৰু নিধনপুৰ শাসনত ই-ৰো শৈলী দুটা। প্ৰথমখনত ক্ষুদ্ৰ শিৰোৰেখাযুক্ত অৱনত দণ্ডৰ মাজতে সোঁফাললৈ মুখ কৰি এটি অৰ্ধবৃত্ত সাজিছে। তাৰ বাওঁফালে একেশাৰীৰ দুটি বিন্দু। (ইজ্জে-২।২।৬ শা°) নিধনপুৰত শিৰোৰেখাত দুটি ত্ৰিকোণী বিন্দু, তাৰ তলত এডাল ক্ষুদ্ৰ বেকা ৰেখা। (ইৰ-১।১।১১ শাৰী) ব্যঞ্জনৰ লগত সংযুক্ত ই- কাৰৰ ৰূপ হ'ল শিৰোৰেখাৰ ওপৰত তলমূৰা এটি অৰ্ধবৃত্ত। দুয়োখন শাসনতে এই ৰূপ অভিন্ন। ব্যঞ্জনৰ লগত দীৰ্ঘ ঈ- কাৰৰো সংযোগ হোৱাটো মন কৰিবলগীয়া। ব্যঞ্জনৰ শিৰোৰেখাৰ ওপৰত সোঁৰে-বাৱেঁ বক্ৰৰূপ লোৱা দুডাল ৰেখাই হ'ল ডুবি শাসনৰ দীৰ্ঘ-ঈকাৰৰ ৰূপ। (বীতৰাগেন— ৩।২।২ শা°)। নিধনপুৰ শাসনৰ দীৰ্ঘ ঈ-কাৰৰ ৰূপ বেলেগ। ব্যঞ্জনৰ শিৰোৰেখাৰ ওপৰত ঘোৰখোৱা এটা অৰ্ধবৃত্তই ইয়াৰ দ্যোতক। (বাজসনেয়ী—৫।২।২ শাৰী)

উ— শিৰোৰেখাৰ তলত অৰ্ধদণ্ড, তাৰ তলত ছপা ৩ৰ দৰে এটি অৰ্ধবৃত্ত—এয়ে উ ৰ আদিস্থানৰ ৰূপ। নিধনপুৰ লিপিত অৱশ্যে অৰ্ধদণ্ড বাওঁফালে সোমাই যোৱা। দেৱখড়্গৰ আসৰফ্‌পুৰ তাম্ৰলিপিৰ উৰ সৈতে ই অভিন্ন। (উৰুকগ-ডুবি ৫।১।১২ শাৰী, উত্তৰ—নিধনপুৰ ৭।১।২ শাৰী)। মধ্যৱৰ্তী স্থানত উ- কাৰ ব্যৱহাৰৰ ৰূপ বিভিন্ন। (ক) ক আৰু ৰ লিপিৰ দণ্ডৰ তলত উ ৰ অৰ্ধবৃত্তাকাৰ '৩' অংশটো লগলগাই, (খ) গ, ত, দ, ভ আৰু শৰ দণ্ডৰ ভূমিৰপৰা সোঁফালে শিৰোৰেখালৈ আন এডাল সৰলৰেখা টানি নাইবা (গ) ব্যঞ্জনৰ তলত হিন্দী উ-কাৰৰ চিন দি উ-কাৰ বুজোৱা দেখোঁ। মধ্যৱৰ্তী স্থানত দীৰ্ঘ ঊ-কাৰৰো প্ৰয়োগ হৈছে। হ্ৰস্ব-উ-কাৰৰ



ঊৰ্ধ্বমুখী ৰেখাৰ সোঁফালে হাকোটা লগাই নাইবা দণ্ডৰ তলত বাওঁফালে ইংৰাজী 'কমা'ৰ দৰে লেখীয়া ৰেখাৰ সংযোগেৰে দীৰ্ঘ ঊ-কাৰ বুজোৱা দেখা পাওঁ।

মধ্যস্থানৰ ঋ-কাৰে প্ৰায় আধুনিক ৰূপলৈ অগ্ৰসৰ হৈছে এই শতকতে। ব্যঞ্জনৰ দণ্ডৰেখাৰ তলত সংযোজিত ঋ-কাৰ বহু সময়ত সোঁফালে মুখকৰি থকা হাকোটা যেন দেখি।

এ— বাওঁফালৰ শিৰোৰেখাৰপৰা হেলনীয়া নিম্নমুখী ৰেখা এডাল আহি দণ্ডৰ ভূমি অংশত লগালাগি এৰ ৰূপ দিয়াৰ নিদৰ্শন নিধনপুৰ শাসনত সংৰক্ষিত হৈছে। (একোপি- ২।২।১ শাৰী) মধ্যস্থানৰ এ-কাৰ ঠিক বৰ্তমানৰ দেৱনাগৰী এ কাৰৰ দৰে— বাওঁহাতৰ ওপৰৰপৰা আহি সোঁফালে শিৰোৰেখাৰ ওপৰত লগ লাগে। শিৰোৰেখাৰ ওপৰত দুডাল এ-কাৰ বহাই ঐ-কাৰ, এ-কাৰ আৰু আ-কাৰ বহাই ও-কাৰ আৰু ঐ-কাৰ আৰু আ-কাৰ (শিৰোৰেখাৰ ওপৰত নাইবা সোঁকাষত মূঠতে তিনিডাল ৰেখাৰ সমষ্টি) বহাই ঔকাৰ বুজোৱা দেখা পাওঁ। আদি স্থানত ঐ, ও আৰু ঔৰ প্ৰয়োগ বিৰল। [২০]

অষ্টম শতিকাৰ স্বৰলিপিৰ নিদৰ্শন দেওপানী বিষ্ণুমূৰ্তিলিপি [২১], দেওপানী শংকৰ-নাৰায়ণ মূৰ্তিলিপি[২২] আৰু দেওপানী হৰিহৰ প্ৰতিমা লিপিত [২৩] সংৰক্ষিত হৈছে। ধৰ্মপালৰ খালিমপুৰ লিপিৰ [২৪] অক্ষৰমালাও আলোচিত শতকৰে সুন্দৰ চানেকি।

অ-ৰ ক্ৰমবৰ্ধমান শিৰোৰেখাৰ ৰূপটি সহজে চকুত পৰে। দণ্ডৰ বাওঁফালৰ শিৰোৰেখাৰ নীচত প্ৰথম অৰ্ধবৃত্তটিয়ে এডাল ক্ষুদ্ৰৰেখাৰ ৰূপ লৈছে। ইয়াৰ তলতে বহল অৰ্ধবৃত্তটি। অৰ্ধবৃত্তৰ পেটৰপৰা আগবঢ়া এডাল অনুভূমিক ৰেখাই দণ্ডক স্পৰ্শ কৰি অৰ চূড়ান্ত ৰূপটি দৰ্শাইছে। অ-ৰ সোঁফালে টনা লম্বৰেখাই দ্যোতনা কৰে—আ-ৰ আদিস্থানৰ ৰূপটি। এই লম্বৰেখাটি শিৰোৰেখাৰপৰা ভূমি তললৈ পৰিব্যাপ্ত। (আদৌ—শংকৰ-নাৰায়ণ, শা°২) আদি স্থানত হ্ৰস্ব উ আৰু এ-ৰ ৰূপ সপ্তম শতিকাৰ আখৰেৰে একে। (দেওপানী বিষ্ণুমূৰ্তি লিপিৰ প্ৰথমশাৰীৰ উৰগে দ্ৰষ্টব্য) মধ্যস্থানৰ ই-কাৰ খালিমপুৰ লিপিতকৈ অসমৰ লিপিত অধিক বিকশিত। ই ব্যঞ্জনৰ বাওঁফালে ভূমিৰপৰা শিৰোৰেখালৈ উঠি শিৰোৰেখাৰ ওপৰতো এটি তলমূৰা অৰ্ধবৃত্তৰ সৃষ্টি কৰা দেখা যায়। (স্বস্তি—হৰিহৰ মূৰ্তি, শা°—১) দীৰ্ঘ ঈ-কাৰো আধুনিকতাৰ ফালে ধাৱমান (দংষ্ট্ৰী —হৰিহৰ মূৰ্তি শা°৩) উ-কাৰ, দীৰ্ঘ ঊ-কাৰ, ও-কাৰ আৰু ঔ-কাৰ সপ্তম শতিকাৰ ৰূপৰপৰা ভিন্ন নহয়।

মহাৰাজাধিৰাজ হৰ্জৰবৰ্মাৰ তেজপুৰ পাষাণ-গাত্ৰ

১৮. Verma, T. P.—Development of Script in Ancient Kamrup (1976) P 38

১৯. Verma, T. P.— উল্লিখিত গ্ৰন্থ

২০. নিধনপুৰ শাসনৰ আৰম্ভণি শব্দটি 'ওম্'ৰ পৰিবৰ্তে 'আঞ্জী'ৰ চিহ্নহে হোৱাটো সম্ভৱ। সবিশেষৰ কাৰণে কমলাকান্ত গুপ্তৰ 'কপাৰ প্লেটচ- অৱ চিলেট' চাওক।

২১. Chaudhury, P.C. - *Vishveshvaranand Indological Journal*, XII, PP 1-3, Sarma, M.M.—*IAS*, pp 305—309

২২. Chaudhury, P.C.—*Journal of Indian History* (ইয়াৰ পিছত *JIH*) XLVIII, P 97, Sarma, M.M.—*IAS*. PP 310—11

২৩. Chaudhury, P.C.—*JIH*. XLVIII P 97

২৪. *Journal af the Asiatic Society of Bengal* (ইয়াৰ পিছত *JASB*) 1894, p 1.

লিপি[২৫] হায়ুংথল তাম্ৰলিপি[২৬] আৰু বনমাল-বৰ্মাৰ পৰ্বতীয়া তাম্ৰশাসনৰ[২৭] লিপিয়ে নৱম শতিকাৰ স্বৰলিপিৰ বিকাশৰ ধাৰাটি প্ৰোজ্জ্বল কৰে। তৃতীয় বলবৰ্মাদেৱক (খ্ৰীঃ ৮৮৫—৯১০) নৱম শতাব্দীৰ অন্তিম ত্ৰিদশক আৰু দশম শতাব্দীৰ প্ৰথম দশকৰ নৃপতিৰূপে সাব্যস্ত কৰা হৈছে। ড° ঠাকুৰ প্ৰসাদ বৰ্মাই সেইগুণেই বলবৰ্মাৰ শাসনৰ লিপিক দশম শতকৰ লিপিৰূপে দাঙি ধৰা দেখা পাওঁ।[২৮] আমিও আলোচনাৰ সুবিধাৰ কাৰণে আলোচিত নৃপতিজনাৰ শাসনত্ৰয়ৰ লিপিক দশম শতাব্দীৰ লিপিৰূপেই বৰ্ণনা কৰিম।

হৰ্জ্জৰবৰ্মাৰ হায়ুংথল লিপি আৰু বনমালবৰ্মাৰ পৰ্বতীয়া শাসনৰ আখৰে তৎকালীন অসমভূমিত প্ৰচলিত দুটি ভিন্ন শৈলীৰ নিদৰ্শন দাঙি ধৰে। প্ৰথমখন লিপিৰ আখৰৰ বক্ৰতাই আমাৰ দৃষ্টি পৰশি যায়। পৰ্বতীয়া লিপিত আকৌ কৌণিক ৰূপৰ সুষম প্ৰয়োগ মন কৰিবলগীয়া।

নৱম শতাব্দীৰ লিপিবোৰৰ আদিস্থানত মাত্ৰ অ, ই, উ, এ আৰু ও স্বৰাক্ষৰহে অৱস্থিতি লক্ষ্য কৰোঁ। দণ্ডৰ বাওঁফালে ক্ষুদ্ৰ শিৰোৰেখাৰ তলত এডাল সৰু নিম্নাভিমুখী হেলনীয়া ৰেখা। ইয়াৰ তলত অৰ্ধবৃত্তটো। অৰ্ধবৃত্তৰ তুংগ শীৰ্ষৰপৰা আগবঢ়া ক্ষুদ্ৰ অনুভূমিক ৰেখা অৱনমিত হৈ দণ্ডক স্পৰ্শ কৰা ৰূপটোৱে হ'ল—'অ'। (আদিস্ত—পৰ্বতীয়া, ১।১।৫ শাৰী) অ-ৰ সোঁফালে দণ্ডৰ সমান্তৰালকৈ শিৰোৰেখাৰপৰা ভূমিলৈ বিস্তৃতৰেখা টানি বংগদেশত প্ৰাপ্ত নাৰায়ণ পালৰ বাদাল স্তম্ভলিপিত আ-ৰ ৰূপটি গঢ়ি তোলা হৈছে। ব্যঞ্জনৰ লগত সংযুক্ত আ-কাৰৰ ৰূপ বেলেগ বেলেগ। পৰ্বতীয়া শাসনৰ আ-কাৰে আধুনিক অসমীয়া বঙলা আ-কাৰৰ ৰূপ পৰিগ্ৰহ কৰা বুলি ড° সৰকাৰ আৰু চৌধুৰীয়ে আগবঢ়োৱা মন্তব্য তাৎপৰ্যপূৰ্ণ।[২৯] অৱশ্যে জ, ট, ঠ আৰু হ ব্যঞ্জনৰ আ-কাৰৰ ৰূপ বেলেগ। এইকেইটা আখৰৰ আ-কাৰে শিৰোৰেখাৰ সোঁফালে এটি ক্ষুদ্ৰ অৰ্ধবৃত্তৰ সৃষ্টি কৰি বেঁকৰ আকাৰত ঊৰ্ধমুখী হয়। হায়ুংথল লিপিত ড, দ আৰু প ব্যঞ্জনৰ আ-কাৰ হ'ল দণ্ডৰ সমান্তৰাল ক্ষুদ্ৰ নিম্নাভিমুখী ৰেখা।

ওপৰত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ তলত বৰ্তমান অসমীয়া ৩ সংখ্যা কিংবা প্ৰশ্নবোধক চিনৰ দৰে ঘোৰখোৱা ৰেখা এডালেৰে আদিস্থানৰ ই স্বৰ বুজোৱা হয়। (ইতি-পৰ্বতীয়া ২।১।১৯ শাৰী) ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ সাধাৰণতে ব্যঞ্জনৰ বাওঁফালে ভূমিৰপৰা শিৰোৰেখাৰ ওপৰলৈ ঘোৰখুৱাই লিখা দেখা পাওঁ। মধ্যৱৰ্তীস্থানৰ দীৰ্ঘ ঈ-কাৰ শিৰোৰেখাৰ ওপৰত এটি চৈতনচুলি ব্যঞ্জনৰ সোঁফালে ভূমিলৈ নামি আহে।

আদিস্থানৰ উ পূৰ্বৱৰ্তী শতকৰ উ-ৰ অভিন্ন। ব্যঞ্জনৰ লগত সংযুক্ত হ্ৰস্ব উ-কাৰ আৰু দীৰ্ঘ উ-কাৰো সপ্তম শতিকাৰ ৰূপৰপৰা ভিন্ন নহয়। আদিস্থানৰ এ আৰু ব্যঞ্জনৰ লগত সংযুক্ত এ-কাৰ, ঐ-কাৰ, ও-কাৰ আৰু ঔ-কাৰৰ ক্ষেত্ৰতো ওপৰৰ মন্তব্যই প্ৰযোজ্য। আদিস্থানৰ ও আখৰটিয়ে বহুপৰিমাণে আধুনিক অসমীয়া ও-ৰ ৰূপলৈ আগবঢ়াটো উল্লেখ-

২৫. কামৰূপ শাসনাৱলী, পিঠি ২০৪-২৯২ ; Sarma M.M. – *IAA* pp 89—94.
২৬. কামৰূপ শাসনাৱলী, পিঠি ৪৪-৫৭ Sarma, M. M. IAA, pp 89-94
২৭. Chaudhury P.D. and Sircar D. C.— *EI* Vol xxIx, No-20, pp 145-59, Sarma, M.M – *IAA* pp 114-126 ২৮. Verma. T. P — *Development of Script in Ancient Kamrup*. pp 31-32 ২৯. Chaudhury, P.D and Sircar D.C. —*Ibid*, p 145



যোগ্য কথা (ওঁ-তেজপুৰ পাষাণ- গাত্ৰলিপি, শ্লো° ১)

তৃতীয় বলবৰ্মাৰ উত্তৰ বৰবিল,[৩০] নগাঁও[৩১] আৰু উলুবাৰী[৩২] শাসনৰ লিপিয়ে দশম শতাব্দীৰ অসমীয়া স্বৰলিপিৰ প্ৰতিনিধিত্ব কৰে। এই শতিকাৰ অ-ৰ শিৰোৰেখা আদগু বিস্তৃত। (আদিস্ত : উত্তৰ বৰবিল, ১।১।৬ শাৰী)। সাধাৰণ অ-ৰ উপৰি লুপ্ত অ-ৰ প্ৰয়োগ বিশেষভাৱে লক্ষণীয়। এই লিপিটো বৰ্তমান আধুনিক ছপা 'হ'ৰ লেখীয়া। (অনুজ্ঞো দৃষ্ট—উত্তৰ বৰবিল ১।১।১১ শা°) আ-ৰ আদিস্থানৰ ৰূপত নতুনত্ব নাই। (আসীদ্-উলুবাৰী, ২।১।৩ শাৰী) ব্যঞ্জনৰ লগত সংযুক্ত আ-কাৰৰ লগত ৰ আৰু জ ত দুটি; কিন্তু বাকীবোৰ ব্যঞ্জনৰ ক্ষেত্ৰত ভূমি বিস্তৃত। হ্ৰস্ব-ই বুজাবলৈ শিৰোৰেখাত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ তলত এডাল তাকোটা। তাকোটাৰ অন্তিম অংশ সোঁহাতে আগবঢ়া। (ইতি-উলুবাৰী ৩।১।১৩ শাৰী) ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ নৱম শতাব্দীৰ ই-কাৰেৰে অভিন্ন। আদিস্থানত দীৰ্ঘ-ঈ পাবলৈ নাই। মধ্যৱৰ্তী স্থানৰ ঈ-কাৰ পূৰ্বৱৰ্তী শতকৰ অনুৰূপ। আদি স্থানৰ হ্ৰস্ব উ-ৰ শিৰোৰেখা আৰু ভূমিস্পৰ্শিত অৰ্ধবৃত্তৰ ক্ৰমবৰ্ধমান ৰূপটি লক্ষণীয়। (উদ্ৱেল—নগাঁও শাসন, ৩।১।১৩ শাৰী) পূৰ্বৱৰ্তী শতিকাৰ দৰে ব্যঞ্জনৰ দণ্ডৰ তলৰ পৰ্যালিকৈ বক্ৰৰেখা বহাই, হিন্দী হ্ৰস্ব উকাৰৰ দৰে ব্যঞ্জনৰ তলত বামমুখী অৰ্ধবৃত্ত আঁকি (ভ ব্যঞ্জনৰ তলত) নাইবা ব্যঞ্জনৰ দণ্ডৰ সোঁফালে ঊৰ্ধমুখী 'কমা'ৰ সংযোজনাৰে এই শতিকাতো মধ্যৱৰ্তী স্থানত উ-কাৰৰ প্ৰয়োগ দেখা পাওঁ। আদিস্থানৰ হ্ৰস্ব উ-ৰ নিম্ন অৰ্ধবৃত্তৰ সোঁফালে পেটত এডাল ক্ষুদ্ৰ তাকোটা আঁকি দি দীৰ্ঘ উ যোজনা কৰাৰ প্ৰযত্ন নতুন। (উৰু-উলুবাৰী ৩।১।৬ শাৰী) ৰ ব্যঞ্জনৰ লগত সংযুক্ত দীৰ্ঘ উ-কাৰ সম্পূৰ্ণ আধুনিক। আনবোৰ ব্যঞ্জনৰ দণ্ডৰ নিম্নাংশত যুক্ত টুপীশিখা বামহস্তাভিমুখী ৰেখাৰে দীৰ্ঘ উ-কাৰ সংযোগ কৰা দেখা পাওঁ। আদিস্থানত এ, ঐ আৰু ও আলোচিত লিপিত্ৰয়ত পাবলৈ নাই। ব্যঞ্জনৰ লগত সংযুক্ত এ-কাৰ, ঐ-আৰু ও-কাৰৰ ৰূপ পূৰ্বৱৰ্তী শতকৰ অভিন্ন। আদিস্থানৰ ঔ আখৰটি নগাঁও শাসনত পোৱা গৈছে। (ঔপৰিকৰিক ৩।১।২ শাৰী) ইয়াৰ ৰূপ অধুনা ছপা ঔৰ ওচৰ চপা। ব্যঞ্জনৰ লগত সংযুক্ত ঔ-কাৰো পূৰ্বৱৰ্তী শতকাৰ ৰূপতকৈ অধিক বিকশিত নহয় (যৌৱন—নগাঁও শাসন ২।১।৯ শাৰী)।

একাদশ শতাব্দীত অসমীয়া স্বৰ লিপিয়ে যি বিকাশৰ পথেদি আগবাঢ়িছিল, তাৰ সুন্দৰ চানেকি ৰত্নপালৰ বৰগাঁও[৩৯] আৰু শোৱালকুছি শাসন[৪০] ইন্দ্ৰপালৰ গুৱাহাটী[৪১] গুৱাকুছি[৪২] আৰু গোপাল

৩০. Sarma, M. M – *IAA* pp 127-141 ৩১. Hoernle – *JASB* vol LXVI, pp 28 —97 ; Sarma, M. M –*IAA*, pp 142-151, পদ্মনাথ ভট্টাচাৰ্য— কামৰূপ শাসনাৱলী PP 88-109
৩২. প্ৰতাপচন্দ্ৰ চৌধুৰী আৰু ধৰ্মেশ্বৰ চুতীয়া—মহাৰাজাধিৰাজ বলবৰ্মদেৱৰ উলুবাৰী তাম্ৰশাসন, অসম সাহিত্য সভা পত্ৰিকা, চতুস্ত্ৰিংশ বছৰ, চতুৰ্থ সংখ্যা, পিঠি ৫০-৫৭, Sarma, M.M.—*IAA*, pp 313-17
৩৩. Hoernle—*JASB* vol LXVII, P 99, Sarma, M.M *IAA*—PP 152—72, পদ্মনাথ ভট্টাচাৰ্য— কামৰূপ শাসনাৱলী. পিঠি ৭৮—১০৯ ৩৪. Hoernle *JASB* vol LXVII, PP 113—32, কামৰূপ শাসনাৱলী পিঠি ১১০-১৫, Sarma, M.M—*IAA* PP 173—92. ৩৫. Hoernle—*JASB* Vol LXVI PP 113—32, কামৰূপ শাসনাৱলী— পিঠি ১১৬—২৯, Sarma, M.M – *IAA* PP 179—92 ৩৬. পদ্মনাথ ভট্টাচাৰ্য— কামৰূপ শাসনাৱলী, পিঠি ১২০—৪৩, Sarma. M.M—*IAA* PP 193—206


বৰ্মাদেৱৰ গছতল লিপিত ৩৭ সংৰক্ষিত হৈছে। ড° মুকুন্দমাধৱ শৰ্মাই গছতল লিপিৰ অ আৰু আ লিপিয়ে ছপা অসমীয়া অ আৰু আৰ ওচৰ চপা বুলি দিয়া মন্তব্য নিতান্ত সত্য। ৩৮ দণ্ডৰ বাওঁফালে শিৰোৰেখাৰ ওপৰ মাত্ৰ এটা অৰ্ধবৃত্তৰ অৱস্থিতি মন কৰিবলগীয়া। এই শতিকাৰ অন্যান্য আখৰৰ দৰে অ-ৰো দণ্ডৰ পুচ্ছাংশ সোঁফালে আগবঢ়া। (অসমীয়া—শোৱালকুছি শাসন ৩।১।১ শাৰী)। আৰু আদিস্থানৰ ৰূপ পূৰ্ববৰ্তী শতিকাৰ দৰে (আসীত—শোৱালকুছি শাসন, ২।২। ফলক) আ-কাৰৰ ক্ষেত্ৰতো কোনো পৰিবৰ্তন দেখা নাযায়। এই শতিকাত হ্ৰস্ব ইৰ দুটি ভিন্ন শৈলী লক্ষ্য কৰোঁ—প্ৰথমটি দশম শতিকাৰ দৰে শিৰোৰেখাত দুটি শূন্যগৰ্ভ বিন্দু আৰু তাৰ তলত এটি নিম্নমুখী অৰ্ধবৃত্ত (ইয়মপি—গুৱাকুছি শাসন ১।১।৩ শাৰী) আৰু দ্বিতীয়টিৰ ৰূপত পাওঁ ভূমিত দুটি শূন্যগৰ্ভ বিন্দু, তাৰ ওপৰত এডাল টো খেলা ৰেখা (ইয়মপি—ইন্দ্ৰপালৰ গুৱাহাটী শাসন, ১।১৪ শাৰী) ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ, দীৰ্ঘ ঈ-কাৰ আদিস্থানৰ উ, ঊ আৰু মধ্যৱৰ্তীস্থানৰ উ-কাৰৰ কোনো পৰিবৰ্তন পৰিলক্ষিত নহয়। ইবোৰ দশম শতাব্দীৰ ৰূপৰে অভিন্ন। মাত্ৰ ধ, ভ আৰু মৰ লগত যুক্ত দীৰ্ঘ-ঊ-কাৰে দেৱনাগৰী ৰূপ পৰিগ্ৰহ কৰিছে। আদিস্থানৰ এ-ক নাগৰী প্ৰভাৱ দৃষ্ট কৰা হৈন (এবং—বৰগাঁও শাসন, ১।১।১৩ শাৰী) অৱশ্যে হাকোটাযুক্ত দণ্ডৰ ভূমিৰ বাওঁফালে আগবঢ়া বক্ৰৰেখা যুক্ত অধুনা এ-ৰ ৰূপো বিৰল নহয়। (এষ-গুৱাকুছি শাসন ১।১৫ শাৰী। শিৰোৰেখাৰ বাওঁফালে লাগি থকা এ-কাৰডালে কেতিয়াবা কেতিয়াবা ভূমিৰ ফালে অৱনত হৈ আধুনিকতাৰ ফালে গতি কৰিছে। বংদেশৰ তৃতীয় বিগ্ৰহ পালৰ আমগাছি তাম্ৰলেখতো ৩৯ অনুৰূপ এ-কাৰ দেখিবলৈ পাওঁ। এ-কাৰৰ ওপৰত চৈতন তুলি ঐ-কাৰ আৰু একাৰৰ লগত আ-কাৰ যোগ দি ও-কাৰ বুজোৱা ৰীতি এই শতিকাতো অভিন্ন। ইন্দ্ৰপালৰ দ্বিতীয় শাসনৰ ঔ কাৰ সম্পূৰ্ণ আধুনিক। (২।১।১৫ শাৰী) ব্যঞ্জনৰ দণ্ডৰ তলত সোঁমুখা কৌণিক ৰেখা এডাল সংযোজনাৰে ঋ-কাৰ বুজোৱা পদ্ধতি বৰ্তমানৰ দৰে দৃঢ় নহয়।

দ্বাদশ শতাব্দীৰ অসমীয়া স্বৰলিপিৰ নমুনাৰূপে ধৰ্মপালৰ খনামুখ ৪০, শুভংকৰপাটক লিপি ৪১ আৰু পুষ্পভদ্ৰা শাসন ৪২; বৈদ্যদেৱৰ কমৌলী তাম্ৰলেখ ৪৩ আৰু বল্লভদেৱৰ অসম শাসনৰ ৪৪ উপৰি কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত হস্তলিখিত পুথিৰ ৪৫ নামোল্লেখ কৰিব পাৰি। এই শতিকাত প্ৰাপ্ত শাসনমালাত অ আৰু আ ৰ আদিস্থানত তিনিটা ভিন্ন শৈলীৰ অৱস্থিতি লক্ষ্য কৰোঁ। প্ৰথমশৈলীত দণ্ডৰ ভূমিত পুচ্ছ বাওঁহাতৰ ক্ষুদ্ৰ শিৰোৰেখাৰ এটি কুণ্ডলী তাৰ তলফালে স্পষ্ট অৰ্ধবৃত্তটি। ইয়াৰপৰা

৩৭. Chaudhury, P. C—*JARS* vol xviii PP 55-.0. Sarma, M. M—*IAA* PP 207-4 ৩৮. Sarma, M. M.—*Ibid* P 207 ৩৯. *Journal of the Royal Asiatic Society of Bengal*, Vol IV, PP 369-72 ৪০. Banerjee, P *EI* Vol xxx parts V & VI, Sarma, MM—*IAA* PP 225-240 ৪১. পদ্মনাথ ভট্টাচাৰ্য—কামৰূপ শাসনাৱলী, পিঠি ১৬-৬৭, Sarma, M. M—*IAA*, PP 241-54 ৪২. পদ্মনাথ ভট্টাচাৰ্য—একে গ্ৰন্থ, পিঠি ১৬৮-৮৩, Sarma, M. M—*Ibid* PP 255-72

৪৩. Maitreya, A. K—*Gandalekhamala* PP 127-46, Sarma, M. M—*IAA* PP 173-90

৪৪. Kielhorn, F—*EI* vol v, PP 181-88. Sarma, MM—*IAA* PP 291-301 ৪৫. ১১৯৮ খ্ৰীষ্টাব্দত লিখা কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ১৬৯৯ সংখ্যক হস্তলিখিত পুথিৰ আখৰৰ বাবে বুহলাৰৰ 'ইণ্ডিয়ান পেলিঅ'গ্ৰাফি'ৰ ষষ্ঠ চিত্ৰফলকৰ দশম কলম চাওক।




চিত্ৰ পৰিচয়

প্ৰথম চিত্ৰত অশোক লিপি, দ্বিতীয় চিত্ৰত কুষাণ লিপিৰ পূৰ্বী শৈলী, তৃতীয় চিত্ৰত (৪ৰ্থ শতাব্দী) গুপ্তলিপিৰ পূৰ্বী শৈলী, চতুৰ্থ চিত্ৰত (৫ম শতাব্দী) উমাচল আৰু নগাজৰী-খনিকৰ গাঁও লিপি, পঞ্চম চিত্ৰত (ষষ্ঠ শতাব্দী) ভূতিবৰ্মাৰ আমোলৰ বৰগংগা লিপি, ষষ্ঠ চিত্ৰত (সপ্তম শতাব্দী) প্ৰথমটো ডুবি আৰু দ্বিতীয়টো নিধনপুৰ লিপি, সপ্তম চিত্ৰত (অষ্টম শতাব্দী) তেজপুৰৰ বিভিন্ন মূৰ্তিলিপি, অষ্টম চিত্ৰত (নৱম শতাব্দী) হায়ুংথল আৰু পৰ্বতীয়া লিপি, নৱম চিত্ৰত (দশম শতাব্দী) বনবৰ্মাৰ শাসনত্ৰয়, দশম চিত্ৰত (একাদশ শতাব্দী) বৰগাঁও, শুৱালকুছি, গুৱাহাটী, গুৱাকুছি আৰু গছতল লিপি, একাদশ চিত্ৰত (দ্বাদশ শতাব্দী) ক = ধৰ্মপালৰ লিপিত্ৰয়, খ = কমৌলী শাসন, গ = বল্লভদেৱৰ শাসন আৰু ঘ = কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত পুথি, একাদশ চিত্ৰত (১৩ শতিকা) চৰ্যাগীতি কোষ, দ্বাদশ চিত্ৰৰ ক = সদিয়াৰ শাসন আৰু খ = কৃষ্ণ-কীৰ্তন, দ্বাদশ চিত্ৰত (১৬-১৮ শতিকা) সাঁচিপতীয়া পুথি আৰু শেষ চিত্ৰত ছপা হৰফ সন্নিৱেশ কৰা হৈছে।

আৰু হেলনীয়া ক্ষুদ্ৰৰেখা এডালে আহি দণ্ডক স্পৰ্শ কৰে। (অগ্নিষ্টো—ধনামুখী, ২।২।৬ শাৰী) বিজয় সেনৰ দেৱপাড়া প্ৰশস্তিৰ [৪৬] অ ও ইয়াৰ অনুৰূপ। (অনুবদন—১০ ম শাৰী) দ্বিতীয় প্ৰকাৰ শৈলীত দেখা যায়—দণ্ডৰ ভূমিত বাওঁফালে এটি ক্ষুদ্ৰ খাপ সাজি তাৰপৰা এডাল হেলনীয়া ঊৰ্ধমুখী সৰলৰেখাৰে বাওঁহাতৰ অৰ্ধবৃত্তক স্পৰ্শ কৰাই কল্পিত শিৰোৰেখাত এটি শূন্য গৰ্ভ ত্ৰিকোণেৰে অ-ৰ সৃষ্টি কৰাটো। (অস্ত= কমৌলী, ১।১।৭ শাৰী) তৃতীয় প্ৰকাৰ শৈলী বল্লভদেৱৰ তামপত্ৰত পোৱা গৈছে। পূৰ্বদৈৰ্ঘ্যৰ শিৰোৰেখা আৰু দণ্ডৰ বাওঁফালে ভূমিস্পৰ্শিত অৰ্ধবৃত্তৰপৰা এডাল অনুভূমিক ৰেখাই দণ্ড আৰু আনডাল ঊৰ্ধমুখী ৰেখাই শিৰোৰেখাৰ সমান্তৰালভাৱে অলপ বাওঁহাতলৈ আগুৱাই পুনৰ ঊৰ্ধমুখীহৈ শিৰোৰেখাৰে মিলি অ-ৰ ৰূপ দিছে। (অক্ষয়—৪।১।১ শাৰী) কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ হস্তলিখিত পুথিৰ অ প্ৰথম শৈলীৰ দৰেই। ইয়াৰ দণ্ডৰ ভূমিৰ বাওঁহাতে মাত্ৰ এটি ক্ষুদ্ৰ ত্ৰিভুজ লাগি আছে। [৪৭] অ-ৰ দৰেই আ-ৰো শৈলী তিনিটা। কমৌলী শাসনৰ আ-কাৰ অধুনা আ-কাৰৰ দৰে শাখা যুক্ত। (আসীদ—১।১৮ শাৰী) বাকীবোৰত শিৰোৰেখাৰপৰা আভূমি বিস্তৃত দণ্ড। অৱশেষে ধৰ্মপালৰ লিপিত্ৰয়ৰ জ বৰ্ণৰ লগত সংযুক্ত আ-কাৰৰ ৰূপটো ভালেখিনি চুটি।

প্ৰথম স্থানত হ্ৰস্ব ই-ৰো শৈলী একাধিক। পূৰ্বৱৰ্তী পত্তিকাসমূহৰদৰে এটা শৈলীত আছে ওপৰত দুটি বিন্দু তাৰ তলত ইংৰাজী ও-ৰ দৰে সংলগ্ন দুটি অৰ্ধবৃত্ত। (ইতি—ধনামুখ, ১।১।৭ শাৰী) আনটো শৈলীত দেখোঁ—তলত দুটি বিন্দু। তাৰ ওপৰত বিন্দুদ্বয় স্পৰ্শিত প্ৰায় ইংৰাজী কেপিটেল M-ৰ দৰে এডাল কুঁচ থকা বেঁকাৰেখাৰ অংকন (ইতি=কমৌলী ২।১।৮ শাৰী) তৃতীয় শৈলীত পাওঁ—শিৰোৰেখা-যুক্ত দণ্ডৰ বাওঁফালে শিৰোৰেখাৰপৰা ভূমিলৈ অৱনমিত ৰেখাৰ দুয়োহাতে দুটি খাপ আৰু তাৰ তলত ইংৰাজী 'কমা'ৰ দৰে বক্ৰৰেখা। (ইহ— বল্লভদেৱ ৫।১।২ শাৰী) অনুৰূপ শৈলীৰ ই বিজয়সেনৰ দেৱপাড়া প্ৰশস্তিতো বিদ্যমান। কেম্ব্ৰিজ বিশ্ববিদ্যালয় হস্তলিখিত পুথিৰ ই-ৰ ৰূপ আকৌ ভিন্ন। গুড়াল দণ্ডৰ বাওঁফালে এটি ত্ৰিভুজ। ত্ৰিভুজৰ ওপৰত বাওঁহাতৰপৰা সোঁহাতলৈ এটি সুন্দৰ চৈতন। [৪৮] ব্যঞ্জনৰ লগত সংযুক্ত ই-কাৰ পূৰ্বৱৰ্তী পত্তিকাবোৰৰ দৰেই। কমৌলী শাসন আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত ৰক্ষিত পুথিৰ ঈ-ৰ ৰূপ হ্ৰস্ব ই-ৰে অভিন্ন। হ্ৰস্ব উ আৰু দীৰ্ঘ ঊ-ৰ ৰূপ পূৰ্বৱৰ্তী পত্তিকাবোৰৰ দৰেই। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পুথিত এই দুটি অক্ষৰৰ ৰূপ আধুনিক উ আৰু ঊ-ৰ শিৰোৰেখাৰ নিম্নভাগেৰে অভিন্ন। ঊ বা ঊ-কাৰত কোনো নতুনত্ব নাই।

আদিস্থানত ঋৰ প্ৰথম উন্মেষ ঘটে ধৰ্মপালৰ খনামুখ শাসনত। তপা ঝ-ৰ শিৰোৰেখাৰ বাওঁমূৰে এটি গোঁজ লগাই দিলেই ঋ আখৰটি পাওঁ। অৱশেষে ত্ৰিভুজৰ ভূমিৰ ৰেখা চুডাস বাহিৰলৈ ওলাই যোৱা চকুত পৰে। (ঋত্বিজ—খনামুখ, ২।২।৮ শাৰী) কমৌলী শাসনত ঋ-ৰ শিৰোৰেখাৰ বাওঁফালে এটি ক্ষুদ্ৰ ত্ৰিভুজৰ উপৰি দণ্ড আৰু তাৰ সোঁফালৰ লম্বৰ মধ্যস্থানত এডাল ক্ষুদ্ৰ সংযোগ ৰেখা দৃশ্যমান। (নৈঋত্য দিশো —৩।১।১০ শাৰী) কেম্ব্ৰিজৰ হস্তলিখিত পুথিৰ ঋ তপা ঝ-ৰে অভিন্ন। ঋ-কাৰৰ ৰূপ আধুনিক দীৰ্ঘ ঋৰ প্ৰয়োগ বিৰল। কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পুথিত 'ঋ'ৰ লম্বৰ তলত হাকোটা দি দীৰ্ঘ ঋ বুজোৱা হৈছে। [৪৯] এ লিপিৰ ৰূপ তপা এ-ৰ দৰে। এ-কাৰ আৰু ঐ-কাৰ পূৰ্বৱৰ্তী পত্তিকাৰে অভিন্ন। আদিস্থানত ঐৰ ৰূপ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পুথিতহে পোৱা যায়। তপা ঐৰ লগত তাৰ কোনো প্ৰভেদ

৪৬. *EI* vol I P 307 ৪৭. Bühler,—*Indian Palaeography*, Pl VI, X, I. ৪৮. Bühler—*Indian Palaeography*, Pl vi,x,3 ৪৯. Bühler—*Ibid* pl vi, x, 9

নাই। [৫০] আদিস্থানৰ ও পূৰ্ববৰ্তী শতিকাৰ দৰেই আধুনিক। (ও নমো—বল্লভদেৱ ১১ শাৰী) ও ৰ সোঁফালে দণ্ডৰ মূৰত চৈতন তুলি কেম্ব্ৰিজ বিশ্ব-বিদ্যালয়ৰ পুথিত ঐ বুজোৱা দেখা পাওঁ। [৫১] আধুনিক ছপা ঘ-ৰ বাওঁফালৰ অংশৰে এই শতিকাত লুপ্ত অ-ৰ দিয়া ৰূপ বিভিন্ন লিপিত সংৰক্ষিত হৈছে (সোহদ্—কমৌলী —১।১।১৯ শাৰী)।

খ্ৰীঃ ত্ৰয়োদশ শতাব্দীত অসমীয়া স্বৰলিপিয়ে যি পূৰ্ণ বিকশিত ৰূপ ধাৰণ কৰিছিল তাৰ নিদৰ্শন কানাই বৰশীবোৱা শিলৰ তুৰুস্ক-জয়ৰ শিলৰ ফলি [৫২] আৰু আমবাৰী শিলালিপিতে [৫৩] সীমিত। ইয়াৰ লগতে মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৱিষ্কৃত 'চৰ্যাগীতি কোষ' [৫৪] ৰ লিপিকো অন্তৰ্ভুক্ত কৰিব পাৰি। চৰ্যাগীতি কোষৰ অ-ৰ দণ্ডৰ বাওঁ-ফালটো ছপা অসমীয়াৰ 'ম'ৰ বাম-অংশৰদৰে পুচ্ছিঅ—চৰ্যা ১,খ) অৰ সোঁফালে লম্ব এডাল দিলেই হ'ল আ (কা আ—চৰ্যা ১,খ) আ-কাৰৰ মূৰত বাওঁফালে শাখাৰেখাৰ অৱস্থিতি লক্ষণীয় (শাকে—কানাই ১ শাৰী)। হ্ৰস্ব ই-ৰ ৰূপ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত সংৰক্ষিত পুথিৰ দৰেই শিৰোৰেখাৰ ওপৰত চৈতন তুলি তাৰ তলত ইংৰাজী S আখৰটো পথালিকৈ পেলোৱা ৰূপ। অনুৰূপ ই 'হে বজ্ৰতন্ত্ৰটীকা'তো (ইং ১১৯৮) পোৱা গৈছে। (জোইনি—চৰ্যা, ৭, খ)। হ্ৰস্ব ই ত দীৰ্ঘ ঈ-কাৰ সংযোগেৰে দীৰ্ঘ ঈৰ দ্যোতনা মনোৰম [৫৫]। হ্ৰস্ব উ, দীৰ্ঘ ঊ আৰু এ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ হস্তলিপিত পুথিতকৈ ভিন্ন নহয়। কানাই বৰশী বোৱা শিলৰ ফলিৰ ত-ৰ লগত সংযুক্ত উ-কাৰ পুৰণি ধৰণৰ। বাকীবোৰৰ ৰূপ আধুনিক। দ্বাদশ শতাব্দীৰ ও-ৰ সোঁফালে আ-কাৰৰ সংযোজনাৰে 'চৰ্যাগীতিকোষ'ত ও লিপি লিখা হৈছে। (ওড়ি আনে—চৰ্যা ৭. খ)।

চতুৰ্দশ শতাব্দীৰ অসমীয়া স্বৰলিপিৰ নিদৰ্শন নগাঁও গছতল লিপি [৫৬] আৰু লংকাৰ শৈললিপি, শক ১২৭৪ [৫৭]ত পাওঁ। এই শতিকাৰ স্বৰলিপি বৈশিষ্ট্য বৰ্জিত। পঞ্চদশ শতাব্দীত পূৰ্ণ বিকশিত লিপিৰ নমুনা মধ্যাপুৰীশ্বৰ সত্যনাৰায়ণ আৰু লক্ষ্মীনাৰায়ণৰ ভূমিদান তামৰফলি, [৫৮] কাম-ৰূপেশ্বৰ মহাদেৱৰ নীলাচল তাম্ৰশাসন, [৫৯] সদিয়া চেপাখোৱা তাম্ৰপত্ৰ, [৬০] বৰমূৰ্তিয়া বিল-তাম্ৰপত্ৰ,[৬১] মুক্ত ধৰ্মনাৰায়ণৰ পায়া তাম্ৰেশ্বৰী মন্দিৰ লিপি [৬২] আৰু বড়ুচণ্ডীদাসৰ 'কৃষ্ণকীৰ্তন'ত পাওঁ। 'কৃষ্ণকীৰ্তন'ৰ লিপিত বক্ৰতাৰূপৰ প্ৰাধান্য মন কৰিবলগীয়া। সদিয়াৰ লিপিমালাত ব্যৱহৃত ই-ৰ ৰূপ অভিনৱ, দণ্ডৰ ওপৰত বামাভিমুখী ক্ষুদ্ৰ চৈতন, দণ্ডৰ ভূমিৰ বাওঁফালে শূন্যগৰ্ভ ত্ৰিভুজ আৰু তাৰ ওপৰত ত-প 'গ'ৰ বামাংশৰ দৰে অৰ্ধবৃত্তাকাৰ ৰেখাই দণ্ডৰ মধ্যদেশ স্পৰ্শ কৰি ই-ৰ ৰূপ দিছে। (ইতি—বৰমূৰ্তিয়া, শাৰী ৩) হ্ৰস্ব ই-ৰ দণ্ডৰ সোঁ-

৫০. Bühler— *Ibid* pl vi, x 11 ৫১. Bühler—*Ibid* pl vi, x, 13 ৫২. পদ্মনাথ ভট্টাচাৰ্য—কামৰূপ শাসনাৱলী পিঠি ৪৪, মহেশ্বৰ নেওগ—প্ৰাচ্য শাসনাৱলী ১৯৭৪ পিঠি ১ ৫৩. Chaudhury, P, C—*JIH* Vol XL viii pt. It. ৫৪. নীলৰতন সেন — চৰ্যাগীতিকোষ, ফটোমুদ্ৰা সংস্কৰণ (১৯৭৮) পিঠি চ. ৫৫. চৰ্যাগীতি কোষ; পিঠি ড ৫৬. Chaudhury, P.C. *Vishveshvarand* Indological *Journal* vol ix, 1. ৫৭. Chaudhury, P.C—*JARS*. Vol XXIII, PP 57-63 ৫৮. সৰ্বেশ্বৰ বৰুৱা-আৱাহন, ৬ষ্ঠ বছৰ, ৬ষ্ঠ সংখ্যা ৫৯. Sircar, D.C.—*JAIH*. Vol II, PP 66-83 প্ৰাচ্য শাসনাৱলী ৭৮-১০০ ৬০. মহেশ্বৰ নেওগ—সংজ্ঞা; দ্বিতীয় বছৰ দ্বিতীয় সংখ্যা, পিঠি ৯৮-১০৩ ৬১. মহেশ্বৰ নেওগ— প্ৰকাশ, (১৯৭৬) জুলাই, পিঠি ৮৫-৯৩ ৬২. Sircar, D.C.— *JIH* Vol I, (1967—68) PP 17-21



হাতে এডাল হাকোটা লগাই দীৰ্ঘ ঈ লিখা দেখা পাওঁ (ঈশানং—সত্যনাৰায়ণৰ ফলি, ১২ শাৰী) কৃষ্ণকীৰ্তনতো দুয়োটা উৰে শিৰোৰেখাৰ ওপৰত চৈতনৰ সৃষ্টি নোহোৱাটো মন কৰিবলগীয়া। বাকী-কেইটা স্বৰৰ ৰূপ ছপা হৰফৰপৰা অধিক আঁতৰত নহয়।

ষোড়শ শতাব্দীৰপৰা অষ্টাদশ শতাব্দীলৈকে এই দুশ বছৰে অসমীয়া লিপিৰ লহকৰী গড়গঞা আৰু বামুণীয়া আখ্যাৰে যি ভিন্ন শৈলীৰ সৃষ্টি হ'ল সিবোৰ আখৰৰ মৌলিক ৰূপৰ (form) বিশেষ পৰিবৰ্তন নুসূচায়। দুই-এডাল ৰেখাৰ চুটি-দীঘল নাইবা টো-খেলোৱা আৰু সংযুক্ত ৰূপৰ ওপৰতহে নিৰ্ভৰশীল।

ঊনবিংশ শতাব্দীত ছপা হৰফৰ প্ৰৱৰ্তনৰ লগে লগে ভালেকেইটা অসমীয়া লিপিৰ চেহেৰা সলনি হ'ল। হাতেলিখা সাঁচিপাত-তুলাপতীয়া পুথিৰ স্বৰলিপিৰ ৰূপবোৰ এনেধৰণৰ : অ-ৰ দণ্ডৰ বাওঁফালে একেপাকে অৰ্ধবৃত্ত দুটা আঁকি একেডাল ৰেখাৰেই দণ্ডৰ ভূমিত এটি সূক্ষ্মকোণৰ সৃষ্টি কৰে। একেপাকে আঁকা গুণে বাওঁহাতৰ অৰ্ধবৃত্তৰ সংগম স্থানবোৰত একোটিকৈ কুণ্ডলীৰ সৃষ্টি হোৱাটো স্বাভাৱিক। কেতিয়াবা কেতিয়াবা দণ্ডৰ সোঁহাতে পুচ্ছ আগবাঢ়ি যায়। অ ৰ সোঁফালে পূৰ্ণদৈৰ্ঘৰ লম্ব আঁকিলেই সি আ ৰ ৰূপ লয়। হ্ৰস্ব ই আৰু ঈ-ৰ ৰূপ দুটা। প্ৰথমটো 'কৃষ্ণ-কীৰ্তন'ৰ লিপিৰ বিকশিত ৰূপ। ছপা হৰফৰ ই আৰু দীৰ্ঘ ঈ-ৰ সৈতে তাৰ সুমিতি আছে। দ্বিতীয় প্ৰকাৰ হ্ৰস্ব ই-ৰ বাওঁফালে মাত্ৰাবিহীন ত এটা। তাৰ সোঁফালে একাৰবিহীন ঔ-কাৰ এডাল (ৌ)। ত ৰ মূৰটো আছি ঔ-কাৰত লগ লাগে। (এই—যৌতুকস্বৰূপ ব্ৰহ্মাৰ তামৰ ফলি, ১৬৪৮ শক, ১৩ শাৰী) [৬৩]

হ্ৰস্ব ই-ৰ ত অংশৰ তলত হেলনীয়াকৈ চুটি ৰেখা এডাল টানিলে সি দীৰ্ঘ ঈ বুজায়। শোণিতপুৰ প্ৰাচ্য বিদ্যালয়ত সংৰক্ষিত সাঁচিপতীয়া সংস্কৃত 'তীৰ্থ-কৌমুদী'ত এক দীৰ্ঘ ঈ-ৰ প্ৰয়োগ আছে। এই শৈলীটো মৈথিলী লিপিৰ অনুকৰণত সৃষ্ট। গড়গঞা শৈলীৰ দীৰ্ঘ ঈ-কাৰৰ চৈতনডাল আলং-কাৰিক। [৬৪] হ্ৰস্ব উ আৰু দীৰ্ঘ ঊ-ৰ শিৰোৰেখাৰ চৈতনডাল কেতিয়াবাপৰা সৃষ্টি হ'ল তাক কোৱা টান। মৈথিলী লিপিত এই দুই অক্ষৰত শিৰোৰেখাৰ পৰিবৰ্তে ৺ একোটা দেখা যায়। পূৰ্বোক্ত 'তীৰ্থ-কৌমুদী' গ্ৰন্থখনো উভয়ত ওপৰমূৱা চৈতন দেখা পাওঁ। ছপা ঋ-ৰ ওপৰত ঐ-কাৰ বহাই ঋ লেখা পদ্ধতি সাঁচিপতীয়া পুথিত বৰ্তমান। এ, ঐ, ও আৰু ঔৰ ৰূপ ছপা হৰফৰপৰা ভিন্ন নহয়। বংগ-দেশত হলহেডে ছপা কৰা 'এ কোড অব জেণ্টুলজ' [১৭৭৬ খ্ৰীঃ আৰু 'এ গ্ৰামাৰ অব দ্য বেংগল লেংগুৱেজ' [১৭৭৮ খ্ৰীঃ] নাইবা এডমণ্ড ফ্ৰাই প্ৰকাশ কৰা 'পেণ্টোগ্ৰাফিয়া' [১৭৯৯] গ্ৰন্থত প্ৰদৰ্শিত ছপা হৰফকে অলপ ইফাল-সিফাল কৰি অসমীয়া ছপা স্বৰবৰ্ণমালা প্ৰস্তুত কৰা হৈছে। উ, ঊ আৰু ঋ-ৰ ছপা ৰূপ ঊনবিংশ শতাব্দীৰ পঞ্চম দশকতহে সম্পূৰ্ণ হয়। [৬৫]

৬৩. মহেশ্বৰ নেওগ—প্ৰাচ্য শাসনাৱলী, চিত্ৰফলক নং ৭,২ ৬৪. প্ৰাচ্য শাসনাৱলীৰ ৬ নং (৩) চিত্ৰ ফলকৰ কদ্ৰ সিংহৰ লেপেটকটাৰ তামৰ ফলি দ্ৰষ্টব্য। ৬৫. শ্ৰীপাহ-যখন ছাপাখানা এলো (১৯৭৭) দ্ৰষ্টব্য উদাহৰণৰ ক্ষেত্ৰত ব্ৰেকেটৰ ভিতৰত শব্দৰ সোঁহাতে ব্যৱহৃত সংখ্যামালাৰ প্ৰথমটোৱে শাসনৰ তাম্ৰফলকৰ সংখ্যা, দ্বিতীয় সংখ্যাত ফলকৰ পিঠিৰ লেখ আৰু তৃতীয় সংখ্যাই শাৰীৰ সংখ্যা বুজাইছে। শাঃ মানে শাৰী

—০—

বিশ্বনাৰায়ণ শাস্ত্ৰী

# কালিকা পুৰাণ আৰু অসম : ভৌগোলিক বিৱৰণ

( ৩৬ শ বছৰ ২য় সংখ্যাৰ পিছৰপৰা )

যোগিনীতন্ত্ৰৰ বৰ্ণনা অনুসাৰে যদি দিক্ষু নদীক কামৰূপৰ পূৰ্ব সীমা বুলি ধৰা যায়, তেনে হ'লে দিখৌ নৈৰ পাৰৰ কোনো ঠাইত দেৱী দিক্কৰবাসিনীৰ পীঠ আছিল বুলি অনুমান কৰাৰ থল আছে। ব্ৰহ্মপুত্ৰৰ সৈতে দিখৌৰ সংগমৰ ওচৰত শিৱসাগৰ মহকুমাত ৰামধা নামৰ দেৱালয়ৰ ভগ্নাৱশেষ আছে। ৰামধা যে ৰামাখ্যাৰ ৰূপান্তৰ সেই কথা সুস্পষ্ট। মন্দিৰৰ ভগ্নাৱশেষে প্ৰাচীনত্বৰ প্ৰমাণ নিদিয়ে যদিও, প্ৰাচীন পীঠত পিছৰ যুগত দেৱীমন্দিৰ প্ৰতিষ্ঠা হোৱা প্ৰচলিত ৰীতি। যোগিনীতন্ত্ৰৰ ৰচয়িতাই এনে প্ৰাচীন পীঠৰ কথাকে উল্লেখ কৰিছে। এই বিষয়ে অধিক অনুসন্ধানৰ প্ৰয়োজন।

বিদেহ : বিদেহ কামৰূপৰ ভিতৰত নাছিল; কিন্তু ঘনিষ্ঠ সম্পৰ্কৰ প্ৰান্ত দেশ। বিদেহক অনেক সময়ত মিথিলাৰে সৈতে অভিন্নৰূপে উল্লেখ কৰা দেখা যায়।[১] খ্ৰীষ্টিয় একাদশ শতকৰ জৈন কোষকাৰ হেমচন্দ্ৰয়ো বিদেহক মিথিলাৰ পৰ্যায়বাচী শব্দৰূপে উল্লেখ কৰিছে। মেদিনীকাৰে জনকবংশীয় ৰজা বুলি কৈছে।[৩] কোনো প্ৰসংগত অৱশ্যে মিথিলাক বিদেহৰ ৰাজধানী বুলি উল্লেখ কৰা দেখা যায়।[৪] বিদেহ বৰ্তমানৰ ত্ৰিহুত বা ত্ৰিৰ্‌হুত অঞ্চল।[৫] প্ৰাচীনকালত নেপালৰ জনকপুৰৰপৰা বিস্তৃত আছিল।

বিদেহ বৌদ্ধজাতক-প্ৰসিদ্ধ বৈশালীৰ উত্তৰ-পূৱত আছিল। মহাভাৰতৰ বৰ্ণনা মতে ভীমে বৰ্মক আৰু শৰ্মক দেশ অতিক্ৰম কৰি বিদেহত সোমাইছিল।[৬] বিদেহ এসময়ত উপনিষদ বিদ্যাৰ কেন্দ্ৰ আৰু পৌৰাণিক যুগৰপৰাই বাণিজ্য-প্ৰধান ৰাজ্য আছিল। অমৰকোষত বিদেহৰ অধিবাসীক 'বৈদেহ' বণিকৰ পৰ্যায়বাচী শব্দৰূপে[৭] উল্লেখ কৰাটো প্ৰণিধানযোগ্য।

১. বিদেহা মিথিলে স্মৃতঃ—বিশ্বপ্ৰকাশ। ২. বিদেহস্তু নিৰ্দেহে মৈথিলেঽপিচ—হেমচন্দ্ৰ। ৩. বিদেহঃ······ স্যাজ্জনকান্বয়ভূমিপে—মেদিনী। ৪. মিথিলাং মহানগৰীং······দৰ্শয় সীতায়ৈ জনকস্য ৰাজধানীম্—অঃ ৰাঘৱ। ৫. ত্ৰিহুত তীৰভুক্তি শব্দৰ অপভ্ৰংশ। তীৰভুক্তি অৰ্থাৎ নৈৰপাৰৰ অঞ্চল। এই নৈ হৈছে গণ্ডক নৈ। তীৰভুক্তিক আকৌ অমৰকোষত "নিচ্ছবিঃ" ( লিচ্ছবিঃ ? ) বোলা হৈছে। —অমৰ, ভূমিবৰ্গ। ৬. মহাভাৰত, সভাপৰ্ব। ৭. বৈদেহকো সাৰ্থবাহো নৈগমো বাণিজো বণিক্—অমৰ, বৈ-ৱ.



বিদেহ বা মিথিলাৰ[৮] সৈতে প্ৰাচীন তথা মধ্যযুগৰ কামৰূপৰ ঘনিষ্ঠ সম্বন্ধৰ সূত্ৰপাত নৰকৰ প্ৰাগ্-জ্যোতিষপুৰত ৰাজত্বৰপৰা হয় বুলি ধৰিব পাৰি। মধ্যযুগত মিথিলাত ৰচিত মহাভাৰতত্তকৈও বৃহৎ আকাৰৰ "বীৰমিত্ৰোদয়" নামৰ স্মৃতি-গ্ৰন্থৰ প্ৰভাৱ কামৰূপীয় স্মৃতিত বিশেষকৈ দায় বিভাগ ( সম্পত্তিৰ উত্তৰাধিকাৰিত্ব ) ত দেখা যায়। মিথিলাৰ নব্য ন্যায় আৰু বৈষ্ণৱ পদাৱলীও এই প্ৰসংগত স্মৰণীয়। "ভিৰহুতী বিপ্ৰ" জগদীশ চৰিত পুথিত সুপ্ৰসিদ্ধ।

বিদৰ্ভ : বিদৰ্ভৰ ৰাজকন্যা মায়াক শ্ৰীকৃষ্ণই নিজে পুত্ৰ নৰকৰ বাবে বৰণ কৰিছিল কালিকা পুৰাণত[৯] উল্লেখ আছে যদিও হৰিবংশ আৰু অন্যান্য পুৰাণ এই বিষয়ত নিমাত। মায়াৰ বাহিৰে পুৰাণত তিনিগৰাকী নাৰী "বিদৰ্ভজা" আখ্যাৰে সুপ্ৰসিদ্ধ। তেওঁলোক হৈছে বৈদিক যুগৰ ঋষি অগস্ত্যৰ পত্নী লোপামুদ্ৰা, শ্ৰীকৃষ্ণ-প্ৰিয়া ৰুক্মিণী আৰু নলৰজাৰ ভাৰ্যা দময়ন্তী। পুৰাণত লোপামুদ্ৰাক বিদৰ্ভজা বুলি উল্লেখ কৰাৰ উপৰিও কোষকাৰে[১০] বিদৰ্ভজা লোপামুদ্ৰাৰ নামান্তৰ ৰূপে গ্ৰহণ কৰিছে।

বিদৰ্ভক কুণ্ডিন নগৰ বুলি উল্লেখ কৰা দেখা যায়।[১১] বিদৰ্ভা বিদৰ্ভৰ ৰাজধানী আৰু তাৰ নামেই কুণ্ডিন। বিদৰ্ভৰ অৱস্থানৰ বিষয়ে বিভিন্ন পুৰাণ, হৰিবংশ আৰু কোষগ্ৰন্থৰ মত সুস্পষ্ট। এইবিলাক উল্লেখ অনুযায়ী বিদৰ্ভৰাজ্য দাক্ষিণাত্যৰ কৃষ্ণা নৈৰপৰা নৰ্মদালৈকে বিস্তৃত আছিল। আয়তনত বিশাল হোৱা বাবে এইখন ৰাজ্যক কোনো সময়ত মহাৰাষ্ট্ৰ নামেৰেও উল্লেখ কৰা হৈছে।[১২] কালিদাসে ৰঘুবংশত বৰ্ণনা কৰিছে যে অজে নৰ্মদা নৈ পাৰ হৈ বিদৰ্ভ দেশত প্ৰৱেশ কৰিছিল।[১৩] (তু/ক° লৌহিত্য পাৰ হৈ ৰঘুৱে প্ৰাগ্‌জ্যোতিষত প্ৰৱেশ কৰিছিল।) ৰুক্মিণীৰ স্বয়ম্বৰ প্ৰসংগত হৰিবংশ আৰু ভাগৱতত বিদৰ্ভ আৰু কুণ্ডিন দুয়োটা নামৰে সমাৰ্থক প্ৰয়োগৰ সৈতে ভীষ্মকক বিদৰ্ভৰাজ আৰু কুণ্ডিনপতি বোলা হৈছে।[১৪]

দ্বাৰকাৰপৰা কুণ্ডিনৰ দূৰত্বৰ আভাসো উক্ত বৰ্ণনাত পোৱা যায়। "ঘোঁৰাত উঠি একেৰাতিৰ ভিতৰতে (দ্ৰুত) আনৰ্তৰপৰা কুণ্ডিন পলে গৈ।"[১৫]

"শ্ৰীকৃষ্ণই ইয়াকে কৈ ৰথত উঠি বেগাই যাত্ৰা কৰিলে আৰু বেলি বহিবৰ সময়ত ভীষ্মকৰ ঘৰ পালেগৈ।"[১৬]

আনৰ্ত দেশ মালোৱাৰ একোৱাৰ সৈতে গুজৰাট; কুশস্থলী[১৭] ইয়াৰ ৰাজধানী। কুশস্থলী আধুনিক দ্বাৰকা। স্কন্দপুৰাণৰ বৰ্ণনাৰপৰা জনা যায়, আনৰ্ত দেশ উত্তৰ গুজৰাট আৰু ইয়াৰ ৰাজধানী আনৰ্তপুৰ[১৮]। পৰাশৰ আৰু বৰাহমিহিৰে ন ভাগত ভাগ কৰা দেশ

৮. বহ্নিপুৰাণৰ বৰ্ণনামতে এসময়ত বিদেহত নিমি নামে এজন ৰজাই ৰাজত্ব কৰিছিল। এবাৰ তেওঁ এটা যজ্ঞ আৰম্ভ কৰি অসমাপ্ত কৰি এৰা বাবে বশিষ্ঠৰ শাপত বিদেহ হয়। তেতিয়াৰপৰা ৰাজ্য আৰু ৰাজবংশৰ নাম বিদেহ হয়। এসময়ত মিথি নামে এজন ৰজাই বিদেহত ৰাজত্ব কৰিছিল। তেওঁৰ নামৰপৰা মিথিলা নাম হয় বুলি বিষ্ণু পুৰাণত উল্লেখ আছে। মিথি-লা শব্দ জোঙি-লা, ৰম-দি-লাৰ দৰে হৈছে বুলি ভাষাতাত্ত্বিকে হয়তো ক'ব পাৰে। ৯. কালিকা পুৰাণ ৩৮/১৩১। ১০. লোপামুদ্ৰা বিদৰ্ভজা-ত্ৰিকাণ্ড-শেষ ১১. স্যাদ্বিদৰ্ভা তু কুণ্ডিনম্ — হেমচন্দ্ৰ। ১২. ······ মহাৰাষ্ট্ৰকমণ্ডলম্ কুণ্ডিনম্ নগৰম্ — অনৰ্ঘৰাঘৱ। ১৩. ৰঘু, ৫/৫৯-৬০ ১৪. ৰাজা স কুণ্ডিনপতিঃ পুত্ৰস্নেহৱশানুগঃ ভাগৱত ১০/৫৩ অঃ ১৫. আনৰ্তাদেকৰাত্ৰে বিদৰ্ভমগমদ, হয়ৈঃ—হৰিবংশ ১৬. ভীষ্মকস্য গৃহং প্ৰাপ্তো লোহিতায়তি ভাস্কৰে—হৰিবংশ ১৭. ভাগৱত—১০ স্কঃ ৩৫ ১৮. স্কন্দ পুৰাণ, নাগৰ খণ্ড, ৬৫ অঃ

(ভাৰত) খনৰ দাক্ষিণ পশ্চিমত অৱস্থিত ভাগটোৰ নাম আনৰ্ত। উক্তবিভাগ কূৰ্মবিভাগৰূপে বৃহৎসংহিতাত উল্লিখিত।

পৌৰাণিক বৰ্ণনামতে বিদৰ্ভ আৰু আনৰ্ত ওচৰা-উচৰি দেশ। বিদৰ্ভৰ ৰাজধানী কুণ্ডিনৰপৰা ভোজ-কোটলৈ [১৯] কল্পই স্থানান্তৰ কৰাৰ পিছত দুয়োখন ৰাজ্য আৰু ঘনিষ্ঠ হৈ পৰিছিল। কালিদাসৰ মালৱি-কাগ্নিমত্ৰ নাটকত অগ্নিমিত্ৰই বিদৰ্ভ ৰাজ্য দুভাগত বিভক্ত কৰাৰ উল্লেখ আছে। [২০] সপ্তম শতিকাৰ আলংকাৰিক বামনে বৈদৰ্ভী ৰীতিৰ মাধুৰ্যৰ বিষয়ে স্পষ্টভাৱে কোৱাৰপৰা ধাৰণা হয়, এসময়ত বিদৰ্ভই সাহিত্য চৰ্চাই বিশিষ্ট স্থান অধিকাৰ কৰিছিল। জনশ্ৰুতি অনুসাৰে বিদৰ্ভ তথা কুণ্ডিন নগৰ অসমৰ পূৰ প্ৰান্তত। অসমত ৰচিত কালিকা পুৰাণে কুণ্ডিলৰ নাম লোৱা নাই।

শোণিতপুৰ : কালিকা পুৰাণত শোণিতপুৰাধিপতি বাণ ৰজা আৰু বাণৰ সৈতে নৰকৰ সখ্যৰ বৰ্ণনা আছে; [২১] কিন্তু ভাগৱত, হৰিবংশ [২২] আদিত বিস্তৃত-ভাৱে বৰ্ণিত অনিৰুদ্ধৰ উষাহৰণ আৰু হৰি-হৰৰ যুদ্ধ আদিৰ বিৱৰণ নাই। কালিকা পুৰাণত বাণক বলিৰ পুত্ৰ, সহস্ৰবাহু, মহাসুৰ বুলি কোৱাৰ লগতে বাণৰ "অগ্নিদুৰ্গ নগৰ" শোণিতপুৰৰ উল্লেখো আছে।

অসমত প্ৰচলিত প্ৰবল জনশ্ৰুতিয়ে বৰ্তমানৰ তেজপুৰক প্ৰাচীন শোণিতপুৰ আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ অগ্নিগড় পাহাৰক উষাৰ কণ্যান্তঃপুৰ বুলি চিনাক্ত কৰে।

জনশ্ৰুতি প্ৰবল যদিও ভাস্কৰবৰ্মাৰপৰা আৰম্ভ কৰি ইন্দ্ৰপালৰ তামৰ ফলি, শিলালিপি আদি ক'তো শোণিতপুৰ নামৰ উল্লেখ দেখা নাযায়।

হৰিবংশৰ বৰ্ণনা মতে শোণিতপুৰ গুপ্ত কাশীৰ ওচৰত।[২৩] হৰিদ্বাৰৰপৰা কেদাৰনাথলৈ যোৱা পথত ৰুদ্ৰপ্ৰয়াগৰ উত্তৰফালে উষামঠ আছে। মৎস্যপুৰাণৰ মতে বাণৰ ৰাজধানী ত্ৰিপুৰ। [২৪] অন্য প্ৰবাদ মতে বৰ্তমান বাংলা দেশৰ দিনাজপুৰ অঞ্চলত বাণ ৰজাৰ নগৰ শোণিতপুৰ আছিল। আনন্দৰাম বৰুৱাই "ভাৰতৰ প্ৰাচীন ভূগোলত" এই প্ৰবাদৰ কথা উল্লেখ কৰি দ্বাৰকাৰ বাসুদেৱৰ প্ৰতিস্পৰ্দ্ধী পৌণ্ড্ৰ দেশৰ বাসুদেৱৰ সমসাময়িক বাণ ৰজাই দিনাজপুৰৰ দেৱীকোটত ৰাজত্ব কৰিছিল বুলি মত প্ৰকাশ কৰিছে। দেৱীকোটৰ অন্য নাম উষাৱন বুলি কোষ গ্ৰন্থত পোৱা যায়।[২৫] শ্ৰীকৃষ্ণ দ্বাৰ-কাৰপৰা শোণিতপুৰলৈ অহা পথৰ যি বৰ্ণনা হৰিবংশত [২৬] আছে সেই বৰ্ণনাই দিনাজপুৰত শোণিতপুৰৰ অৱস্থিতি সমৰ্থন নকৰে।

হৰিবংশত বাণৰ নগৰ সম্পৰ্কে থকা ভৱিষ্যদ্‌বাণীত কোৱা হৈছে "যি ঠাইত পূৰ্বে কাৰ্তিকৰ জন্ম হৈছিল তাতে বাণৰ নগৰ হ'ব আৰু তাৰ নাম হ'ব তেজপুৰ।" কাৰ্তিকৰ ক'ত জন্ম হৈছিল, সেই বিষয়ে নানা পুৰাণৰ নানা মত। বিষ্ণু পুৰাণৰ বৰ্ণনা মতে অগ্নিয়ে শিৱবীৰ্য শৰবনত নিক্ষেপ কৰাত তাতে কাৰ্তিকৰ জন্ম হয়। কৃত্তিকাগণে (তৰাকী) পালন কৰাত নাম হয় কাৰ্ত্তিক। ৰামায়ণৰ বিৱৰণ মতে শিৱবীৰ্য অগ্নিয়ে ধাৰণ কৰিব নোৱাৰি নিক্ষেপ

১৯. হৰিবংশ, ১১৮ অঃ; বিষ্ণু পুৰাণ, পঞ্চম ভাগ, ২৬ অঃ ২০. মালৱিকাগ্নিমিত্ৰ, ৫/১৩। ইয়াৰে উত্তৰ ভাগৰ ৰাজধানী আছিল প্ৰতিষ্ঠানপুৰ। প্ৰতিষ্ঠানপুৰৰ কথা কথাসৰিৎ সাগৰত আছে। ২১. কালিকা পুৰাণ, ৩৯ অঃ। ২২. হৰিবংশ-১৭৫ অঃ। ২৩. হৰিবংশ ১৭৪ অঃ। ২৪. মৎস্যপুৰাণ ১১৬ অঃ।
২৫. দেৱীকোটম্ উষাৱনম্। কোটিবৰ্ষং বাণপুৰং স্যাচ্ছোণিতপুৰং চ তাং। —হেমচন্দ্ৰ; ত্ৰিকাণ্ডশেষ।
২৬. হৰিবংশ — ১৭৯ অঃ



কৰাত উজ্জ্বল শ্বেতপৰ্বত আৰু শৰবন হয় আৰু তাতে কাৰ্তিকৰ জন্ম হয়। অন্যমতে অগ্নিয়ে শিৱবীৰ্য সুৰগঙ্গাত নিক্ষেপ কৰে আৰু সুৰগঙ্গাই হিমালয়ত নিক্ষেপ কৰে, তাতে কাৰ্তিকৰ জন্ম হয়। মহাভাৰতৰ তিনি ঠাইত কুমাৰৰ জন্মবিৱৰণ তিনি প্ৰকাৰে আছে। এই সকলো বৰ্ণনাতে কাৰ্তিকৰ জন্ম হয় সুৰগঙ্গাৰ পাৰৰ শৰবনত বা হিমালয়ৰ নিম্নৰ প্ৰদেশৰ শৰবনত।

ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ বৰ্ণনা মতে স্বৰ্ণৰেখা নৈৰপাৰৰ শৰবনত কাৰ্তিকৰ জন্ম হয়। স্বৰ্ণৰেখা যদি সুবৰ্ণ-ৰেখাৰে নামান্তৰ, তেনেহলে সুবৰ্ণৰেখা বৰ্তমানৰ পশ্চিম বঙ্গৰ মানভূম জিলাত।

বাণৰ উপাস্যা দেৱী ভদ্ৰকালী। বাণে যুদ্ধত কোটৰী আৰু কিৰাতী দেৱীৰ স্তুতি কৰিছিল। কিৰাতী দেৱী কালিকা পুৰাণত প্ৰসিদ্ধ সম্ভৱ স্থানীয় দেৱী। (ক্ৰমশঃ)

ড: হৰিনাথ শৰ্মাদলৈ

## হৰিশ্চন্দ্ৰ-উপাখ্যান

হৰিশ্চন্দ্ৰ-উপাখ্যান" মহাপুৰুষ শঙ্কৰদেৱৰ অন্যতম কাব্য। ই কবিৰ জীৱনৰ আগভাগৰ ৰচনা। সম্ভৱতঃ প্ৰথম আখ্যান প্ৰধান কাব্যিক সৃষ্টি। কবিৰ নিজৰ লিখাত ইয়াৰ যথেষ্ট প্ৰমাণ:

কৰযোৰে বোলো শুনা বুধজন
আত যিবা দেখা দোষ।
ছাৱালৰ বাণী হেন অনুমানি
মনে হুইবা পৰিতোষ॥ (৬১৬)

হৰিশ্চন্দ্ৰৰ উপাখ্যান পুৰাণ প্ৰসিদ্ধ। মাৰ্কণ্ডেয় পুৰাণৰ ৭ ম আৰু ৮ম অধ্যায়ত উপাখ্যানৰ বিশদ বিৱৰণ পোৱা যায়। মহাপুৰুষ শঙ্কৰদেৱে মাৰ্কণ্ডেয় পুৰাণৰ এই আখ্যানৰ অনুবাদ কৰিছে— কাব্যিক ৰূপত। এই সম্বন্ধে কবিয়ে নিজেও কাব্যৰ ভিতৰতে উল্লেখ কৰিছে।

মাৰ্কণ্ডেয় পুৰাণৰ কথাতে প্ৰধান।
পয়াৰ ৰচিবো হৰিশ্চন্দ্ৰ উপাখ্যান॥ (২)
শুনিয়োক সন্ত সভাসদ নিৰন্তৰ।
পৰমাৰ্থ কথা মাৰ্কণ্ডেয় পুৰাণৰ॥
হৰিশ্চন্দ্ৰ চৰিত্ৰ শুনন্তে অনুপাম। (৫৬)
কঠোৰক ভয় কথাৰ আশয়
দিলো কিছু কাব্য-ৰস। (৬১৬)

বিচাৰত দেখা যায়— মূলৰ হৰিশ্চন্দ্ৰ উপাখ্যানৰ প্ৰায় সকলোবোৰ ঘটনাকেই বিশেষ পৰিবৰ্তন নকৰাকৈ শঙ্কৰদেৱে অনুবাদ কৰিছে। মৃগয়াৰ কাৰণে হৰিশ্চন্দ্ৰৰ অৰণ্য-গমন, তাত স্ত্ৰীৰূপিণী ভয়াদি বিদ্যাবোৰৰ আৰ্তনাদ শ্ৰৱণ, অবলা নাৰী বুলি তেওঁলোকক ৰজাৰ "মাভৈ"-প্ৰদান, বিশ্বামিত্ৰৰ ব্ৰত-ভংগ, বিদ্যাবোৰৰ পলায়ন, ঐশ্বৰ্য-বিভূতিৰ সৈতে সমগ্ৰ ৰাজ্য ৰজাৰ-পৰা দান হিচাপে বিশ্বামিত্ৰৰ গ্ৰহণ, ৰাজসূয়-যজ্ঞৰ দক্ষিণা দিব নোৱাৰি এমাহৰ সময় লোৱা, ৰাজ্য-ত্যাগ কৰাত বিলম্ব হোৱা কাৰণে ৰজা-ৰাণীৰ ওপৰত বিশ্বামিত্ৰৰ ক্ৰোধ, দণ্ডকাষ্ঠেৰে শৈব্যাদেৱীক বিশ্বামিত্ৰৰ প্ৰহাৰ, পঞ্চ বিশ্বদেৱৰ ওপৰত অভিশাপ, পুত্ৰ-ভাৰ্যাৰ সৈতে ৰজাৰ ৰাজ্যত্যাগ আৰু বাৰাণসীত উপস্থিতি, ঋষিৰ দক্ষিণাৰ ধন সংগ্ৰহৰ কাৰণে তাত এজন ব্ৰাহ্মণ লৈ পুত্ৰ-ভাৰ্যাক বিক্ৰী কৰা আৰু শেষত নিজেও চণ্ডালৰ ওচৰত বিক্ৰী হোৱা, দাসত্বৰ কালছোৱাত সৰ্পাঘাতত ৰাজপুত্ৰ ৰোহিতাশ্বৰ মৃত্যু, সৎকাৰৰ কাৰণে পুত্ৰৰ মৃত দেহ লৈ ৰাণী শৈব্যাৰ শ্মশানত উপস্থিতি, তাত কথা-প্ৰসংগৰ মাজেদি চণ্ডালৰূপী ৰজাৰ লগত চিনাকি, শোকত অধীৰ হৈ পুত্ৰৰ জ্বলন্ত চিতাতেই একেলগে মৰিবলৈ ৰজা-ৰাণীৰ প্ৰস্তুতি, এনেতে ধৰ্ম, ইন্দ্ৰ আৰু ঋষি বিশ্বামিত্ৰৰ তাত আবিৰ্ভাৱ, অপমৃত্যু-বিনাশন অমৃতময় বাৰি সিঞ্চন কৰি (ততোঽমৃতময়ং বৰ্ষমপমৃত্যুবিনাশনম্) ইন্দ্ৰৰদ্বাৰা ৰোহিতাশ্বৰ জীৱনদান



আৰু শেষত অযোধ্যাৰ প্ৰজাবোৰৰ সৈতে ৰজা-ৰাণীৰ স্বৰ্গলৈ গমন—মূলৰ হৰিশ্চন্দ্ৰ-উপাখ্যানৰ এই প্ৰধান ঘটনাবোৰ কাব্যত শংকৰদেৱে বিশেষ পৰিবৰ্তন নকৰাকৈয়েই প্ৰকাশ কৰিছে।

মূলৰ প্ৰধান ঘটনাবোৰৰ অসমীয়া ৰূপত বিশেষ পৰিবৰ্তন দেখা নগলেও শংকৰদেৱৰ "হৰিশ্চন্দ্ৰ-উপাখ্যান"ৰ কাহিনী আৰু মূলৰ হৰিশ্চন্দ্ৰ উপাখ্যানৰ মাজত সামগ্ৰিকভাৱে অৱশ্যে কিছুমান প্ৰভেদ লক্ষ্য কৰা যায়। মহাকাব্যৰ নিয়ম অনুসৰি অসমীয়া কবিয়ে আৰম্ভণিতে নিজৰ ইষ্ট-দেৱতা শ্ৰীকৃষ্ণক প্ৰণাম জনাই কাব্যৰ বিষয়বস্তুৰ সূচনা কৰে আৰু তাৰ পিছতে নায়ক-নায়িকা হৰিশ্চন্দ্ৰ-শৈব্যাৰ পৰিচয়ৰ চলতে তেওঁলোকৰ গুণৰাশিৰ বৰ্ণনা কৰে। মূলৰ তিনিটা শ্লোকে (৭/১-৩) হৰিশ্চন্দ্ৰৰ গুণৰ আৰু তেওঁৰ শান্তিময় ৰাজ্যৰ মাত্ৰ আভাস দিছে। শংকৰদেৱৰ হৰিশ্চন্দ্ৰই মৃগয়ালৈ যোৱাৰ আগতে এটা যজ্ঞ সমাপন কৰে। শাস্ত্ৰীয় পদ্ধতি অনুসৰি সকলো বৈদিক কৰ্মৰ আৰম্ভণিতে বিঘ্নৰ ঈশ্বৰ গণেশক পূজা কৰা হয়। হৰিশ্চন্দ্ৰই এই যজ্ঞত কিন্তু কুলগুৰু বশিষ্ঠৰো নিৰ্দেশৰ বিৰুদ্ধে গণেশক নুপূজি "সংসাৰৰ আদি মূল" বিষ্ণুকহে প্ৰথমতে পূজা কৰে। ইয়াত গণেশদেৱ ক্ৰুদ্ধ হয় আৰু ৰজাৰ ওপৰত প্ৰতিশোধ ল'বলৈ ছিদ্ৰ চাই ফুৰে। পিছত, মৃগানুধাৱী ৰজাই অৰণ্যৰ মাজত স্ত্ৰীৰূপিণী বিদ্যাসমূহৰ যেতিয়া আৰ্তনাদ শুনে, তেতিয়া তেওঁ ক্ৰোধান্বিত হয়। সেই সুযোগতে প্ৰতিশোধ লোৱাৰ মনেৰে "ঋষিৰ হাতত কৰো ৰাজ্যৰ উচ্ছেদ" বুলি গণপতি ৰজাৰ শৰীৰত প্ৰৱেশ কৰে। মূলত এই যজ্ঞ-সমাপনৰ বিৱৰণো নাই, গণপতি গণেশৰ ক্ৰোধৰ কথাও নাই। উল্লেখযোগ্য কথা এই যে, মূলত বিশ্বামিত্ৰই দক্ষিণা বিচৰা প্ৰসংগত ৰজাই তাৰ আগতে ৰাজসূয় যজ্ঞ কৰাৰ ইংগিত আছে—"প্ৰযচ্ছ প্ৰথমং তাৱদ্দক্ষিণাং ৰাজসূয়িকীম্" (৭ম অধ্যায়)। মূলৰ এই ইঙ্গিতৰ ওপৰত নিৰ্ভৰ কৰি শংকৰদেৱে যজ্ঞ সমাপনৰ বহল বৰ্ণনা দাঙি ধৰিছে আৰু তাৰ মাজত গণেশক হেয় প্ৰতিপন্ন কৰি তেওঁৰ অন্তৰত প্ৰতিশোধমূলক ক্ৰোধাগ্নি জ্বলাই তুলিছে। মূলতো ৰজাৰ শৰীৰত গণেশ-প্ৰৱেশৰ কথা আছে—অৱশ্যে বেলেগ ধৰণে। ইয়াত যিহেতুকে যজ্ঞ সম্পাদনৰ বিৱৰণ আৰু তাত গণেশক পূজা নকৰাৰ কথা নাই, গণেশে ৰজাৰ ওপৰত প্ৰতিশোধ ল'বলৈ কোনো ভাৱো পোষণ কৰি থকা নাই। পুৰাণৰ মতে, নাৰীৰ আৰ্তনাদ শুনি হৰিশ্চন্দ্ৰ ক্ৰোধান্বিত হৈ আৰ্তক ৰক্ষা কৰিবলৈ আৰু উৎপীড়কক শাস্তি দিবলৈ উদ্যত হয়। তেতিয়া গণেশে ৰজাৰ দেহত প্ৰৱেশ কৰে।[1] এই পৰ্যন্ত পৌৰাণিক কথাৰ সংগতি ৰখাই কাহিনী-সৃষ্টিত শংকৰদেৱৰ কল্পনাই সৃষ্টিধৰ্মিতা দেখুৱাব পাৰিছে। গণপতিক কৰা অৱজ্ঞা আৰু সেই চাৰিত্ৰিক দোষেই শংকৰদেৱৰ হৰিশ্চন্দ্ৰক ট্ৰেজেডিৰ নায়কৰ নিচিনা বিপদমুখী কৰি দিয়ে। পুৰাণৰ হৰিশ্চন্দ্ৰৰ বিপদৰ কাৰণ হিচাপে দৈৱিক প্ৰভাৱকেই স্পষ্টভাৱে দেখা যায়। এটা বিশেষভাৱে উল্লেখ কৰিবলগীয়া কথা এই — কাব্যৰ মাজত হৰিশ্চন্দ্ৰৰ জীৱনৰ পৰৱৰ্তী অভাৱনীয় দুখপূৰ্ণ ঘটনাসমূহৰ ক্ৰমবিস্তৃতিৰ মাজত

১. স বিহায় মৃগং ৰাজা মা ভৈষীৰিত্যভাষত। মযি শাসতি দুৰ্মেধাঃ কোঽয়ম ন্যায়বৃত্তমান্॥
তৎক্ৰন্দিতানুসাৰী চ সৰ্ব্বাৰম্ভবিঘাতকৃৎ। এতস্মিন্নন্তৰে ৰৌদ্ৰো বিঘ্নৰাট্ সমচিন্তয়ৎ॥
বিশ্বামিত্ৰোঽয়মতুলং তপ আস্থায় বীৰ্য্যৱান্। প্ৰাগসিদ্ধা ভৱাদীনাং বিদ্যাঃ সাধয়তি ব্ৰতী॥
সাধ্যমানাঃ ক্ষমা মৌনচিত্তসংযমিনামুনা। তা বৈ ভয়াৰ্ত্তাঃ ক্ৰন্দন্তি কথং কাৰ্য্যমিদং ময়া॥
তেজস্বী কৌশিকশ্ৰেষ্ঠো বয়মস্য সুদুৰ্ব্বলাঃ। ক্ৰোশন্ত্যেতাস্তথা ভীতা দুষ্পাৰং প্ৰতিভাতি মে॥
অথবায়ং নৃপঃপ্ৰাপ্তো মাভৈৰিতি বদন্ মুহুঃ। ইমমেৱ প্ৰৱিশ্যাশু সাধয়িষ্যে যথেপ্সিতম্॥
(মাৰ্কণ্ডেয় পুৰাণ ৭ম অধ্যায়)

গণেশৰ আৰু কোনো প্ৰভাৰ দেখিবলৈ পোৱা নগল। ৰজাত অপৰ্যাপ্ত ধন-ঐশ্বৰ্যদানৰ যি কাল্পনিক বিস্তৃত বৰ্ণনা কাব্যত দিয়া হৈছে, সি একালেদি যেনেকৈ মহাৰাজ হৰিশ্চন্দ্ৰৰ দাতব্য-গুণ প্ৰকাশ কৰিছে, আনফালেদি তেনেকৈ ব্ৰাহ্মণৰ প্ৰতি তাচ্ছিল্য-উপহাসো প্ৰকাশ কৰিছে।[২]

বিশ্বামিত্ৰক দান দিয়া দৃশ্যটি হৰিচন্দ্ৰ উপাখ্যানৰ তাৎপৰ্যপূৰ্ণ কথা। অতিপাত সৰলতা আৰু দানবৎসলতাই ইয়াত ৰজাক আনন্দত অভিভূত (প্ৰহৃষ্টেনান্তৰাত্মনা) কৰি তোলে আৰু তাৰ ফলস্বৰূপে তেওঁৰ বুদ্ধি বিভ্ৰম হয়। কিয়নো মুনিয়ে ৰজাইপৰা প্ৰথমতে বিচাৰে যজ্ঞৰ দক্ষিণা—প্ৰযচ্ছ প্ৰথমং তাৱদ্দক্ষিণাং ৰাজসূয়িকীম্" (৭ম অধ্যায়)। ৰজাই কিন্তু "আপোনাৰ অভীষ্ট প্ৰ তি গ্ৰ হ গ্ৰহণ কৰক—ব্ৰিয়তাং দ্বিজশাৰ্দ্দূল যত্তবেষ্টঃ প্ৰতিগ্ৰহঃ" বুলি সমগ্ৰ ধন-ঐশ্বৰ্যৰ সৈতে সসাগৰা ৰাজ্যৰ কথা সূচনা কৰে। বিশ্বামিত্ৰই তেতিয়া কলে যে, ৰজাই তেওঁৰ ভাৰ্যা, পুত্ৰ, নিজৰ দেহ আৰু ধৰ্মাধৰ্মত বাহিৰে, সকলো ধন-ৰত্নৰ সৈতে অশ্ব-গজ-ৰথপূৰ্ণ সসাগৰা ৰাজ্য দান কৰিব লাগে।[৩] ৰজায়ো লগে লগে আনন্দমনে সেই সকলো দান কৰে আৰু মুনিৰ আজ্ঞা মতে সকলো ৰাজ-আভৰণ পৰিত্যাগ কৰি পত্নী-পুত্ৰৰ সৈতে ৰাজ্য এৰিবলৈ প্ৰস্তুত হয়। মুনিয়ে তেতিয়া কলে—"মোক ৰাজসূয়-যজ্ঞৰ দক্ষিণা নিদিয়াকৈ কলৈ যাবা—ক্ব যাস্যসীত্যদত্ত্বা মে দক্ষিণাং ৰাজসূয়িকীম্।" (৭ম অধ্যায়) ৰজা ইদৰে কঠিন বিপদৰ অতীত নিজকে নিজে মেৰ খাই গল; কাৰণ তেওঁ এতিয়া সৰ্বস্বান্ত; দিবলৈ একো নাই। নিজেই নিজৰ বিপদৰ পথ নিৰ্মাণ কৰি লোৱা মূলৰ এই দৃশ্যটি কাব্যত শংকৰদেৱে আৰু বেছি স্পষ্ট কৰি তুলিছে। মুনিয়ে যিহকে ইচ্ছা কৰে তাকেই দান কৰিম বুলি ৰজাই

২: কত্তো পঞ্চামৃত খুজিলন্ত খাইবো বুলি। মুখত নযাই চাই থাকে হাত তুলি॥
বিধিক সুমৰি মৰ্ম্ম কৰন্ত ব্ৰাহ্মণ। এৰিও নেৰন্ত যেন কৃপণৰ ধন॥
খাহাত্তে খাহাত্তে কাৰো পাইল টিটুমান। বস্ত্ৰ আনি যাচন্তে নেদন্ত সমিধান॥
থিউ হুয়া থাকে ৰাত্তি আসিবাক ডৰে। যেন মঠ ধৰি যোগীগণে ধ্যান কৰে॥

• • • •

নৃপতি বোলন্ত বৌল মোৰ বোল কৰা। সমস্তে ভাণ্ডাৰ দিলো নিয়া যত পাৰা॥
শুনি দ্বিজগণে ভৈলা পৰম সন্তোষ। ভাণ্ডাৰ সোমায়া লগাইলন্ত লড়ি লোস॥
একোখন আছে তাৰ লক্ষ কোটি মোল। আথেবেথে দাস কৰি চপাৱন্ত কোল॥
উপৰক পৰি তাক মোৰ মোৰ বুলি। আপুন ইচ্ছাৰে পাছে উপচাত্ত তুলি॥
বান্ধন্ত বোকোন্দা কত্তো গুটি সুৱৰ্ণৰ। মুকুতা মাণিক মণি-হীৰা ৰাখৰৰ॥
বোজা লৈয়া তথাপি কৰন্ত হায় ফুই। তাকো নিবে নাপাৰিয়া যান্ত কুঁজা হুই॥
মুণ্ড ফুটে বলিয়া পেহলান্ত কত্তো বোজা। নাকে ধৰ উলাস শুণন্ত কত্তো ওজা॥

• • •

পুত্ৰ ভ্ৰাতৃ যাৰ নাম কাঢ়ি দেন্ত পেড়ি। আলগাই মেন্ত পাছে সাত্তে পাকে বেঢ়ি॥
সুৱৰ্ণৰ খাৰি খুৰি আছে লক্ষ কোটি। আৰু দেখি কত্তো ব্ৰাহ্মণৰ আত্তি যুক্তি॥
জোট কৰি বান্ধা উপৰৰ বস্ত্ৰ কাঢ়ি। দুয়োহাত্তে লৈ যান্ত কান্ধত কত্তো আঢ়ি॥
তথাপি কৰত্তে যান্তে মনত বিকল। মোৰ কি নভৈল হস্তী ঘোট মান বল॥
আজি লৈয়া গৈলো হত্তে ভাণ্ডাৰ উলাসি। শতেক পুৰুষো সুখে খাইলো হত্তে বসি॥
কত্তো দ্বিজগণে কঙ্কালত বস্ত্ৰ কাঢ়ি। ৰথে উপচায়া মাথে লৈয়া যান্তপাচি॥ ইত্যাদি
৩. সসাগৰাং ধৰামেতাং সভূভৃদ্‌গ্ৰামপত্তনাম। ৰাজ্যঞ্চ সকলং বীৰ ৰথাশ্বগজসঙ্কুলম্॥
কোষ্ঠাগাৰঞ্চ কোষঞ্চ যচ্চান্যদ্বিদ্যতে তৱ। বিনা ভাৰ্য্যাঞ্চ পুত্ৰঞ্চ শৰীৰঞ্চ তৱানঘ॥
ধৰ্মঞ্চ সৰ্ব্বধৰ্মজ্ঞ যো যান্তমনুগচ্ছতি। বহুনা বা কিমুক্তেন সৰ্ব্বমেতৎ প্ৰদীয়তাম্॥ (৭ম অধ্যায়)



প্ৰতিজ্ঞা কৰাত শংকৰদেৱৰ বিশ্বামিত্ৰই কয়—"কিন্তু ৰাজসূয়ৰ দক্ষিণা দিয়া আগে। পাছে দান খুজি লৈবো মোক যিবা লাগে॥" কিন্তু তথাপি কাব্যত "নৃপতি বোলন্ত দক্ষিণাক দিবো পাছে। আগে দান লৈয়ো মনে যেন ইচ্ছা আছে॥" ৰজাৰ এই বুদ্ধি বিভ্ৰমৰ মাজত নিয়তিৰ বিকট হাঁহি বিৰিঙি উঠিল। তেতিয়া :

"হেন শুনি ঋষিয়ে বোলন্ত ভাল ভাল।
যেবে দান দিবা মোক শুনা মহীপাল॥
সসাগৰা পৃথ্বী তোৰ যত অধিকাৰ।
গজ ৰাজী প্ৰজা যত ৰত্নৰ ভাণ্ডাৰ॥
গ্ৰাম দেশ পৰ্ব্বত যতেক বনস্থলী।
সমস্তে দিয়োক মোক প্ৰতিজ্ঞা সাফলি॥
বিস্তৰ বাক্যত ৰাজা মোৰ নাহি কাজ।
পুত্ৰ-ভাৰ্য্যাসমন্বিতে তুমি মাত্ৰ ৰাজ॥"

ৰাজ্য পৰিত্যাগ কৰি পত্নী-পুত্ৰৰ সৈতে ৰজা যাবলৈ ওলোৱাত কাব্যত প্ৰজাসকলৰ যি কৰুণ-বিননিৰ বহল বৰ্ণনা পোৱা যায়, সি কবিৰ নিজা—মূলত নাই। এই বৰ্ণনা কাব্যসুলভ, প্ৰজাবৎসলতা গুণৰ কাৰণে নায়কৰ প্ৰতি ই পাঠকৰ সহানুভূতিও আকৰ্ষণ কৰায়। বাৰাণসী-যাত্ৰাৰ আগে আগে শৈব্যা শান্তীৰ মূৰ্চা আৰু চেতনলাভৰ কৰুণ-ৰসসিক্ত বৰ্ণনাটিও কবিৰ স্বকীয়। এই দৃশ্যৰ যোগেদি শৈব্যাই পাঠকৰ সহানুভূতি সুন্দৰভাৱে আকৰ্ষণ কৰিব পাৰে। বাৰাণসীৰ দক্ষিণ-প্ৰান্তত অৱস্থিত যিখন শ্মশানত হৰিশ্চন্দ্ৰই চণ্ডালৰ ক্ৰীত দাস হিচাপে কাম কৰে, মূলৰ যথাস্থানত সেই শ্মশানৰ এটা ভয়ংকৰ বিস্তৃত বৰ্ণনা আছে।[৪] অসমীয়া কবিয়ে ইয়াক সমূলি বাদ দিছে। সাক্ষাৎ নৰকসদৃশ এই শ্মশানৰ (শ্মশানং নৰকায়তে) বৰ্ণনা থকা হলে মানৱ-জীৱনৰ ঘূৰ্ণীয়মান ঘটনা-বৈচিত্ৰ্যৰ অধোগামী পৰিণতিৰ নৰকোপম আৰু বিভীষিকাময় স্বৰূপৰ নিদৰ্শন কাব্যত আৰু বেছি স্পষ্ট হৈ উঠিলহেঁতেন। মূলৰ মতে চাণ্ডাল হোৱাৰ পাছত হৰিশ্চন্দ্ৰই এটা ভয়ংকৰ তাৎপৰ্যপূৰ্ণ দুঃস্বপ্ন দেখে। পূৰ্ব আৰু বৰ্তমান জন্মৰ কৰ্মফলসূচক এই স্বপ্নৰ যোগেদি ৰজাৰ ঘনগধুৰ মনে আৰু বেছি দুঃখদায়ক ঘটনালৈ অপেক্ষা কৰিবলগীয়া হয়। এই অতি আচৰিত স্বপ্নৰ বিবৰণ বৰ বিস্তৃত — মূলৰ ৩৭ টা শ্লোকে ইয়াৰ বিবৰণ দাঙি ধৰিছে।[৫] কাব্যত এই স্বপ্নৰ উল্লেখ মাত্ৰ নাই। থকা হলে, শ্মশানত পুত্ৰ-ভাৰ্যাক লগ পোৱাৰ আগৰেপৰা তাৰৰ সংঘাত-বৈচিত্ৰ্যই হৰিশ্চন্দ্ৰৰ চৰিত্ৰ আৰু বেছি ৰমণীয় কৰি তুলিলেহেঁতেন। মূলৰ মতে, মৃত-পুত্ৰক চিতাত তুলি দি ৰজা-ৰাণীয়েও তাত উঠিবলৈ প্ৰস্তুত হৈ

৪. ইতি প্ৰতিসমাদিষ্টো জগাম শৱমন্দিৰম্। দিশন্ত দক্ষিণাং যত্ৰ ৰাৰাণস্যাং স্থিতং তদা॥
শ্মশানং ঘোৰসংনাদং শিৱাশতসমাকুলম্। গৃধ্ৰগোমায়ুসঙ্কীৰ্ণং শ্ববৃন্দপৰিবাৰিতম্॥
অস্থিসঙ্ঘাতসঙ্কীৰ্ণং মহাদুৰ্গন্ধসঙ্কুলম্। নানামৃতসুহৃন্নাদৰৌদ্ৰকোলাহলাযুতম্॥
হা পুত্ৰ মিত্ৰ হা বন্ধো ভ্ৰাতৰ্বৎস প্ৰিয়াদ্যমে। হা পতে ভগিনী মাতৰ্হা মাতুল পিতামহ॥
মাতামহ পিতঃ পৌত্ৰ ক গতোঽদস্যেহি বান্ধৱ। ইত্যেৱং ৱদতাং যত্ৰ ধ্বনিঃ সঞ্জায়তে মহান্॥
জ্বলন্মাংসৱসামেদচ্ছমচ্ছমিত সঙ্কুলম্॥ অৰ্দ্ধদগ্ধাঃ শৱাঃশ্যামা বিকশদ্দন্তপংক্তয়ঃ।
হসন্তীৱাগ্নি মধ্যস্থাঃ কায়স্যেয়ং দশা ত্বিদি॥ অগ্নেশ্চটচটাশব্দৈৰ্বয়সামস্থিপংক্তিষু।
বান্ধৱাক্ৰন্দশব্দৈশ্চ পুক্কসেষু প্ৰহৰ্ষজঃ॥ গায়তাংভূতবেতালপিশাচগণৰক্ষসাম্।
শ্ৰূয়তে সুমহান্ ঘোৰঃ কল্পান্ত ইৱ নিস্বনঃ॥ মহামহিষকাৰীষগোশকৃদ্ৰাশিসঙ্কুলম্।
তদুত্থভস্মকূটৈশ্চ বৃতং সাস্থিভিকল্পতৈঃ॥ নানোপহাৰস্ৰগ্দীপকাকবিক্ষেপকালিকম্।
অনেকশব্দবহুলং শ্মশানংনৰকায়তে॥ সমাহুগৰ্ভৈৰশিৱৈঃ শিৱাকষ্টৈৰ্নিনাদিতং ভীষণৰাৱগহ্বৰম্।
ভয়ং ভয়স্যাপ্যপসজ্জনৈৰ্ভৃশং শ্মশানমাক্ৰন্দবিৰাৱদাৰুণম্॥ (মাৰ্কণ্ডেয় পুৰাণ, ৮ম অধ্যায়)
৫. ৮ ম অধ্যায়

ভগবানক স্তুতি কৰে। এনেতে ধৰ্ম, ইন্দ্ৰ আৰু বিশ্বামিত্ৰৰ তাত আবিৰ্ভাৱ হয়। কাব্যৰ মতে কিন্তু পুত্ৰৰ শৱ চিতাত তুলি দিয়ে আৰু বিষ্ণুৰ নাম সোঁৱৰণ কৰি ৰজা-ৰাণীয়েও তাত একেলগে আৰোহণ কৰে; লগে লগে অগ্নিশিখাই চিতা আৱৰি পেলায়। এনেতে আকাশৰপৰা পুষ্পবৃষ্টি হয়, লগতে ধৰ্ম, ইন্দ্ৰ আৰু বিশ্বামিত্ৰৰ আবিৰ্ভাৱ দেখা যায়। কাব্যৰ এই দৃশ্যটো মূলতকৈ অধিক চমকপ্ৰদ আৰু ধৰ্ম-মাহাত্ম্যসূচক। হৰিশ্চন্দ্ৰৰ স্বৰ্গযাত্ৰাৰ আগে আগে বিশ্বামিত্ৰ আৰু দেৱতাসকলৰদ্বাৰা ৰোহিতাশ্বক অযোধ্যাৰ সিংহাসনত অধিষ্ঠিত কৰোৱা মূলৰ দৃশ্যটো কাব্যত নাই। এই দৃশ্য থকা হ'লে কাব্যৰ পৰিণতি আৰু বেছি সুখদায়ক হলহেঁতেন।

নায়ক হৰিশ্চন্দ্ৰৰ স্বৰ্গযাত্ৰাৰ লগতে তেওঁৰ দান-তিতিক্ষাৰ অলৌকিক-মাহাত্ম্যৰ চৰম পৰিণতি আহে। গতিকে কাব্য-কলাৰ ফালৰপৰা কাব্যখন এইখিনিতে শেষ হ'ব লাগিছিল; কিন্তু কবিয়ে তাকে নকৰি মূলৰ পৰৱৰ্তী অধ্যায়ৰ [১ম অধ্যায়] বকৰূপী বিশ্বামিত্ৰ আৰু সৰালিৰূপী বশিষ্ঠৰ হাস্যাস্পদ যুদ্ধৰ বৰ্ণনা ইয়াৰ পাছত সংযোগ কৰিছে। এই যুদ্ধৰ বৰ্ণনাই কাব্যখনৰ সৌন্দৰ্য বহুখিনি হ্ৰাস কৰে। যুদ্ধখনৰ কাৰণো অসমীয়া কবিয়ে মূলতকৈ বেলেগ কৰি দেখুৱাইছে। মূলৰ মতে, হৰিশ্চন্দ্ৰৰ প্ৰতি বিশ্বামিত্ৰৰ ক্ৰোধৰ কালতোখৰত সূৰ্যবংশৰ কুল-পুৰোহিত বশিষ্ঠ বাৰ বছৰ জুৰি গংগাৰ্ণৱত আছিল। তাৰপৰা আহি তেওঁ শুনিলে — মহাৰাজ হৰিশ্চন্দ্ৰৰ অভাৱনীয় দুঃখ-যন্ত্ৰণাৰ কাহিনী। তেতিয়া বিশ্বামিত্ৰৰ ওপৰত বশিষ্ঠৰ খং উঠে। তেওঁ কয় — আজি বিশ্বামিত্ৰৰ ওপৰত তেওঁৰ যিমান খং উঠিছে, বিশ্বামিত্ৰই তেওঁৰ এশ পুত্ৰ মাৰি নিয়াতো সিমান খং উঠা নাছিল। কাৰণ, বিশ্বামিত্ৰই মহাত্মা, সত্যবাদী, ব্ৰাহ্মণৰ পূজক, ধৰ্মপৰায়ণ, নিষ্পাপ, শত্ৰুৰ প্ৰতিও মৎসৰবিহীন আদি বহুত গুণশালী হৰিশ্চন্দ্ৰক স্ত্ৰী-পুত্ৰৰ সৈতে অন্ত্যদশাত নিপাতিত আৰু ৰাজ্যৰপৰা পৰিচ্যুত কৰিছে। গতিকে দুৰাত্মা বিশ্বামিত্ৰক বকযোনিপ্ৰাপ্ত হ'ব বুলি বশিষ্ঠই অভিশাপ দিয়ে।[৬] শংকৰদেৱে কিন্তু এক শ্ৰেণী দুখীয়া যজমানী বামুণৰ মনোবৃত্তি মহামুনি বশিষ্ঠত আৰোপ কৰি বশিষ্ঠৰ বৃত্তিচ্ছেদকেই এই কাজিয়াৰ কাৰণ কৰি দেখুৱাইছে:

এবেসে আমাৰ ভৈল সবে আশা ছেদ।
পাপী বিশ্বামিত্ৰে কিনো দিলে হৃদি খেদ ॥
মোৰ শত পুত্ৰক দহিলি একবাৰ।
তাতো এতমান দুখ নাহিকে আমাৰ ॥
ৰাজাক খেদাইলি তই মুনি গোট হুই।
বৃত্তিছেদ কৰি মোৰ গাৱে দিলি জুই ॥
এইবুলি বশিষ্ঠে ক্ৰোধত গৈলা জ্বলি।
প্ৰাণৰ বৈৰক আজি পেহলাইবো নিচালি ॥

• • •

শুন অৰে বিশ্বামিত্ৰ অধম দুৰ্জ্জন
মোৰ যজমানক কৰিলি তই ধন ॥
বৃত্তিছেদ কৰিলি প্ৰাণত দিলি হাত।
থাক ব্ৰহ্মদণ্ডে কৰো তোৰ কণ্ঠপাত ॥

৬. বশিষ্ঠো দ্বাদশাব্দান্তে গঙ্গাপৰ্য্যুষিতো মুনিঃ। শুশ্ৰাব চ সমস্তন্তু বিশ্বামিত্ৰবিচেষ্টিতম্ ॥
হৰিশ্চন্দ্ৰস্য নাশঞ্চ ৰাজ্ঞশ্চোদাৰ কৰ্ম্মণঃ। চণ্ডাল সম্প্ৰয়োগঞ্চ ভাৰ্য্যাতনয়বিক্ৰয়ম ॥
সশ্ৰুত্বা সুমহাভাগঃ প্ৰীতিমানৱনীপতৌ। চকাৰ কোপং তেজস্বী বিশ্বামিত্ৰমৃষিং প্ৰতি ॥
বশিষ্ঠ উবাচ: মম শতপুত্ৰং তেন বিশ্বামিত্ৰেণ পাতিতম্। তত্ৰাপি নাভৱং ক্ৰোধস্তাদৃশো যাদৃশোঽদ্যমে ॥
শ্ৰুত্বা মবাধিপমিমং স্বৰাজ্যাদৱৰোপিতম্। মহাত্মানং মহাভাগং দেৱব্ৰাহ্মণপূজকম্ ॥
যস্মাৎ স সত্যবাক্ শান্তঃ শত্ৰাৱপি বিমৎসৰঃ। অনাগাশ্চৈৱ ধৰ্ম্মাত্মা অপ্ৰমত্তো মদাশ্ৰয়ঃ ॥
সপত্নীভৃত্যপুত্ৰস্তু প্ৰাপিতোঽন্ত্যাং দশাং নৃপঃ। স ৰাজ্যাচ্চাৱিতোঽনেন বহুশশ্চ খিলীকৃতঃ ॥
তস্মাদ্দুৰাত্মা ব্ৰহ্মদ্বিষ্ট প্ৰাজ্ঞানামৱৰোপিতঃ। মচ্ছাপোপহতো মূঢ়ঃ স বকত্বমৱাপ্স্যসি ॥ (১ম অধ্যায়)



পক্ষীৰূপপ্ৰাপ্ত হোৱাৰ আগতে বশিষ্ঠ আৰু বিশ্বামিত্ৰৰ মাজত, মূলত নথকা এখন কাল্পনিক যুদ্ধৰ বৰ্ণনাও অসমীয়া কবিয়ে সংযোগ কৰিছে। ইয়াত "দুয়ো ঋষি শুজ্জি গৰ্জ্জি" ক্ৰমে দণ্ড, কমণ্ডলু আৰু চৰৰীৰে বহু সময় যুদ্ধ কৰি:

আন্দোলা আন্দুলি কৰে হাতে হাতে ধৰি।
বাগৰা-বাগৰি কতো পৃথিবীত পৰি ॥
আজোৰা আজুৰি কতো বাহু বাহু চান্দি।
কতো থিয় হুয়া থাকে কত ভৰি ফান্দি ॥
ধূপায়ে ধূসৰ যেন দুৰ্জ্জয় দুই মাল।
যি ঠাইত পৰে দুয়ো হয়ে ভূমি খাল ॥
ফোফাৰত দুয়ো ঋষি পাৰিল ভাগৰ।
দুয়ো দুইকো এৰি পাছে ভৈলন্ত আন্তৰ ॥

এই বৰ্ণনাই নিম্নৰুচিৰ পাঠকৰ অন্তৰত হাঁহিৰ খোৰাক যোগালেও, ই অগ্নিষিসুলভ-দুয়োজন ঋষিৰ স্বৰূপ নষ্ট নকৰাকৈ থকা নাই; লগতে, কাহিনী-কলাই নিবিচৰা এই খণ্ডৰ সংযোগে কাব্যৰ কলাত্মক সৌন্দৰ্য কমাইছে।

"হৰিশ্চন্দ্ৰ উপাখ্যান" কবিৰ প্ৰথম কাব্যিক সৃষ্টি হলেও পৰিস্থিতি চিত্ৰণ, ৰস-সৃষ্টি, চৰিত্ৰ অংকণ, অনুবাদ-বৈশিষ্ট্য আদিবোৰৰ বেছিভাগেই ইয়াক কাব্য সুন্দৰীৰ সাজ পিন্ধোৱাত সহায়তা কৰিছে। হৰিশ্চন্দ্ৰৰ আখ্যানটো কৰুণ হলেও মৃত-পুত্ৰৰ সৈতে শ্মশানত ৰজা-ৰাণীৰ দেখাদেখি আৰু ইজনে সিজনক চিনি পোৱা দৃশ্যটি অতি মৰ্মস্পৰ্শী। শংকৰদেৱৰ লিখনীত এই দৃশ্যৰ প্ৰতিটো কথাৰ চিত্ৰণ মূলতকৈও অধিক স্পষ্ট হোৱা দেখা যায়। কাব্যখন কৰুণ-ৰসপ্ৰধান। সৰ্বস্বান্ত হৈ পত্নী-পুত্ৰৰ সৈতে মহাৰাজ হৰিশ্চন্দ্ৰৰ ৰাজ্য-ত্যাগ কৰা দৃশ্য, পথশ্ৰমত শ্ৰান্তা আৰু ঘৰ্মধাৰাপৰিপ্লাৱিতা অসূৰ্যম্পশ্যা আলাসৰ লাৰু শৈব্যাদেৱীক বাট বুলিবলৈ অপাৰগ হোৱাত বিশ্বামিত্ৰই "হাউৰে পাপিষ্ঠী কেনে নকাঢ়স পাৱ। এতো ৰাজসুখ বুলি খেলাৱস গাৱ।" বুলি প্ৰহাৰ কৰা দৃশ্য, সেই শৈব্যাদেৱীৰ মূৰ্চা, পত্নী-পুত্ৰক বিক্ৰী কৰা দৃশ্য, ৰজা নিজেও ক্ৰীত-দাস হিচাপে চণ্ডালৰ অধীন হোৱা কথা আৰু শ্মশানত পত্নী-পুত্ৰৰ লগত ৰজাৰ মিলন হোৱা দৃশ্য — এইবোৰৰ মাজেদি কৰুণ-ৰস প্ৰকাশ কৰাত কবিয়ে নিপুণতা দেখুৱাইছে। মৃত-পুত্ৰক কোলাত তুলি লৈ "কৈক গৈলি পুতাই দুখিনীক মোক এৰি" আৰু "কৈক আছা হৰিশ্চন্দ্ৰ মোৰ প্ৰাণ-পতি" বুলি চিঞৰি চিঞৰি শৈব্যা শ্মশানত উপস্থিত হয়। শ্মশানৰ এই ক্ৰন্দনৰ ৰোল হৰিশ্চন্দ্ৰৰ কাণত গৈ পৰে। ক'ৰবাৰ-পৰা মৰা-শ আহিছে বুলি জানি ৰজা আহি তাত উপস্থিত হয় — তেওঁৰ "বিকৃত চণ্ডাল বেশ", "দাড়ি গোফ ভোৰোকাৰ", "শৰীৰৰ বস্ত্ৰ আতি পৰে টোপে মলি" — চিনিবৰ কোনো উপায় নাই। শৈব্যাই মৃত-পুত্ৰৰ মুখত মুখ লগাই কান্দিছে। ৰজা-ৰাণীৰ কোনেও কাকো চিনা নাই। পৰিস্থিতিসাপেক্ষে নিজ নিজ অনুভূতি আৰু কৰ্তব্যবোধৰ বিকাশত তেওঁলোক উভয়েই ন্যায্য সমতলত অৱস্থিত। অথচ ইজনৰ কাৰ্যানুভূতি সিজনৰ কাৰণে বিপৰীতধৰ্মী, ইজনৰ অনুভূতিৰ বিকাশে সিজনৰ শোক-বোধ বঢ়াই দিয়ে। মানসিক সংঘাতপূৰ্ণ এই দৃশ্যটো গোটেইটো আখ্যানৰ ভিতৰতেই অধিক শোকবহুল আৰু সংবেদনশীল। ইচ্ছা কৰিলে কবিয়ে মূলৰ ভাৱ অলপ বহল কৰি এই দৃশ্যটো আৰু বেছি মৰ্মস্পৰ্শী কৰি তুলিব পাৰিলেহেঁতেন। কৰুণ-ৰসৰ পিছতেই কাব্য-খনত হাস্য-ৰসৰ কথা উল্লেখ কৰিব পাৰি। যজ্ঞাৰম্ভত ব্ৰাহ্মণসকলৰ দান-গ্ৰহণৰ দৃশ্য, শৈব্যাক কিনিবলৈ অহা বৃদ্ধ ব্ৰাহ্মণৰ দৈহিক ৰূপৰ বৰ্ণনা আৰু বশিষ্ঠ, বিশ্বামিত্ৰৰ মাজৰ যুদ্ধৰ বিৱৰণে পাঠকক হাঁহিৰ খোৰাক যোগায়; কিন্তু এইখিনিতে ক'বলগীয়া কথা এই যে, ভাষা আৰু বৰ্ণনা-চাতুৰ্য মনোগ্ৰাহী হলেও বিষয়বস্তুৰ দৃষ্টিকোণৰপৰা এইবোৰ দৃশ্যই নিৰপেক্ষ

পাঠকৰ অন্তৰত অনাবিল হাস্য-ৰস সৃষ্টি কৰিব নোৱাৰে।

অযোধ্যাপতি সূৰ্য্যবংশীয় হৰিশ্চন্দ্ৰ কাব্যৰ মূল চৰিত্ৰ। তেওঁ "নৃপতি তিলক" আৰু আশাতীত ৰূপ-গুণৰ অধিকাৰী:

পৰম মহন্ত ক্ষমতাৱন্ত সত্যৱন্ত।
বিষ্ণুতো ভকত মহাধৰ্ম্ম আচৰন্ত॥
অস্ত্ৰ-শস্ত্ৰ সমস্তে শাস্ত্ৰতে সুশিক্ষিত।
বুদ্ধি বৃহস্পতি সম প্ৰতাপে আদিত্য॥
কন্দৰ্প সদৃশপোভে সুন্দৰ শৰীৰ।
সৰ্ব্বগুণে গুণান্বিত সাগৰ গম্ভীৰ॥
নাহিকে লোকৰ শোক যাহাৰ ৰাজ্যত।
নাহি মাৰি মৰক দুৰ্ভিক্ষ দুখ যত॥
নাহিকে সচল চোৰ ঘোৰ বিঘ্নি ভয়।
অকালতো কাৰো নাহি মৰণক ভয়॥

মূলেও হৰিশ্চন্দ্ৰক অৱশ্যে এনেবোৰ গুণেৰে বিভূষিত কৰিছে।[৭] তেওঁ পৰম বৈষ্ণৱ: "বিষ্ণু বিভিৰেকে দেৱ নাজানোহো আন।" মূলতো তেওঁ প্ৰসংগক্ৰমে কৃষ্ণক ঈশ্বৰ হিচাপে প্ৰণাম কৰিছে।[৮] তথাপি কিন্তু তাত তেওঁক পৰম বৈষ্ণৱ হিচাপে পোৱা নাযায়। দান, ধৰ্মনিষ্ঠা আৰু প্ৰজাবৎসলতা—এই তিনিটা মহৎ গুণৰ অভিব্যক্তিয়ে হৰিশ্চন্দ্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য অতুলনীয় কৰি তুলিছে। মূলৰ নিচিনা কাব্যৰ হৰিশ্চন্দ্ৰয়ো সকলো ধন-বস্তুৰ সৈতে সসাগৰা ৰাজ্য দান কৰি শ্মশানবাসী চণ্ডাল হয়; কিন্তু মূলৰ হৰিশ্চন্দ্ৰ দানৰ মাহাত্ম্যত অভিভূত নহয়, কাব্যৰ হৰিশ্চন্দ্ৰ অতি অভিভূত:

সাৰ্থক আৰ্জিলো ৰাজ্যভাৰ ধন ধান।
তুমি হেন ঋষিক স্বহস্তে দিবো দান॥ • • •
অধিৰ শৰীৰ জলিত্তেকে হোৱে চল।
ই সে সাৰতৰ দান পুণ্য চিৰন্তন॥ • • •
মই হেন নৃপতি কতেক ভৈল ঠাই।
অসাৰ পৃথিৱী কাৰো লগত নযায়॥
আপুনি কৰিবো আজি আৰু পৰিত্যাগ।
মহাদান পুণ্যে মৰিলেও নেৰৈ লাগ॥

দানৰ দক্ষিণা দিয়াৰ কোনো উপাই নাপাই ৰজাৰ ভাৱ আহে নিজৰ দেহকেই ত্যাগ কৰিবলৈ; কিন্তু ধৰ্মনিষ্ঠাই তেওঁক বাধা দিয়ে:

তথাপি ব্ৰহ্মস্ব থাকিবে মোত ৰহি।
যত বংশ হুইবে তাকো মাৰিবেক দহি॥

শ্মশানত পুত্ৰ-শোকত কাতৰ ৰজাই জীৱনৰ ভাৰ বহন কৰিবলৈ অপাৰগ। অথচ এনে অৱস্থাতো অতল ধৰ্মনিষ্ঠাই তেওঁক এৰা দিয়া নাই। তেওঁ ভাৱিছে—চণ্ডালৰ ঋণে কেৱল তেওঁৰেই অনিষ্ট কৰিব; কিন্তু "ঘোৰ ব্ৰহ্মস্বক সুমৰন্তে লাগে ত্ৰাস" আৰু ইয়াৰ ফলত "সবংশে যাইবো তল।"—গতিকে ৰজাই প্ৰাণত্যাগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে আৰু শৈব্যাক কয়—"দেৱ হেন বুলি লৈবা ব্ৰাহ্মণৰ আল।" মূলৰ হৰিশ্চন্দ্ৰতকৈ কাব্যৰ হৰিশ্চন্দ্ৰৰ এই গুণ বেছি স্পষ্ট। ইমানেই মহত্ব—শেষত স্বৰ্গলৈ নিয়াৰ প্ৰস্তাৱ কৰাত

"কৰযোৰ কৰিয়া বোলন্ত নৃপবৰ।
ছন্দৰৰ কথা শুনা ধৰ্ম্ম পুৰন্দৰ॥
ভাৰ্য্যাক বিকিলো মই ব্ৰাহ্মণৰ ঘৰে।
আপুনিও দাস মই ভৈলো চাণ্ডালৰে॥
যাৱন্তেকে তাসম্বাৰ নাপাও অনুমতি।
কেনমতে আমাৰ হৈবেক স্বৰ্গে গতি॥"

পুত্ৰ-ভাৰ্যাৰ নিচিনা অযোধ্যাৰ প্ৰজাবৰ্গক এৰি তেওঁ স্বৰ্গভোগ কল্পনা কৰিব নোৱাৰে:

৭. হৰিশ্চন্দ্ৰেতি ৰাজৰ্ষিৰাসাং ত্ৰেতাযুগে পুৰা। ধৰ্ম্মাত্মা পৃথিবীপালঃ প্ৰোল্লসৎকীৰ্ত্তিকত্তমঃ॥
ন দুৰ্ভিক্ষং ন চ ব্যাধিৰ্নাকালমৰণং নৃণাম্। না ধৰ্মৰুচয়ঃ পৌৰাস্তস্মিন্ শাসতি পাৰ্থিবে॥
(মাৰ্কণ্ডেয় পুৰাণ, ৭ ম অধ্যায়)

৮. চিন্তয়ন্ পৰমাত্মানমীশং নাৰায়ণং হৰিম্। হৃৎকোটৰ গুহাসীনং ৱাসুদেৱং সুৰেশ্বৰম্। অনাদি নিধনং ব্ৰহ্ম কৃষ্ণং পীতাম্বৰং শুভম্। (৮ম অধ্যায়)



"হেন প্ৰজা এৰিয়া স্বৰ্গত নাহি কাজ। • • •
মোহোৰ লগতে যেবে যাইবা প্ৰজাবৰ্গ।
দেৱৰাজ জানিবা তেবেসে যাইবো স্বৰ্গ॥"

মূলৰ হৰিশ্চন্দ্ৰই এই প্ৰসংগত কৈছে—তেওঁৰ পুণ্যৰ ফলস্বৰূপে প্ৰজাবৰ্গৰ সৈতে যদি এদিন মাত্ৰ তেওঁ স্বৰ্গভোগ কৰিব, অকলে কিন্তু চিৰকালো তাক আশা নকৰে:

"বহুকালোপভোগ্যং হি ফলং যন্মম কৰ্ম্মণঃ।
তদস্তু দিনমপ্যেকং তৈঃ সমং ত্বৎপ্ৰসাদতঃ॥"
(৮ম অধ্যায়)

মূলৰ নিচিনা কাব্যৰ হৰিশ্চন্দ্ৰয়ো নিজৰ বংশ-পৱিত্ৰতাক সোঁৱৰণ কৰি প্ৰথমতে চণ্ডালৰ দাস হ'বলৈ অমান্তি হয়। হৰিশ্চন্দ্ৰ-চৰিত্ৰ মানৱীয় সহজ-বৃত্তিজাত গুণৰহিত নহয়। সেয়েহে মূলৰ নিচিনা কাব্যতো তেওঁ পত্নী-পুত্ৰৰ দুঃখ-কাৰুণ্যত একেবাৰে বিচলিত নহলেও সুস্থিৰ হৈ থাকিব পৰা নাই। এইকাৰণেই হৰিশ্চন্দ্ৰ চৰিত্ৰই ৰসগ্ৰাহী পাঠকৰ অন্তৰত ৰেখাপাত কৰে।

"স্ত্ৰীৰত্ন সাজে লেখি গুণৱতী সতী, ৰূপত পাৰ্ব্বতী; পতিব্ৰতা পূণ্যসতী "শৈব্যাৰ প্ৰতি "নৃপতিৰ প্ৰাণতো অধিক আতি স্নেহ।" পত্নীসুলভ সকলো শাস্ত্ৰসম্মত গুণৰ অধিকাৰিণী তেওঁ। হৰিশ্চন্দ্ৰই নিজেই স্বীকাৰ কৰিছে:

"কৰ্ম্ম সময়ত তোক মন্ত্ৰী বুলি লেখি।
ৰঙ্গৰ বেলাত যেন তুই প্ৰাণসখী॥
স্নেহৰ প্ৰস্তাৱে তুই মাতৃ যেন ঠান।
শয়ন বেলাত তুই দাসীৰ সমান।"

স্বামীৰ সত্যৰক্ষাৰ কাৰণে শৈব্যাই নিজেই খাটিছে তেওঁক বিক্ৰী কৰিবলৈ—"আম্মাক বিক্ৰয় কৰি দিয়োক দক্ষিণা।" স্বামী অবিহনে শৈব্যাই জীয়াই থকা কল্পনা কৰিব নোৱাৰে—"স্ত্ৰী জাতি ভৈলে তাৰ স্বামী জীৱ প্ৰাণ"। পৰাকী ব্ৰাহ্মণৰ সেৱাৰ কাৰণে পত্নীক জীয়াই থাকিবলৈ কৈ ৰজাই চিন্তাজুইত প্ৰাণ এৰিব খোজাত শৈব্যাৰ কুমলীয়া অন্তৰখন সিদিনাহে যেন কৰতে কাটিলে—"আজিসে হৃদয়ে বিদাৰিলা কৰৱতে।" হৰিশ্চন্দ্ৰ আৰু শৈব্যা, উভয় চৰিত্ৰই কাৰুণ্যৰ প্ৰতিমূৰ্ত্তি।

বিশ্বামিত্ৰ চৰিত্ৰ মূলৰ লগত প্ৰায় একে হলেও শব্দ নিৰ্বাচন আৰু বৰ্ণনা-কৌশলৰ ফলত কাব্যত যেন ই বেছি থন্তাল।

পুৰাণৰ হৰিশ্চন্দ্ৰ — উপাখ্যান আদি-অন্ত-মধ্যৰ সৈতে একত্ব সম্পন্ন। গতিকে কাহিনী সৃষ্টিৰ ক্ষেত্ৰত কলাত্মক অভিনৱত্ব দেখুৱাবলৈ কৰিয়ে বিশেষ প্ৰয়োজন বোধ কৰা নাই যেন লাগে। সেয়েহে, সৃষ্টিধৰ্মী কাব্য প্ৰতিভাৰ তুলিকাৰ সাঁচ ঠায়ে ঠায়ে থাকিলেও "হৰিশ্চন্দ্ৰ-উপাখ্যান"ক মাৰ্কণ্ডেয় পুৰাণান্তৰ্গত হৰিশ্চন্দ্ৰ উপাখ্যানৰ কাব্যিক অনুবাদ বুলিবই পাৰি। ই অৱশ্যে কাব্যিক গুণধৰ্মৰদ্বাৰা বহুপৰিমাণে পৰিপুষ্ট। বহু পদ মূলৰ যথাসম্ভৱ অনুবাদ হলেও অতীৱ সুললিত: উদাহৰণস্বৰূপে।

১। ৰজা বোলে বুঢ়া ব্ৰাহ্মণক দিবো দান।
ভয়াতুৰ প্ৰাণীক কৰিবো পৰিত্ৰাণ॥
শত্ৰু সমন্বিতে স্থায় কৰিবো সংগ্ৰাম।
স্বৰূপ কহিলো ক্ৰোধ কৰা উপশম। (৮৪)

ৰাজোৱাচ:

দাতব্যংবিপ্ৰমুখ্যেভ্যো মে চাম্যে কৃশবৃত্তয়ঃ
ৰক্ষা ভীতাঃ সদা যুদ্ধং কৰ্ত্তব্যং পৰিপন্থিভিঃ॥
(৭ম অধ্যায়)

২। সসাগৰা পৃথ্বী তোৰ যত অধিকাৰ।
গজ-বাজী-প্ৰজা যত ৰত্নৰ ভাণ্ডাৰ।
গ্ৰাম দেশ পৰ্ব্বত যতেক বনস্থলি।
সমস্তে দিয়োক মোক প্ৰতিজ্ঞা সাফলি॥
বিস্তৰ বাক্যত ৰাজা মোৰ নাহি কাজ।
পুত্ৰ ভাৰ্য্যা সমন্বিতে তুমি মাত্ৰ ৰাজ।

নোখোজোঁহো পুণ্যক থাকোক তোৰ ভাগে।
আন যত সার্ব্বস্ব সকলো মোৰ লাগে॥ (২৪,২৫)

সসাগৰাং ধৰামেতাং সভূভৃদ্গ্ৰামপত্তনাম্।
ৰাজ্যঞ্চ সকলং বীৰ ৰথাশ্বগজ সঙ্কুলম্॥
কোষ্ঠাগাৰঞ্চ কোষঞ্চ যচ্চান্যদ্বিদ্যতে তৱ।
বিনা ভাৰ্য্যাঞ্চ পুত্ৰঞ্চ শৰীৰঞ্চ তৱানঘ।
ধৰ্মঞ্চ সৰ্ব্বধৰ্ম্মজ্ঞ যো যান্তমনুগচ্ছতি।
বহুনা বা কিমুক্তেন সৰ্ব্বমেতৎ প্ৰদীয়তাম্॥
(৭ম অধ্যায়)

৩। গুৰুবধ ব্ৰহ্মবধ যিবাজনে কৰে।
গৰুমাৰে ব্ৰাহ্মণৰ সুবৰ্ণক হৰে॥
গুৰুদাৰ হৰে আৰো কৰে সুৰাপান।
ভকতক ত্যাগে নোহে তত্তুল্য সমান॥
পৰম ভকত যিটো এবে দুৰাচাৰ।
ইহ পৰকালে দুখ নুগুচে তাহাৰ॥
হেন জানি কিঞ্চিতেকো নেৰিবো প্ৰজাক।
যায়োক স্বৰ্গক ইন্দ্ৰ এৰিযো আত্মাক॥ (৪৮৮,৪৮৯)

ব্ৰহ্মহত্যা গুৰোৰ্ঘাতো গোবধঃ স্ত্ৰীবধস্তথা।
তুল্যমেভিৰ্মহাপাপং ভক্তত্যাগেহপ্যুদাহৃতম্॥
ভজন্তং ভক্তমত্যাজ্যামদুষ্টং ত্যজতঃ সুখম্।
নেহ নামুত্ৰ পশ্যামি তস্মাচ্ছক্র দিৱং ব্ৰজ॥
(৮ম অধ্যায়)

"কঠোৰক ভয়ে কাব্যৰস" কবিয়ে কোনো কোনো ঠাইৰ অনুবাদৰ মাজতো সানি চিত্ৰ বা কথাবস্তুৰ স্বৰূপ অধিক স্পষ্ট আৰু মনোগ্ৰাহী কৰি তুলিছে। উদাহৰণস্বৰূপে মূলৰ চণ্ডালৰ স্বৰূপ :

"অথাজগাম ত্বৰিতো ধৰ্মশ্চণ্ডালৰূপধৃক্।
দুৰ্গন্ধো বিকৃতো ৰুক্ষঃ শ্মশ্ৰুলোদন্তুৰো ঘৃণী॥
কৃষ্ণো লম্বোদৰঃ পিঙ্গৰূক্ষাক্ষঃ পৰুষাক্ষৰঃ।
গৃহীত পক্ষিপঞ্জশ্চ শৱমাটল্যৱলম্বকঃ॥
কপালহস্তো দীৰ্ঘাস্যো ভৈৰৱোহভিৱদন্ মুহুঃ।
শ্বগণাভিবৃতো ঘোৰো যষ্টিহস্তো নিৰাকৃতি :॥
(৮ম অধ্যায়)

কাব্যত ইয়াৰ স্বৰূপ :

"শুনি ভয়ঙ্কৰ এক আসিল চণ্ডাল॥
যেন আঙ্গাৰৰ বৰ্ণ জ্বলৈ কলেবৰ।
অন্ধকূপ যেন জ্বলৈ নাসিকা বিবৰ॥
ভাঙ্গৰ দুগোটা চক্ষু যেন ঔৰ কড়ি।
বিকট বিদুৰ আতি দান্ত আছে ভৰি॥
ফাগুনীয়া বায় যেন নাকৰ বতাস।
ওলমিছে পেট যেন বৰ মৌৰ বাস॥
মেঘৰ গৰ্জ্জন যেন মুখত শুনি মাত।
ভেঙ্গুৰা ভেঙ্গুৰি খুলস্তৰ ভৰি হাত॥
তাম্ৰ বৰ্ণ গোফ দাড়ি লোহা অলঙ্কাৰ।
হাতে যাঠী ধৰি যেন ৰাক্ষস আকাৰ॥
অনেক চণ্ডালগণে বেঢ়ি আছে তাক।
মই কিনিবোহো বুলি মাতিলা ৰাজাক॥
* * *
ঢপো পৰো কৰে আতি মদ্য আছে লাগি।
অনুস্তৰ কৰি নৃপতিক মাতে মাগি॥
খিল্ খিল্ কৰি উন্মত্ত হয়া হাসে।
ভেল ভেল কৰিয়া মদ্যৰ গোন্ধ আসে॥
(৩৩৭–৩৪৪)

ইয়াৰ প্ৰতিটো কথাৰ প্ৰকাশভংগী কাব্যিক হোৱাৰ উপৰিও বেছি সূক্ষ্ম-অৰ্থপ্ৰকাশক। মূলৰ "কৃষ্ণঃ", "লম্বোদৰঃ" আৰু "দুৰ্গন্ধঃ" শব্দৰ যথাক্ৰমে অসমীয়া ৰূপ "যেন আঙ্গাৰৰ বৰ্ণ জ্বলে কলেবৰ", "ওলমিছে পেট যেন বৰ মৌৰ বাস" আৰু "ভেল ভেল কৰিয়া মদ্যৰ গোন্ধ আসে" অতীৱ মনোৰম আৰু অধিক ভাৱপ্ৰকাশক।

অনুবাদৰ ক্ষেত্ৰত ঠায়ে ঠায়ে মূলৰ উপমাৰো সুন্দৰ অসমীয়া ৰূপ পোৱা যায়। এই শ্ৰেণীৰ





উপমাৰ সংখ্যা অৱশ্যে কম। উদাহৰণস্বৰূপে

(১) ভীতঃ প্ৰাবেপতাত্যৰ্থং সহসাশ্বত্থপৰ্ণৱৎ। (৭মঅঃ)
কাম্পে হাত পাৱ সবে শৰীৰ তৰাসে।
যেন অশ্বত্থৰ পাত পচোৱা বতাসে॥ (৮০)

(২) কোহয়ং বধ্নাতি বস্ত্ৰান্তে পাৱকং পাপকৃন্নৰঃ।
(৭ম অঃ)
জ্বলন্ত বহ্নিক বান্ধে বস্ত্ৰৰ অঞ্চলে। (৭৫)

কথ্যবস্তু অধিক সমুজ্জ্বল কৰি তুলিবৰ উদ্দেশ্যে কবিয়ে নানা ঠাইত মূলত নথকা নিজা উপমা ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে :

(১) ওকণীৰ ভয়ে কোনে মুণ্ডি আছে কেশ। (২৯)
(২) লৱণু পুত্তলি যেন সুকোমল কায়। (১৫৮)
(৩) শিশিৰ লাগিয়া যেন সঙ্কোচ কমল। (১৩৯)
(৪) গোৰ কটা গছ যেন পৰিল নিচালে। (৩০৯)
ইত্যাদি।

কাব্যৰ আৰম্ভণিতে হৰিশ্চন্দ্ৰ পৰম বৈষ্ণৱ হিচাপে অংকিত হৈছে। আনকি যজ্ঞৰ আৰম্ভণিতে তেওঁ গণেশক নুপূজি একমাত্ৰ বিষ্ণুকেই পূজা কৰিছে। গতিকে বিষ্ণু-মাহাত্ম্য প্ৰকাশ কৰাৰ উদ্দেশ্যে এই কাব্য ৰচনা কৰা বুলি ভাবিবৰ থলী একেবাৰে নোহোৱা নহয়; কিন্তু আমি ওপৰতে দেখুৱাই আহিছোঁ — মূলতো প্ৰসংগক্ৰমে হৰিশ্চন্দ্ৰই বিষ্ণুকেই সেৱা কৰিছে। ইয়াৰ উপৰিও আন কথা এই যে কাব্যৰ কাহিনীৰ বিকাশ আৰু পৰিসমাপ্তিৰ পথত বিষ্ণু-ভক্তিৰে কোনো প্ৰভাৱ লক্ষ্য কৰা নাযায়। গতিকে বিষ্ণু-মাহাত্ম্য প্ৰকাশৰ উদ্দেশ্যে এই কাব্য ৰচনা কৰা বুলি কবলৈ যোৱাটো সম্পূৰ্ণ নিৰাপদ নহয় যেন লাগে। এই কাব্যৰ মাজেদি কম বয়সীয়া কবিৰ বিষ্ণু-মাহাত্ম্য-বিকাশৰ কিবা যদি প্ৰয়াস আছিলো, কাহিনীৰ ৰূপায়ণ—চিত্ৰণত সি সুস্পষ্ট হৈ উঠা নাই।

—×—

ড° নবীনচন্দ্র শৰ্মা

# কুমৰ-হৰণ কাব্যৰ শৃংগাৰ ৰস

অনন্ত কন্দলি অসমৰ বৈষ্ণৱ কৱিসকলৰ ভিতৰত এটি পবিত্ৰ নাম, যি গৰাকী কৱিয়ে বিশত্ত বিসাৰী কবি-প্ৰতিভা, সুউচ্চ পাণ্ডিত্য আৰু ভক্তিধৰ্মৰ গভীৰ পৰাকাষ্ঠাৰে ষোড়শ শতিকাৰ অসমীয়া সাহিত্যক প্ৰদান কৰিব পাৰিছিল—এক গতিবেগ। মহাপুৰুষ শংকৰদেৱৰ অনুপ্ৰেৰণাত যিসকল কবি-সাহিত্যিকে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সংস্কৃত মহাগ্ৰন্থাদিৰ ওপৰত নিৰ্ভৰ কৰি বিবিধ সাহিত্য ৰচনা কৰিছিল, সেইসকল দীপ্তিমান কবি-সাহিত্যিকৰ ভিতৰতেই এগৰাকী আছিল অনন্ত কন্দলি। অনন্ত কন্দলি তদানীন্তনৰ এগৰাকী পথ-প্ৰদৰ্শক ব্যক্তি আছিল। গভীৰ পাণ্ডিত্য, কাব্যিক পৰমোৎকৰ্ষ, সাহিত্যিক ক্ষমতা আৰু বিশাল শাস্ত্ৰজ্ঞানৰ সংযোগত তেওঁ ভক্তিধৰ্মৰ সুযোগ্য প্ৰকাশকৰ ভূমিকা গ্ৰহণ কৰিব পাৰিছিল। তেওঁৰ প্ৰকৃত নাম হৰিচৰণ; চন্দ্ৰভাৰতী, অনন্ত কন্দলি, ভাগৱত ভট্টাচাৰ্য, ভাগৱত আচাৰ্য আদি বিভূষা, পাণ্ডিত্য আৰু কাব্য-জ্ঞানৰ স্বীকৃতি মাথোন,[1] যি বিভূষাবাজি সমসাময়িক বিদ্বান-মণ্ডলী, ৰাজসভা আদিৰ ফালৰপৰা প্ৰদান কৰা হৈছিল।

অনন্ত কন্দলি আছিল সংস্কৃত পণ্ডিত। কন্দলিয়ে নিজেই উল্লেখ কৰিছে যে, তেওঁ সংস্কৃতত শ্লোক ৰচনা কৰিব পাৰে; কিন্তু লোক-শিক্ষা আৰু আধ্যাত্মিকতাৰ উদ্দেশ্য আগত ৰাখিহে, তেওঁ দেশী ভাষাত কাব্য প্ৰণয়ন কৰিছিল।[2]

প্ৰথম ৰচনা 'কুমৰ-হৰণ' কাব্যই অনন্ত কন্দলিক কবিৰূপে উচ্চ প্ৰতিষ্ঠাৰ অধিকাৰী হোৱাৰ পৰিপ্ৰেক্ষিতত বিস্ময়কৰৰূপে সমল যোগাইছে। সাম্প্ৰদায়িক মতবাদৰ কঠোৰতাৰপৰা কিছু পৰিমাণে অপসাৰণ কৰি কন্দলিয়ে ৰোমাণ্টিক প্ৰেম-প্ৰণয়ৰ মধুৰ চিত্ৰ পৰিৱেশন কৰিছে এই কাব্যখনিত। কবিৰ কল্পনাই যেন ইয়াত মুক্ত পক্ষিত উধাও হৈছে। উষা-অনিৰুদ্ধৰ ৰোমাণ্টিক প্ৰেম-প্ৰণয় 'কুমৰ-হৰণ' কাব্যৰ প্ৰধান বিষয়বস্তু। উষা-অনিৰুদ্ধৰ কাহিনী-

1. অনন্ত কন্দলি : দশম, পদ ৪৩৪৫-৪৩৭৮

2. শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কৰিবো পদ-বন্ধ।
স্ত্ৰী-শূদ্ৰ আদি যত আমোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ॥ – অনন্ত কন্দলি : দশম, পদ ৩০১৪.



ভাগ যদিও 'ভাগৱত পুৰাণ,[3] হৰিবংশ[4] আৰু বিষ্ণু-পুৰাণত[5] বৰ্ণিত হৈছে; আৰু যদিও অনন্ত কন্দলিয়ে 'কুমৰ-হৰণ'ৰ কাহিনীভাগৰ ৰূপ—ৰেখা অংকণত 'হৰিবংশ'ৰ ওপৰত সততে দৃষ্টি ৰাখিছে, তথাচ তেওঁ স্বকীয় সৃষ্টিৰ প্ৰাচুৰ্যৰে পৌৰাণিক কাহিনী ভাগত প্ৰায় নব্য ৰূপ প্ৰদান কৰিবলৈ সকল প্ৰয়াস কৰা যেন লাগে। কাহিনীৰ ঐক্য আৰু বিষয়বস্তুৰ সংগতি ৰক্ষা কৰি ঘনবিন্যস্ত আৰু নিটোল ৰূপত কথা-বস্তু উপস্থাপন কৰাত কবি কৃতকাৰ্য হৈছে—অপূৰ্বভাৱে। উষা অনিৰুদ্ধক কেন্দ্ৰ কৰি ঘূৰ্ণায়মান হোৱা প্ৰধান কথাবস্তুৰ উপসংহাৰৰ অন্তত কাব্য-কাহিনীৰ পৰিপূৰ্ণতাৰ বাবে অন্য কোনো পৰিস্থিতি অথবা উপকাহিনী দৰাচলতে নিষ্প্ৰয়োজনীয়। সেয়েহে কৃষ্ণ-বৰুণৰ যুদ্ধৰ বৰ্ণনা 'হৰিবংশত[6] থকা সত্ত্বেও অনন্ত কন্দলিয়ে বিষয়-বস্তুৰ ঐক্যৰ প্ৰতি দৃষ্টিপাত কৰি পৰিহাৰ কৰিছে; যিহেতু কাব্যৰ সংহতিৰ ফালৰপৰা উক্ত উপ-কাহিনী-ভাগ অপ্ৰাসংগিক। বাস্তৱবাদৰ স্পৰ্শ দিয়াৰ উদ্দেশ্যেৰে কবিয়ে যথাসম্ভৱ প্ৰায়বিলাক চৰিত্ৰ আৰু পৰিস্থিতি-কেই অভিনৱ ৰূপ দিবলৈ চেষ্টা কৰিছে।

'কুমৰ-হৰণ' কাব্যৰ অংগী ৰস শৃংগাৰ। সংস্কৃত আলংকাৰিকসকলৰ মতে শৃংগাৰ ৰসৰ স্থায়ীভাৱ ৰতি। 'সাহিত্য-দৰ্পণ' গ্ৰন্থই শৃংগাৰ ৰসক প্ৰধানকৈ বিপ্ৰলম্ভ আৰু 'সম্ভোগ' এই দুভাগত বিভক্ত কৰিছে। আকৌ' দশৰূপক'ৰ মতে বিপ্ৰলম্ভৰ ভাগ দুটা—(১) অয়োগ আৰু (২) বিপ্ৰয়োগ। 'অয়োগ'ৰ দশ অৱস্থা 'দশৰূপকে' স্বীকাৰ কৰিছে—(১) অভিলাষ (২) চিন্তন, (৩) স্মৃতি, (৪) গুণ-কথা, (৫) উদ্বেগ (৬) প্ৰলাপ, (৭) উন্মাদ, (৮) সংজ্বৰ, (৯) জড়তা আৰু (১০) মৰণ। 'বিপ্ৰয়োগ'ক 'মান' আৰু 'প্ৰবাস'— এই দুভাগত বিভক্ত কৰিব পাৰি। 'সম্ভোগ'— আনন্দ ঘন এক অৱস্থা—য'ত, নায়ক-নায়িকাই পৰস্পৰে পৰস্পৰৰ সান্নিধ্য লাভ কৰি দৰ্শন আৰু স্পৰ্শনৰ সুখ লাভ কৰে।[8]

বিপ্ৰলম্ভৰ চতুঃ অৱস্থা স্বীকাৰ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰায়বিলাক অলংকাৰ-শাস্ত্ৰৰ লগত 'দশৰূপক'ৰ পাৰ্থক্য লক্ষ্য কৰিব পাৰি। বিশেষকৈ 'সাহিত্য দৰ্পণ' গ্ৰন্থই 'বিপ্ৰলম্ভ'ৰ চাৰিটা অৱস্থাহে স্বীকাৰ কৰিছে—(১) পূৰ্বৰাগ, (২) মান, (৩) প্ৰবাস আৰু (৪) কৰুণ।[9]

তাৰুণ্যৰ চপলতা, যৌৱনৰ প্ৰাচুৰ্য আৰু কল্পনা-প্ৰৱণতাৰ নবীনতাৰে সুসমৃদ্ধ কন্দলিয়ে 'কুমৰ-হৰণ' কাব্যত বিলাসপূৰ্ণ আৰু যথাযথভাৱে শৃংগাৰ-ৰস উদ্‌গীৰণ কৰিছে। 'অয়োগ' বা 'পূৰ্ব্বৰাগ' এনে এক আকুল-আকাংক্ষা,—য'ত না য় ক-না য়ি কা উভয়ে উভয়ৰ ৰূপ-সৌন্দৰ্য দেখা বা শুনা হেতু পৰস্পৰৰ অন্তৰত অনুৰাগ বা অভিলাষ বা প্ৰথম-ৰাগ জন্মে। এই আকুল আকাংক্ষা বা অনুৰাগত আশ্চৰ্য, আনন্দ, অস্থিৰতা, উদ্বিগ্নতা আদি বৰ্তমান থাকে। নায়ক-নায়িকা পৰস্পৰে পৰস্পৰৰ দৰ্শন প্ৰাতিস্বিকভাৱে, অথবা চিত্ৰত নাইবা সপোনতো লাভ কৰিব পাৰে। নায়িকা উষাই প্ৰেমাস্পদ অনিৰুদ্ধৰ দৰ্শন লাভ কৰিছে—স্বপ্ন[10] আৰু চিত্ৰত[11]। অনিৰুদ্ধৰ প্ৰতি উষাৰ অনুৰাগ প্ৰকাশক বৰ্ণনা উপস্থাপন কৰাৰ সন্দৰ্ভত কবিয়ে 'অয়োগৰ' প্ৰায়-বোৰ অৱস্থা ফুটাই তুলিছে। যেনে—সপোন-স্বামীৰ বাবে উষাৰ অন্তৰত হোৱা অস্থিৰতা আৰু উদ্বিগ্নতা,

3. ভাগৱত-পুৰাণ— ১০/৬২-৬৩ 4. হৰিবংশ— ২/১১৬-১২৮ 5. বিষ্ণু-পুৰাণ—৫/৩২-৩৩

6. হৰিবংশ—২/১২৮/৪৭-১০০ 7. কবিৰাজ বিশ্বনাথ : সাহিত্য দৰ্পণ, ৩/১৮৬ 8. ধনঞ্জয়: দশ-ৰূপক, ৪/৫৬-৬৫

9. কবিৰাজ বিশ্বনাথ : সাহিত্য-দৰ্পণ, ৩/১৮৭ 10. অনন্ত কন্দলি : কুমৰ-হৰণ, পদ ৫৯-৬০

11. অনন্ত কন্দলি : কুমৰ-হৰণ, পদ ১০৩-১০৬

সপোনৰ মধুৰ স্মৃতিৰাশিৰ ৰোমন্থন, সপোন-স্বামী অনিৰুদ্ধৰ গুণ-কথা কীৰ্ত্তন, উষাৰ মানসিক অশান্তি, অনিৰুদ্ধক বাস্তৱত লাভ কৰিবলৈ অসমৰ্থ হৈ উষাই কৰা চাটিফুটি ইত্যাদি।

অনন্ত কন্দলিৰ 'সম্ভোগ শৃংগাৰ'ৰ বৰ্ণনা বিশদ আৰু আবেগ-বিহ্বল। নায়ক-নায়িকা পৰস্পৰে পৰস্পৰৰ সাহচৰ্য লাভ, প্ৰথম নয়ন-প্ৰীতি, ঘন ঘন আলিংগন, চুম্বন আৰু স্পৰ্শনৰ সুখ লাভ কৰি শেষান্তত ষোড়শ শৃংগাৰেৰে যৌৱনৰ আদিম বাসনা চৰিতাৰ্থ কৰিছে। কবিয়ে ষোড়শ শৃংগাৰৰ ষোল প্ৰকাৰৰ বিভিন্ন ভংগীৰ বৰ্ণনা দিয়া নাই কেৱল এটা ভংগীৰহে বৰ্ণনা দিছে; বাকীকেইটাৰ আভাস মাত্ৰহে দিছে। ইয়াৰ ফলত পাঠক বা শ্ৰোতাৰ কৌতূহল অব্যাহত-ভাৱে ৰক্ষিত হৈছে। ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখিয়েই যে কবিয়ে এই নীতি গ্ৰহণ কৰিছে তাত সন্দেহ নাই। তলত দিয়া পদকেইটিত উষা-অনিৰুদ্ধৰ প্ৰথম আৰু প্ৰথম অষ্টম দিনৰ মধুৰ মিলনৰ চিত্ৰ বাংময় হৈ উঠিছে:

"অনন্তৰে ৰতি ৰস মিলিলা দোহাৰ।
কৈল মনোৰথ সিদ্ধি ষোড়শ শৃংগাৰ॥
বৃষাৰূঢ় আদি কৰি বন্ধ যত যত।
ভাৱে ভাৱে অনিৰুদ্ধে কৰিল বেকত॥
নখে ক্ষত ৰহুতৰ স্তনত কৰিল।
দুইকো দুই আঙ্কোৱালি বাহুয়ে ধৰিল॥
আউল-বাউল কেশ চিগে হেমহাৰ।
কটিৰ মেখলা খসি পড়িল উষাৰ॥
বহুভাৱে দুইকো দুই পুৰিলন্ত মন।
ঘৰ্মজলে তিতিলেক দুহানো বদন॥
সিদ্ধি ভৈলা মনোৰথ পুৰিলন্ত আশ।
পুহাইল ৰজনী ভৈল ৰবিৰ প্ৰকাশ॥
স্নান পান ভোজন কৰিয়া পূৰ্ব্বৰতে।
অষ্ট দিন এহিমতে গৈল অলক্ষিতে॥"[12]

মিলনৰ ক্ষেত্ৰত নায়িকাৰ ভাৱ-ভংগীত দশ-কাৰ্য সংঘটিত হোৱা বিধেয়। এই দশ কাৰ্য—(১) লীলা, (২) বিলাস, (৩) বিচ্ছিত্তি, (৪) বিভ্ৰম, (৫) কিল-কিঞ্চিত, (৬) মোট্টায়িত, (৭) কুট্টমিত, (৮) বিব্বোক; (৯) ললিত আৰু (১০) বিহৃত।[13] এই দশ কাৰ্য কম-বেছি পৰিমাণে উষাৰ চৰিত্ৰত বিশেষকৈ নায়ক অনিৰুদ্ধৰ মিলনৰ ক্ষণত লক্ষ্য কৰা যায়।

সংস্কৃত আলংকাৰিকসকলৰ নীতিমতে বিচ্ছেদ-বেদনাৰদ্বাৰা মধুৰ নোহোৱালৈকে প্ৰেমত কোনো সৌন্দৰ্য্য নাই। গতিকে কাব্যৰ নায়ক অনিৰুদ্ধৰ প্ৰতিনায়ক বাণে নাগপাশেৰে বন্দী কৰাৰ লগে লগে নায়ক-নায়িকাৰ জীৱনলৈ অনাহুতভাৱেই আহিল বিচ্ছেদ ব্যথা। এই অৱস্থাক, 'দশৰূপক'ৰ ভাষাত 'বিপ্ৰয়োগ'[14] আৰু 'সাহিত্য-দৰ্পণ'ৰ ভাষাত 'প্ৰৱাস-বিপ্ৰলম্ভ'[15] বুলিব পাৰি। 'প্ৰৱাস বিপ্ৰলম্ভ'ত নায়ক-নায়িকাই সাধাৰণতে অবিন্যস্ত কেশ-বেশেৰে ক্ৰন্দন কৰি, হুমুনিয়াহ কাঢ়ি শুকাই-খীণাই যায়।[16] অনন্ত কন্দলিয়ে নায়ক-নায়িকাৰ ক্ষেত্ৰত এই পৰিস্থিতিসমূহ চিত্ৰিত কৰিবলৈ সফল চেষ্টা কৰা দেখা নাযায়। বাণৰ পৰাজয়ে নায়ক-নায়িকাৰ কষ্ট মিলনদ্বাৰ উন্মুক্ত কৰি দিয়ে। যি বাণে উষা-অনিৰুদ্ধক গান্ধৰ্ব-বিবাহ সমৰ্থন কৰা নাছিল; বৰং নায়ক-নায়িকাৰ বিচ্ছেদৰ পথ ৰচনাহে কৰিছিল; সেই বাণেই শিৱ-কৃষ্ণ আদিৰ উপস্থিতিত স্বহস্তে উষা-অনিৰুদ্ধৰ বিবাহ-কাৰ্য সম্পাদন কৰি দিয়ে। এইদৰে সুখান্তক পৰিণতিৰে কাব্যখনিৰ পৰিসমাপ্তি ঘটে।

উচ্চ কবি প্ৰতিভা সম্পন্ন কবি অনন্ত কন্দলিয়ে

১২. অনন্ত কন্দলি: কুমৰ-হৰণ কাব্য, পদ ২৫২-২৭৫ ১৩. ধনঞ্জয়: দশৰূপক, ২/৪৯ ১৪. ঐ, ৪/৬১
১৫. কবিৰাজ বিশ্বনাথ: সাহিত্য-দৰ্পণ, ৩/১৮৭ ১৬. ধনঞ্জয়: দশৰূপক, ৪/৭১



'কুমাৰ-হৰণ'ত, সংস্কৃত আলংকাৰিকসকলৰ নীতিৰ অনুকূলে গৈ শৃংগাৰ ৰস উদ্গীৰণ কৰিছে; যদিও অনেক ক্ষেত্ৰত ই প্ৰাৰম্ভিক স্তৰতে থকা যেন লাগে; যিহেতু এই কাব্যখন কবিৰ আদ্য ৰচনাহে।

কবিৰ সামগ্ৰিক দৃষ্টিভংগীৰ ওপৰত আলোকপাত কৰি আৰু উপাগম-পদ্ধতি বিচাৰ কৰি ক'ব পাৰি যে, 'কুমৰ-হৰণ' কাব্যত উদ্গীৰ্ণ শৃংগাৰ ৰস, শংকৰ-দেৱৰ 'আদি দশম'ত উদ্ৰেক হোৱা আদি-ৰসৰ সম-পৰ্যায়ৰ। উক্ত গ্ৰন্থত শংকৰদেৱে নিজেই এইদৰে উল্লেখ কৰিছে:

"কামজয় নামে ইটো কেশৱৰ কেলি।"[17]

শংকৰদেৱে, বিশদভাৱে শৃংগাৰ ৰস সৃষ্টিত গুৰুত্ব দিয়াৰ মূলতে আছিল—মানৱৰ কাম-ভাৱ জয় কৰা। তদনুক্ৰমে অনন্ত কন্দলিয়েও উৎসাহ আৰু বিলাসৰ সৈতে শৃংগাৰ ৰস উদ্গীৰণ কৰাৰ মূল উদ্দেশ্য আছিল—কামাসক্তজনৰ কাম-ভাৱ জয় কৰি ভক্তি ধৰ্মৰ আনন্দ—নিৰ্যাসত নিমজ্জন। সাধাৰণ আৰু ভক্তজনে নায়ক-নায়িকাৰ প্ৰণয়পূৰ্ণ লীলা-মালা দৰ্শন আৰু শ্ৰৱণ কৰাৰ ফলত লাহে লাহে তেওঁলোকৰ আন্তৰ-প্ৰবৃত্তিবোৰ পৰিশোধিত হৈ ঐশ্বৰিক ভাৱ—বৃত্তিলৈ ৰূপান্তৰিত হ'ব। ভজা আৰু সিদ্ধধানৰ-পৰা যিদৰে ধান গছ গজিব নোৱাৰে তদ্ৰূপ যাৰ মন ঈশ্বৰৰ চৰণাৰ্পিত হৈছে, তেওঁৰ অন্তৰত কাম-ভাৱ থাকিলেও তাৰপৰা কদাপি আন্তৰ-প্ৰবৃত্তিৰ সন্তুষ্টি হ'ব নোৱাৰে।[18]

কাম, ক্ৰোধ, ভয়, স্নেহ, সৌখ্য আৰু শ্ৰদ্ধা আদিৰে যিজনে অহৰহ পৰম সত্ত্বাক গভীৰভাৱে চিন্তা কৰে তেওঁৰ অন্তৰতো পৰম পুৰুষৰ প্ৰতি তন্ময়তাৰ সৃষ্টি হয়।[19]

এতেকে যি ভকতে কাম-ভাৱেৰে হলেও ভক্ত জীৱনৰ পাতনি মেলে, তেওঁ শেষান্তত আধ্যাত্মিক পৰমানন্দ লাভ কৰিবলৈ সক্ষম হয়। যিহেতু "বৈষয়িক বস্তুৰ প্ৰতি থকা আসক্তি আৰু ভগৱন্তৰ প্ৰতি থকা আসক্তি মূলতঃ একেই।"[20] এই ফালৰপৰা 'কুমৰ-হৰণ' কাব্যখনিকো ভক্তি-কাব্য বুলিব পাৰি। আমি এই সন্দৰ্ভত আৰু এটি কথা উল্লেখ কৰিব পাৰোঁ যে, 'কুমৰ-হৰণ'ত প্ৰতিপাদিত শৃংগাৰ-ৰসে কোনো ক্ষেত্ৰতে মহিমান্বিত ভক্তি-ৰসৰ সৈতে ব্যভিচাৰ কৰিব পৰা নাই। কবি অনন্ত কন্দলিয়ে নিজেই উল্লেখ কৰিছে যে, অনিৰুদ্ধৰূপে অৱতীৰ্ণ হৈ প্ৰভু মুৰাৰিয়েহে বাণৰ কুমাৰী উষাক বিয়া কৰাইছে:

"অনিৰুদ্ধ কুমৰ যে, স্বৰূপে মুৰাৰি।
তেহে বিহাইলন্ত উষা বাণৰ কুমাৰী॥"[21]

ইয়াৰপৰা সহজে সিদ্ধান্তত উপনীত হ'ব পাৰি যে, 'কুমৰ-হৰণ' কাব্যৰ সংযোগত কবি অনন্ত কন্দলিয়ে প্ৰকৃততে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক লীলা-মালাহে ৰূপায়িত কৰিছে।

গতিকে 'কুমৰ-হৰণ' কাব্যত উদ্গীৰ্ণ শৃংগাৰ-ৰসৰ মুখ্যতম উদ্দেশ্য 'কাম-বিজয়'। এই মহান উদ্দেশ্য ব্যঞ্জিত হোৱা বাবেহে 'কুমৰ-হৰণ' কাব্যখনিয়ে ধৰ্ম-গ্ৰন্থৰূপে শ্ৰদ্ধা লাভ কৰি আহিবলৈ সক্ষম হৈছে।

১৭. শংকৰদেৱ: দশম, পদ ১২০৯ ১৮. ন ময্যাৱেশিতধিয়াং কামঃ কামায় কল্পতে। ভৰ্জ্জিতা কথিতা ধানা প্ৰায়ো বীজায় নেষ্যতে॥ —ভাগৱত পুৰাণ ১০।২২।২৬
১৯. 'কামং ক্ৰোধং ভয়ং স্নেহমৈক্যং সৌহৃদমেৱ চ। নিত্যং হৰৌ বিদধতো যান্তি তন্ময়তাং হি তে॥' ভাগৱত পুৰাণ ১০।২৯।১৫
২০. "...... the love for a material object and love for God are one in substance.": Dr. S. Bhattacāryya; The philosophy of the Srimad Bhāgavata, Vol, I,P. 115
২১. অনন্ত কন্দলি: কুমৰ-হৰণ, পদ-৭॥

ড° পূর্ণানন্দ শইকীয়া

## ‘ফুলনিৰ’ মাজত গীতি-কবি পদ্মধৰ চলিহা

কুবি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকৰ কালছোৱাত বিদেশী সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবৰ্ষতে গঢ় লৈ উঠা প্ৰবল জাতীয় আন্দোলনৰ মাহেন্দ্ৰক্ষণত অসমৰ যিকেইজনা কবি-সাহিত্যিকে হাতত তুলিকা লৈ জাতীয় চৈতন্য জাগ্ৰত কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল, সেইসকলৰ ভিতৰত পদ্মধৰ চলিহা (৮৯৫-১৯৬৯) অন্যতম। এলানি গীত আৰু কবিতাৰ মাজেদি পদ্মধৰে ভাৰতীয় তথা অসমীয়াৰ জাতীয় চৈতন্য জাগ্ৰত কৰাৰ প্ৰয়াস কৰিছিল। তেওঁৰ গীত আৰু কবিতাৰ পুথিকেইখনি হ'ল—‘ফুলনি’ (১৯১৫), ‘স্বৰাজ সঙ্গীত’ (১৯২১), ‘গীতি-লহৰী’ (১৯২৩), ‘শৰাই’ (১৯২৮) আৰু ‘ৰংপুৰে কথা কয়’ (১৯৩৬)। গীতি-কবিতাৰ পুথি ‘ফুলনি’ৰ পৰিবৰ্দ্ধিত আৰু সংশোধিত চতুৰ্থ তাঙৰণ প্ৰকাশিত হৈছিল ১৯৫০ খ্ৰীষ্টাব্দত। ‘ফুলনি’ৰ এই সংস্কৰণে ‘গীতি-লহৰী’ৰ গীতখিনিকো সামৰি লৈ ন-পুৰণি ডেৰশ গীতি-কবিতাৰ পুথি হিচাপে পাঠকৰ হাতত ধৰা দিছিল। এই সংস্কৰণৰ ‘ফুলনি’ৰ গীতি-কবিতা-খিনিৰ মাজতে গীতি-কবি পদ্মধৰৰ কাব্য-প্ৰতিভা আৰু কাব্য-দৰ্শন লুকাই আছে।

‘ফুলনি’ৰ গীতি-কবিতাখিনিৰ সৰ্বাতোকৈ আকৰ্ষণীয় দিশ হৈছে পদ্মধৰৰ প্ৰগাঢ় স্বদেশ-প্ৰেম। সুপ্ত জাতীয় চৈতন্যক জাগ্ৰত কৰি দুৰ্জ্জয়প্ৰসিদ্ধ জাতি এটাক স্বাধীনতা-সংগ্ৰামৰ বাবে সাজু কৰি তোলাই হ'ল গীতবাজিৰ মূল লক্ষ্য। ‘ফুলনি’ৰ চতুৰ্থ তাঙৰণৰ পাতনিত কবিজনাই এনেদৰে লিখিছে: “জাতীয় জাগৰণ আৰু জাতীয় ভাবৰ বিকাশত সংগীতৰ ঠাই অতি ওখ। যুদ্ধৰ ক্ষেত্ৰত সংগীতে যোদ্ধাসকলে জন্মভূমিৰ কাৰণে প্ৰাণ বলি দিবলৈ অশেষ উদগনি দিয়া কথা বুৰঞ্জীয়ে বিস্তিয়াই বিস্তিয়াই কৈছে। বংকিমচন্দ্ৰ, দ্বিজেন্দ্ৰলাল, ৰবীন্দ্ৰনাথ, অতুলপ্ৰসাদ, কাজী নজৰুল ইছলাম প্ৰমুখ্যে বংগ কবিসকলৰ উদ্দীপনামূলক জাতীয় গীতবিলাকে বংগজাতিৰ তথা সদৌ ভাৰতবাসীৰ প্ৰাণত নতুন চেতনাৰ সঞ্চাৰ কৰিছিল।” ‘ফুলনি’ৰ স্বদেশ-প্ৰেমমূলক কবিতাবাজিৰ মুখ্য উদ্দেশ্যও আছিল এই একেটাই। সেয়ে এই গীতখিনিয়ে স্বাধীনতা সংগ্ৰামৰ কালছোৱাত অসমৰ আকাশ-বতাহ তোলপাৰ লগাইছিল। ইয়াৰ ভিতৰতে ‘মাতৃ-বন্দনা’ নামৰ গীতটি সংস্কৃতত ৰচিত আৰু ই ‘বন্দে মাতৰম্’ নামৰ গীতটিৰ লগত ফেৰ মাৰিব পৰা বিধৰ। এসময়ৰ সংস্কৃতৰ মেধাৱী ছাত্ৰ পদ্মধৰে ৰচনা কৰা এই গীতৰ সুৰ আৰু কথা সঁচাকৈয়ে তাৎপৰ্যপূৰ্ণ:

“অতীতকীৰ্ত্তিমণ্ডিতং
মহৰ্ষি আৰ্য্যবন্দিতং
কৰ্ব্বুৰসুৰৰঞ্জনং
নমামি মাতৃচৰণম্।





প্ৰকৃতিবাসৰঞ্জিতং
বিহঙ্গবৃন্দকূজিতং
তুষাৰমালাভৰণং
নমামি মাতৃচৰণম্। ......”

ইত্যাদি—।

ভাৰতবৰ্ষক লৈ ৰচিত উল্লেখযোগ্য গীতকেইটি হ'ল—‘জয় জয় ভাৰত জননী,’ ‘সোণৰ হিন্দুস্থান’, আৰু ‘ভাৰতবৰ্ষ’। এই গীতবিলাকৰ মাজত কবিৰ এক মহান ভাৰত গঢ়াৰ সপোন নিহিত আছে:

“ভাৰতবৰ্ষ আমাৰ হৰ্ষ, আমাৰ গৰ্ব, আমাৰ মান,
শক্তিদায়িনী মাতৃ আমাৰ, আমাৰ স্বৰ্গ তীৰ্থস্থান।
• • • • •
• • • • •
বেদ-কোৰাণৰ আবৃত্তি আজানে কৰা মুখৰিত
মৰত স্বৰ্গ;
মন্দিৰ-মছজিদ কৰি কোলাকুলি ধৰক সাৰাটি
ভাৰতবৰ্ষ।
মিলিত শক্তি কৰোঁচোঁ সৃষ্টি, কৰোঁচোঁ বসুধা
কম্পমান,
গোটা সমস্বৰে আমাৰ ভাৰত, আমাৰ স্বৰ্ণ
হিন্দুস্থান।” (ভাৰতবৰ্ষ)

স্বদেশ-প্ৰেমমূলক গীতবাজিৰ ভিতৰত অসমমাতৃক লৈ ৰচনা কৰা গীতৰ সংখ্যা অধিক। ইয়াৰ সৰহখিনিতে অসমৰ গৌৰৱময় অতীতৰ কীৰ্তি-কাহিনীৰ গুণ-গান কৰি কবিয়ে প্ৰতি অসমীয়াৰ প্ৰাণ-পথাৰত স্বাধীন চেতনাৰ বীজ সিঁচাৰ প্ৰয়াস কৰিছে। নিভাঁজ অসমীয়া শব্দৰ সফল ব্যৱহাৰ আৰু অসমীয়া জাতীয় জীৱনৰ সুৰ—আইনাম, বিয়ানাম, ছুঁচৰি, তেজীমলাৰ গীতৰ সুৰ—এই গীতখিনিৰ আন দুটি বৈশিষ্ট্য। ইয়াৰ ভিতৰতে সৰ্বাতোকৈ চিত্তাকৰ্ষক গীতকেইটি হ'ল—‘অসম কামাভূমি’, ‘চেনেহী জনমভূমি’, ‘অসম গৌৰৱ’, ‘অ’ মোৰ অসমী আই’, ‘আহ্বান’, ‘অসমী আই’, আৰু ‘গৌৰৱময় অসম’। প্ৰাণ উত্তলোৱা প্ৰেৰণা প্ৰদান কৰা এই গীতসমূহক সময়ৰ পৰিবৰ্তনে অকণো মোলান কৰিব পৰা নাই:

“আহাঁ বন্ধু মিলিজুলি, পূজো আহাঁ হিয়া খুলি,
জনমভূমিৰ কমল-চৰণ নমো হৈঁপাহেৰে;
(আজি) পুষ্পমালা পিন্ধাওঁ আহাঁ আমি উলাহেৰে।
অসমমাতৃ! স্বৰ্গাদপি গৰীয়সী তুমি,
মুনিমনমোহা হেৰা অসম কামাভূমি!
হেৰা অসম কামাভূমি!
হেৰা অসম কামাভূমি!” (অসম কামাভূমি)
ইত্যাদি

‘অসম-গৌৰৱ’ত কবিয়ে অতীতৰ গৌৰৱময় অসমৰ গুণানুকীৰ্তন কৰিছে:

“শঙ্কৰ মাধৱে হৰিনাম ৰসে বোৱালে প্ৰেমৰ নদী।
মাধৱ কন্দলি, কবি গজপতি,
অনন্ত কন্দলি, ৰাম সৰস্বতী
কৰিলে সাহিত্য-জগত সৃষ্টি ধৰ্মৰ সাগৰ মথি।
বীৰ মণিৰাম পিয়লি কুশলে জীৱন আহুতি দিলে।
গুণাভি আনন্দ লক্ষ্মী পদ্ম হেমে,
তৰুণ নবীন গোপী দেশপ্ৰেমে,
উছৰ্গি জীৱন সেৱাত তোমাৰ মহিমা বখানিলে।”
ইত্যাদি।

ঐতিহ্যমণ্ডিত অসমমাতৃক প্ৰণাম জনাই কবিয়ে ‘গৌৰৱময় অসম’ত গাইছে:

“প্ৰণমো তোমাক অসম-মাতৃ
মহাতাপসৰ সাধৰী ধাত্ৰী!
সতীকুলৰাণী বীৰ-চূড়ামণি
কবি-সাধকৰ জনমদাত্ৰী।
তোমাৰ আশীষ লৈ শিৰে শিৰে
সমৰ-সাজেৰে শতেক সৈন্য
কৰিব উলাহে জাতীয় যুদ্ধ,
আঁতৰাব আই তোমাৰ দৈন্য।”

‘ফুলনি’ৰ সাতোটি গীতি-কবিতা অসমৰ সতী সত্যাগ্ৰহী

জয়মতীৰ মহান ত্যাগৰ আদৰ্শৰ ভেটিত ৰচিত। জয়মতী-কাহিনী অৱলম্বনত লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাই দুখনি নাটক, হিতেশ্বৰ বৰুৱাই এখনি কাব্য আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই এখনি কথাছবি প্ৰণয়ন কৰি গৈছে। পদ্মধৰ চলিহাই জয়সাগৰৰ জয়াতীৰ্থত উদ্‌যাপিত জয়মতী উৎসৱ উপলক্ষে তেওঁৰ জয়া-গীতসমূহ ৰচনা কৰিছিল। এই গীত সমূহ কিমান মৰ্মস্পৰ্শী তাৰ এটিৰ অকণমান উদ্ধৃতিয়ে প্ৰমাণ কৰিব:

"লজাৰে কাৰেঙৰ অহংকাৰ ভাঙিলা,
জগতৰ হিয়াৰে কাৰেঙত বহিলা,
আত্মা-বলেৰে পশু-বল জিনিলা,
মায়াৰ বান্ধ ছিঙিলা,
সুকৃতি লভিলা।
পুইণ তেজেৰে জয়ৰ ফুল বাছিলা,
নাৰীৰে কুলকৈ চানেকি ৰাখিলা;
জয়াৰে জয়ে অই যায় জয়সাগৰ বৈ,
মৰণ জয় কৰিলা,
অমৰ হৈ মৰিলা।" (জয়াঞ্জলি)

ভাষা-জননীৰ পূজাৰ বেদীত অৰ্চনা কৰা গীতি-ফুল-কেইপাহিৰ ভিতৰত 'ভাষা নাও', 'বাণী পূজা', 'ভাষাদেৱী', 'মাতৃভাষা' বিশেষ উল্লেখযোগ্য। ইয়াৰ প্ৰথম গীতটি শিৱসাগৰত পুনৰ সঞ্জীৱিত কৰা অসম সাহিত্য সভাৰ ১৯শ সন্মিলন উপলক্ষে ৰচনা কৰি গোৱা হৈছিল:

"চেনেহী ভাষা-ফুলনিখনি
তোমাৰ মন্ত্ৰত পুনু হওক জননি।
জুলবুল ভাষানাও দিশ নমনি,
কান্তৰে অসম আহে কৰে বিননি
যতনাই লোৱা বঠা, ধৰা গুৰি,
চাকনৈয়াত পৰি যায় জানোচা বুৰি।"

ভাৰতব্যাপী গঢ়ি উঠা মুক্তি সংগ্ৰামত অসমো জপিয়াই পৰিছিল। এই উপলক্ষে ৰচনা কৰা গীত-সমূহৰ ভিতৰত 'জাগা জাগা তৰুণ', 'মুক্তি শংখ', 'কিহৰ শংকা কিহৰ ভয়', 'সমদল গীত', 'চেতনা-সংগীত', 'স্বৰাজ নিচান', 'মাতৃৰ আহ্বান' নামৰ গীতকেইটিৰ চুম্বক আকৰ্ষণ মন কৰিবলগীয়া:

"ভাৰত ধাত্ৰী মোৰ, অসম মাতৃ মোৰ,
ধন্য জীৱন, ধন্য প্ৰাণ;
বন্দে অসমম্। বন্দে ভাৰতম্।
ধৰা সমস্বৰে পুণ্য তান।
• • • • •
• • • • •
উদ্ধাৰা অসম অতীত কীৰ্তি,
উদ্ধাৰা মাতৃৰ লুপ্ত মান;
মাধৱ-শংকৰে মধুৰ ঝংকাৰে
ৰজালে যি মহা সাম্য-গান।"
(চেতনা-সংগীত)

'ফুলনি'ত শোকগাথা হিচাপে ৰচিত এলানি কবিতা আছে। ইয়াৰ ভিতৰৰে সংগীত গুৰু লক্ষ্মীৰাম বৰুৱাৰ বিয়োগত ৰচা 'লক্ষ্মী-স্মৃতি', দেশকৰ্মী চন্দ্ৰনাথ শৰ্মাৰ বিয়োগত ৰচা 'চন্দ্ৰ-স্মৃতি', অসম-গৌৰৱ মাণিকচন্দ্ৰ বৰুৱাৰ প্ৰয়াণত ৰচা 'মাণিক-স্মৃতি' আৰু ত্যাগৰ প্ৰতিমূৰ্তি দেশবন্ধু চিত্তৰঞ্জন দাসৰ প্ৰয়াণত ৰচা 'দেশবন্ধু প্ৰয়াণ' অতিকৈ কৰুণ-ৰসাসিক্ত।

আমাৰ সাহিত্যত—বিশেষকৈ গীতি-কবিতাত হাস্যৰস-প্ৰধান ৰচনা তেনেই সামান্য। ৰসৰাজ বেজবৰুৱাৰ আহি লৈ পদ্মধৰ চলিহাই এলানি গীতৰ মাজেদি 'ৰগৰ' বা হাস্যৰসৰ অৱতাৰণা কৰি অসমীয়াক হঁহুৱাবৰ প্ৰয়াস কৰিছে। এই ৰগৰ কৰোঁতে কবিয়ে একে ধ্বনিযুক্ত অসমীয়া, ইংৰাজী, হিন্দী আদি ভাষাৰ শব্দ খিচিৰি কৰি ব্যৱহাৰ কৰিছে। কেতিয়াবা আৰু' অসমীয়া শব্দকে সংস্কৃতৰ শব্দ যেন কৰি



ব্যৱহাৰ কৰিছে। এই লানি কবিতাৰ ভিতৰত 'দিল্ মোৰ', 'সংস্কৃত', 'All Right যাম', 'আক্ষেপং', 'মোৰ বন্ধু', 'আমি ভাষা উদ্ধাৰ কৰিম' নামৰ কবিতাকেইটিক হাঁহিৰ খুদুপাক বুলি কব পাৰি। ইয়াৰে শেষৰটিত হাস্যৰসে ব্যংগাত্মক ৰূপ ধাৰণ কৰিছে:

"আমি ভাষা উদ্ধাৰ কৰিম,
(আৰু) আকাশত দাড়ি ধৰিম।
(আমাৰ) Standard very high,
(আমাৰ) ভাষাৰ সকলো dry,
(আমি) নিজেও এতেকে নিলিখোঁ একোকে
(কাৰণ) appreciation নাই!
(আমাৰ) enemy হৈছে many.
ওলায় যিহঁত যে যেনি-তেনি;
সিহঁতক লৈ কৰে পাত চুৰা।
'ৰঁহা' আৰু 'আলোচনী'।" ইত্যাদি।

'দিল্ মোৰ' নামৰ কবিতাটিত হিন্দী আৰু অসমীয়া শব্দই ফেপেৰি পাতিছে:

"দিল্ মোৰ, জান মোৰ, মোৰ পিয়াৰী।"
"নোজোকাবা এইদৰে, দিম সিয়ঁৰি।"

'সংস্কৃতং' নামৰ কবিতাটিত অসমীয়া শব্দতে সংস্কৃতৰ অলংকাৰ পিন্ধাই ৰগৰ তোলা হৈছে:

ঋত্বিকৰ কাম কৰিমং আমি ঋত্বিকৰ কাম কৰিমং।
মস্ত পণ্ডিত বোলাই যজ্ঞত অগ্ৰভাগং ধৰিমং॥
সংস্কৃতৰ শ্লোকং
ফৰাফৰং মাতিমং;
সোপাসোপে জলপানং টোপোলা বান্ধি আনিমং॥"

আনহাতে, সৰু সৰু মানুহৰ কৰ্মক কেন্দ্ৰ কৰি মুহতীয়া ভাৱৰ অৱতাৰণা কৰি ৰচা 'নাপিতৰ গীত' আৰু 'চহিছৰ গান' সঁচাই আমোদজনক। ইয়াৰে প্ৰথমটি একালত বৰ জনপ্ৰিয় গীতত পৰিণত হৈছিল:

"মই নাপিত নামধাৰী।
টকো টকো ঘূৰি ফুৰোঁ জোলোঙাটি আঁৰি॥
মূৰৰ হাৰি চিকুণাই দিওঁ,
মুখৰ আবৰ চুকৰি নিওঁ,
ডেকাক কৰোঁ গাইমূৰা তিৰীমনোহাৰী।
ডাঙ-গোঁফৰ বংশ
(মই) কৰি পেলাওঁ ধ্বংস,
ঘাটে-বাটে মোকে চোৱা ফুৰিছে বিচাৰি।"

'ফুলনি'ৰ আন এলানি গীতি-কবিতাৰ অন্তৰালত আছে কবিৰ আধ্যাত্মিক চিন্তা আৰু দৰ্শন। বিশ্ব-প্ৰকৃতিৰ আকাশ-বতাহ, চন্দ্ৰ-সূৰ্য, গ্ৰহ-নক্ষত্ৰ, পশু-পখী, জান-জুৰি, হাবি-বন, ফুল-পখিলা, জোনাক-জোনাকী সমস্তৰ মাজেদি 'ঈশ-জ্যোতি' বিকশি উঠিছে। 'ধৰাত নন্দন', 'মিলন-মাধুৰী', 'নিয়তি', সত্য-শিৱ-সুন্দৰ', 'চৰণ-তৰী', 'ভকতি-আঁজলি', জীৱন সাৰথি' আদি কবিতাৰ মাজেদি কবিৰ এই আধ্যাত্মিক উপলব্ধি ঘটিছে। ইয়াৰ ভিতৰৰে 'নিয়তি' আৰু 'সত্য-শিৱ-সুন্দৰ'ৰ মাজতে পদ্মধৰৰ কাব্য-দৰ্শন নিহিত আছে। জ্যোতিপ্ৰসাদে 'মোৰে জীৱনৰ সখা কৃষ্ণ! বজাৱ কি সুৰে বেণু!' বুলি অনন্তবাদকৰ সুৰৰ প্ৰতীক বেণুবাদক শ্ৰীকৃষ্ণক তেওঁৰ শিল্পী-মনৰ সাধনাৰ উৎস হিচাপে গ্ৰহণ কৰিছে। একেদৰে পদ্মধৰৰ 'নিয়তি'ত অনন্তবাদকৰ বাঁহীৰ সুৰে কবি সত্তাক নিয়ন্ত্ৰিত কৰিছে:

"(তুমি) ফুৰি আঁৰে আঁৰে নিফুঁট সুৰেৰে
বজোৱা মৃদুল বাঁহীটি;
কৰি মতলীয়া কলৈ মোক নিয়া
মাৰি বিজুলীৰ হাঁহিটি!" ইত্যাদি

সেয়ে, জীৱন আৰু জগতৰ সকলোপ্ৰকাৰৰ মায়াৰ আৱৰণ আঁতৰাই কবিয়ে মহাশূন্যৰ উপলব্ধি কৰিছে আৰু তাৰ মাজতে সত্য-শিৱ-সুন্দৰৰ মুখামুখি হৈছে:

"শূন্য জীৱন, শূন্য দুনিয়া, বিহৰোঁ শূন্য পৰাণে
শূন্য গগন, চন্দ্ৰ-অৰুণ নিৰখোঁ শূন্য নয়ানে।
মায়াৰ ধেমালি, মোহৰ ভ্ৰান্তি,
প্ৰেমৰ মদিৰা, ৰূপৰ কান্তি, —
নিমিষে বিমল তত্ত্ব শান্তি এনুৱা সুখ-নিদানে।
●●● ●●● ●●● ●●●
●●● ●●● ●●● ●●●
সকলো অসাৰ, সকলো শূন্য
সাৰ মাথোঁ এক ধৰম পুণ্য, —
সত্য শিৱ সুন্দৰ প্ৰভু বিচাৰা স্বপ্নে-বিয়ানে।"
('সত্য-শিৱ সুন্দৰ')

মুঠ কথাত, অসমীয়া গীতি-কবিতাত পদ্মধৰৰ আসন সুনির্দিষ্ট। প্ৰগাঢ় দেশ-প্ৰেম আৰু এক গভীৰ আধ্যাত্মিক উপলব্ধিয়ে 'ফুলনি'ৰ গীতি-কবিতা ফুল-খিনিক পদ্মধৰৰ অমৰ প্ৰতিভাৰ চানেকি হিচাপে কোনোকালে মৰহি নোযোৱাকৈ ৰাখিব।

শ্ৰীঅখিলীচৰণ চৌধুৰী

## পঞ্চ পাণ্ডৱ : এটি অধ্যয়ন

ব্যাসদেৱৰ মহাভাৰত, ভাৰতীয় সভ্যতাৰ এখন অমৰ মহাকাব্য। ইয়াত কেৱল যুদ্ধৰ কাহিনীয়েই নাই, ইয়াত সেই যুগৰ সামাজিক ব্যৱস্থা, অৰ্থনৈতিক অৱস্থা শিল্প-ব্যৱসায়, শিক্ষা, ৰাজনীতি আৰু আধ্যাত্মিক দিশৰো বহু কথাৰ সন্ধেদ দিয়া হৈছে। মহাভাৰত একেলগে, কাব্য, পুৰাণ, ইতিহাস, অৰ্থশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ আৰু বেদ। প্ৰবাদ আছে যে, মহাভাৰতত যি নাই, সি ভাৰততো নাই। মহাভাৰতক পঞ্চম বেদ বুলিও গণ্য কৰা হয়।

কাব্যৰ মূল বিষয় এখন যুদ্ধ—দুটা পক্ষ, কৌৰৱ আৰু পাণ্ডৱ। পাণ্ডৱৰ লগত সেই সময়ৰ প্ৰতাপী পাঞ্চাল ৰাজ্যও আছিল। ইতিহাসত পোৱা মতে সেইসময়ত কুৰু আৰু পাঞ্চাল দুখন প্ৰতাপী ৰাজ্য আছিল। পাঞ্চালৰ উত্তৰ অংশ দ্ৰোণৰ আৰু দক্ষিণ অংশ কাম্পিল্য ৰাজধানীৰে দ্ৰোপদ ৰজাৰ আছিল বুলি কোৱা আছে।

বিচিত্ৰবীৰ্যৰ মৃত্যুৰ পিছত মাতৃ সত্যৱতীয়ে বোৱাৰী অম্বিকা আৰু অম্বালিকা নামে সন্তানহীনা বিধৱা দুগৰাকীৰ কাৰণে চিন্তা কৰিলে। কাৰণ সন্তানহীনা হলে, বংশ লোপ পাব। বংশ ৰক্ষাৰ কাৰণে বিচিত্ৰ-বীৰ্যৰ ভায়েক ভীষ্মদেৱৰ দ্বতুৱাই সন্তান জন্ম দিয়াৰ ইচ্ছাও প্ৰকাশ কৰিলে। কিন্তু ভীষ্মদেৱ প্ৰতিজ্ঞাত আবদ্ধ। পতিকে ভীষ্মদেৱৰ উপদেশ মতেই, সত্যৱতীৰ অনুৰোধ ক্ৰমে, কৃষ্ণদ্বৈপায়ন ব্যাসদেৱৰ নিয়োগত, অম্বিকা আৰু অম্বালিকাৰ পুত্ৰ জন্ম হ'ল। কিন্তু ব্যাসদেৱৰ জ্যোতি সহ্য কৰিব নোৱাৰা হেতুকে অম্বিকাৰ পুত্ৰ ধৃতৰাষ্ট্ৰ জন্মান্ধ হ'ল আৰু অম্বালিকাৰ পুত্ৰ পাণ্ডু—পাণ্ডুবৰ্ণৰ হ'ল। এনে নিয়োগ প্ৰথা সেই সময়ত প্ৰচলিত আছিল; কিন্তু এনে নিয়ম ধৰ্ম-সংগত হয়নে, নহয়, সন্দেহ।[১]

পাণ্ডু ৰজা হ'ল, কিন্তু কিন্দন মুনিৰ অভিশাপত তেওঁ ব্ৰহ্মচৰ্য ব্ৰত অৱলম্বন কৰিবলগীয়া হোৱাত, পাণ্ডু, ৰাজ্য এৰি বনাচাৰী হবলগীয়া হ'ল। পাণ্ডুৱে দুগৰাকী কন্যা বিয়া কৰাইছিল। পৃথা—(কুন্তী) আছিল যাদৱ বংশৰ শূৰ ৰজাৰ জীয়ৰী। শূৰ ৰজাৰ খুৰাক কুন্তীভোজ সন্তানহীন, পতিকে পৃথাক তেওঁ তুলি লয়; আৰু সেয়ে তেওঁ পৃথাৰ নাম কুন্তী থয়। পাণ্ডুৰ আনজনী মহিষী হ'ল মাদ্ৰী।

পাণ্ডু সন্তান জন্ম দিয়াৰ বাবে অসমৰ্থ হৈছিল। কুন্তী দেৱীয়ে দুৰ্বাসা মুনিৰ স্তৱ কৰি সন্তান জন্ম দিয়াৰ এটি মন্ত্ৰ শিকিছিল। কুন্তীয়ে প্ৰমাণ চাবলৈ সেই মন্ত্ৰ জপ কৰাত কুমাৰী অৱস্থাতে সূৰ্যৰ লগত

১. শ্ৰীসুখময় ভট্টাচাৰ্য, মহাভাৰতেৰ সমাজ, ১৩৫৩, পৃঃ ৩৪

কুন্তীৰ গৰ্ভত জন্ম হ'ল কৰ্ণৰ—। লোক নিন্দাৰ ভয়ত কুন্তীয়ে কৰ্ণক পানীত উটুৱাই দিয়ে।

বিয়াৰ পিছত মুনিৰ শাপত ব্ৰহ্মচাৰী ব্ৰত পালন কৰিবলগীয়া হোৱাত পাণ্ডু কুন্তীদেৱী আৰু মাদ্ৰীৰ সৈতে হিমালয়ৰ শতশৃংগ পৰ্বতত আছিলগৈ। বনত থকা সময়তে, পাণ্ডুৰ উপদেশ মতে কুন্তী দেৱীয়ে নিয়োগ প্ৰথা অনুসৰি মন্ত্ৰজপ কৰি ৩ জনৰ পৰা তিনিজন পুত্ৰ সন্তান লাভ কৰিলে বুলি মহাভাৰতে কয়। তেওঁলোক হ'ল—যমৰ পৰা যুধিষ্ঠিৰ, পৱনৰপৰা ভীম, ইন্দ্ৰৰপৰা অৰ্জুন। আনহাতে মাদ্ৰীয়েও সন্তান জন্মদিয়াৰ কামনা কৰাটো স্বাভাৱিক। 'স্বামীণক আপোনাৰ সন্তান উৎপাদনৰ অযোগ্যতায়ে, মোক দুঃখ দিয়া নাই, সপত্নী কুন্তীৰ সন্তান প্ৰসৱে যিমান দুঃখ দিছে। আপুনি কুন্তীক ক'লে, মযো মন্ত্ৰ উচ্চাৰণ কৰি সন্তান সম্ভৱা হ'ব পাৰে', যদি আপুনি অনুমতি দিয়ে।[২] এই কথাত, পাণ্ডুৱে ইতস্তত: কৰি, কৈছিল ; "মোৰো মনত এই আকাংক্ষা আছিল ; পিছত তুমি বা কি কোৱা, এই আশংকাতে কবলৈ সাহস কৰা নাছিলো'।।

মমাপোষ্যা সদা মাদ্ৰী হৃদাৰ্থঃ পৰিবৰ্ত্ততে,
নতুষ্যাং প্ৰসহে বক্তুম্ ইষ্টানি ইষ্ট বিবক্ষয়া।"

(মহাঃ আদি ১২৪।৭)

ইয়াৰপৰা বুজিব পাৰি যে নিয়োগ প্ৰথা সৰ্বসন্মত—ভাবে বা ধৰ্মমতে সমাজত প্ৰচলিত নাছিল।

পাণ্ডুৰ কথামতে কুন্তীয়ে মাদ্ৰীক মন্ত্ৰ শিকালে, তাৰ ফলত অশ্বিনীকুমাৰদ্বয়ৰপৰা, নকুল আৰু সহদেৱক জন্ম দিলে। ইয়াৰ পিছত দ্বিতীয়বাৰলৈ কিন্তু কুন্তীয়ে মাদ্ৰীক মন্ত্ৰ নিদিলে, কিয়নো মাদ্ৰীৰ সন্তানসংখ্যা তেওঁতকৈ বেছি হয়। এই ঘটনাত মাদ্ৰীয়ে নিয়োগ প্ৰথাৰ কাৰণে প্ৰাৰ্থনা জনাইছে। কুন্তীৰ বেলিকা, কুন্তীদেৱীয়ে প্ৰথমতে অসম্মতি প্ৰকাশ কৰিছে ; কিন্তু পাণ্ডুৱে বহু উদাহৰণ আৰু শাস্ত্ৰ বচনৰদ্বাৰা, উৎকৃষ্ট কোনো পুৰুষৰ সম্বন্ধত গৰ্ভ-ধাৰণ কৰিবলৈ অনুৰোধ কৰিছে। স্বামীৰ অনুৰোধত আশ্বস্ত হৈ কুন্তীয়ে ক্ৰমে, ধৰ্ম, বায়ু ইন্দ্ৰৰপৰা তিনিজনৰ জন্ম দিয়ে। নিয়োগ প্ৰথাৰদ্বাৰা ক্ষেত্ৰজ পুত্ৰৰ জন্ম প্ৰচলিত হলেও, বহুতে, এই নিয়মত আশংকা কৰে। ধৰ্মসংগত হলে, কুন্তীদেৱীয়ে আপত্তি নকৰিলেহেঁতেন।

"ন মামৰ্হসি ধৰ্মজ্ঞ, বক্তুমেৱং কথঞ্চন।"

(মহা আদি)

"ক্ষেত্ৰজ পুত্ৰক বহুতে ভাল চকুৰে নাচাইছিল।"

(মহা সমাজ—৩৫)

পাণ্ডৱ সকলৰ জন্ম সম্বন্ধে, দুৰ্যোধনে কৈছিল
"ভৱতিশ্চ যথা জন্ম তথাপি আগমিতং ময়া।"

(মহাঃ আদি)

জয়দ্ৰথ, দুঃশাসন, দুৰ্যোধন আদিয়ে পাণ্ডৱসকলক ক্ষেত্ৰজপুত্ৰ বুলি বিদ্ৰূপ কৰিছিল।

বনত থকা সময়তে পাণ্ডুৰ মৃত্যু হয়. আৰু মাদ্ৰী পতিৰ লগত সতী যায়। তাৰ পিছত বনত থকা ঋষিসকলে, বনৰপৰা কুন্তীদেৱী আৰু পঞ্চপাণ্ডৱক হস্তিনাপুৰলৈ লৈ আহে। মুনিসকলে পাণ্ডৱসকলক ভীষ্মদেৱৰ হাতত গতাই দি গুচি যায়। কোৱাহয় যে, সন্ন্যাসীসকল আশ্চৰ্যান্বিতভাৱে অন্তৰ্দ্ধান হয়। ইও এটা অস্বাভাৱিক ঘটনা বুলি ধৰিবৰ স্থল নিশ্চয় আছে। তেওঁলোক কোন বা ক'ৰ বা কলৈ গ'ল তাৰো কোনো উল্লেখ নাই, মহাভাৰত নিমাত। এনেবোৰ কথায়ো বনৰপৰা অহা পাণ্ডৱসকলৰ বিষয়ে সন্দেহৰ সৃষ্টি নকৰাকৈ নাথাকে। পাণ্ডৱ-সকলক কোনো জনজাতীয় বংশৰ যেন অনুমান কৰাৰো অলপ আভাস দিয়ে।

ইয়াৰ পিছৰ কথাটো হৈছে, পঞ্চ পাণ্ডৱৰ লগত

২. মহাভাৰতৰ সমাজ পৃঃ ২০২



দ্ৰৌপদীৰ বিয়া। দ্ৰৌপদীয়ে পঞ্চপতি বৰণ কৰা বিষয়টো বৰ গুৰুত্বপূৰ্ণ। মহাভাৰতকাৰৰ কোৱা মতে "মাগি অনা বস্তু সকলোৱে ভগাই খোৱা" বুলি কুন্তীয়ে কৈছিল। হয়তো এইটো বচকৰ সজা গল্পও হ'ব পাৰে। কিন্তু এই বস্তু আছিল এজনী ছোৱালী। দ্ৰৌপদীৰ ৰূপত আটাইকেইজন পাণ্ডৱ যে মুগ্ধ হৈছিল, স'চা কথ', যদিও অৰ্জুনেহে লক্ষ্য ভেদ কৰিছে। দ্ৰৌপদীয়ে অৰ্জুনকহে মালা দিবলৈ ভাবি আছিল। যুধিষ্ঠিৰে এই ভাৱদৃষ্টিবোৰ লক্ষ্য কৰিয়ে হবলা ভায়েকসকলৰ ভিতৰত কাজিয়া হ'ব বুলি, আৰু ভ্ৰাতৃত্বৰ বান্ধ ৰাখিবলৈয়ে অৰ্জুনৰ গলত মালা পিন্ধাবলৈ বাধা দিলে। আন আটাই কেইজনে, অৰ্থাৎ পঞ্চপাণ্ডৱে দ্ৰৌপদীৰ পতিত্ব বহন কৰিব বুলি কলে ( মহা : আদি ১৯১ )।

মহাভাৰতৰ যুগত ভ্ৰাতৃত্ব ৰক্ষা কৰিবলৈ হলেও এনে বহুপতিৰ ব্যৱস্থা প্ৰচলিত নাছিল। পাণ্ডৱসকলৰ কাৰণে এইটো এটা বিশিষ্ট কাম। এনে বহুপতি ব্যৱস্থা বা পুৰুষৰ বহুনাৰী গমন তেতিয়া ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ স্কাইথিয়ানবিলাকৰ মাজত চলতি থকা বুলি জনা যায়। হিৰোডটাছে কৈছে যে আগাঠিচিয়ানবিলাকৰ ভিতৰত বহুনাৰী গমন প্ৰথা প্ৰচলিত আছিল। বহু ভ্ৰাতৃৰ ঐক্য ৰক্ষা কৰিবলৈ নাইবা অন্তৰ্দ্বন্দ্ব বন্ধ কৰিবলৈ এনেভাৱে একোখন ঘৰৰ বাবে একজনী নাৰীক উমৈহতীয়া পত্নী কৰি ৰাখিছিল।[৩] গতিকে দ্ৰৌপদীৰ পঞ্চস্বামীত্বই হয়তো পাঁচ ভাইৰ মাজত মিল ৰাখিবলৈ উক্ত স্কাইথিয়ান বিলাকৰে আদৰ্শ গ্ৰহণ কৰিছিল। ইয়াকে লক্ষ্য কৰি বহুতে ঠাৱঁৰ কৰে যে পঞ্চপাণ্ডৱৰ উৎপত্তিত জনজাতীয় বীজ আছে। তেওঁলোক হয়তো ভাৰতৰ বাহিৰৰ কোনো গোষ্ঠীৰ লোক আছিল, পিছত পাঞ্চালৰ লগ লাগি কুৰুৰাজ্যৰ শত্ৰু হৈ পৰিছিল। এই প্ৰসংগত অধ্যাপক হপকিন্সে কয়—'পাণ্ডৱসকলৰ প্ৰাচীনত্ব যিয়েই নহওঁক লাগে, তেওঁলোকক পিছৰ বৌদ্ধ সাহিত্যৰ মাজেদিহে আমাৰ চকুত পৰে। ইয়াত পাণ্ডৱসকলক পৰ্বতীয়া হৈন্দ বুলিহে অভিহিত কৰা হৈছে। মহাভাৰতে পাণ্ডৱসকলৰ বহুপতি প্ৰথাৰ বিষয়ে বহু মাৰ্জনা দাঙ্গি ধৰিলেও তেওঁলোক সম্ভৱত: উত্তৰাঞ্চলৰ কোনো পৰ্বতীয়া জাতি বা বংশৰ লোক আছিল। প্ৰকৃততে বহুপতি প্ৰথা তেওঁলোকৰ মাজত প্ৰচলিত আছিল, ইয়াৰ বাবে কোনো মাৰ্জনা আৱশ্যক নাই।'[৪]

'পাঞ্চাল ৰাজকন্যা দ্ৰৌপদী পঞ্চপাণ্ডৱৰ উমৈহতীয়া তিৰোতা আছিল। এনে ধৰণৰ বহুস্বামী বিবাহ-প্ৰথা অনাৰ্য বুলি বহুতৰে ধাৰণা। বেদত কৃষক দেৱতা মাৰুতসকলৰ ৰোদসী নামে এগৰাকী উমৈ-হতীয়া পত্নী আছিল বুলি উল্লেখ আছে। নাসত্য সকলৰো সূৰ্যা নামে এগৰাকী উমৈহতীয়া পত্নী আছিল। কিন্তু কালক্ৰমত এনে দলবিবাহ-প্ৰথা লোপ পালে।' ড° কোশাম্বীৰ ইতিহাসত পোৱা যায়—'পাণ্ডৱসকলৰ উমৈহতীয়া পত্নী-প্ৰথা দেখি বহুতে তেওঁলোকক তিব্বতীয় আক্ৰমণকাৰী বুলি ঠিক কৰিছিল। ৩১০১—১০০০ খ্ৰীষ্টপূৰ্বৰ মাজৰ হোৱাত তীব্বতীয়সকলে দেশ আক্ৰমণ কৰে। মহাভাৰতৰ যুদ্ধৰ কালো ইয়াৰ ভিতৰতে ধৰা হয়।'[৫]

যুধিষ্ঠিৰৰ মুখত, পাঁচোজন ভায়েকে দ্ৰৌপদীক বিয়া কৰাৰ বুলি কোৱা কথা শুনি দ্ৰুপদ ৰজাই মনে মনে ঘৃণা বোধ কৰিলে। তেওঁ সুধিলে,

৩. Abhayanda Mukherjee, 'An Ethnic Study of the Pandavas' in the Modern Review, vol. LVI, No. 5, December, 1934, P. 657. ৪. E. P. Hopkins, Cambridge History, vol. I. ৫. ড° ডি. ডি. কোশাম্বী, ভাৰতৰ ইতিহাস, ১৯৭৩ পৃঃ ১৬২

এইটো কেনে কথা ? এনে আচাৰ সকলো ফালৰ-পৰাই ধৰ্মবিৰোধী আৰু সমাজ বিৰোধী। এনে ধৰণৰ পাপ কথা, তোমালোকৰ মনত, কেনেকৈ খেলাবলৈ পালে ? [৬]

ৰজা দ্ৰুপদে যুধিষ্ঠিৰক কলে, "তুমি পবিত্ৰ আৰু ধৰ্মজ্ঞ, তোমাৰ মুখত এনে লোক-বেদ বিৰুদ্ধ কথা ? তোমাৰ এই বুদ্ধিভ্ৰষ্টৰ কাৰণ মই বুজিব পৰা নাই।

"লোক বেদ বিৰুদ্ধং ত্বং না ধাৰ্য ধৰ্ম বিচ্ছুচিঃ।"
কৰ্ত্তুমৰ্হসি কৌন্তেয় কস্মাত্তে বুদ্ধিৰীদৃশী॥"
(মহা, আদি ১৯৫/২৮)

ভাৰতীয় সমাজত প্ৰচলিত থাকিলে সেই সময়ৰ প্ৰসিদ্ধ পাঞ্চালপতি, দ্ৰুপদ ৰজা আচৰিত হোৱাৰ কোনো কাৰণ নাছিল। যুধিষ্ঠিৰৰ মুখত পাঁচোজনে দ্ৰৌপদীক বিয়া কৰাৰ বুলি শুনি দ্ৰুপদ ৰজা আচৰিত হৈছিল। মহাভাৰতৰ সময়ৰ সমাজত নাৰীৰ বহুপতিকতা সমৰ্থিত নহৈছিল। একমাত্ৰ দ্ৰৌপদীৰ 'পঞ্চপতি ইয়াৰ ব্যতিক্ৰম আৰু এই কাম হৈছে পাণ্ডৱৰ ফালৰপৰাই, দ্ৰৌপদীৰ ফালৰ-পৰা নহয়।

"ইয়ং ত্বনেকপতিকা বন্ধকীতি বিনিশ্চিতা" (মহা— সভা ৬৮/৩৫,৩৬)

বহুপতি কাৰণে দ্ৰৌপদীক বেশ্যা বুলি কৰ্ণই কৈছে। "এজনী নাৰীৰ বহুপতি গ্ৰহণ যে অতিশয় গৰ্হিত, সেই বিষয়ে কিছুমান সুস্পষ্ট উক্তি মহাভাৰতত উল্লেখ আছে।"

বহুপতিকতা সমৰ্থন কৰিবলৈ গৈ, প্ৰাচীন ব্যৱহাৰ, পূৰ্বজন্মৰ কৰ্মফল আৰু মাতৃৰ আদেশৰ ওপৰত জোৰ দিয়াও দেখা গৈছে।

জীয়েকক পঞ্চপতি হিচাপে পঞ্চপাণ্ডৱলৈ বিয়া দিয়াৰ সংকোচবোধ কৰাত হঠাৎ ব্যাসদেৱ উপস্থিত হৈ দ্ৰুপদ ৰজাক বুজনি দিবলৈ গৈ আগৰ যুগৰ বহু কাহিনী উল্লেখ কৰিছে।

ব্ৰাহ্মণ কন্যা জটিলা আৰু বাৰ্ক্ষীৰো বহুপতি আছিল। মহাভাৰতৰ নহ'লেও প্ৰাচীন যুগৰ জটিলাই ৭ জন ঋষিক বিয়া কৰায়, কিন্তু ইজনৰ পিছত সিজনকৈ। আৰু বাৰ্ক্ষীয়ে প্ৰচেতাকে আদি কৰি দহজন পুৰুষৰ লগত বিবাহত আবদ্ধ আছিল। জনামতে এই দহজন ভায়েক আছিল।

"তথৈৱ মুনিজা বাৰ্ক্ষী. তপোভি ভাবিতাত্মনঃ,
সংগতা ভ্ৰুদ্দশ ভ্ৰাতৃণ্ একণামুঃ প্ৰচেতসঃ।"
(মহাঃ আদি ১৯৬/১৪,১৫)

আনহাতে যযাতিৰ কন্যা মাধৱীয়ে হৰ্যাশ্ব. দেৱদাস, উশীনাৰা আৰু বিশ্বামিত্ৰ এই চাৰিজন পুৰুষৰ লগত বিয়া হৈ চাৰিটি সন্তান জন্ম দিছিল। মাধৱীৰ কাহিনী উদযোগ পৰ্বত এনেভাৱে দিয়া আছে, তপস্বী গালৱে. বিশেষ ৰঙৰ, গাটো বগা কাণখন ক'লা আঠশ ঘোঁৰা গুৰু দক্ষিণা হিচাপে দিব লগা হোৱাত, ৰজা যযাতিৰপৰা এই ঘোঁৰা বিচাৰিলে। যযাতিয়ে ঘোঁৰা দিব নোৱাৰি, তপস্বীৰ ভয়ত মাধৱীক বিয়া দিয়ে। গালৱে মাধৱীক আনি, হৰ্যাশ্ব, দেৱদাস আৰু উশীনাৰাক ঘোঁৰাৰ বিনিময়ত পুত্ৰ জন্ম দিবলৈ নিয়োগ কৰে। তিনিওজনে কিন্তু ২০০ কৈ ৬০০ ঘোঁৰাহে দিলে। বাকী দুশ দিব নোৱাৰি তাৰ কাৰণে মাধৱীৰ লগত সন্তান জন্ম দিবলৈ, বিশ্বামিত্ৰৰ ওচৰত মাধৱীক

৬. চক্ৰৱৰ্ত্তী ৰাজা গোপালাচাৰী, কথা-মহাভাৰত (অসমীয়া সংস্কৰণ), ১৯৭১, পৃঃ ৮১



নিয়োগ কৰে। মাধৱীৰ নিয়োগ বন্ধকী প্ৰথা বুলিহে কোৱা হয়। কিন্তু দ্ৰৌপদীৰ স্বামী একেলগে আছিল পাঁচজন। সেইকাৰণেই দ্ৰৌপদীৰ পঞ্চ-পতিৰ লগত মাধৱীৰ বন্ধকী-সূত্ৰৰ মিল নাই বুলি কোৱা হয়। তথাপি নাৰীৰ চৰিত্ৰৰ ফালৰপৰা এনেবোৰ ব্যতিক্ৰম, সমাজৰ প্ৰচলিত নিয়মনীতিৰ বাহিৰত বুলি ক'ব পাৰি। দ্ৰুপদ ৰজাযো এইবোৰ নীতি বিগৰ্হিত বুলি আপত্তি তুলিছিল।

ব্যাসদেৱে মমতাৰ উদাহৰণো দিছিল। দেৱগুৰু বৃহস্পতি আৰু ভায়েক উতথ্যৰ মমতা নামে একেজনী পত্নী আছিল। বৃহস্পতিয়ে উতথ্যৰ পত্নী মমতাৰ জীয়েক মমতাৰ লগত ভৰদ্বাজক জন্ম দিছিল। আনহাতে বৃহস্পতিৰ ভাৰ্যা জুহবতিৰ গৰ্ভত চন্দ্ৰই বুধক জন্ম দিছিল। (মহাঃ আদি) কিন্তু মনকৰিবলগীয়া কথা যে এনে উদাহৰণ-বোৰৰ পাৰস্পৰিক সম্পৰ্ক নাই ; আৰু মূল ঘটনা দ্ৰৌপদীৰ বিবাহৰ লগতো মিল নাই। এনে প্ৰথা কোনো প্ৰাচীন বিশেষ বংশৰহে, 'সাধাৰণ ভাৰতীয় লোকৰ প্ৰথা নহয়। দ্ৰৌপদীৰ ঘটনা পাণ্ডৱ বংশৰ সুকীয়া প্ৰথা। [৭]

বৌদ্ধ জাতকতো দ্ৰৌপদীৰ পঞ্চপতিত্বক মহাভাৰতৰ মহত্তী নাৰীৰ চাৰিত্ৰিক ভ্ৰষ্টতা বুলি কোৱা আছে। ড° জলীয়ে কৈছে যে নিয়োগ-প্ৰথা বা এনে ভাৱে জন্মা সন্তানক মানি লোৱাটো পুৰুষ উত্তৰাধিকাৰীৰ ক্ষেত্ৰত সাধাৰণতে নষ্টা কাৰ্য বুলি বিবেচিত হৈছিল। কঠোৰ বিবাহ-আইন প্ৰচলনত বেশ্যাবৃত্তিৰ অনুমোদনে কোনো ব্যাঘাত জন্মোৱা নাছিল। [৮]

গতিকে দেখা যায় যে পাণ্ডৱৰ বাহিৰে কুৰুসকলৰ ভিতৰত বহুপতি প্ৰথা প্ৰচলিত নাছিল। প্ৰাচীন ভাৰতত প্ৰচলিত বহুপতিত্ব বিষয়টো এটা বিতৰ্কৰ বিষয়। ইয়াক কেৱল একতা ৰক্ষাৰ বাবেহে বুলি ধৰা হয়। [৯] "বহু ব্যাখ্যাৰ পৰা পোৱা মতে এইটো সঁচা কথা যে তেতিয়া আৰ্য সমাজত বহুপতি-ব্যৱস্থাৰ প্ৰচলন, সমৰ্থন বা প্ৰশ্ৰয় দিয়াটো বন্ধ কৰা হৈছিল। বৃহস্পতিয়ে এনে প্ৰথা 'কুল কন্যা প্ৰদানম্' আৰু তেওঁৰ দিনত আন দেশত প্ৰচলিত আছিল বুলি কৈছে।"

মনুৱে সন্তানহীনা নাৰীয়ে দেওৰ বা আন লোকৰ-দ্বাৰা সন্তান উৎপাদন-কাৰ্যক তীব্ৰভাৱে নিন্দা কৰিছে। প্ৰাচীন বৈদিক যুগত বহুপত্নী প্ৰথা প্ৰচলিত আছিল, কিন্তু বহুপতি-প্ৰথা নাছিল। [১০] পাণ্ডুৰ নাম বৈদিক শাস্ত্ৰত উল্লেখ নাই, অৱশ্যে কুৰুক্ষেত্ৰৰ বিষয়েও স্পষ্টভাৱে একো কোৱা নাই। কিন্তু অৰ্জুন পৰীক্ষিত আৰু জন্মেজয়ৰ কথা পোৱা যায়। [১১]

এগৰাকী নাৰীৰ 'বহুপতি-গ্ৰহণ'ৰ বিষয়ে সেই সময়ত ধৰ্মসংগত আৰু সামাজিকভাৱে প্ৰচলিত নথকা সত্বেও কুন্তী দেৱীয়ে পঞ্চপাণ্ডৱৰ সৈতে দ্ৰৌপদীৰ বিবাহ কি নীতিত সমৰ্থন কৰিলে সেইটো ভাবিব-লগীয়া কথা। মহাভাৰতে কোৱা মতে, নিজৰ নিয়োগ-প্ৰথাৰ সময়তো তেওঁৱেই পাণ্ডুক ধৰ্মৰ কথা সোঁৱৰাই দিছিল।

আনহাতেদি আমি পাণ্ডৱসকলৰ আন আন চৰিত্ৰতো ব্যতিক্ৰম দেখা পাওঁ।

৭. M. Winternitz, History of Indian Literature, vol I, P. 337 ৮. Dr. J. Jolly, Hindu Law and Customs, P. 106 ৯. Dr. K. M. Munshi, The Age of Imperial Unity, P. 558 ১০. Hindu Law and Customs, P. 155 ১১. Dr. Majumdar, Dr. Roychaudhury, Dr. Dutta, Advance History of India, P.31. 95

লৰা কালতে দ্বিতীয় পাণ্ডৱ বৰ অসুৰ প্ৰবৃত্তিৰ আছিল বুলি উল্লেখ আছে। খেলা কৰোঁতে ধৃতৰাষ্ট্ৰ-কুৰু পুত্ৰসকলক চুলিত ধৰি টানি আজুৰি লটি-ঘটি কৰিছিল। চোঁচৰাই নি, পানীত পেলাই হেঁচা মাৰি ধৰি ৰাখিছিল। এইবোৰ কাৰণতে ভীমক কৌৰৱসকলে ভাল নাপাইছিল।

তাৰ বাহিৰেও ভীমসেনৰ অমানুষিক স্বভাৱ কিছুমানো বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। ভীমসেনে প্ৰতিজ্ঞা কৰিছিল দুঃশাসনৰ ৰক্তপান কৰিবলৈ। মহাভাৰতৰ সভাপৰ্বত আমি পাওঁ যে, ৰাজকুমাৰ দুঃশাসনে দ্ৰৌপদীৰ চুলিত ধৰি ৰাজসভালৈ নি অপমান কৰিছিল। এনে অসভ্যালীৰ প্ৰতিশোধ লবলৈ, ভীমে প্ৰতিজ্ঞা কৰিছিল, দুঃশাসনৰ ৰক্তপান কৰিব।

মহাভাৰতৰ কৰ্ণপৰ্বত পাওঁ যে, কুৰুক্ষেত্ৰ যুদ্ধত দুঃশাসন গদাৰ কোবত পৰি গল। তেতিয়া ভীমে পূৰ্বৰ প্ৰতিজ্ঞা স্মৰণ কৰিলে। তেওঁ দুঃশাসনৰ বুকুফালি, কেচাতেজ, আকলি ভৰাই পান কৰিলে। ইও এটা আচৰিত ঘটনা।

ক্ষত্ৰিয়ৰ প্ৰতিজ্ঞা অনুযায়ী ভীমে হয়তো, তেজ উলিয়াই গোন্ধ লব পাৰিলেহেঁতেন; নাইবা এটোপ ওঁঠত দিব পাৰিলেহেঁতেন। তেনেহলে, আচৰিত হবলগীয়া একো নাছিল। ভীমে, খঙত অধীৰ হৈ প্ৰতিজ্ঞা কৰিছিল যদিও, কোনেও হয়তো ভাবিব পৰা নাছিল, যে সচাঁকৈয়ে ভীমে জন্তুৰ দৰে, মানুহৰ কেঁচা তেজ পান কৰিব। আসুৰিক ভাৱে, আঁজলিভৰাই কেবাবাৰো তেজ পান দৃশ্যই, সকলোকে স্তম্ভিত কৰি তুলিছিল। সেই সময়ত ভীমক ৰাক্ষসৰ মূৰ্ত্তি যেন বুলি উল্লেখ কৰিছে। মহাভাৰত যুগৰ সেই সময়ৰ ভাৰতীয় বংশোদ্ভুতসকলৰ এনে স্বভাৱে সাধাৰণতে আচৰিত কৰি তুলিছিল। এইটোও মহাভাৰতে কয় যে, তেজ পান কৰি, অমৃত পান কৰা বুলি গৌৰৱ কৰা স্বভাৱ কুৰুসকলৰ কাৰণে অশোভনীয়। মহাভাৰতে কয় যে, ভীমৰ প্ৰতিজ্ঞা অচল-অটল আৰু সেই মতেই কাম হ'ব লাগিছিল। ভীমে নিজে বাৰে বাৰে, তেজ পান কৰি পিয়াহ পলুৱাইছিল, বনৰ পশুৰ দৰে। এই পান, "মাতৃৰ স্তনপান" নাইবা মধু বা সুৰাত কৈয়ো, বেচি ভাল বুলি ভীমে নিজেই ব্যক্ত কৰিছে। যুদ্ধত অৱতীৰ্ণসকলো বীৰ "ভীম মানুহ নহয়, ৰাক্ষস," বুলি ভয়তে পলাইছিল।

"এনে দৃশ্য দেখি বনলীয়া হিংস্ৰ প্ৰাণীৰ আচৰণৰ দৰে লাগিছিল"।[১২] পৰাজয়ী শত্ৰুৰ তেজ পান কৰা বিষয়ে বুৰঞ্জীত হিৰোদটাচে কৈছে,—"ভীমৰ এনে তেজপানে স্কাইথিয়ানসকলৰ ধৰ্মৰ কথাকে স্মৰণ কৰাই দিয়ে। যুদ্ধত স্কাইথিয়ানসকলৰ নীতি বৰ ভয়লগা আছিল বুলি কোৱা হৈছে। যুদ্ধত কোনো স্কাইথিয়ানে শত্ৰু পৰাভূত কৰিলে প্ৰথমতে বিজয়ীজনে পৰাজিত শত্ৰুজনৰ তেজ পান কৰে।

ঐতিহাসিক ড° স্মিথে কয় যে হিৰ্ষ্টেপিৰ পুতেক ডেৰিয়াচৰ দিনত (খ্ৰীঃ পূঃ ৫০০) শকসকলে কাম্পিয়ান-সকলৰ লগতে পোন্ধৰ 'শত্ৰাপি' (কৌম) গঠন কৰিছিল; আৰেক্সচ সৈন্যদলত তেওঁলোকে হিৰ্ষ্টেপি আৰু আক্তোচাৰ অধীনত বেক্তেৰিয়ানসকলৰ লগত লগ লাগিছিল। শকবিলাক চিস্তানত বহু অতীতৰ পৰা বাস কৰি আছিল।[১৩]

"শকস্তানৰ ভৌগোলিক অৱস্থিতিয়ে পাণ্ডৱসকল স্কাইথিয়ানসকলৰ পৰাই অহা বুলি কলেও, বোধ হয় কোনো বাধা নহ'ব। পাণ্ডৱসকল ভাৰতৰ

১২. কথা মহাভাৰত, পৃঃ ৩৯৯ ১৩. Dr. A. Smith, Early History of India, P. 264



বাহিৰৰ কোনো অঞ্চলৰ পৰাই আহিছিল, যদিও, চিস্তান বুলি ঠিককৈ কব নোৱাৰি। হলেও আমি কব পাৰোঁ যে, তেওঁলোকৰ বসতি চিস্তানৰ ওচৰত আছিল; আৰু স্কাইথিয়ানসকলৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰিছিল।"[১৪]

ওপৰত উল্লেখ কৰা তথ্যসমূহ ভালকৈ চালি-জাৰি চালে, বিশেষকৈ, বহুপতি গ্ৰহণ আৰু ৰক্তপান, এই দুয়োটা কৰ্মৰ পৰাই পাণ্ডৱসকলৰ বংশ পৰিচয়, তেওঁলোক ভাৰতীয় বংশোদ্ভৱ নে ভাৰতৰ বাহিৰৰ বংশোদ্ভৱ নে তেওঁলোকৰ ওপৰত বাহিৰৰ কোনো প্ৰভাৱ পৰিছিল, সেই কথালৈ সন্দেহৰ স্থল আছে বুলি প্ৰশ্ন উঠিব পাৰে। মহাভাৰতেই কয় যে, পঞ্চ-পাণ্ডৱ ধৃতৰাষ্ট্ৰৰ ভায়েক পাণ্ডুৰ স্বয়ংজাত পুত্ৰ নহয়। তেওঁলোক আনৰ পৰা, নিয়োগ প্ৰথাৰ সহায়ত জন্ম পাইছিল। তেওঁলোক পাণ্ডুৰ ঔৰসজাত নহয়, প্ৰাপ্ত পুত্ৰ। অৱশ্যে পাণ্ডুৰ নিয়োগ ব্যৱস্থা আৰু মাকৰ আদেশ ৰক্ষা কৰিবলৈ পঞ্চপাণ্ডৱে দ্ৰৌপদীক বিয়া কৰোৱাৰ পক্ষেও বহুতো ব্যাখ্যা দাঙি ধৰা হৈছে।

পাণ্ডু, ধৃতৰাষ্ট্ৰৰ ভায়েক আছিল আৰু ভাৰতীয় গোষ্ঠীৰ আছিল, লগতে কুন্তী আৰু মাদ্ৰীও ভাৰতীয় গোষ্ঠীৰ। তদুপৰি যুধিষ্ঠিৰ, নকুল, সহদেৱসকলৰ প্ৰকৃতি মাৰ্জনীয় বিধৰে আছিল। তথাকথিত অবিবেচিত কাম কৌৰৱ-পাণ্ডৱ দুয়োপক্ষৰপৰাই হৈছিল আৰু কৃষ্ণৰ প্ৰৰোচনাতে পাণ্ডৱসকলৰ ফালৰপৰা এনে কিছু কাম ঘটিছিল বুলি কোৱা হয়। তথাপি পাণ্ডুৰ ক্ষেত্ৰজ পুত্ৰ পাণ্ডৱসকলৰ ওপৰত হিমালয়ৰ সিপাৰৰ (Trans Himalayan) যাযাবৰী ( Nomad ) স্কাইথিয়ানসকলৰ প্ৰভাৱ পৰাটো ধাৰণা হোৱাৰ কাৰণেই, তেওঁলোকক প্ৰকৃত ভাৰতীয় জন্মৰ বুলি ধৰাত কিছু সন্দেহ নথকা নহয়। পিতৰ জীৱনত অৱশ্যে ভাৰতীয় আৰ্য হিচাপেই তেওঁলোকৰ প্ৰকৃতি বা চৰিত্ৰ খাপ খাই পৰা দেখা গৈছে।

এইটো কথাও ঠিক যে, মহাভাৰতকাৰে কোনো কথাই লুকাই নাৰাখি, মানুহ হিচাপেই মানুহত মানুহৰ চৰিত্ৰ ফুটাই তুলিছে, দেৱত্বলৈ কাকো উন্নীত কৰা নাই। বিদুৰৰ চৰিত্ৰৰ বাহিৰে সকলোতে দুই চাৰিটা মানুহসুলভ দুৰ্বলতা ত্ৰুটি উঠাও দেখা গৈছে। আনকি শ্ৰীকৃষ্ণক ভগৱান বুলি বৰ্ণনা কৰিও মানুহৰ চৰিত্ৰৰ মাজত আবদ্ধ ৰাখিছে। এই ক্ষেত্ৰত যি সময়ত কানীন বা ক্ষেত্ৰজ পুত্ৰক সমাজৰ চকুত অগ্ৰহণীয় বুলি ধৰা হৈছিল, বহুপতি প্ৰথাও সমাজৰ ফালৰপৰা সন্দেহ কৰা হৈছিল, পাণ্ডৱবংশৰ সেই-বোৰ কাৰ্যকে নিৰ্দোষী বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰা হৈছিল আৰু প্ৰকাৰন্তৰে সমৰ্থন কৰাও হৈছিল।

মাতৃ হিচাপে আৰু ভোজকুমাৰী হিচাপে, কুন্তীদেৱীয়ে দ্ৰৌপদীক পাঁচজনেই বিয়া কৰোৱাটো সমৰ্থন কৰিব নালাগিছিল, আৰু ধৰ্মৰাজ যুধিষ্ঠিৰেও দ্ৰৌপদীয়ে অৰ্জুনক বৰণ কৰিব খোজা অৱস্থাত বাধা দিব নালাগিছিল। গতিকে পঞ্চপাণ্ডৱৰ জন্ম ঠাই ভাৰতৰ উত্তৰৰ পৰ্বতীয়া অঞ্চলৰ কোনো সমাজৰ আধিপত্য তেওঁ লোকৰ চৰিত্ৰৰ ফুটি উঠিছিল যে তাক নুই কৰিব নোৱাৰি। সেই যুগৰ অপ্ৰচলিত নীতিবোৰ কোনো দ্বিধাবোধ নকৰাকৈ, সহজভাৱেই লোৱা হৈছিল আৰু সেয়ে ভাৰতৰ বাহিৰৰ কোনো সমাজৰ ৰীতি-নীতি পাণ্ডৱসকলৰ স্বভাৱগত হোৱাটো সম্ভৱপৰ হৈছিল।

——

১৪. Modern Review, December, 1934, P. 657

**শ্ৰীনলিনীন্দ্ৰ কুমাৰ বৰ্মণ**

# অসমীয়া ভাষাৰ লগত ডিমাছা ভাষাৰ সম্পৰ্ক

মানুহে ভাষা শিকে প্ৰধানকৈ চাৰিটা কাৰণত। প্ৰথমতে নিজৰ ভিতৰত ভাবৰ আদান-প্ৰদান কৰিবলৈ, দ্বিতীয়তে সামাজিক আৰু আৰ্থিক বিষয়-বস্তুৰ লেন-দেন কৰাৰ নিমিত্তে, তৃতীয়তে ৰাজনৈতিক সুবিধাৰ কাৰণে, চতুৰ্থতে জ্ঞান-প্ৰজ্ঞান আহৰণ কৰাৰ উদ্দেশ্যে। দ্বিতীয় আৰু তৃতীয় কাৰণত পোনতে আমাৰ দেশত ইংৰাজী শিক্ষাৰ আৰম্ভ হৈছিল। ৰুচ, ফৰাচী, জাৰ্মান, লেটিন, চীনা আদি ভাষা শিকাৰ আগ্ৰহ কিছু পৰিমাণে ৰাজনৈতিক তথা বৌদ্ধিক চিন্তা-চৰ্চাৰ কাৰণে। অৱশ্যে বৰ্তমানতে ইংৰাজী ভাষা শিকাৰ প্ৰয়োজনীয়তা ব্যাপক অৰ্থত ধৰি লোৱা হৈছে। কিন্তু আধুনিক যুগত সংস্কৃত, পালি, প্ৰাকৃত শিকাৰ উৎস হ'ল জ্ঞানান্বেষণ।

অসমৰ আদিম বাসিন্দাসকল, যাক পণ্ডিত শ্ৰেণীয়ে কিৰাত, তিব্বত-বৰ্মী বা অষ্ট্ৰিকগোষ্ঠীৰ লোক বুলি কয়, সিবিলাকে প্ৰাক মহাভাৰতৰ যুগৰ পৰাই ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰি আহিছে। ভাৰতবৰ্ষৰ প্ৰত্যন্তভূমিত বাস কৰা বিৰাট জনগোষ্ঠীৰ প্ৰধান লোকসকল হ'ল কছাৰীসকল। পুৰাণৰ যুগত সেইসকলক অসুৰ বুলি গণ্য কৰা হৈছিল। কশ্যপ মুনিৰ ঔৰসজাত দনুৰ বংশধৰ হোৱা কাৰণে সিবিলাকক 'দানৱ' বুলিও কোৱা হয়। এই অসুৰ বা দানৱ অথবা ৰাক্ষস আদি শব্দবোৰৰপৰা এইটো বুজিব নালাগে যে তেওঁলোক কিবা এক কিম্ভূত-কিমাকাৰ মনুষ্য আছিল। এই গোষ্ঠীৰ মানুহবোৰে বৈদিক আচাৰ-নীতি তেতিয়াও গ্ৰহণ কৰা নাছিল। সেয়েহে বেদাচাৰবিশিষ্ট মানুহবোৰে ইবিলাকক 'অসুৰ' অৰ্থাৎ 'সুৰ' নহয় বুলি পৰিচয় দিছিল। তদুপৰি, সেই মানুহখিনিয়ে বেদ-বিহিত খাদ্য ব্যৱহাৰ কৰা হেতুকে আনৰ পৰা 'ৰাক্ষস' আখ্যা পাইছিল।

মহাভাৰতৰ যুগত কামৰূপৰ ভগদত্ত, হিড়িম্বা, ঘটোৎকচ আদি বিখ্যাত ৰজা। ঐতিহাসিক যুগৰ মহিৰংগ দানৱ, নৰকাসুৰ, ভাস্কৰ বৰ্মণ প্ৰভৃতিৰ নাম প্ৰসিদ্ধ।[১] একাদশ শতিকাৰ আগ ভাগৰ ৰজা ইন্দ্ৰপাল প্ৰাচ্য ভাৰতৰ প্ৰবল প্ৰতাপী ৰজা বুলি পৰিচিত।[২] এওঁলোক কিৰাতগোষ্ঠীয় লোক। ইতিমধ্যে কছাৰীবিলাকে ৰামানুজৰ প্ৰৱৰ্তিত ধৰ্ম গ্ৰহণ কৰিবলৈ লয়। ইয়াতে বেলেগ এদল কছাৰীলোকে ভয় খালে। তেওঁলোকে নতুন ধৰ্মী কছাৰীবিলাকক খাচুহা আখ্যা দিলে আৰু স্বকীয়

১. মহিৰংগ দানৱ, নৰকাসুৰ আদি ৰজাবিলাক অনা-বৈদিক আচাৰৰ আছিল; ভাস্কৰ বৰ্মণ, ৰামপাল, ইন্দ্ৰপাল আদিয়ে বৈদিক আচাৰ গ্ৰহণ কৰিছিল। ২. E. A. Gait, History of Assam, P P. 33f.





বৈশিষ্ট্য ৰক্ষাৰ অৰ্থে ভিন ভিন ঠাইলৈ গ'ল। এই প্ৰতিবাদিগোষ্ঠীৰ ভিতৰতেই কছাৰী জাতিৰ আদি ৰাজবংশৰ মানুহবোৰ আছিল। ড° চেমিল্টনে সেইসকলক 'কছাৰী অভিজাত শ্ৰেণী' বুলি আখ্যা দিছে। ৰামানুজ ধৰ্মাৱলম্বী সংস্কাৰ পন্থী কছাৰীবিলাকে তেওঁলোকক হিড়িম্বাছা বা ডিমাছা বুলি অভিহিত কৰিলে।

ডিমাছা কছাৰীসকলে ব্ৰহ্মপুত্ৰ বা সাঙ্গাও* নৈৰ উজানেদি ঘূৰি আহে আৰু বিশ্বনাথ ঘাটৰ ওচৰত তেজাৰ দলং সাজি দক্ষিণ পাৰত উপস্থিত হয়। পিছত সিবিলাকে নগা পাহাৰৰ ওচৰত ধনশিৰি (ডংশিৰি) নৈৰ পাৰত হিড়িম্বাপুৰ বা ডিমাপুৰ ৰাজ্য আৰু ৰাজধানী পাতি থাকিবলৈ লয়।*

এইদৰে খাচুহা মানুহবোৰে নিজৰ মূল গোষ্ঠিৰ পৰা আঁতৰি গৈ হিন্দু ধৰ্ম ল'লে আৰু বাকীবিলাকৰপৰা ফালৰি কাটিলে। আনকি সামাজিক সম্পৰ্কও নাইকিয়া হ'ল। লগে লগে সিবিলাকৰ ভাষাও সলনি হ'ল। তথাপি গোষ্ঠীগত ভাষাৰ প্ৰভাৱ সুপ্তছিল। কেইবাটাও কাৰণত কছাৰীবিলাকে নিজস্ব ভাষা থকা সত্বেও সংস্কৃত মূলজ অসমীয়া ভাষা গ্ৰহণ কৰিছে। টাই-আহোমসকলেও ইয়াকে কৰিছে। অসমত থকা চাওতালী, মুণ্ডা, কোল আদি লোকেও অসমীয়া ভাষাক আদৰি লৈছে। এনে কৰাৰ ফলত ৰাজ্যখনৰ সংহতি সবল হৈছে।

অসমীয়াত ডিমাছা ভাষাৰ আঁচ এতিয়াও লাগি আছে। তলত কিছুমান উদাহৰণ দিয়া হ'ল—

| ডিমাছা | অসমীয়া |
|---|---|
| খাড়ু | খাড়ু, খাৰু |
| ড'াই | ডাঙৰীয়া |
| গাঁড়ু | গাৰু |
| হাকুলে'ং | হাঁফলু |
| বিহা | বিহা |
| বিহ্ এণ্ডি | এড়ি, এণ্ডি |
| মুখাড়ুং | মুঁগা |
| বিসু | বিহু |
| বতৰ | বতৰ |
| বুবি | বাই, বাইদেউ |
| লুগু | লগ্ |
| খাড়ুং | খং |
| এ'ৰ | এণ্ড |
| ফিন্ | ফিৰ |
| সোং | সোধ্ |
| চুং্কা | চুকা |
| হঠানি | ঠাই |
| সলা | ছলা, ছোলা |
| ডাডা | দাদা |
| বাছা | বাছা (ল'ৰা, কামৰূপী) |
| মা | মা |
| মমু | মমা (কামৰূপী) মোমাই |
| আজ্ৰা | আজ্ৰা (কামৰূপ গোৱালপাৰা) |
| খোঁড়া | খোঁৰা |
| ময়না | ময়না |
| জামু | জামু |
| নাড়িগল | নাৰিকল |

* স্বৰ্গীয় মণিচৰণ বৰ্মণ প্ৰণীত 'হৈড়িম্ব-ভাষা-প্ৰৱেশ' গ্ৰন্থত এই বিষয়ে বিস্তৃত বৰ্ণনা আছে।

| | |
|---|---|
| ভেল্লি | ভেত্‌লি, |
| | ভেভেলি |
| ডালেম | ডালিম |
| হিলাই | হিলৈ |
| জং | জোং |
| খাল্‌ | খাল্‌ |
| দুঃখু | দুঃখ, দুখ |
| ছেপি | চেবেকি |
| দলাই | দলা, দোলা |
| লাজি | লাজ ইত্যাদি। |

অকল শব্দ-সম্ভাৰতেই যে অসমীয়া আৰু ডিমাছাৰ মিল আছে, তেনে নহয়, ভাষাতত্ত্বৰ অন্যান্য ক্ষেত্ৰতো দুয়োটা ভাষাৰ কিছু সাদৃশ্য দেখা যায়। ভাষা-তাত্ত্বিকসকলে এই বিষয়ে গৱেষণা কৰিলে ভৱিষ্যতে সুফল পোৱা যাব।

---

# পঁাচনী ক্ৰিয়া

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

লোকক পঁাচি ক্ৰিয়া কৰোৱাৰ অৰ্থ প্ৰকাশ হ'লে ক্ৰিয়াৰ পঁাচনী ৰূপ হয়। পঁাচনী ক্ৰিয়াৰ কৰ্তাক পঁাচক কৰ্তা বোলে। ক্ৰিয়া সম্পাদন কৰিবৰ কাৰণে আনক নিযুক্ত কৰে কাৰণে পঁাচক কৰ্তাক নিয়োজক কৰ্তাও বোলে। নিজে ক্ৰিয়া সম্পাদন নকৰে কাৰণে নিয়োজক কৰ্তাক নিষ্কৰ্মা কৰ্তা বোলা হয়।

পঁাচক কৰ্তাই যাৰ হতুৱাই ক্ৰিয়া সম্পাদন কৰোৱাই তাক পঁাচনী কৰ্তা বা নিয়োজিত কৰ্তা বোলা হয়। বাক্যত পঁাচনী কৰ্তা ক্ৰিয়াৰ কৰ্তা হৈ নৰহে, কৰণ সম্বন্ধী কৰ্তাৰূপেহে থাকে। যেনে—

'যদুৱে মধুৰ হতুৱাই খালটো খন্দালে।'

ইয়াত 'যদুৱে' খন্দা কাৰ্য কৰা নাই, মধুৱেহে খন্দা কাৰ্য কৰিছে। মধু যদুৰদ্বাৰা আদিষ্ট হৈ কামটো কৰিছে। সেই কাৰণে মধু 'খন্দালে' ক্ৰিয়া পদৰ কৰণ সম্বন্ধী কৰ্তা হৈছে। 'খন্দালে' ক্ৰিয়া পদৰ সু-সম্বন্ধ কৰ্তা 'যদুৱে'। 'যদু'ৰ পুৰুষ বচন অনুযায়ী 'খন্দালে' ক্ৰিয়াপদ হৈছে। 'যদুৱে' নিজে ক্ৰিয়া সম্পাদন কৰা নাই, সেইবাবে 'যদুৱে' নিষ্কৰ্মা কৰ্তা-নিয়োজক কৰ্তা-পঁাচক কৰ্তা।

ওপৰৰ 'খন্দালে' ক্ৰিয়া পদটিক একে অৰ্থতে 'খন্দোৱালে' বুলিও লিখা হয় বা কোৱা হয়। যেনে: যদুৱে মধুৰ হতুৱাই খালটো খন্দোৱালে। একে অৰ্থত ব্যৱহাৰ হয় যদিও 'খন্দোৱালে'ৰ এটা বিশেষ নিহিত অৰ্থ থকাৰ উমান পোৱা যায়। 'যদুৱে মধুৰ হতুৱাই খালটো খন্দোৱালে' বোলোতে 'মধু' নিয়োজিত কৰ্তা হৈও আন এজনক নিয়োজিত কৰি খাল খন্দোৱা কামটি কৰোৱাব পাৰে এনে অৰ্থ প্ৰকাশ হ'লে ক্ৰিয়া পদটি পঁাচনীৰ পঁাচনী ক্ৰিয়াপদ বুলি ধৰা হয়।

সংস্কৃতত প্ৰেৰণাৰ্থক ক্ৰিয়াপদ ধাতুৰ নিচ্' প্ৰত্যয় যোগ কৰি নিজন্ত ধাতু তৈয়াৰ কৰি লৈ কৰা হয় কাৰণে তাক নিজন্ত ক্ৰিয়া পদ বোলা হয়।

সংস্কৃতৰ নিজন্ত ধাতুজাত ক্ৰিয়া পদ মাত্ৰকে অসমীয়াত পঁাচনী ক্ৰিয়া বোলা ঢং এটা আছে। বহুতে আনকি পঁাচনী নকৈ নিজন্ত বুলিহে আখ্যা দিব খোজে। প্ৰথমতঃ নিজন্ত বুলি এটা ক্ৰিয়াপদ অসমীয়াত নাই, তেনে নামকৰণ কৰাৰ সাৰ্থকতাও দেখা নাযায়। দ্বিতীয়তঃ সকলোবোৰ সংস্কৃত নিজন্ত ক্ৰিয়াকে অসমীয়া পঁাচনী ক্ৰিয়া বুলিব নোৱাৰি।

| সংস্কৃত | অসমীয়া |
|---|---|
| অহং গণেশং পূজয়ামি। | মই গণেশক পূজা কৰোঁ। |
| সৰ্পঃ শিশুং ভীষয়তে। | সাপটোৱে শিশুটিক ভয় খুৱাইছে। |
| গণেশঃ স্বৰ্ণমালাং চোৰয়তি। | গণেশে সোণৰ মালাধাৰ চুৰি কৰিছে। |

এইবোৰ বাক্যৰ ক্ৰিয়া অসমীয়া ভাষাত পাঁচনী নহয়। ইইতে পাঁচনী অৰ্থ প্ৰকাশ কৰা নাই, মুখ্য কৰ্তাও নিষ্কৰ্মা নহয়।

সংস্কৃত আৰু ইংৰাজীতো সংযুক্তিবোধক ক্ৰিয়া পদবোৰক নিজন্ত বা Causative verb বোলে। অসমীয়াত সেইবোৰ সকলো ক্ৰিয়া পদকে পাঁচনী ক্ৰিয়া বুলিব নোৱাৰি। সংযুক্তিবোধক ক্ৰিয়াপদৰ অৰ্থ জলপকীয়াকে পাঁচনী অৰ্থ কৰিব পাৰিলেও কৰ্তা সক্ৰিয় : নিষ্কৰ্মা হৈ নাথাকে। তেনেবোৰ ক্ৰিয়াক পাঁচনী নোকোৱাই ভাল।

| সংস্কৃত | অসমীয়া |
|---|---|
| অধ্যাপকশ্চাত্ৰং ব্যাকৰণম্ অধ্যাপয়তি। | অধ্যাপকে ছাত্ৰক ব্যাকৰণ পঢ়াইছে। |
| গুৰু: শিষ্যং বোধয়তি। | গুৰুৱে শিষ্যক বুজাইছে। |
| **ইংৰাজী** | **অসমীয়া** |
| The mother makes the baby sleep. | মাকে কেচুৱাটিক শুৱাইছে। |
| The father causes the child to see the moon. | দেউতাকে লৰাটিক চন্দ্ৰ দেখুৱাইছে। |

এইবোৰ বাক্যত 'পঢ়াইছে' 'বুজাইছে' 'দেখুৱাইছে' ক্ৰিয়াই প্ৰাধান্য লাভ কৰিছে 'পঢ়িছে' 'বুজিছে' 'শুইছে' 'দেখিছে' ক্ৰিয়াৰ অৰ্থবোধ জন্মিব পাৰে, সেইবোৰ মুখ্যাৰ্থ নহয়। এনেভাৱে অৰ্থ কৰিবলৈ গ'লে "সি মোক কিতাপখন দিছে।" বা "মই বামক চিলাখন দিছিলোঁ।" বাক্যবো 'লোৱা' অৰ্থ কৰি বাক্যবোৰক পাঁচনী বুলি ধৰিব লাগিব। আমাৰ মতে যি ক্ৰিয়া পদৰ কৰ্তা নিষ্কৰ্মা হৈ নাথাকে, ক্ৰিয়া সম্পাদনত যুক্ত থাকে সেইবোৰক পাঁচনী ক্ৰিয়া নোবোলাই ভাল।

কোনো কোনো ব্যাকৰণে "আমি মন্ত্ৰীক আনিছিলোঁ।" "বাইজে তাক বাখিছে।" আদি বাক্যৰ ক্ৰিয়া পদকো পাঁচনী ক্ৰিয়া বুলি নিৰ্দেশ দিছে। এনেবোৰ কথা ভাষাবিদ বৈয়াকৰণসকলে ভাবি চোৱা উচিত।

ব্যাকৰণত লিখা আছে 'আ' 'উৱা' 'ওৱা' প্ৰত্যয় ধাতুৰ পাছত যোগ হলে পাঁচনী ধাতু হয়। কেৱল পাঁচনী ধাতু কৰিবলৈকে ধাতুৰ পাছত 'আ' 'উৱা' 'ওৱা' যোগ কৰা নহয়, অসমীয়া ভাষাত বহু অকৰ্মক ধাতু সকৰ্মক, সকৰ্মক ধাতু দ্বিকৰ্মক কৰিবলৈকো 'আ' 'উৱা' 'ওৱা' যোগ কৰা হয়। যেনে :—

| অকৰ্মক | সকৰ্মক | দ্বিকৰ্মক | পাঁচনী |
|---|---|---|---|
| উঠ্ | উঠা | — | উঠোৱা |
| সোমা | সুমুৱা | — | সুমুওৱা |
| | | দি | দিয়া দিওৱা |
| | খা | খুৱা | খুওৱা |
| | | ক | কোৱা, কোওৱা |
| উৰ্ | উৰা | — | উৰুৱা |
| | খান্দ্ | — | খন্দা, খন্দোৱা |
| | লিখ্ | — | লিখা, লিখোৱা |
| পৰ্ | পাৰ্ | — | পৰা, পৰোৱা |
| | দেখ্ | দেখা, দেখুৱা | দেখুওৱা |
| | শুন্ | শুনা | শুনোৱা |

গতিকে ব্যৱহাৰলৈ লক্ষ্য নকৰিলে কেৱল প্ৰত্যয় যোগে পাঁচনী ধাতু বুলি ধৰি ল'ব নোৱাৰি।

—

শ্ৰীগুণেশ্বৰ পাঠক

## খাচপুৰৰ শিলালিপি

কোচ ৰজা মহাৰাজ নৰনাৰায়ণে ১৫৩৪ খ্ৰীষ্টাব্দত কাছাৰ ৰাজ্য জয় কৰি ব্ৰহ্মপুৰত ৰাজধানী পাতে। নৰনাৰায়ণৰ ভাতৃ গোঁহাইকমল ওৰফে কমলনাৰায়ণ কাছাৰৰ প্ৰথম কোচ ৰজা হয়। কাছাৰৰ আদিবাসীসকলে কোচ ৰজাসকলক দেহান, দেৱান বা দেয়ান ৰজা বুলিছিল।[১] এওঁলোকৰ প্ৰভাৱতেই ব্ৰহ্মপুৰ 'কোচপুৰ' নামে বিদিত হয়। আনহাতে কছাৰীলোকে দেৱান ৰজাসকলক 'খুচুঙা' বুলিছিল। এটা সময়ত ব্ৰহ্মপুৰে 'খুচুঙাপুৰ' বা 'খুচুপুৰ' নাম পালে। এই 'কোচপুৰ' বা 'খুচুপুৰ' শব্দৰ পৰাই 'খাচপুৰ' শব্দৰ উৎপত্তি হ'ল।[২] বড়ো-কছাৰীসকলৰ মুখত 'ক' আখৰটো প্ৰায়েই 'খ' ৰূপে উচ্চাৰিত হয়। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো পোৱা যায়।

গোঁহাই কমলৰ পিছত আৰু দুজন কোচ ৰজাই কাছাৰত ৰাজত্ব কৰে। শেষৰজন ৰজা বৰ নিষ্ঠুৰ আছিল কাৰণে প্ৰজা বিদ্ৰোহ হয় আৰু সেই সংক্ৰান্ততে ৰজা মৃত্যুমুখত পৰে। ৰজাৰ শাসন শেষ হলেও দেৱান-সেনাপতিসকলে কাছাৰত কিছুকাল ৰাজ্য শাসন কৰে। শেষজন সেনাপতি ভীমসিংহ অপুত্ৰক আছিল ; তেওঁ নিজ কন্যা ৰূপৱতী কাঞ্চনীক প্ৰজাবৰ্গৰ মত সাপেক্ষে উত্তৰ কাছাৰৰ কছাৰী ৰজা কীৰ্তিচন্দ্ৰৰ কনিষ্ঠপুত্ৰ লক্ষ্মীচন্দ্ৰৰ লগত বিয়া দিলে। কন্যাৰ যৌতুকে লক্ষ্মীচন্দ্ৰই কাছাৰ ৰাজ্যও লাভ কৰে। লক্ষ্মীচন্দ্ৰ খাচপুৰৰ প্ৰথম কছাৰী ৰজা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে কছাৰী ৰজা তাম্ৰধ্বজে[৩] ( ১৬৯৫ খ্ৰীঃ—১৭০৮ খ্ৰীঃ ) গোঁহাই কমলৰ বংশোদ্ভুত বিদুষী ৰমণী চন্দ্ৰপ্ৰভাক বিয়া কৰাই ইতিপূৰ্বে কোচ-ৰাজবংশীৰে সৈতে মিত্ৰতা স্থাপন কৰিছিল।

লক্ষ্মীচন্দ্ৰৰ অকাল মৃত্যু হোৱাত উত্তৰ কাছাৰৰ ৰজা হৰিশ্চন্দ্ৰই শিশুপুত্ৰ কৃষ্ণচন্দ্ৰক খাচপুৰৰ ৰজা পাতে। এওঁৰ ৰাজত্ব-কাল ১৭৮০ ৰ পৰা ১৮১৩ খ্ৰীষ্টাব্দ পৰ্যন্ত। এওঁৰ ধৰ্মপৰায়ণা ৰাণী লক্ষ্মাদেৱীয়ে খাচপুৰৰ কাষতে বৰ্তমানৰ শিৱেৰবন্দ গাঁৱৰ নাকটী নদীৰ পূব পাৰে বিশাল পুখুৰী খন্দাই তাৰ উত্তৰ পাৰে ১৭২০ শকাব্দৰ জেঠ মাহৰ ১৪ তাৰিখ মংগলবাৰে এটি শিৱমন্দিৰ নিৰ্মাণ কৰে আৰু তাত শিৱলিংগ প্ৰতিষ্ঠা কৰে। কাছাৰৰ শেষ ৰজা গোবিন্দ চন্দ্ৰৰ দিনলৈকে (১৮১৩খ্ৰীঃ

১। শ্ৰীঅম্বিকাচৰণ চৌধুৰী, 'কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি', ১৯৬৯, পৃঃ ৪৬, ৯৬। শ্ৰীউপেন্দ্ৰচন্দ্ৰ গুহ, 'কাছাড়েৰ ইতিবৃত্ত', ২য় মুদ্ৰণ, পৃঃ ৩০। ২। কাছাড়েৰ ইতিবৃত্ত, ৩৪। প্ৰসংগোচিত কথা এই যে লেখক শ্ৰীগুহই খুচুঙা, খুচুঙাপুৰ, খুচুপুৰ আদি শব্দত 'চ'ৰ ঠাইত 'স' প্ৰয়োগ কৰিছে। অসমীয়া কছাৰীসকলে উচ্চাৰণ কৰা চ-ধ্বনিটো বঙলা ভাষাত স-ধ্বনিৰদ্বাৰা বুজোৱা হয়। ৩। 'কছাৰী ৰাজমালা' অনুসৰি তাম্ৰধ্বজ ৯৫ নম্বৰ ৰজা ; কীৰ্তিচন্দ্ৰ ৯৮ নং আৰু লক্ষ্মীচন্দ্ৰ ১০১নং ৰজা।

১৮৩০খ্ৰীঃ) এই মন্দিৰত শিৱ-পূজা চলিছিল।

ৰজা গোবিন্দ চন্দ্ৰৰ ১৭ বছৰীয়া ৰাজত্ব কালত মণিপুৰীৰ আক্ৰমণ, মগৰ অত্যাচাৰ, ৰজাৰ সঘন পলায়ন আৰু অৰাজকতাৰ কাৰণে কাছাৰ ৰাজ্যত ঘোৰ অশান্তিয়ে দেখা দিয়ে; ফলত বহুত মানুহ ভাৰ পলা গুচি যায়। দৈৱ-দুৰ্বিপাকত কছাৰী ৰাজ্যৰ ৰাজলক্ষ্মী অন্তৰ্দ্ধান হ'ল। লগে লগে শিৱ-মন্দিৰত পূজা-অৰ্চনা বন্ধ হৈ প'ল। ১৮৯৭ খ্ৰীষ্টাব্দৰ ভূমিকম্পত শিৱমন্দিৰ ভাঙি পৰিল। সোণাময় খাচপুৰ অৰণ্যত পৰিণত হ'ল।

বৰ্তমান কাছাৰ জিলাত বসতি কৰা কছাৰীসকলে নিজকে ডিমাছা কছাৰী বুলি চিনাকি দিয়ে। এওঁলোকৰ বেছিভাগেই 'বৰ্মণ' উপাধি লিখে। শ্ৰীগোপী ব্ৰহ্মচাৰী ডিমাছা কছাৰী জাতিৰ এজন সাধু সন্ন্যাসী। তেওঁ সংসাৰ-বিৰাগী হৈ ১৯২১ খ্ৰীষ্টাব্দত খাচপুৰৰ জংঘল পৰিষ্কাৰ কৰি উক্ত শিৱ-মন্দিৰৰ কিছু অংশ উদ্ধাৰ কৰে। পুৰণি মন্দিৰৰ কাষতে এটা সাধাৰণ ঘৰ সাজি তেতিয়াৰ পৰা নিয়মিতভাৱে শিৱলিংগৰ পূজা-অৰ্চনা কৰি আছে। প্ৰাচীন শিৱমন্দিৰৰ ভগ্নাৱশেষ পৰিষ্কাৰ কৰাৰ সময়ত অন্যান্য সামগ্ৰীৰ লগতে তেওঁ হৈড়িম্ব ৰজাৰ এখন শিলালিপি পায়; তাক তেওঁ ভালদৰে সংৰক্ষণ কৰি ৰাখিছে। ফলিখন দীঘলে ১০" ইঞ্চি আৰু বহলে ১২" ইঞ্চি; ঘনত্ব ১½ ইঞ্চি; ফলিত ⅛" মানলৈকে আখৰবোৰ কটা হৈছে। ফলিৰ চাৰিওকাষে লতা-ফুল আঁকা। আখৰবোৰৰ জোখ দীঘলৈ ৫ চেঃ মিঃ আৰু পথালিকৈ ৪ চেঃ মিঃ। আখৰবোৰৰ ওপৰ ভাগত দীঘলকৈ আঁচ টনা আছে। ফলিৰ অন্তৰ্গত কথাখিনি হ'ল :-

স্বাকোতাগ্ন্যাদ্রি চন্দ্রে বৃষ গত তপনে
ভৌমিজেরাস বেরৈ শ্রীশ্রীহেড়ম্বচন্দ্র
ক্ষিতি পতিক হৰিচন্দ্র নাৰায়ণস্য
ৰাণী লক্ষ্মীদেৱ্যা। শৰ শিৱল পদ্ম্যা
ৰাজ মাতাৰ দাস্যা প্ৰাসাদঃ শান্ত দেবং
কলি কলুষ হৰঃ পূৰ্ণ চন্দ্রে সুপূত।
শকাব্দাঃ ১৭২০ তাৰিখ ১৪ জৈষ্ঠ্য।

এই শিলালিপিত ব্যৱহাৰ কৰা 'ৰ' আৰু 'ৱ' আখৰ দুটা অসমীয়া। বাংলা লিপিত এই আখৰ নাথাকে। ইয়াৰদ্বাৰা প্ৰতীয়মান হয় যে কোচ কছাৰী ৰজাসকলৰ ৰাজত্ব-কালৰ পৰাই কাছাৰত অসমীয়া ভাষাই ৰাজকীয় সন্মান লাভ কৰিছিল। কিন্তু বৰ্তমানৰ স্বাধীন অসমৰ অংগস্বৰূপ কাছাৰত আশ্ৰয়প্ৰাৰ্থী বঙালী কিছুমানৰ ষড়যন্ত্ৰত বাংলা ভাষাহে চলিছে। কাছাৰৰ খিলঞ্জীয়া ডিমাছাসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিক বঙালীয়ে গ্ৰাস কৰি পেলাইছে। সংখ্যালঘুৰ অস্তিত্ব ৰক্ষাৰ কাৰণে সংবিধানৰ দোহাই দিয়া ভাৰতীয় নাগৰিকসকলক আৰু মন্ত্ৰী, সংসদী সদস্য আৰু অসমৰ বিধায়কসকলক আমি নিবেদন জনাও যাতে কেন্দ্ৰসকলে কাছাৰৰ আদি বাসিন্দা ভাষিক সংখ্যালঘু ডিমাছাসকলৰ পূৰ্বৰ নিজস্ব অস্তিত্ব ৰক্ষাৰ প্ৰতি অকৃত্ৰিম মনোযোগ দিয়ে।

# পুথি-সমালোচনা

## ঐতিহ্যমণ্ডিত কলীয়াবৰ

লেখক আৰু প্ৰকাশক : শ্ৰীলীলাধৰ বৰা
পৃষ্ঠা : ১০ + ২৮৪
প্ৰথম প্ৰকাশ : ১৯৭৯ চন
মূল্য : ২০'০০ টকা

অসমৰ প্ৰতিটো অঞ্চলৰ মাতে বুৰঞ্জীৰ আঁচোৰ আছে। ঐতিহাসিকৰ দৃষ্টিগোচৰ নোহোৱাকৈ যে অজস্ৰ ঐতিহাসিক সমল অসমৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ আছে, বা বহুতো সমল যে এতিয়াও বিভিন্ন ঠাইত অনাবিষ্কৃত হৈয়ে ৰৈছে, সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। প্ৰতিটো অঞ্চলৰ সুকীয়া-সুকীয়া বুৰঞ্জী ৰচিত নহ'লে সেই অঞ্চলৰ ঐতিহ্য বা স্বকীয়তা পোহৰলৈ অহাটো সম্ভৱ নহয়। অসমৰ পূৰ্বাংগ বুৰঞ্জী এখন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত এনে ধৰণৰ আঞ্চলিক বুৰঞ্জীৰ উপযোগিতা যে বহুতো বেছি, নাইবা এনে ধৰণৰ আঞ্চলিক বুৰঞ্জী যে পূৰ্বাংগ অসম বুৰঞ্জীৰ ভিত্তিমূলৰূপে গৃহীত হ'ব পাৰে, সেই কথা কোৱা বাহুল্য মাথোন। অসমীয়া ভাষাত আঞ্চলিক বুৰঞ্জীৰ অভাৱ অতিশয় দুখ লগা। আমাৰ অভাৱৰ এই দিশটোৰ প্ৰতি সচেতন হৈ প্ৰণয়ন কৰা 'ঐতিহ্যমণ্ডিত কলীয়াবৰ' গ্ৰন্থৰ বাবে শ্ৰীলীলাধৰ বৰা নিশ্চয় অসমীয়া ৰাইজৰ প্ৰশংসাৰ পাত্ৰ হ'বৰ যোগ্য।

কলীয়াবৰ অসমৰ সুপ্ৰসিদ্ধ ঠাইসমূহৰ অন্যতম। ব্ৰহ্মপুত্ৰ, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা, শিৱসাগৰ জিলা আৰু নগাঁও জিলাৰ বৰ্তাপাড়া আৰু ভেলেউগুৰি মৌজাক যথাক্ৰমে উত্তৰ, দক্ষিণ, পূৱ আৰু পশ্চিম সীমা কৰি, ৯৩°—৯১° পূৱ দ্ৰাঘিমা আৰু ২৬°—২৭° উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত এই কলীয়াবৰ অঞ্চলৰ আয়তন ১৭,১১৮ হেক্টৰ। ১৯৭১ চনৰ লোকপিয়ল অনুযায়ী অঞ্চলটোৰ জনসংখ্যা ১,০২,৫২৭। আহোম ভাষাত এই অঞ্চলটোৰ নাম আছিল টুন্-কঙ্-ডাম্—অৰ্থাৎ কলীয়াবৰ গছৰ ঠাই। চুহুংমুং, চুখাংফা, প্ৰতাপসিংহ, জয়ধ্বজসিংহ, চক্ৰধ্বজসিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ, প্ৰমত্ত সিংহ, ৰাজেশ্বৰসিংহ আদি স্বৰ্গদেওসকলৰ ৰাজত্ব কালৰ লগত সম্পৃক্ত ঘটনাই কলীয়াবৰ অঞ্চলৰ বুৰঞ্জী ৰঞ্জিত কৰি ৰাখিছে। অঞ্চলটোৰ মঠ-মন্দিৰ, দৌল-দেৱালয়, থান-সত্ৰ, গড়-প্ৰাকাৰ, আলি-পুখুৰী সকলোকে বুৰঞ্জীয়ে পৰকি থৈছে। শ্ৰীবৰাই অশেষ পৰিশ্ৰম কৰি অঞ্চলটোৰ সকলোবোৰ ঐতিহাসিক সমল পুংখানুপুংখ আলোচনাৰে পোহৰলৈ আনিছে। এই ক্ষেত্ৰত তেওঁ ড° সূৰ্যকুমাৰ ভূঞাৰ Anglo-Assamese Relations, Aton Buragohain and his times, মীৰজুমলাৰ অসম আক্ৰমণ, বুৰঞ্জীৰ বাণী, ড° প্ৰতাপচন্দ্ৰ চৌধুৰীৰ History

of the Civilization of the people of Assam, বেণুধৰ শৰ্মাৰ মণিৰাম দেৱান, কনকলাল বৰুৱাৰ Early History of Kamrupa, পদ্মনাথ গোহাঞি বৰুৱাৰ অসমৰ বুৰঞ্জী, ড° মহেশ্বৰ নেওগ সম্পাদিত পবিত্ৰ অসম, আনন্দচন্দ্ৰ আগৰৱালাৰ পুৰাতাত্ত্বিক প্ৰবন্ধ, জিলা গেজেটিয়াৰ আদিৰ সহায় লোৱাৰ উপৰি স্থানীয় বয়োজ্যেষ্ঠসকলৰ মুখত শুনা কাহিনী কিংবদন্তীবোৰৰাও সমল সংগ্ৰহ কৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনতো কলীয়াবৰৰ ভূমিকা আছিল বহু বিস্তীৰ্ণ। মহাত্মা গান্ধীৰ নেতৃত্বত চলা এই আন্দোলনৰ ঢৌৱে ১৯২১ চনৰপৰাই কলীয়াবৰক বাকৈয়ে কোবাইছিল। বৃটিছ চৰকাৰৰ লগত কৰা বিবোধিতাৰ সকলোবোৰ অৱধাৰিত পৰিণতি ভোগকৰাৰ উপৰি নাৰী-ধৰ্ষণৰ লেখীয়া নিৰ্যাতনৰো বুৰঞ্জী এই কলীয়াবৰত নিহিত হৈ আছে। আন্দোলনৰ লগত জড়িত প্ৰতিটো কাহিনী আৰু প্ৰতিজন ব্যক্তিক লেখক শ্ৰীবৰাই সম্যকভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে আৰু এই ক্ষেত্ৰত তেখেত কৃতকাৰ্যও হৈছে।

'ঐতিহ্যমণ্ডিত কলীয়াবৰ' গ্ৰন্থই অঞ্চলটোৰ অতি সাম্প্ৰতিক কালৰ স্বৰূপটোও দাঙি ধৰিছে। সাম্প্ৰতিক কালৰ শিক্ষা, অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত কলীয়াবৰৰ অৱদানৰ বিষয়েও গ্ৰন্থখনত আলোচনা কৰা হৈছে। অৱশ্যে এই কাল-ছোৱাৰ আঁচনি এটা পৃথক খণ্ডত ভৰি বিস্তৃতভাৱে কথাখিনি পোহৰলৈ অনা হলে আধুনিক অসমৰ বুৰঞ্জী প্ৰণয়নতো গ্ৰন্থখনৰ উপযোগিতা বহুপৰিমাণে বাঢ়িলহেঁতেন। বিশেষকৈ কলীয়াবৰৰ সাহিত্য চৰ্চা অধ্যায়টোৰ বিষয়ে আৰু বিশদভাৱে আলোচনা কৰাৰ প্ৰয়োজন আছিল। তথাপি গ্ৰন্থখনত বৰ্ণিত এইছোৱা কালৰো বহুতো কথা অসমীয়া সাহিত্য সংস্কৃতিৰ বহুতো প্ৰসংগৰ পৰিপূৰক হৈ পৰিছে।

উদাহৰণস্বৰূপে, ব্ৰজ শৰ্মাৰ কহিনুৰ অপেৰা আৰু জ্যোতিপ্ৰসাদৰ জয়মতী কথাছবি সম্পৰ্কীয় বহুতো কথাৰ সন্ধান এই গ্ৰন্থই দিব পাৰিছে। কিছুমান প্ৰসংগৰ সিদ্ধান্ত (যেনে, পূৰ্বথৰীয়া নামৰ ইতিবৃত্ত) গ্ৰহণত লেখকৰ অনুমান বৰ কষ্টকল্পিত যেন বোধ হয়: কিন্তু আন বহুতো প্ৰসংগ (যেনে, ভলাগুৰি সত্ৰ সমবায় সমিতি লিঃ) পোহৰলৈ অনাৰ বেলিকা লেখকৰ প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। অঞ্চলটো মঠ-মন্দিৰসমূহৰ চিত্ৰ সন্নিবেশ কৰা হ'লে গ্ৰন্থখনক পূৰ্ণাংগ ৰূপ দিয়াত লেখক আৰু বহু পৰিমাণে সফল হ'লহেঁতেন বুলি কব পাৰি। তথাপি 'ঐতিহ্যমণ্ডিত কলীয়াবৰ' গ্ৰন্থৰ যোগেদি শ্ৰীবৰাই অঞ্চলটোৰ সামাজিক তথা সাংস্কৃতিক বুৰঞ্জী অধ্যয়নৰ দিশত বাটকটীয়াৰ কাম খিখিনি কৰিছে, সেয়ে তেখেতক অসমীয়া পঢ়ুৱৈসকলৰ ওচৰত সুপৰিচিত কৰি ৰাখিব।

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

●

## মাটিৰ চাকিৰ শিখা

লেখিকা: হিৰণ্ময়ী দেৱী

প্ৰথম প্ৰকাশ: এপ্ৰিল, ১৯৭৯

মূল্য: চাৰি টকা পঞ্চাশ পইচা

১৯৬৫ চনৰেপৰা ১৯৭৯ মাৰ্চলৈকে কাকত-আলোচনীৰ পাতত মাজে-সময়ে প্ৰকাশ পোৱা হিৰণ্ময়ী দেৱীৰ একুৰি পোন্ধৰটা কবিতাক মহিলা কবিগৰাকীয়ে নিজে প্ৰকাশ কৰিছে 'মাটিৰ চাকিৰ শিখা' নামৰ কবিতা পুথিত। কবিতাসমূহৰ ৰচনা কাল উল্লেখ কৰা হৈছে।

পুথিখনিৰ ভালেমান কবিতা, "এক ব্যথিত আন্দোলিত, আলোড়িত নাৰী হৃদয়ৰ স্বচ্ছ দাপোণ" হলেও





সচৰাচৰ অসমীয়া মহিলা কবিৰ ক্ষেত্ৰত দেখা পোৱা ছন্দোবদ্ধ শব্দাৱলী মাথোন হৈ থকা নাই। ই ব্যক্তিগত পৰিধি অতিক্ৰম কৰি দেশৰ সামাজিক, ৰাজনৈতিক বা বিভিন্ন মানৱীয় সমস্যাৰ প্ৰতি কবিৰ ভাবানুভূতিকো মুঞ্জৰিত কৰি তুলিছে। অসম-গৌৰৱ হেম বৰুৱা আৰু শিল্পী ব্ৰজেন বৰুৱাৰ মৃত্যুত, নৃশংস ধুবুৰী হত্যাকাণ্ডৰ বলি নিৰ্মালি-জোনালী-ৰূপৰেখাৰ কৰুণ স্মৃতিত বা শ্বহীদ নবেন মহন্তৰ মৰণোত্তৰ পুত্ৰ সন্তানটিৰ জন্মত ৰচনা কৰা কবিতা-ৰাজিয়েই উক্ত স্বাক্ষৰ বহন কৰে। কবিৰ ৰোমাণ্টিক ব্যক্তিকেন্দ্ৰিকতা আৰু উচ্ছাসৰ আধিক্যই ভালেমান কবিতাক চুইছে। ভাৱ প্ৰকাশত 'দেৱতাৰ প্ৰাৰ্থনা'ৰ দৰে কবিতাই উজুটি খাইছে। আধুনিক কবিতাৰ ভাৱঘন চিত্ৰকল্প বা ছন্দসজ্জাৰ মৌলিকতাৰ ক্ষেত্ৰত কবিগৰাকী বিফল হলেও অনুভূতিৰ তীব্ৰতা, সংবেদনশীলতা আৰু গীতিধৰ্মিতাই অধিকাংশ কবিতাক কাব্যসুলভতা প্ৰদান কৰি সুখপাঠ্য কৰি তুলিছে। কঠোৰ বাস্তৱে মানৱীয় প্ৰমূল্যসমূহক কুঠাৰাঘাত কৰিলেও আশাবাদী কবিয়ে আস্থা নেহেৰুৱাই ৰচনা কৰা কবিতাসমূহ যেনে, 'মৈত্ৰেয়ী-সংবাদ', 'যন্ত্ৰণাতীত', 'ৰবৈদেচিলাৰ চিঠি', 'মাতৃৰ স্বপ্ন' আদিত জীৱনৰ উত্তৰণৰ এক প্ৰোজ্জ্বল দিশ উন্মোচিত হৈছে।

কুতুবুদ্দিন আহমেদ
যোৰহাট

●

## কাব্যলেখা

সম্পাদক: কনক শৰ্মা

প্ৰকাশক: নবীনচন্দ্ৰ কাথ হাজৰিকা

পৃষ্ঠা সংখ্যা – ৫২; মূল্য তিনি টকা

সৰু-বৰ সৰ্বমুঠ ত্ৰিকুৰি আঠোটা কবিতাৰ সংকলন 'কাব্যলেখা' পুথিয়ে দৰং জিলাৰ বিশেষকৈ তেজপুৰ মহকুমাৰ ন-পুৰণি কাব্যিক প্ৰতিভা সন্ধানৰ স্বাক্ষৰ বহন কৰিছে। কবিতা পুথিখনিৰ একুৰি ওঠৰটা ব্যক্তিনিষ্ঠ কবিতা, দুটিমান চেমনীয়া কবিৰ ৰচনা আৰু সাতোটি কবিতা বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ, পদ্মনাথ গোহাঞি বৰুৱা আৰু মাধৱ বেজবৰুৱাৰ দৰে বৰেণ্য ব্যক্তিসকলৰ জীৱন-স্মৰণ। তদুপৰি সম্পাদকে 'সাম্প্ৰতিক অসমীয়া কবিতা: চিন্তা আৰু দৃষ্টি' শিতানত আহ্বান কৰা তিনিটামান কবিতা সম্পৰ্কীয় প্ৰয়োজনীয় প্ৰশ্নৰ উত্তৰ তিনিজন বিশিষ্ট ব্যক্তিৰ পৰা সংগ্ৰহ কৰি পৰিশিষ্ট আকাৰে সন্নিৱিষ্ট কৰিছে।

প্ৰতিভাশালী লেখক দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ এসময়ত শিশুপাঠ্যত প্ৰকাশিত 'সকলৰা' কবিতাটোৱে 'কাব্য-লেখা'ৰ শ্ৰেষ্ঠত্ব বঢ়াইছে। আলোচ্য পুথিখনিৰ অধিক সংখ্যক কবিতাই সহজবোধ্য। দুই-এটি কবিতাত ছন্দসজ্জাও আকৰ্ষণীয় হৈছে; কিন্তু, কবিতা বুলিলে যি প্ৰতীকধৰ্মী ভাষা আৰু ব্যঞ্জনাময়ী ৰচনাৰ কথা বুজা যায় সেয়া ইয়াত পাবলৈ টান, অৱশ্যে, সৰ্বসাধাৰণ পাঠকৰ বাবে থাকিবলগা কবিতাৰ অৰ্থ-গৌৰৱ আৰু সংবেদনশীলতা পুথিখনিৰ ভালেমান কবিতাত আছে। 'আশীৰ্বাদ', 'মুক্তিৰবাবে', 'উকথা ঘৰ', 'গোলনেমু' আদি কবিতাত ছন্দই উজুটি খাইছে। 'এজন নিহত বিদেশীৰ স্মৃতিত' আৰু 'মাজনিশাৰ চহৰত পহোৰা' কবিতাৰ শব্দবিলাসৰ আধিক্য লক্ষণীয় হৈছে। অন্যহাতে, 'ৰোমন্থন' কবিতাৰ নষ্টালজিয়া ভাৱক কাব্যিক পৰশেৰে সজাই সাম্প্ৰতিক চেতনাৰ প্ৰকাশ সফল হৈছে বুলি কব পাৰি। দৰং জিলাৰ ন-পুৰণি প্ৰতিভাশালী কবিৰ কাব্য-চৰ্চাক 'কাব্যলেখা'ৰ মাধ্যমেৰে জীয়াই ৰখাৰ অনুপ্ৰেৰণা যোগাওঁতা তেজপুৰ সাহিত্য সভাৰ আমি শলাগ লৈছোঁ।

কুতুবুদ্দিন আহমেদ
যোৰহাট

## ৰঘু চৌধাৰী স্মৃতি-গ্ৰন্থ

সম্পাদক : শ্ৰীকনক শৰ্মা
প্ৰকাশক : তেজপুৰ সাহিত্য সভা
পৃষ্ঠা : ৫৬, প্ৰকাশ : ১৯৮০
মূল্য : ২·০০

ৰঘুনাথ চৌধাৰীদেৱৰ জন্ম শতবাৰ্ষিকী উপলক্ষ্যে তেজপুৰ সাহিত্য সভাই প্ৰকাশ কৰা এই স্মৃতি-গ্ৰন্থখনিত দুটি প্ৰবন্ধ, দহটি কবিতা আৰু এটি স্মৃতি-লেখা সন্নিবিষ্ট কৰা হৈছে। এই সংকলনটিৰ শ্ৰীসতীশচন্দ্ৰ ভট্টাচাৰ্যৰ 'সাংবাদিক ৰঘুনাথ চৌধাৰী' প্ৰবন্ধটিত অতি কম পৰিসৰতে চৌধাৰীদেৱৰ এটি উল্লেখযোগ্য অৱদান সাংবাদিকতাৰ বিষয়ে কিছু আভাস দিয়া হৈছে। 'মইনা' (শিশুৰ বাবে), 'জয়ন্তী', 'সুৰভি' এই তিনিখন আলোচনী সম্পাদনা কৰাৰ উপৰিও কবি চৌধাৰী কিছুদিনৰ বাবে 'জোনাকী'ৰো সহকাৰী সম্পাদক আছিল। চৌধাৰীদেৱৰ সাংবাদিকতা সম্বন্ধে অনুসন্ধিৎসু পাঠক নিশ্চয় উপকৃত হ'ব। কবি চৌধাৰীদেৱৰ কবিতাৰ দৰে কবিতাৰ অন্তৰালৰ কাহিনীসমূহো আকৰ্ষণীয়। শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ 'বিহগী কবিৰ ৰাজ ৰাজেশ্বৰী চম্পা' শীৰ্ষক প্ৰবন্ধত 'ৰাজ ৰাজেশ্বৰী চম্পা' নামৰ কবিতাটিৰ জন্মৰ ইতিবৃত্ত আকৰ্ষণীয় ৰূপত দাঙি ধৰিছে। শ্ৰীনাৰায়ণ দাসে চৌধাৰী কাব্যৰ শব্দ সম্ভাৰৰ বিষয়ে আলোচনা কৰিছে। চৌধাৰী কাব্যৰ শব্দ সম্ভাৰৰ আলোচনাও এক আকৰ্ষণীয় বিষয়। বিষয়বস্তু অনুসাৰে তৎসম, তদ্ভৱ আৰু দেশজ শব্দৰ লগতে বিদেশী শব্দৰ প্ৰয়োগতো সিদ্ধহস্ত চৌধাৰীদেৱৰ বিষয়ে কৰা এই আলোচনাটিত বহল বিশ্লেষণৰ অভাৱ থাকিলেও প্ৰচেষ্টাটি প্ৰশংসনীয়। শ্ৰীমৃণালী চেতিয়াৰ 'বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ সাহিত্য প্ৰতিভা' প্ৰবন্ধটিত কবিজনাৰ কাব্যৰ এটি চমু আভাস দাঙি ধৰা হৈছে।

শ্ৰীকনক শৰ্মাৰ 'চৌধাৰী কাব্যৰ প্ৰকৃতি দৰ্শন' প্ৰবন্ধত চৌধাৰীদেৱৰ দৃষ্টিত প্ৰকৃতি সম্বন্ধে চমুকৈ আলোচনা কৰা হৈছে। শ্ৰীনবীনচন্দ্ৰ কাথহাজৰিকাৰ 'কবিৰত্ন ৰঘুনাথ চৌধাৰী' প্ৰবন্ধত কবিৰ চমু জীৱন আলেখ্য দাঙি ধৰা হৈছে। প্ৰবন্ধটিত লেখকে ভালেখিনি তথ্য দাঙি ধৰিছে যদিও মন্তব্য প্ৰকাশত ঠায়ে ঠায়ে উজুটি খাইছে। অসমত বিদেশীৰ সংখ্যাধিক্যৰ বিষয়টো লেখকে খাপ খুৱাই উপস্থাপন কৰিব পৰা নাই। লেখকে কবি চৌধাৰীদেৱে স্বাধীনতা আন্দোলনত যোগ দি উনৈশ মাহ কাল কাৰাবৰণ কৰাৰ কথা আৰু দ্বিতীয় মহাসমৰৰ সময়ত সদৌ অসম বিশ্ব শান্তি সমিতিৰ সভাপতি থকাৰ কথাও কৈছে—আন হাতে 'অৱশ্যে আমাৰ কবি ৰাজনীতি আৰু অৰ্থনীতিৰ অতিচাৰ আৰু ব্যভিচাৰৰ উৰ্দ্ধত। তেওঁ 'নমস্য' বুলিও মন্তব্য কৰিছে! এনে ভুল আৰু ক্ষতিকাৰক মন্তব্যই পাঠকক বিভ্ৰান্তহে কৰে—লেখকৰ উদ্দেশ্য হোৱা উচিত বিষয়বস্তু সম্বন্ধে পাঠকৰ জ্ঞান আহৰণত সহায় কৰাহে, বিভ্ৰান্ত কৰা নহয়। ড° মহেন্দ্ৰনাথ বৰাৰ 'বিজ্ঞান পঢ়িছা নে কবিতা?' স্মৃতি-লেখাটি চমু অথচ আকৰ্ষণীয়।

সংকলনটিত সন্নিবিষ্ট কবিতাকেইটিৰ মাজেৰে কবিজনাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হৈছে। শ্ৰীবেণু হাজৰিকা আৰু শ্ৰীকমলা বৰুৱাৰ কবিতা দুটিয়ে পাঠকক নিশ্চয় আনন্দ দিব। শ্ৰী ইন্দ্ৰপ্ৰসাদ শইকীয়াই কবি চৌধাৰীৰ কেতেকী আৰু দহিকতৰাৰ মাজত শুনিছে—'জীৱন মানে পোহৰ'। কবিতাটিৰ ব্যঞ্জনা গভীৰ আৰু মধুৰ।

এই সংকলনটিত কবি চৌধাৰীৰ বিষয়ে বিজ্ঞানসম্মত আলোচনাৰ অভাৱ থাকিলেও পাঠকসকলক সংকলনটিয়ে কবি চৌধাৰীদেৱৰ বিষয়ে বহুত কথা জনাত সহায় কৰিব। পুথিখনিৰ বেটুপাত আৰু মুদ্ৰণ আকৰ্ষণীয় হৈছে।

শ্ৰীমদনচন্দ্ৰ ডেকা
ডিব্ৰুগড়





## 'কেকটাচৰ গীত'

লেখিকা : গীতা হাতীকাকতি
প্ৰকাশক : প্ৰগতি প্ৰকাশন, গুৱাহাটী—৩
প্ৰকাশ কাল : ১৯৭৯ চন পৃষ্ঠাংক : ১০০
মূল্য : ৬·৫০ টকা

"কেকটাচৰ গীত" পুথিখনি ভিন্ন সুৰৰ এশ গীতেৰে সমৃদ্ধ এখনি গীতি-কবিতাৰ সংকলন। গীতখিনিত ৰচয়িতা গীতা হাতীকাকতিয়ে জীৱনৰ আশা-নিৰাশা, সফলতা-বিফলতা, মনৰ আৱেগ, অনুৰাগ আৰু অনুভূতিখিনি সুৰৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ লগতে এহাতে আইমাতৃ ভাৰতবৰ্ষৰ গৌৰৱৰ অধিকাৰিণী-স্বৰূপা মহীয়সী ভাৰতীয় নাৰীসকলক সুঁৱৰিছে আৰু আনহাতে স্বৰ্গতুল্য জন্মভূমিৰ প্ৰতি হিয়া উজাৰি মৰমৰ ভাৱ আৰু শুভেচ্ছাৰ শৰাই আগবঢ়াইছে।

পুথিখনিত সন্নিবিষ্ট ভালেখিনি গীত ইতিমধ্যে বিভিন্ন ৰাজহুৱা অনুষ্ঠান, আকাশবাণীৰ গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰৰ বিভিন্ন সংগীতানুষ্ঠানত ভিন্ ভিন্ সুৰকাৰৰ সহায়ত ভিন্ ভিন্ শিল্পীৰ কণ্ঠইদি সংগীত-প্ৰেমী ৰাইজৰ কাণত ধ্বনিত হৈছে। ভালেকেইটি গীত বিভিন্ন অনুষ্ঠানৰদ্বাৰা পুৰস্কৃতও হৈছে। অৰ্থপূৰ্ণ অথচ কোমল শব্দ প্ৰয়োগে গীতখিনি অধিক উজ্জ্বল আৰু মনোগ্ৰাহী কৰি তুলিছে। শুদ্ধ সুৰত গীতখিনি গোৱা শুনিলে (বা ভালকৈ পঢ়ি চালে) ভাৱেৰে ভৰপূৰ হৈ থকা লেখিকাৰ শিল্পীসুলভ কোমল মনৰ স্বৰূপটো বুজিবলৈ বৰ বেছি কষ্ট নহ'ব। গীতৰ কথাৰে তেখেতে ঠায়ে ঠায়ে স্বদেশ, স্বজাতি আৰু বিশ্বমানৱপ্ৰীতি আৰু পুৰণিক অৱসান ঘটাই নতুনৰ জয়গান ৰচনা কৰিছে। আকৌ ঠায়ে ঠায়ে মানৱীয় অনুভূতি, দুৰ্বলতা-সবলতা আৰু প্ৰকৃতিৰ চিত্ৰ অংকন কৰিছে। ভাৱাৱেগ, সুৰ, তাল আৰু লয়ৰ দিশৰপৰা চাবলৈ গলে মাত্ৰ কেইটামান গীতক বনগীতৰ শাৰীত থিয় কৰি বাকীখিনিক আধুনিক গীত বুলিয়েই ক'ব লাগিব।

শিল্পীৰ কণ্ঠত যিয়েই নাবাজক, পুথিৰ বুকুত লিখিত অৱস্থাত যথেষ্টখিনি অশুদ্ধ বানান চকুত পৰিছে। অগ্ৰহাতেদি বৰ্ণানুক্ৰমে গীতসমূহৰ সূচী এখনি লগত তৈয়াৰ কৰি দিয়া হলে ভাল আছিল।

নিশকটীয়া হৈ থকা অসমীয়া গীতি-সাহিত্যৰ ভঁৰালত পুথিখনি এপদ মূল্যবান সম্পদস্বৰূপে জিলিকি থাকিব। ভাষাজননীৰ সেৱাত অসম আৰু অসমীয়া ৰাইজলৈ এনেধৰণৰ অধিক সংখ্যক গীত-মাতৰ শৰাই আগবঢ়াই সুৰ আৰু আৱেগৰ জৰিয়তে লেখিকাই অসমীয়া সাহিত্য-কাননত এদিন গীতি-কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে আমি সুখী হ'ম।

শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন
ডিব্ৰুগড়

## মহাশ্বেতা

লেখক : ৰমা বেজবৰুৱা
প্ৰকাশক : শ্ৰীভূমি পাবলিচিং কোম্পানী
মূল্য : দহ টকা। পৃষ্ঠা সংখ্যা ১৬৮

অসমীয়া সাহিত্যৰ পাঠকৰ বাবে ৰমা বেজবৰুৱা এটি চিনাকি নাম। শ্ৰীবেজবৰুৱাৰ প্ৰকাশিত আঠাইকেইখন কিতাপৰে বিষয়বস্তুৰ বৈচিত্ৰ্যত মন কৰিব-

লগীয়া। সূক্ষ্ম যৌন মনোবিজ্ঞানৰপৰা আৰম্ভ কৰি হাস্যৰস প্ৰধান গল্পলৈকে অথবা সংগীত-পাগল মানুহৰ জীৱনৰপৰা আৰম্ভ কৰি চম্বলৰ ডকাইতৰ কাহিনী-লৈকে এই আটাইবোৰ ভিন্নৰুচিৰ, ভিন্নৰসৰ ৰচনাত শ্ৰীবেজবৰুৱাই নিপুণতা দেখুৱাবলৈ সমৰ্থ হৈছে। তেখেতৰ শেহতীয়া কিতাপ 'মহাশ্বেতা'ও ইয়াৰ ব্যতিক্ৰম নহয়।

'মৃত্যুহীনা আৰু চিৰ যৌৱনা' এক নাৰী 'মহাশ্বেতা'ক বিচাৰি যুৱক বিজয়, তেওঁৰ পিতৃ-বন্ধু ৰণধীৰ আৰু লগুৱা প্ৰসাদে কৰা এক বিপদশংকুল যাত্ৰা আৰু তাৰ পৰিণতিৰ কাহিনীৰেই 'মহাশ্বেতা' গঢ় লৈ উঠিছে। এইখিনিতেই প্ৰশ্ন উঠে: মহাশ্বেতাক কাৰ শাৰীত থ'ব পৰা যায়—গল্প, নে উপন্যাসৰ? মহাশ্বেতাৰ কাহিনীভাগ গল্পৰ তুলনাত যথেষ্ট ডাঙৰ; কিন্তু ইয়াত উপন্যাসৰ প্ৰয়োজনীয় উপাদানবোৰ নাই। ইয়াক সাধুকথা বুলিও ক'ব পৰা যায়; কিন্তু পঢ়ি থকা সময়ত এইখন অবিশ্বাস্য বা অলৌকিক বুলিও ক'ব পৰা নাযায়।

'মহাশ্বেতা'ক বিনোদন সাহিত্যৰ শ্ৰেণীত থ'ব পৰা যায়। বিনোদন সাহিত্যৰ বাবে প্ৰয়োজনীয় আটাইকেইটি গুণেই ইয়াত আছে।

'মহাশ্বেতা'ৰ কাহিনীভাগ আকৰ্ষণীয় আৰু উৎকণ্ঠা-পূৰ্ণ। লেখকে কিতাপৰ প্ৰথমশাৰীটোৰ যোগেৰেই এই উৎকণ্ঠা সৃষ্টিৰ প্ৰচেষ্টা চলাইছে আৰু শেষলৈকে তাক অটুট ৰাখিবলৈ সক্ষম হৈছে। অসমীয়া সাহিত্যত এনে সাৰ্থক 'উৎকণ্ঠাপূৰ্ণ' কাহিনীৰ উদাহৰণ যথ তাকৰ।

'মহাশ্বেতা'ৰ আন এটি আকৰ্ষণীয় দিশ হৈছে কাহিনীৰ গতিবেগ। আৰম্ভনিৰপৰাই দ্ৰুত গতিৰে আগবঢ়া কাহিনীভাগ ক'তো অলপ সময়ৰ বাবে হ'লেও থমকি ৰবলগীয়া হোৱা নাই। ই লেখকৰ কৃতিত্বৰ চিন। বিনোদন সাহিত্যৰ বাবে প্ৰয়োজনীয় এই দুটি মুখ্য গুণৰ সাৰ্থক প্ৰয়োগৰ বাবে 'মহাশ্বেতা'ৰ মানদণ্ডৰ বৈশিষ্ট্য বিনোদন সাহিত্যৰ শ্ৰেণীলৈ উঠিব পাৰিছে।

লেখকৰ ভাষাৰ ওপৰত অধিকাৰ মনকৰিবলগীয়া। ৰচনাত বাক্-সংযম আছে; মাজে মাজে অৱশ্যে এই সংযমৰ মাত্ৰা অলপ বেছি হোৱা যেন লাগিছে। লেখকৰ কলমৰ আগত প্ৰায় আটাইকেইটি চৰিত্ৰই সজীৱ হৈ উঠিছে। কাহিনীৰ এক চতুৰ্থাংশমান বাকী থাকোঁতেই কাহিনীৰপৰা দুটা চৰিত্ৰ প্ৰসাদ আৰু ৰণধীৰক হঠাৎ আঁতৰাই দিয়া হ'ল। এই দুইটি চৰিত্ৰৰ পৰিণতি সঠিক নহ'ল। এই চৰিত্ৰ দুটিক প্ৰয়োজনীয় মনোযোগ দিলে 'মহাশ্বেতা'ৰ কাহিনীভাগ আৰু আবেদনপূৰ্ণ হৈ উঠিলহেঁতেন।

'মহাশ্বেতা'ত লেখকে চৰিত্ৰ-চিত্ৰণতকৈ পৰিৱেশ চিত্ৰণত অধিক গুৰুত্ব দিছে। পৰিৱেশ চিত্ৰণত দিয়া গুৰুত্ব কাহিনীৰ আগভাগতকৈ শেষৰ পিনেহে বেছি হ'ল, ফলত কাহিনীৰ আগভাগখিনি শেষাৰ্ধতকৈ কিছু নীৰস যেন হ'ল। বিজয়, ৰণধীৰ আৰু প্ৰসাদৰ যাত্ৰাৰ বৰ্ণনা অধিক উত্তেজনাপূৰ্ণ কৰি তুলিলে 'মহাশ্বেতা' আৰু অধিক আকৰ্ষণীয় হ'লহেঁতেন।

এই সৰু সৰু দোষ বিচাৰি উলিয়াই আমি মহাশ্বেতাৰ মূল্য খৰ্ব কৰিব খোজা নাই। চাঞ্চল্যপূৰ্ণ বিনোদন সাহিত্য হিচাপে মহাশ্বেতা বহুদিনলৈ সমাদৃত হ'ব বুলি আমাৰ আশা।

চাৰু খান অংকিত প্ৰচ্ছদ পাল মৰা বিধৰ; ৰূপা-য়ণ উন্নত কৰাটো ভাল আছিল।

শ্ৰীউৎপল দত্ত
বিদ্যাপুৰ/নলবাৰী



**পদাৰ্থ বিজ্ঞান পত্ৰিকা: ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ ষাণ্মাসিক আলোচনী: চতুৰ্থ বছৰ (১৯৭৮-৭৯ চন): আইনষ্টাইন-মেক্সৱেল বিশেষ সংখ্যা। সম্পাদক ড° পৰমানন্দ মহন্ত। প্ৰকাশক: অধ্যাপক কমলচন্দ্ৰ বৰুৱা।**

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিভাগৰ শিক্ষকবৃন্দৰ পৰিচালনাত প্ৰকাশ পোৱা 'পদাৰ্থ বিজ্ঞান পত্ৰিকা' নামৰ আলোচনীখনৰ আইনষ্টাইন মেক্সৱেল বিশেষ সংখ্যাটোৰ বিষয়ে আলোচনা কৰিবলৈ লোৱাৰ আগতে পত্ৰিকাখনৰ মুখ্য উদ্দেশ্যৰ বিষয়েও ক'ব লগীয়া হয়। পদাৰ্থ বিজ্ঞানৰ মৌলিক কথাবিলাক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সহজে বোধগম্য কৰি তোলাৰ মানসেৰেই অসমীয়া ভাষাত পত্ৰিকাখন প্ৰকাশ কৰা হৈছে। ইতিমধ্যে ইয়াৰ তিনিটা সংখ্যা প্ৰকাশ হৈ গৈছে; কিন্তু পদাৰ্থ বিজ্ঞান নামৰ বিষয়টোৰ কথা উল্লেখ কৰিলেই সীমিত পঢ়ুৱৈৰ কথাই মনলৈ আহে। এই পত্ৰিকাৰ প্ৰকাশিত সংখ্যাকেইটাৰ পৰাই ই সহজে অনুমেয়। কাৰণ ইয়াত লেখোঁতা-সকলৰ বেছিভাগেই বিশ্ববিদ্যালয়ৰ শিক্ষক বা গৱেষক। অৱশ্যে দুই-এজন কলেজীয়া শিক্ষকেও ইয়াত লিখিছে। পত্ৰিকাখন সাধাৰণতে স্নাতক বা তেনে পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবেহে উপযোগী। অৱশ্যে ইয়াৰ কিছুমান প্ৰবন্ধ পদাৰ্থ বিজ্ঞানৰ চৰ্চাহীন শিক্ষকৰ বাবেও বোধগম্য নহয়—ই অপ্ৰিয় সত্য।

এই সংখ্যাৰ পত্ৰিকাখনত আইনষ্টান আৰু মেক্সৱেলৰ জীৱনী ক্ৰমে শ্ৰীযুত মুকুতকুমাৰ শৰ্মা আৰু ড° হীৰালাল দাসে লিখিছে। "আইনষ্টাইনৰ বিষয়ে লিখি শেষ কৰা টান"— এই কথাষাৰৰ তাৎপৰ্য ড° পৱনচন্দ্ৰ মহন্তদেৱ আৰু ড° পৱিত্ৰকুমাৰ বৰগোহাঞিৰ প্ৰবন্ধৰপৰা উপলব্ধি কৰিব পাৰি। কিন্তু "...তেখেতৰ অৱদান কৈ শেষ কৰিব নোৱাৰি"- এই কথা ডঃ অখিলকুমাৰ ডেকা আৰু ড° গৌৰাংগধৰ বৰুৱাৰ প্ৰবন্ধত সুন্দৰকৈ প্ৰতিফলিত হৈছে। ডঃ অখিলকুমাৰ ডেকাৰ প্ৰবন্ধত নীল ব'ৰ আৰু এলবাৰ্ট আইনষ্টাইনৰ মাজতে হোৱা বিৰ্তকৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰকৃততে ব'ৰ আইনষ্টাইন বিতৰ্কৰ বিষয়ে ভালদৰে জানিবলৈ হ'লে আপেক্ষি-কতাবাদ আৰু কোৱান্টাম তত্ত্বৰ বিষয়ে ভালকৈ জানিব লাগে। কাৰণ এই বিৰ্তক হ'ল বাস্তৱবাদী আইনষ্টাইন আৰু সম্ভাৱনাবাদী ব'ৰৰ মাজত বিতৰ্ক; এহাতে নিশ্চয়তাৰ প্ৰশ্ন আৰু আনহাতে অনিশ্চয়তাৰ প্ৰশ্ন—এই দুই প্ৰশ্নৰপৰাই পদাৰ্থ বিজ্ঞানত কোৱান্টামবাদে স্বকীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। কাৰণ আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সমকালীনতাই হাইজেনবাৰ্গৰ অনিশ্চয়তাবাদৰ মূল উৎস। এই দিশৰপৰা বিচাৰ কৰিলে ড° ডেকাৰ প্ৰবন্ধটো পত্ৰিকা-খনৰ কেয়োটা সংখ্যাৰ প্ৰবন্ধবিলাকৰ ভিতৰত উচ্চমানবিশিষ্ট, অথচ সহজ প্ৰবন্ধ। নিচেই কম বাক্যৰ ভিতৰত নিউটন-লিব্‌নিজ্‌ বিতৰ্কৰ সমতুল্য ব'ৰ-আইনষ্টাইন বিতৰ্কৰ মূল কথাবিলাক সহজভাৱে প্ৰকাশ কৰা হৈছে। আইনষ্টাইনে মহাকৰ্ষণক জ্যামিতীয় ধাৰণালৈ ৰূপান্তৰ কৰাৰ সন্দৰ্ভত স্থান কাল-বক্ৰতাৰ বিষয়ে ড° পৱিত্ৰকুমাৰ বৰগোহাঞিৰ প্ৰবন্ধত সহজভাৱে আলোচনা কৰা হৈছে। আইন-ষ্টাইনৰ বিকিৰণ-নীতিৰ অন্তৰালতেই লেজাৰ ৰশ্মিৰ মৌলিক তথ্যও সোমাই আছিল—এয়া প্ৰতিফলিত হৈছে ড° গৌৰাংগধৰ বৰুৱাৰ প্ৰবন্ধত। তদুপৰি আপেক্ষিক তাপ সম্বন্ধে আইনষ্টাইনৰ ধাৰণা, ভৰ-শক্তি নিত্যতা সূত্ৰৰ সন্দৰ্ভত নিউক্লীয় বিভাজনৰ কথা ক্ৰমে ড° হীৰালাল দাস আৰু শ্ৰীনীৰেন্দ্ৰচন্দ্ৰ শৰ্মাৰ প্ৰবন্ধত আলোচনা কৰা হৈছে।

ক্লাৰ্ক-মেক্সৱেলৰ জীৱনীৰ লগত পদাৰ্থ বিজ্ঞানৰ বিভিন্ন দিশবোৰ আৰু বৰ্তমানৰ দূৰ সংযোগ

ব্যৱস্থাৰ সৈতে এবাৰ নোৱৰা সম্বন্ধৰ কথা ড° হীৰালাল দাস, ড° পৰমানন্দ মহন্ত আৰু শ্ৰীসোমেশ্বৰ গগৈৰ প্ৰবন্ধত প্ৰতিফলিত হৈছে। প্ৰকৃতপক্ষে স্থান-কালৰ একত্ৰীকৰণৰ সন্দৰ্ভত আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ দিশ-কাল নিৰ্বিশেষে পোহৰৰ নিয়ত বেগৰ ধাৰণা আৰু প্লাংকৰ মূলনীতিৰ ইংগিত মেক্সৱেলৰ বিদ্যুৎ-চুম্বক তত্ত্বতেই পোৱা যায়। নিউটন, মেক্সৱেল, আইনষ্টাইন এই তিনিগৰাকী বিজ্ঞানীৰ মাজত প্ৰকৃততে মেক্সৱেলেই সংযোগ স্থাপন কৰিছে। প্লাংক হ'ল এওঁলোকৰ সূত্ৰধাৰ। মেক্সৱেলৰ বিষয়ে লিখিত প্ৰবন্ধকেইটাৰ ভিতৰত ড° পৰমানন্দ মহন্তৰ প্ৰবন্ধটো প্ৰায় স্বয়ং সম্পূৰ্ণ বুলিব পাৰি।

এইবিলাকৰ উপৰিও ক্ষেত্ৰ-তত্ত্ব, বাইনবাৰ্গ-চালাম তত্ত্বৰ সাধাৰণ ধাৰণা, নতুন আৱিষ্কাৰৰ কথা, পঢ়ুৱৈৰ চিঠি আৰু মতামতৰ বিষয়েও ইয়াত সন্নিবিষ্ট কৰা হৈছে।

ভৌতিক বাস্তৱতাৰ সন্দৰ্ভত ড° অখিলকুমাৰ ডেকাই আইনষ্টাইন পোডোলস্কি-ৰোজেন বিৰোধাভাসৰ (E. P. R. Paradox) ইংগিত দিছে যদিও আলোচনা কৰা নাই। কাৰণ এই বিৰোধাভাস আজিও অমীমাংসিত আৰু বিষয়টোও দীঘলীয়া। আপেক্ষিকতাবাদৰ বাস্তৱবাদী ধাৰণা আৰু কোৱাণ্টামবাদৰ সম্ভাৱনাৰ ধাৰণাৰপৰাই এই বিৰোধাভাসৰ উৎপত্তি। কাৰণ, "আমি এই বিশ্বত কি দেখোঁ?" —এই প্ৰশ্নৰ উত্তৰত আপেক্ষিতাবাদে কয়,—"আমি বিশ্বত বিভিন্ন অস্তিত্ব বা সত্তাৰ মাজত সম্বন্ধহে দেখোঁ", আৰু কোৱাণ্টামবাদে কয়,—"বিশ্বত সম্ভাৱনাহে পৰিলক্ষিত হয়।" কিন্তু এই দুই উত্তৰেই চিৰন্তন নে? নিশ্চয় নহয়। এইবাবেই অসমীয়া ভাষাত গধুৰ তথ্যবিলাক বুজিব পৰাকৈ প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টা প্ৰশংসনীয়।

পত্ৰিকাখনৰ এটা বিশেষ ত্ৰুটী হ'ল গাণিতিক বিবৃতিবিলাক সাধাৰণ ছাত্ৰ-ছাত্ৰী বা চৰ্চাহীন লোকৰ বাবে বোধগম্য নহয়। এইবাবে উচ্চ গণিতৰ ধাৰণাবিলাক বুজিব পৰা উদাহৰণ বা শাখা এটাও ইয়াত সন্নিবিষ্ট কৰিব পাৰিলে ভাল হয়। তদুপৰি ইয়াত লিখা প্ৰবন্ধবিলাকৰ বাবে একোটা নিৰ্দিষ্ট বিষয়ৰ শিতান এনেদৰে দিব লাগে যাতে প্ৰকাশিত প্ৰবন্ধবিলাক লগলগাই বিষয়টোৰ ওপৰত নিয়াৰিকৈ একোখন পুথি সংকলন কৰি পাঠ্যপুথি সমন্বয় সমিতিৰ জৰিয়তে প্ৰকাশ কৰিব পৰা যায়। এই উদ্দেশ্য সন্নিবিষ্ট কৰিব পাৰিলে অন্ততঃ কিছু বছৰৰ পিছত অসমীয়া ভাষাত উচ্চখাপৰ পদাৰ্থ বিজ্ঞানৰ গ্ৰন্থও উলিয়াব পৰা যাব। পত্ৰিকাখন প্ৰকাশৰ বাবে প্ৰয়োজনীয় খৰচ বিশ্ববিদ্যালয়ে বহন কৰিছে। গতিকে এই শিতানত বিশ্ববিদ্যালয় অনুদান আয়োগৰ তৰফৰপৰা এটা সাহায্য পাব পৰাৰ ব্যৱস্থা কৰা উচিত।

অসমীয়া ভাষাত 'বিজ্ঞান জেউতি'ৰ বাহিৰে অন্য বিজ্ঞান আলোচনী নাই। বৰ্তমান 'বিজ্ঞান জেউতি'ৰ মানদণ্ডও আগতকৈ নিম্নগামী হৈছে। অসমীয়া ভাষাত উচ্চ মানদণ্ডৰ বিজ্ঞান আলোচনী এখনৰ প্ৰয়োজন বহুদিনৰপৰাই উপলব্ধি কৰি অহা হৈছে যদিও সাহিত্য সভা, প্ৰকাশন পৰিষদ বা বিজ্ঞান সমিতিৰ তৰফৰপৰা কোনো আগভাগ লোৱা দেখা নাযায়। অসম বিজ্ঞান সমিতিৰ 'কৰ্তা-কৰ্ম-ক্ৰিয়া-অব্যয়ৰ' গুৰিধৰোঁতাসকলৰ মাজতো 'স্থান-কাল ক্ষমতা' ইত্যাদিৰদ্বাৰা সৃষ্টি হ'ব পৰা বিভেদকামী মনোভাৱৰ অংকুৰণ হোৱাটো পৰিলক্ষিত হৈছে। বিজ্ঞানে মানৱ অন্তৰৰ কথা নকয় বাবেই বোধকৰো সাহিত্য সভাৰ কাৰ্যক্ৰমণিকাত ই অন্তৰ্ভুক্ত নহয়।

অসমীয়া ভাষাত বিশেষকৈ বিজ্ঞান, দৰ্শন, অৰ্থনীতি ইত্যাদিৰ বিষয়ে লিখিবলৈ হ'লে প্ৰায়েই ইংৰাজী গ্ৰন্থৰপৰা বিষয়বস্তুসাপেক্ষে মূলকথা কিছুমানৰ



অনুবাদ কৰিবলগীয়া হয় বাবে প্ৰেম কাহিনীৰ দৰে আনৰ ছাঁ লৈ লিখিব নোৱাৰি। কাৰণ এইবিলাক বিষয়ৰ তথ্যবিলাক পৰিবৰ্তন কৰিবলৈ হ'লে গৱেষণাৰ প্ৰয়োজন; কিন্তু অনুবাদৰ ক্ষেত্ৰত প্ৰায়েই দেখা যায় যে, সৰহ সংখ্যক অনুবাদকেই সংশ্লিষ্ট গ্ৰন্থৰ নাম উল্লেখ নকৰে। এইটো অৱশ্যে অসমীয়া মানুহৰেই দোষ নহয়—ই সৰ্বভাৰতীয় পৰ্যায়ৰ দোষ। আনহাতে কোনো কোনো ক্ষেত্ৰত হুবহু অনুবাদ কৰোঁতে বাক্যৰ একো লাগ-বান্ধ নোহোৱাও দেখা যায়। বিশেষকৈ পাঠ্যপুথিবিলাকত এনে দোষ বিদ্যমান। প্ৰকৃততে মৌলিক তত্ত্বৰ ধাৰণাবিলাক বোধগম্য নোহোৱা বাবেই উচ্চ চিন্তাৰ পণ্য সামগ্ৰী আৰু যান্ত্ৰিক কৌশলৰ বুনিয়াদী তথ্যৰ বাবে বিদেশলৈ মুখ মেলি থাকিব লাগে। অসমীয়া ভাষাত দৰ্শন, বিজ্ঞান, অৰ্থনীতি, ভাষাতত্ত্ব ইত্যাদিৰ উপৰিও পুৰাতন বা আধুনিক বিশ্বসাহিত্য আদিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পৰা গ্ৰন্থও লিখা হোৱা নাই। পৰিৱেশ, অৰ্থনৈতিক অৱস্থা আৰু পঢ়ুৱৈৰ নাটনি ইত্যাদিয়েই এই ক্ষেত্ৰত আমাৰ প্ৰধান অজুহাত আৰু "নাই" শব্দটোৱেই আমাৰ স্থায়ী উত্তৰ; কিন্তু সময়ৰ সৈতে জড়িত সমাজে এইবিলাকৰ স্থায়িত্ব নিবিচাৰে। কাৰণ সময়ৰ লগত সমাজৰ এবাৰ নোৱৰা সম্বন্ধ থকাৰ বাবেই কোৱা হয়—'পৰিৱৰ্তনেই পৰিৱৰ্তনশীল জগতৰ অপৰিৱৰ্তনীয় নীতি।' এই পৰিপ্ৰেক্ষিতত "পদাৰ্থ বিজ্ঞান পত্ৰিকাৰ" উদ্দেশ্য সফল হোৱাটো কামনা কৰোঁ। অৱশ্যে ভুল-ভ্ৰান্তি থাকিবই। কাৰণ,—"The stakes are high, and win or lose, are worth playing for"—Fred Hoyle (Frontiers of Astronomy).

শ্ৰীপুতুলচন্দ্ৰ বৰঠাকুৰ
শিৱসাগৰ কলেজ

## প্ৰাপ্তি-স্বীকাৰ

১। স্মৃতি-অৰ্ঘ্য (প্ৰথম খণ্ড)
সংকলক—সম্পাদক : শ্ৰীহেৰম্ব বৰদলৈ
প্ৰকাশক : শ্ৰীহেৰম্ব বৰদলৈ
মূল্য : দুটকা পঞ্চাশ পইচা
প্ৰকাশ : ১৯৭৯

২। বাগানপাৰা সাহিত্য সভা পত্ৰিকা (১ম বছৰ ১ম সংখ্যা)
সম্পাদক : শ্ৰীঅৰ্জুনসেন ডেকা
প্ৰকাশক : শ্ৰীধৰ্মেশ্বৰ বৰ্মণ,
মূল্য : দুটকা পঞ্চাশ পইচা
প্ৰকাশ : ১৯৭৯

৩। অন্য মাজুলী অন্য জাহাজ (কবিতা সংকলন)
লেখক : শ্ৰীথানেশ্বৰ হাজৰিকা
প্ৰকাশক : শ্ৰীদেবেন বৰা
মূল্য : দুটকা, প্ৰকাশ : ১৯৭৯

৪। তৃতীয় নেত্ৰ (কবিতা সংকলন)
লেখক : শ্ৰীডম্বৰুধৰ হাজৰিকা
প্ৰকাশক : শ্ৰীজয়ৰাম হাজৰিকা
মূল্য : ১'৫০ পইচা
প্ৰকাশ : ১৯৭৯

৫। কবিতা সাময়িকী (১ম বছৰ ৩য় সংখ্যা)
সম্পাদক : শ্ৰীহেম বৰা
প্ৰকাশক : শ্ৰীহেম বৰা
মূল্য : এটকা, প্ৰকাশ : ১৯৭৯

৬। পুৰণি অসমৰ চিত্ৰকলা
লেখক আৰু সংগ্ৰাহক : শ্ৰীনাৰায়ণ দাস
মূল্য : অনুল্লেখিত
প্ৰকাশ : ১৯৭৯

## পঢ়ুৱৈৰ মতামত

অসম সাহিত্য সভাৰ সভাপতি মহাশয়,

নিবেদন,

অসম সাহিত্য সভাৰ ৩৬শ বছৰৰ ২য় সংখ্যাত প্ৰকাশিত শ্ৰীবিশ্বেশ্বৰ হাজৰিকাই লিখা 'হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জে'টনি' শীৰ্ষক প্ৰবন্ধটোৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব খোজোঁ যে কোনো এটা প্ৰবন্ধৰ বিষয়-বস্তু লৈ আমাৰ মাজত মতভেদ থাকিব পাৰে আৰু বিভিন্ন লেখকৰ দৃষ্টি-ভংগীও বেলেগ হ'ব পাৰে। সেই বিষয়-বস্তু লৈ আলোচনীত্ত বাদ-প্ৰতিবাদো চ'ব পাৰে; কিন্তু সকলো ক্ষেত্ৰতে সুৰুচি আৰু সংযমৰ আৱশ্যক। এই বাদ-প্ৰতিবাদবোৰৰ ভিতৰত লেখকৰ ব্যক্তিগত কোনো কথা টানি-আজুৰি সুমুৱাটো উচিত নহয়। দুখৰ বিষয় উল্লিখিত প্ৰবন্ধটোত তেনে হোৱা দেখি আমি দুখ পাইছোঁ। বিশেষকৈ অসম সাহিত্য সভাৰ মুখপত্ৰ অসম সাহিত্য সভা পত্ৰিকাত এজন প্ৰাক্তন সভাপতিৰ বিষয়ে কিবা কথা ক'বলগীয়া হলে তাত কোনো অশ্ৰদ্ধা বা ব্যক্তিগত খোঁচমৰা কথা থাকিব নালাগে। অসম সাহিত্য সভাৰ মুখ পত্ৰখন উচ্চমানবিশিষ্ট হ'ব লাগে। কোনোবা লেখকে পৰোক্ষভাৱে বা প্ৰত্যক্ষভাৱে কিবা বেয়া কথা লিখিলেও সম্পাদকে তাত হাত ফুৰাই প্ৰকাশ কৰিব লাগে। মুঠতে আমি মাৰ্জিত ৰুচি আৰু বহল দৃষ্টিভংগী বিচাৰোঁ।

ওপৰত উল্লেখ কৰা শ্ৰীহাজৰিকাৰ প্ৰবন্ধটোৰ আন কথা বাদ দিও তলত তুলি দিয়া মন্তব্য বিশেষ আপত্তিজনক হৈছে বুলি ভাবিব পাৰি : 'ভালকৈ বিশ্লেষণ কৰি চাব নাজানি বা মইমতীয়াভাৱে এনে অভিযোগ তুলি হেমচন্দ্ৰ বৰুৱাক হেয় প্ৰতিপন্ন কৰিব খোজা হৈছে। এনে অল্পবিদ্যা ভয়ংকৰ উচ্ছ্বাস সততে নিন্দনীয়।'

আমি প্ৰবন্ধটোৰ গুণাগুণ সম্পৰ্কে বহলাই আলোচনা কৰিব খোজা নাই; কিন্তু ড° নেওগৰ নিচিনা পণ্ডিত লোকক এটা বিষয় ভালকৈ চাব নজনা বুলি কোৱাটো আৰু তেওঁৰ বিদ্যাক 'অল্পবিদ্যাৰ' শাৰীলৈ অৱনমিত কৰাটো নেওগৰ পক্ষে নিন্দনীয় নহলেও শ্ৰীহাজৰিকাৰ পক্ষে নিন্দনীয় হৈছে। উল্লেখযোগ্য যে শ্ৰীহাজৰিকাৰ জ্ঞান আৰু পাণ্ডিত্যৰ প্ৰতি মোৰ অশ্ৰদ্ধা নাই; কিন্তু সেয়ে হলেও তেওঁৰ এনে অশালীন লিখাৰ প্ৰতি সমৰ্থন জনাবলৈ টান পাইছোঁ। সি যি নহওক, এই সম্পৰ্কে আপুনি আৰু পত্ৰিকাৰ সম্পাদকে যথাবিহিত ব্যৱস্থা ল'ব বুলি আশা কৰিছোঁ।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

১।২।৮০

প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা।

●

### শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ সমালোচনাৰ উত্তৰ ঃ

সম্পাদক ডাঙৰীয়া,

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাই এই পত্ৰ-লেখকৰ "হেমচন্দ্ৰ বৰুৱা আৰু অসমীয়া জে'টনি" প্ৰবন্ধৰ প্ৰতিবাদ চিঠিত অভিযোগ কৰিছে :

(১) প্ৰবন্ধটোৰ ভাষাত সুৰুচি আৰু সংযমৰ অভাৱ হৈছে ;

(২) তাত লেখকৰ ব্যক্তিগত কোনো কথা টানি-আঁজুৰি সুমোওৱা হৈছে ;

(৩) তাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি এজনৰ বিষয়ে অশ্ৰদ্ধা বা ব্যক্তিগত খোঁচ মৰা কথা দিয়া হৈছে ;

(৪) তাত "ভালকৈ বিশ্লেষণ কৰি চাব নাজানি বা মইমতীয়াভাৱে এনে অভিযোগ তুলি হেমচন্দ্ৰ বৰুৱাক



হেয় প্ৰতিপন্ন কৰিব খোজা হৈছে। এনে অল্পবিদ্যা ভয়ংকৰ উচ্ছ্বাস সততে নিন্দনীয়" বুলি দিয়া মন্তব্যটো "বিশেষ আপত্তিজনক হৈছে।"

(৫) তাত "ড° নেওগৰ নিচিনা পণ্ডিত লোকক এটা বিষয় ভালকৈ চাব নজনা বুলি কোৱাটো আৰু তেওঁৰ বিদ্যাক 'অল্পবিদ্যা'ৰ শাৰীলৈ অৱনমিত কৰাটো নেওগৰ পক্ষে নিন্দনীয় নহলেও হাজৰিকাৰ পক্ষে নিন্দনীয় হৈছে।"

(৬) প্ৰবন্ধটোৰ লিখাখিনি অশালীন হৈছে। শ্ৰীযুত হাজৰিকাৰ আপত্তি দেখাত ছটা হলেও যুক্তিসম্মত-ভাৱে সজালে কেৱল এটাহে আপত্তি হয়। সেই আপত্তিটো হৈছে :

"প্ৰবন্ধটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নেওগৰ নিচিনা পণ্ডিত লোকক 'ভালকৈ বিশ্লেষণ ... ... সততে নিন্দনীয়' বুলি দিয়া মন্তব্যটো 'বিশেষ আপত্তিজনকেই নহয় (৪ সংখ্যক আপত্তি), তেনে পণ্ডিতক এটা বিষয় ভালকৈ চাব নজনা বুলি কোৱাটো আৰু তেওঁৰ বিদ্যাক 'অল্প-বিদ্যা'ৰ শাৰীলৈ অৱনমিত কৰাটো নেওগৰ পক্ষে নিন্দনীয় নহলেও হাজৰিকাৰ পক্ষে নিন্দনীয়ও হৈছে (৫ সংখ্যক আপত্তি); কাৰণ, তাত অশ্ৰদ্ধা-প্ৰকাশক বা ব্যক্তিগত খোঁচ মৰা (৩ সংখ্যক আপত্তি) আৰু লেখকৰ ব্যক্তিগত কোনো কথা টানি-আঁজুৰি সুমো-ওৱাৰ (২ সংখ্যক আপত্তি) ফলত, তাৰ ভাষাত সুৰুচি আৰু সংযমৰ অভাৱ হোৱাত (১ সংখ্যক আপত্তি) লিখাখিনি অশালীন (৬ সংখ্যক আপত্তি) হৈছে।"

সাহিত্য সভাৰ সভাপতি পণ্ডিতেই হওক বা সাহিত্য সভাৰ কোনো পদবি নোপোৱা অপণ্ডিতেই হওক, তেওঁ যদি কোনো কথা বিশ্লেষণ কৰি চাব জনা নাই বুলি প্ৰমাণিত হয়, তেওঁ চাব জনা নাই। সেইযাৰ কথাকে কাৰোবাৰ সোণ-ৰূপৰ মুখেদি ওলালে বন্দনীয় হয় আৰু কাৰোবাৰ লো-সীহৰ মুখেদি ওলালে কিয় নিন্দনীয় হয়, তাৰ যুক্তিহে পত্ৰ-লেখকে বিচাৰি নাপালে।

যিজন পণ্ডিতৰ বিদ্যাক অপণ্ডিত এজনে "অল্প বিদ্যা" বুলি কওঁতেই "অৱনমিত" হৈ গ'ল, সেই বিদ্যাক যে ঠেলি-হেঁচুকি ওপৰলৈ তুলিব পৰা হ'ব, সেই প্ৰস্তাৱত পত্ৰ-লেখকৰ সন্দেহ আছে।

পত্ৰ-লেখকৰ প্ৰবন্ধটোৰ ক'ত অশ্ৰদ্ধা-প্ৰকাশক ভাষা, ক'ত ব্যক্তিগত খোঁচ মৰা ভাষা, ক'ত লেখকৰ (মানে ড° নেওগৰ) ব্যক্তিগত কোনো কথা টানি-আঁজুৰি সুমোওৱা শ্ৰীযুত হাজৰিকাই বিচাৰি পালে, পত্ৰ-লেখক ভাবি বিমোৰত পৰিছে। আঙুলিয়াই দেখুৱাই দিয়া হ'লে বহুতৰে জ্ঞান-চক্ষু মুকলি হ'ল-হেঁতেন। যদি সাহিত্য সভাৰ সভাপতি হোৱা কাৰণেই বা পণ্ডিতৰ চাকৰি কৰা কাৰণেই ড° নেওগৰ দৰে লোক শ্ৰদ্ধাভাজন হয় আৰু সাহিত্য সভাৰ সামান্য পদবি এটাও লাভ কৰিব নোৱৰা বাবেই বা পণ্ডিতৰ চাকৰি নোপোৱাৰ বাবেই হেমচন্দ্ৰ বৰুৱা বা তেনে শ্ৰেণীৰ অন্য লোক অশ্ৰদ্ধাভাজন হয়, তেন্তে পত্ৰ-লেখকেই কিয়, আন বহুতো লোক কিংকৰ্তব্যবিমূঢ় হ'ব।

শ্ৰীযুত হাজৰিকাৰ অৱগতিৰ অৰ্থে জনাব খোজোঁ যে শ্ৰদ্ধা বা ভক্তি স্বাভাৱিকতে উৎপত্তি হয়, দাবী কৰি, হুমকি দি শ্ৰদ্ধা বা ভক্তি আদায় কৰিব নোৱাৰি। আন হাতে, দাবী কৰি, হুমকি দি ভয় খুৱাবহে পাৰি। এই সম্পৰ্কে পদ্মনাথ গোহাঞিবৰুৱাৰ মত দাঙি ধৰাৰ লোভ সামৰিব পৰা নাই।

"আমাতকৈ যি শ্ৰেষ্ঠ, যাৰ সেই শ্ৰেষ্ঠতাৰদ্বাৰাই আমি উপকৃত হওঁ, যাৰ সেই শ্ৰেষ্ঠতাক আমি সৰলান্তঃকৰণেৰে শলাগোঁ আৰু যাৰ শ্ৰেষ্ঠতাৰ প্ৰতি আমাৰ অন্তৰত আদৰ আৰু অনুৰাগ ওপজে,

যেয়েই আমাৰ ভক্তিৰ (শ্ৰদ্ধাৰ) পাত্ৰ ; তেওঁৰ প্ৰতি স্বভাৱতে আমাৰ অন্তৰত ভক্তি (শ্ৰদ্ধা) ভাৱৰ উদয় হয়। আনহাতে, আমাতকৈ যি ক্ষমতাশীল, যাৰ সেই ক্ষমতাৰদ্বাৰাই আমাৰ অনিষ্টৰ আশংকা থকাতো, কিম্বা তাৰ প্ৰতি আমাৰ ঘৃণা বোধ হলেও, তাৰ প্ৰতিকাৰ কৰিবলৈ আমাৰ শক্তিৰ নাটনি, সেয়েই আমাৰ ভয়ৰ (অশ্ৰদ্ধাৰ) কাৰণ ; তাৰ প্ৰতি আমাৰ অন্তৰত স্বভাৱতে ভয় [অশ্ৰদ্ধা) উপস্থিত হয় ("ভয় আৰু ভক্তি", সাহিত্য সংগ্ৰহ, ১৯৪৯, পৃঃ ২৭)

আমাতকৈ শ্ৰেষ্ঠ হেমচন্দ্ৰ বৰুৱাই ১৮৫৯ চনতে অসমীয়া ভাষাত প্ৰথম আৰু এতিয়ালৈকে শ্ৰেষ্ঠ ব্যাকৰণ লিখি অসমীয়া ভাষাৰ গঢ় দি গ'ল, গোটেই জীৱন চেষ্টা আৰু পৰিশ্ৰম কৰি অসমীয়া ভাষাৰ শ্ৰেষ্ঠ জে'টনি প্ৰণালীসম্বলিত অভিধান 'হেমকোষ" দি গ'ল। সেই ব্যাকৰণ-অভিধানদ্বাৰাই এতিয়ালৈ আমি উপকৃত হৈ আছোঁ আৰু থাকিমো। তেনে উপকাৰীজনৰ শ্ৰেষ্ঠতাক ড° নেওগে কেনে সৰলান্তঃকৰণেৰে শলাগিছে, তেখেতৰ শ্ৰেষ্ঠতাৰ প্ৰতি ড° নেওগৰ অন্তৰত কেনেদৰে আদৰ আৰু অনুৰাগ উপজিছে, সেই শ্ৰদ্ধাৰ পাত্ৰজনৰ প্ৰতি স্বভাৱতে ড° নেওগৰ অন্তৰত শ্ৰদ্ধা ভাৱৰ উদয় হৈছে, অসমীয়া মাত্ৰেই আকৌ এবাৰ পঢ়ি চোৱা উচিত।

সেই শ্ৰদ্ধাৰ পাত্ৰজনৰ প্ৰতি সাহিত্য সভাৰ সভাপতি-পণ্ডিতৰ সুৰুচিপূৰ্ণ, সংযত আৰু শালীনতাপূৰ্ণ শ্ৰদ্ধাৰ্ঘ্য নিবেদন চাওক :

“হেমচন্দ্ৰ বৰুৱাই বিয়াকৰণ লিখি থৈ গৈছে অসমত 'ঈয়া' প্ৰত্যয় লাগি আমি অসমীয়াবোৰ হৈছোঁ। তেওঁ যদি কলেহেঁতেন 'ইয়া' প্ৰত্যয়ৰ লগত অসমৰ বিয়া হলেও আমি অসমিয়াবোৰ উপজিব পাৰোঁ, তেতিয়া হলে আমি অসমীয়াই হলোঁহেঁতেন। এজন মানুহৰ খেয়ালত এইভাৱে আমাৰ ভাষাৰ অভিনৱ ৰূপ !!” (বঙালী বিচিত্ৰা, পৃ. ০.১৫)।

অসমত বঙলা ভাষা বিদ্যালয়-আদালতত পৰম প্ৰতাপেৰে চলি থকা অৱস্থাত অসমীয়া ভাষাৰ আত্ম-প্ৰতিষ্ঠাৰ বাবে মৰ-সাহ কৰি অসমীয়া ভাষাৰ প্ৰতি পৰম শ্ৰদ্ধাৰে হেমচন্দ্ৰ বৰুৱাই লিখা অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনক “বিয়াকৰণ” বুলি, অসমীয়া ভাষাৰ কাৰণে গোটেই জীৱন খাটি ব্যাকৰণ-অভিধান ৰচনা কৰি ভাষাৰ বৰভেঁটি বান্ধি যোৱা কাৰ্যক “এজন মানুহৰ খেয়াল” বুলি শ্ৰদ্ধা নিবেদন সাহিত্য সভাৰ যি সভাপতি-পণ্ডিতে জনাব পাৰে, অসমীয়াসকলক “অসমীয়াবোৰ” বুলি তেনে পণ্ডিতে শ্ৰদ্ধা জনোৱা কথাত পত্ৰ-লেখকে আপত্তি নকৰিলেই বা।

শ্ৰীযুত হাজৰিকাই পত্ৰ-লেখকৰ প্ৰবন্ধটোৰ বক্তব্যৰ ওপৰত মন্তব্য কৰিবলৈ এৰি মান-সন্মানৰ কথাত গুৰুত্ব দিয়াত আচৰিত হৈছোঁ। তাতোকৈ আচৰিত হৈছোঁ তেখেতৰ মান-সন্মান জোখা জোখমাৰিডাল দেখি। সেই জোখমাৰিডালৰ মতে একেটা কাৰ্যৰ বাবে সাহিত্য সভাৰ সভাপতি হোৱা বাবে নেওগ নিন্দনীয় নহয়, সাহিত্য সভাৰ বিষয়-বাব নোপোৱা বাবে পত্ৰ-লেখক নিন্দনীয় হয়। অধিক লিখিবৰ দৰকাৰ নাই।

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

## অসম সাহিত্য সভাৰ ভিতৰ চ'ৰা

### MEMORANDUM SUBMITTED BY ASAM SAHITYA SABHA

To
The Home Minister,
Government of India
Camp : Gauhati.

Sir,

We, the undersigned, on behalf of the Asam Sahitya Sabha, beg to place before you the following lines in connection with the problem of influx of foreign nationals for favour of your urgent attention and appropriate action.

1. The Asam Sahitya Sabha is the premier organisation devoted to the progress of literary and socio-cultural life of the people of Assam. Its membership is open to all those who accept its broad aims and objectives. It has about 700 duly recognised branches, spread all over the state.

2. The Sabha is an active participant in the current movement sp headed by the All ssam Student nion and the All Assam Gana Sa gram Parishad demanding detection of all foreigners in Assam, their deportation from the state and deletion of the names of all the foreigners from the electoral rolls.

**Brief history :**

3. The problem of immigration into Assam is as old as 1826, when by the treaty of Yandaboo, Assam came under the British Rule. The British brought from the neighbouring state of West Bengal which had already aquired a fair knowledge of the English Language, ways and manners – all the middle and lower rungs of administrative cadres establish administration in newly aquired territory. These were Bengali speaking people and on their advice, Bengali was introduced in the courts of justice and other Govt. offices and schools in Assam. Thus for a period of 36 years from 1836—1872, a whole generation of Assamese people were placed under the domination of Bengali language and it was after much agitation, appeal and arguments that the status of Assamese language in Assam was restored.

**Encroachment upon Tribal belts & blocks.**

4. The first casualty of the immigrants were the Tribal people who were systematically threatened, disturbed and ultimately driven out from their own earth and home. The 'LINE SYSTEM',

which was introduced to protect them were transgressed by the immigrants with impunity and even the Tribal Belts and Block introduced later in 1945 could not hold the tide of the encroaching immigrants and protect the Tribals. The areas, predominantly populated with tribals are regarded by illegal immigrants as soft areas and even today, these are the areas which are their first targets.

**Coupland's Plan.**

5. It was on the eve of India's Independence that the question of illegal immigrants was high-lighted under Prof. Coupland's Plan which was proposed by the British Govt. for Indian's acceptance and discussed by the British Cabinet Mission with Indian Leaders. Assam was sought to be grouped with Bengal ( then including East Bengal ) in the Eastern Region. Assam realised the danger and felt that the people of Assam would lose their identity and their distinct language and cultural heritage, if their state is tacked to the numerically superior state of Bengal and successfully resisted the Regional Grouping Plan under the leadership of Gopinath Bordoloi, the then premier of Assam and with the blessings and support of Mahatma Gandhi.

**Post-Independent period.**

6. The infiltration of illegal immigrants however continued unabated—may, it assumed even more menacing proportion—after East Bengal became first, the East Pakistan and then Bangladesh. Before independence, the problem of immigration allready serious, could not be termed infiltration of Foreign Nationals. But after Independence, the presence of such a large number of Foreign Nationals, in this part of India has created a number of new problems. By systematic and planned infiltration into all available lands and by illegal occupation of most of the grazing and Forest Reserves, the foreigners have now entrenched themselves in all border areas of this state. Their presence is now felt in the Sub-Himalayan terrains stretching from Bhutan upto the Borders of the Arunachal Pradesh. In case of hositility, those people are likely to be a security hazard. We cannot afford to wait till then.

7. The presence of these foreign nationals anywhere in India would be bad, illegal and unconstitutional and pose a danger to the security of the country—but their presence in Assam and the other neighbouring states of the N. E. Region is even more dangerous—as these states are strategically located at the meeting points of Burma and China on the East and North-East Frontier and of Bangladesh on the Western border. The traumatic experience of Assam during the Chinese invasion of India in 1962 is still fresh in our memory.

**Seriousness of the problem**

8. The seriousness of the problem of foreigners' infiltration into Assam will be clear from the following Table :



| Year | Persons | Decadal Veriation | Percentage of decadal variation |
|---|---|---|---|
| 1901 | 3372114 | | |
| 1911 | 3939821 | +567707 | +16·84 |
| 1921 | 4735386 | +795565 | +20·19 |
| 1931 | 5684775 | +949389 | +20·05 |
| 1941 | 6847576 | +1162801 | +20·45 |
| 1951 | 8225058 | +1377482 | +20·12 |
| 1961 | 11103392 | +2878334 | +34·99 |
| 1971 | 14957542 | +3854150 | +34·71 |

**Percentage of Decadal increase**

9. During the forty years ( 1611—51 ), the average decadal variation was 19·4 per cent ; but it sharply rose to 35% in the two subsequent decades, thus indicating an increase of 15% over the growth of the preceding period. In the Sibsagar District alone, the avarage growth rate of 17·4% is maintained over the period of 1911—71. All other districts show uneven growth—rate as shown below :

| Districts | Period of growth-rate | Percentage of decadal increase |
|---|---|---|
| 1- Goalpara | 1901-1911 | 29·97 |
| 2. Kamrup | 1921 | 14·21 |
| | 1931 | 27·92 |
| | 1941 | 29·43 |
| 3. Darrang | 1911 | 11·89 |
| | 1921 | 27·69 |
| | 1931 | 22·65 |
| | 1941 | 25·07 |
| | 1951 | 24·25 |
| | 1961 | 39·64 |
| | 1971 | 34·62 |
| 4. Nowgong | 1911 | 15·84 |
| | 1921 | 31·94 |
| | 1931 | 41·35 |
| | 1941 | 15·37 |
| | 1951 | 36·65 |
| | 1961 | 36·51 |
| | 1971 | 38·83 |
| 5. Lakhimpur | 1911 | 26·29 |
| | 1921 | 34·07 |
| | 1931 | 23·09 |
| | 1941 | 22·70 |
| | 1951 | 17·94 |
| | 1961 | 38·85 |
| | 1971 | ·5·74 |
| 6. Karbi Anglong | 1951 ( first census in 1961 in the dist ) | 30·96 |
| | | 79·21 |
| | 1971 | 69·28 |
| 7. North Cachar Hills | 1951 | 6·16 |
| | 1961 | 36·95 |
| | 1971 | 40·00 |
| 8. Cachar | 1911—1941 | 8·3 |
| | 1951—1971 | 24.00 |
| 9. Sibsagar | 1911—1971 | 17·4 |

10. It is very clear from the abovte table that the problem of infiltration of foreigners, as already pointed out, became more acute after India's Independence. Some unseen but relentless hands have conspired, as it were, to implement Coupland's Regional Plan through systematic and persistant ways of infiltration with the virtual connivance of the State and the Central Governments.

11. Jawaharlal Nehru in a letter dated December, 1,1937 admitted the seriousness of this problem. As Prime Minister of Independent India, he again recognised the gravity of this problem while answer-

ing a question in Parliament on June 27, 1962. He strongly felt that 'Infiltration should be stopped and effectively dealt with.

12. The Nehru–Liaquat Ali Pact did not help Assam and the anti immigration measures, Nehru promised, did not materialise. Between 1950 and 1965 owing to communal riotes and socio-political unrest in East Pakistan (now Bangladesh) a large number of Pakistanis both Hindu and Muslim infiltrated into Assam. During the Bangladesh rebellion of 1971, 11 lakhs of Bangladeshis entered Assam and Meghalaya and stayed in camps and with their kinsmen. Very few of these foreigners withdrew to their own country, even after Bangladesh was established.

13. In addition to the Bangladeshis, Nepalese who require no travel documents to enter India, came in large numbers. Increase in their number in Assam during the last two decades is phenomenal. From a more 101335 in 1951, the Nepalese enhanced their strength in 1961 to 1, 82, 925 and in 1971, to 3, 53673, registering an increase of more than 48% per decade.

14. One cannot but recall the prediction made by the census Superintendent in Assam for 1931, Mr. C. S. Mullan, that the outcome of the unbriddled immigration could be like wiping out the Assamese race and culture more conclusively than did the Burmese invasion a hundred years ago. He observed that the immigrants had already 'conquered' the Nowgong district and was about to "conquer" the Barpeta subdivision and the Darrang district. Their next target would be North Lakhimpur. The above statement had a prophetic ring in it, which unfortunately for Assam, has been fully substantiated by the development of the subsequent years.

**Population influx mostly due to foreign infiltration.**

15. It may be argued that this sudden rise in population of Assam particularly in the last two decades might be due to migration of Indians from other states. But the census figures of 1971 reveal that only about 30 percent of the immigrants are from the other states of India, whereas the rest are foreign nationals.

**Tricks employed by the foreigners. :**

16. The first thing the foreigners do after entering Assam is to get themselves enrolled as voters with the connivance may often with active assistance of the anti-social elements, politicians and officials on the Indian side of the border. The reason is easy to understand. The infiltrators vote for the politicians who protect them in all respects. Indeed, some politicians in Assam, encourage infiltration to ensure their political survival.

17. The abnormal growth of population in Assam has its impact in the increase in the number of voters. This is clear from the following table which gives the number of voters in the last eight elections.



**Number of Voters in Assam**

| | Year | Number of Votes | Increase | P. C. of Increase |
|---|---|---|---|---|
| | 1957 | 4493357 | | |
| | 1962 | 4942816 | 449459 | 10·00 |
| | 1966 | 5585956 | 642240 | 12·99 |
| | 1970 | 5701805 | 116749 | 2 09 |
| | 1971 | 6296198 | 594398 | 10 42 |
| March | 1977 | 7229543 | 938345 | 14 82 |
| November | 1977 | 7974476 | 744933 | 10·30 |
| Sep. | 1979 | 8537497 | 563021 | 7 05 |

18. It will be seen from the above table that rise in the number of voters in the period 1957-70 shows a steady upward trend. But the growth rate in the period 1970-79 is really staggering. the total increase during these nine years is 28,35,692 which means an increase of 3,15,077 voters per annum. This abnormal increase can be traced only to an abnormal source. This source is not other than the immigration from foreign countries.

19. A. U. N. I. survey published in the 'Statesman' on December 4, 1979 put the increase in electorate in 1980 over 1977 figures in Assam, at 18·85% one of the highest in India. The lowest rate of increase (2·72%) was recorded in Tamilnadu. Another report published in the same newspaper (i. e. The Statesman), which is generally hostile to the present movement in Assam, throws some light on the threat to the political survival of Assam.

20. "An offshoot of this population explosion has been a sudden change in the composition of the district's(Goalpara) electorate. The immigrants are in absolute majority in seven of the nineteen Assembly constituencies in the district. In five more constituencies, they are numerous enough to be crucial for an electoral victory. There is almost a similar transformation in the smaller border district of Cachar, which return fifteen legislators, to be the 126 member state-assembly."

21. It is their entry into the voters list that the immigrants have gathered enough strength to influence the major decisions of the state Government over looking the security of the state and the country as a whole. That this situation poses a real danger to the demographic structure of the state was admitted by Shri S. L. Shakdher, the Chief Election Commissioner of India, in his address to the conferance Chief Electoral officers held at Otty on October 24 & 26, 1978. He said, "I would like to refer to the alarming situation in some states, specially in the North-Eastern Region, wherefrom distrubing reports are coming regarding large-scale inclusion of foreign nationals in the electoral rolls. In one case (Assam) the population in 1971 recorded an increase as high as 34·98 percent, over the 1961 figures and this increase was attributed to the influx of a very large number persons from the neighbouring countries. The influx has become a regular feature. I think it may not be a wrong assessment to make on the basis of increase of 34.98 percent between the two censuses, the increase that is likely to be recorded in 1991 Census would be more than 100 percent over the 1951 census. In other words, a stage would be rea-

ched when the state would have to reckon with the foreign nationals who may probably be a sizeable percentage, if not the majorty of the population of the state.

"Another disturbing factor in this regard is the demand made by the political parties for the inclusion in the electoral rolls of the names of such immigrants, who are not Indian citizens, without even questioning and properly determing their citizenship status. This is a serious state of affairs. The gravity of the situation, therefore, calls for drastic measures".

22. And yet, the same Election Commissioner under the pressure of the politicians of the same complexion swallowed his own words and wanted to force a mid-term poll on Assam with lakhs of foreign nationals in the Voters' list. What followed next in Assam was, therefore, only a natural consequence for which the AASU and the All Assam Gana Sangram Parishad should be congratulated and not blamed.

**Issue of citizenship certificate by W. B. & Tripura Govt.**

23. Many of these infiltrators deported by Assam Government have been detected coming back again, this time armed with citizenship certificates issued by the Govts. of the neighbouring states of West Bengal and Tripura. Only the Central Government can cancel or nullify these certificates. The Government of Assam have forwarded these cases to the Central Government who have taken no action on these so far from the voters' list.

**Impact on the economic life**

24. The 1971 census records the density of population in Assam is 186 per square K. M. This density is higher than the all India average of 177 persons per square K. M. The density of population in the Brahmaputra Valley is 22·1 per square K. M. which is far above the average for India as a whole. The effective density in some districts is as high as 548 square K. M. As such it has to be heavily upon the agrarian economy of Assam. The tea industry here which produces 270 million Kgs. of tea worth over Rs. 400 crores a year is controlled from Calcutta and London. The forest resources have been steadily destroyed by the infiltrators leading to a major ecological crisis. Moreover, this has created an acute problem of short rainfall and high floods alternatively. Sixty per cent of the N.F. Railway tracks pass through Assam. But the percentage of Assamese employed in the N. F. Railways is less than 15 percent. A substantial number of new appointees are from amongst the infiltrators and their relations. They find employment there through the active help of their compatriots who have monopolised the appointments in the N. F. Railways from the early days. Moreover, the Railway colonies like Rangiya, Maligaon, Gauhati, Pandu, Bongaigaon, and Lumding and the commercial centres like Tinsukia and Digboi have become honeycombed



with Bangladeshis who have converted these areas into hotbeds of anti-Assam agitation, politics and intimidation. Thousands of Bangladeshis have found refuge in these colonies.

In the last two decades, the population in Assam has risen by 35 percent, but food production only by 14 percent with the cropped area remaining almost constant. Assam cannot maintain this huge influx of foreign population without causing grievances a deficit state in food-grains and other commodities of everyday consumption.

**Sociocultural instability**

25. Most of the infiltrators are agriculturists and simple by nature. The early settlers among them have started sending their children to schools and colleges but the new infiltrators are still averse to education and their ever-increasing number has kept the literacy figure very low for Assam as a whole. But the Hindu infiltrators being expantionists by nature and suffering from linguistic chauvinism, take the earliest opportunity to capture jobs wherever possible. Most of them cluster arround the Railway colonies and commerce centres and instigate the ignorant infiltrators, the muslims, against the indigenous people. It may be mentioned that early Muslim settlers in the rural areas completely merged in the wider Assamese society and became full-fledged participants of the state. Communal tension and riots in Assam were practically unknown till 1950. But in the post-independence period, the heavy influx of foreign nationals had vitiated the peaceful atmosphere in the State. A section of scheming politicians and social leaders used to poor and illiterate people to create a violent situation whenever it suited their interests.

26. The principle of linguistic re-organisation of the Indian states was unanimously accepted years ago and each Indian language has a home state. The official language 'Hindi' has appropriately several home states. As such it is but reasonable that Assamese too, should have a home state of its own. The development of the past two decades has jeopardised the very existence of the Assamese language and culture. The position of Assam is exactly analogous to that of Kashmir. Both have a comparatively small population with a distinct language and culture. Both are strategically located in sensitive areas bordering on several foreign countries not always friendly to India. Both are industrially backward with more powerful and numerically superior neigbours, who left unprotected may swamp these two small states. Kashmir is justifiably protected with all constitutional, military and economic safeguards. May we request you that the same safeguards be extended to Assam ?

**Central responsibility.**

27. In the year 1950, "Immigrants ( expulsion from Assam ) Act 1950", was passed by the Parliament. In the statement of objects and reasons of the said

Act it was mentioned that "During the last few months, a serious situation had arisen from the immigration of a very large number of East Bengal residents into Assam. Such a large migration is disturbing the economy of the Province besides giving rise to a serious law and order problem."

28. According to the 7th schedule to the Constitution, the subject 'Citizenship, naturalisation, aliens' and admission into and imigration and expulsion from India – "Pass-port and Visas- are subjects related to the Central list vide entries 17 and 19 of the said list. Therefore, it is the constitutional duty of the Central authority to stop influx of foreign nationals. But the Central Govt. has so far completely failed to grapple with the problem. Similarly, preparation of electoral rolles is directly within the purview of election Commission. We reiterate that inclusion of a single name of a foreign national in the voters' list is unconstitutional whether it be in Assam or any other part of India.

29. We have genuine fear that foreign nationals would injure regional and national interests. Our neighbours in the Hill States fully share our fears that if corrective steps are not taken immediately, they too might share the same fate as the original inhabitant of Tripura.

30. To check the inclusion of foreigners' names in the Voters' list, effectively, the C. E. C. suggested to the Home Ministry the introduction of identity cards for every voter. The entire population of North-Eastern states welcomed the suggestion and hoped that something concrete would come out of it. But there was no positive response from the Central Government towards implimentation of the proposal.

31. When Hiralal Patowari M. P., Mangaldoi died, a bye-election became due there and the Voters' list was being prepared. During the process, a large number of names of foreign nationals were discovered. Under the direction of the Government, Police detected 47.600 names of foreign nationals in the Voters' list and reported the matter to the Electoral Registration Officer who disposed of 36.000 cases out of which 26,000 were declard as foreigners. But before the remaining cases could be disposed of the C. E. C., at the instance of some interested politicians, cancelled the action of the Electoral Registration Officer, Assam, and restored all foreigners' names to the Voters' list. All further action was stopped in the matter. Detection of such a large number of foreign voters in the Mangaldoi Parliamentary constituency was an eye-opener for the people of Assam.

Then came the mid-term poll for the entire country. The students made a demand for correction of voters' lists of all the constituencies of Assam. The Asam Sahitya Sabha and other organisations joined there. The movement found a spontaneous response from the entire people of Assam. It started with a mammoth rally of students at Gauhati



on November 6, 1979, followed by a unique week-long satyagraha, ending on November, 17 in which lakhs of people from all walks of life including Indian nationals like Sikhs, Rajasthanis, Biharies, U. P. men, Tamilians, Malayalis, Gujratis, Kannries, Sant hali Tea-garden labourers, Khasis, Manipuris, Bengalies and Muslims living in Assam took part.

32. The Gana Satyagraha was followed by mass picketing, Assam Bandh and finally the mass picketing at the candidates' homes. The tragic climax was reached on the eve of the final date of submission of nomination papers by Lokasabha candidates on December 10,1979. A student picketer Shri Khargeswar Talukdar succumbed to brutal lathi charges resorted to by a police party apparently escorting the Barpeta candidate, Begum Abida Ahmed from Gauhati to Barpeta, on the night of December 9-10, 1979. Many others were seriously injured. The wounded included two college Principals As a result, nominations in 10 Parliamentary constituencies out of 14, were not submitted. Begum Abida Ahmed's nomination paper submitted from the Barpeta constituency was cancelled by the Returning Officer and other candidates from the Barpeta constituency from the contest. Later on the Hill people of Karbi Anglong constituency peacefully and successfully resisted election through non-co operation movement. In Shillong constituency of Meghalaya also, no contestants were found willing to run for the election. Thus election in Shillong and 12 constituencies of Assam were successfully stalled.

**Nature of the movement**

33. This movement has been peaceful. The All Assam Students' Union and the All Assam Gana-Sangram Parishad have pledged themselves to conduct this movement on peaceful, non-violent, secular and democratic lines and they have been as good as their word. Many prominent journalists who have observed this movement have categorically stated that it has been carried on Gandhian principles and at no stage violent and destructive methods have been adopted by the picketers and Satyagrahis.

The people including the Class I officers and other employees of the Assam Govt. and all sections of Central Govt. Bank, Insurance employees, co-operated. How was it possible ? It was the cause and justice behind it that galvanised the entire people of Assam and made them stand stoutly behind the movement.

34. A section of Anti-Assam politicians and bureaucrats are active in their attimpts to inject violence into the movement and frustrate it. Communal passions have been roused amongst the illiterate foreign nationals who follow agricultural profession in Assam. Violent incidents have been committed by organised educated groups of foreign nationals who are concentrated in certain pockets of Railway colonies and trade and commerce centres. with a view to misleading the movement and give it a bad name.

35. The first shot was fired at Naharkaitia where Purna Nirmalia a teen-aged school boy was mercilessly done to death by a Bengali owner of a restaurant for a paltry sum of eighty paise. The emotion that followed was quickly brought under control by the Assam Police. Then disturbances were created in a few tea-gardens near Doomdooma, with the help of some gullible Tea garden labourers misrepresenting to them that the present movement was to oust them from Assam. At Lumding, a Police constable Shri Kamaleswar Bora was killed by an armed gang. The victims in each of these cases, were Assamese. But there was no retaliation and the movement was carried on undeterred on the avowed peaceful lines.

36. Then came the organised violence of the Govt. machinery under the leadership of D. I. G. Shri K. P. S. Gill and Commissioner Shri Narasinham who while apparently escorting Begum Abida Ahmed in her journey to Barpeta for submission of nomination paper on 10.12.79 charged with lathis, batons and stones batch after batch of peaceful and non-violent picketers throughout the route from Gauhati to Barpeta. The fatal victim was a brilliant College student Shri Khargeswar Talukdar. Scores of other young men received grievous injuries as a result of police attacks. Then Dilip Huzuri, a young boy was killed by a group of foreign nationals when he along with a few others, went to collect subscription for the movement. This happened at a place called Barikadanga, near Nalbari. About the same time, an Assamese village called "Arrah" and some Assamese settlements at "Kaweimari" Reserve in the Barpeta subdivision were burnt, pillage and completely destroyed by some foreign miscreants. There was a repercussion of this brutal action in Nalbari sub-division at "Chawlkhowa" and some villages north of Nalbari which gave the authority a clue to put the entire sub-division under Curfew and a big area thereof, under the Military Rule. Repression and the heionus crimes committed in the name of restoring law and order in that area surpassed the worst tyranny and crimes perpetrated during the Burmese invasion of more than a hundred years ago. Even old people above 70 were mercilessly beaten, all male members and children were tied down to trees and women including pregnant women and recently delivered ones were molested and raped. All this happened during the night of 10th and 11th January, 1980.

37. On January 18,1980 — second Jallianwallabagh was enacted at the oil town of Duliajan. Elaborate preparations were made there on the two preceeding days by the Commissioner, the Deputy Commissioner, Dibrugarh, the D. I. G., Upper Assam Range and the Superintendent of Police. When the picketers, swelling to about 12 thousand, gathered peacefully in the office compound. Suddenly at about 8 A. M. the gathering was declared an unlawful assembly and only 15 minutes' time was given them to withdraw from the place. When women, men and young children



gathered there wanted to withdraw they found the gates closed and locked. Sudden and continuous firing followed which caused the gathering ran pell-mell over the boundary walls. Those who died on the spot were the very persons who begged the C. R. P. for a little more time to withdraw and to spare the women and children from the uncalled for barrage of bullets. Dr. Robin Mitra, the Technical Manager was a victim of mob fury at least an hour and a half after this ugly incident. But the actual number of casuality was much more.

38. The un-equivocal demand of the people of Assam is that the culprits who planned and carried out the brutal crimes in North Kamrup and at Duliajan must be detected and suitably punished. The Govt. owe it to the people of Assam to make suitable amends for these dastardly acts. We are constrained to say that the people of the state are utterly disappointed to note that no step has been taken so far by the Govt. towards that end.

**The role of a section of the Press**

39. From the very beginning, a section of Bengal politicians and almost the entire Calcutta press have consistently distorted and misrepresented Assam and its present movement. At first, they labelled it as a linguistic riot when the movement gathered sufficient strength and some foreign and international media of communications focused its real character the Calcutta Press tried to give it a communal colour. When that too became untenable, the Calcutta Press called it a parochial and chauvinistic movement. On the spot verification by some nationally and internationally famous editors made that canard also untenable and now these vendors of distorted information have dished out the theory that this is a cessationist movement and the CIA are responsible for it.

**Our demands.**

40. In the light of what has been discussed in the preceeding paragraphs, the conclusion becomes irrestible that if immidiate and effective action is not taken simultaneously on all aspects of the problem of Assam as it has been known from hundreds of years to India and the world will be wiped off the map of India. The same fate will engulf the whole North-Eastern region in course of a few years.

**We therefore demand that :**

1. Border of India with neighbouring foreign states must be fully protected to make impossible infiltration into this country.

2. Foreign nationals as defined in the constitution Citizenship Act., 1955 and foreigners' Act. must be detected and detected from the country.

3. Names of foreign nationals must be removed from the concerned electoral rolls before holding elections anywhere

in Assam including the Karbi Anglong district.

4. Adequate and strong action must be taken to prevent inclusion of names of foreigners in the electoral rolls in future.

5. Identity cards with photographs affixed should be issued to Indian voters residing in Assam.

6. Necessary constitutional provisions must be made for the protection of the identity of the indigenous people of this region.

7. The Government of Assam should be authorised to reject any certificate regarding citizenship issued by the authorities of West Bengal, Tripura or of any other state.

8. Delegation of Central Government authority to the State Governments for issuing citizenship certificates to the foreigners once rejected by a state should be withdrawn, so that foreigners once deported from Assam cannot come back armed with a citizenship certificate from some other State Government.

The following proposals are put forward to facilitate implementation of the above demands :

1) The number of check posts should be increased. All check posts should be placed at visible distance from one another.

2) A Free Zone, without trees or houses be created all along the international border crossing of which without valid travel documents should be exposed to shooting at sight. Importance of this measure can be minimised only at the cost of grave national peril.

3) The National Register of Citizens (N. R. C.) of 1951 should be made up-to-date by taking into consideration the additions to the number of each family since the time of compilation of the Register. This will have to be done with the help of Revenue officials, Police and if necessary with the help of the school teachers of the locality who can demand confidence of the people in general.

4) Birth and Death Register at all Blocks, village and town level should be strictly maintained in order to prevent future infiltration into the voters' list.

5. We very earnestly request you to look into the definite failure of B. S. F in detecting infiltrators. We have grave suspicion that the reason behind this is not inefficiency alone. Corruption and deliberate inaction cannot be ruled out.

The following table will make the point clear :

| YEAR | B. S. F. | Border DIG (S. Govt) |
|---|---|---|
| 1974 | 104 | 5171 |
| 1975 | 405 | 18068 |
| 1977 | 1 (One only) | 5074 |



We are convinced that the Border Security Force as constituted now will not be able to deliver the goods. We therefore demand that the border between Bangladesh and Assam should be manned by a contingent of Assam Armed Constabulary constituted for purpose. Meanwhile, the issues involved have been discussed by the Prime Minister and Home Minister with the representatives of ASU and most of these have been accepted by them. The problem brooks no delay. Immediate and strong action alone can solve this problem. Your association with Assam and your interest in its all-round welfare is well-known to the people of Assam. We, therefore, look forward to you for a speedy and just solution. So many lives have been lost in this cause. Let not their supreme sacrifice go in vain.

We remain,

Yours faithfully,

Autul Chandra Borua
President, Asam Sahitya Sabha
Satyendranath Sarma,
Ex-President, Asam Sahitya Sabha
Lila Gogoi,
General Secretary.
Nishipada Choudhury,
Asstt. Secy.
Nagen Saikia, Ex-General Secy.
Sd/ Jogesh Das, Ex-Vice-President
Sd/ Naren Sharma, Ex-Treasurer.
Sd/ Rajanikanta Deva Sharma,
Vice-President.

# সপ্তম লেখক-শিবিৰ ঃ এটি চমু খতিয়ান

যোৱা বছৰৰ নবেম্বৰ মাহৰ ১০ আৰু ১১ তাৰিখে ডিফু নগৰৰ "অসমৰ জনজাতি আৰু অসমীয়া সংস্কৃতি" বিষয়ৰ আলোচনাৰ্থে অসম সাহিত্য সভাৰ সপ্তম লেখক-শিবিৰ অনুষ্ঠিত হৈ যায়। সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই প্ৰথমদিনা পতাকা উত্তোলন কৰি শিবিৰৰ শুভাৰম্ভ কৰে। অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে শিবিৰটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি, এটা সাৰগৰ্ভ ভাষণ দি, আলোচ্য-বিষয়ৰ পৰিধিৰ পৰিচিতি দাঙি ধৰে। বংগদেশৰ দৰে অসমতো সকলোবোৰ জন-জাতি-উপজাতিৰে পৰিচয়মূলক গ্ৰন্থাৱলী প্ৰকাশ কৰিব লাগে বুলি শ্ৰীগোস্বামীদেৱে কয়। সভাপতি শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই সভাপতিৰ ভাষণ প্ৰসংগত কয় যে, সাহিত্যতকৈ সংস্কৃতিৰ মাজেদিহে বিভিন্ন জন-গোষ্ঠীৰ মাজত সম্প্ৰীতিৰ ভাব দৃঢ় কৰিব পাৰি। শিবিৰৰ সঞ্চালক শ্ৰীৰজনীকান্ত দেৱশৰ্মাই "অসমীয়া জাতি গঠনত জনজাতীয় উপাদান" শীৰ্ষক আলোচনাৰ বিষয় উত্থাপন কৰিবলৈ সম্পাদক শ্ৰীলীলা গগৈক আহ্বান জনোৱাত, তেখেতে ভাষণ-প্ৰসংগত কয় "আমি এতিয়া অসমৰ কথা ক'লে ৰাজনৈতিক অসমৰ ছবিলৈ মনত নেপেলাই ঐতিহাসিক তথা সাংস্কৃতিক বৰঅসমৰ কথাহে মনত পেলোৱা যুগুত।"

সাংস্কৃতিক সমন্বয়ত বৃহৎ অসমীয়া জাতি গঢ়ি উঠিছে বুলি শ্ৰীহৰিপ্ৰসাদ ৰায়ে তেখেতৰ ভাষণ-প্ৰসংগত কয়। লাচিতৰ দৰে বং বং হাম্ নামৰ কাৰ্বি বীৰজনো অসমীয়া জাতীয় বীৰ বুলি স্বীকৃত হ'ব লাগে বুলি শ্ৰীযজ্ঞোৰাম গগৈয়ে মন্তব্য কৰে। বড়ো, কছাৰী, ডিমাচা, নগা, কাৰ্বি আৰু কাছাৰৰ মুছলমানসকলৰ সাংস্কৃতিক সমন্বয়ত কাৰ্বি আংলং জিলাৰ অভিনৱ সংস্কৃতি গঢ় লৈ উঠিছে বুলি এম, ইলিয়ুদ্দিন দেৱানে কয়। শ্ৰীটিকাৰাম উপাধ্যায়ে শিবিৰৰ প্ৰথম আলোচ্য-বিষয়ৰ ওপৰত এটি লিখিত প্ৰবন্ধ পাঠ কৰে।

দ্বিতীয় বৈঠকৰ আলোচ্য-বিষয় আছিল "অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান।" আলোচনা মুকলি কৰি ড° মোহিনীকুমাৰ শইকীয়াই তেখেতৰ লিখিত প্ৰবন্ধত কয় "অসমীয়া সংস্কৃতিত জন-জাতীয় উপাদান বিচাৰ কৰা মানে নিজৰ গাত হাত ফুৰাই এইটো কাৰ গা বুলি প্ৰশ্ন কৰাৰ দৰে।" অসমৰ জনগোষ্ঠীত মংগোলীয় আৰু অমংগোলীয় লোকেই বেছি আছে। ভাৰতৰ আন ঠাইৰ দৰে অসমৰ কঠোৰ সাম্প্ৰদায়িকতা নথকাত বিভিন্ন জন-গোষ্ঠীৰ মাজত বিয়া-বাৰু হৈ এক সমন্বয় গঢ়ি তুলিছে। জনজাতীয় উপাদানৰ পটভূমিত লিখিত এটা প্ৰবন্ধ শ্ৰীভৃগুমুনি কাগ্যুঙে পাঠ কৰে। নিজা ভাষা-সংস্কৃতিৰ লগত থলুৱা ভাষা-সংস্কৃতিৰ আদান-প্ৰদান হৈ বৰ্তমান কেনেকৈ এক নতুন মিছিং ভাষা আৰু সংস্কৃতিয়ে গঢ় লৈ উঠিছে, তাক নানা উদাহৰণেৰে শ্ৰীইন্দ্ৰেশ্বৰ পেগুৱে ব্যাখ্যা কৰি দেখুৱায়। নৰোত্তম আতৈয়ে শিকাই যোৱা সম্প্ৰীতিৰ মহামন্ত্ৰৰ প্ৰতিধ্বনি আজিও নগাসকলৰ প্ৰাণত অনুৰণিত হৈ আছে বুলি শ্ৰীহৰিপ্ৰসাদ ৰায়ে



কয়। নিজস্ব সাংস্কৃতিক ঐতিহ্য থকা ১৩৭ টা চাহ-মজদুৰ জনগোষ্ঠীৰ মাজত প্ৰচলিত কৃষ্টিৰ লগত অসমীয়া কৃষ্টিৰ অদ্ভুত সাদৃশ্য ব্যাখ্যাসহকাৰে দেখুৱাই সুবক্তা শ্ৰীদেউৰাম তাছাই। শ্ৰীনগেন শইকীয়াই তেখেতৰ ভাষণ প্ৰসংগত কয় যে, অসমীয়া ভাষা-সংস্কৃতিত আৰ্যগোষ্ঠীৰ প্ৰভাৱ লক্ষণীয় যদিও আলপাইন, মংগোলইড আদি গোষ্ঠিৰ অৱদানো অনস্বীকাৰ্য। অসমলৈ প্ৰব্ৰজন কৰা বিভিন্ন জন-গোষ্ঠীৰ লোকে জাতীয় জীৱনৰ মূল সুঁতিটোৰ লগত মিলি গৈ বৃহৎ অসমীয়া জাতি গঠন কৰিছে। অসমৰ চাহ-মজদুৰসকলৰ বিভিন্ন প্ৰজাতিয়ে অসমীয়া জাতিলৈ আগবঢ়োৱা আৰ্থিক অৱদানৰ লগতে সাংস্কৃতিক অৱদানৰ কথাও বিচাৰ কৰি চাব লাগে বুলি ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে মন্তব্য কৰে।

পিছদিনা 'অসমীয়া সাহিত্যত জনজাতীয় জীৱন আৰু চৰিত্ৰ' শীৰ্ষক আলোচনা মুকলি কৰে ড°বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই। ভাষণ প্ৰসংগত শ্ৰীভট্টাচাৰ্যই কয় যে, আধুনিক অসমীয়া সাহিত্যৰ বৈপ্লৱিক পৰিবৰ্তনে জাতীয় জীৱনৰ ৰূপগত উপদানৰ প্ৰকৃতি সলনি কৰি পেলাইছে। অৱহেলিত জনগোষ্ঠীৰপৰা কাহিনী সংগ্ৰহ কৰাটো পৃথিবীৰ সকলো সাহিত্যৰে দ্বিতীয় স্তৰৰ লক্ষণ। এজন বাহিৰা লোকে কোনো-জন-জাতিৰ বিষয়ে লিখিবলৈ হলে সেই জন-জাতিৰ এজন হৈ সংশ্লিষ্ট লোকসকলৰ মাজত মিলি যাব পাৰিব লাগিব; দূৰবীণ-দৃষ্টিৰে চাই সাৰ্থক সাহিত্য সৃষ্টি কৰিব নোৱাৰি। চৰকাৰী প্ৰতিবেদন জাতীয় লিখনীত জন-জাতীয় লোকৰ জীৱনৰ সাৰ্থক প্ৰতি-চ্ছবি ফুটি নুঠে বুলি শ্ৰীযতীন মিপুনে কয়। কেঁচা পাতৰ কঁপনি, উ-খুন্-জংগা আদি উপন্যাসত সংশ্লিষ্ট জনগোষ্ঠীৰ জীৱনৰ প্ৰতিচ্ছবি বহুলাংশে অংকিত হৈছে বুলি শ্ৰীনগেন শইকীয়াই কয়। গোৱালপৰীয়া ৰাভাসকলৰ সামাজিক জীৱনৰ প্ৰতিনিধিত্ব কৰিব পৰা কিতাপ এতিয়ালৈকে আমাৰ সাহিত্যত নাই বুলি ক'লেও অত্যুক্তি কৰা নহয় বুলি শ্ৰীৰাজেন ৰাভাই কয়। 'হাইমু,' ড° জয়ন্তকুমাৰ ৰংপীৰ 'পুৱাতে এজাক ধনেশ' আদি গ্ৰন্থত কাৰ্বি-সকলৰ মানসিকতা আৰু তেওঁলোকৰ জীৱনলৈ অহা ক্ৰম পৰিবৰ্তনৰ চিত্ৰ দাঙি ধৰাত কৃতকাৰ্য হৈছে বুলি শ্ৰীচামসিং হাঞ্চেই কয়। মিছিং সমাজৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগীৰে লিখা 'মিৰি জীয়ৰী'য়ে সেই সময়ৰ মিছিং সমাজৰ সাৰ্থক প্ৰতিনিধিত্ব কৰিছে বুলি শ্ৰীইন্দ্ৰেশ্বৰ পেগুৱে কয়।

আলোচনাৰ চতুৰ্থ বিষয় "অসমীয়া ভাষালৈ জন-জাতীয় ভাষাৰ বৰঙনি"ৰ আলোচনা মুকলি কৰে শ্ৰীবিশ্বেশ্বৰ হাজৰিকাই। অসমৰ জনজাতিসমূহৰ শব্দসম্ভাৰযুক্ত অভিধান এখন নোলোৱাত এই ভাষা-বোৰৰ বিষয়ে বৈজ্ঞানিক আলোচনা কৰাত অন্তৰায় হৈছে বুলি শ্ৰীহাজৰিকাই কয়। অসমীয়া ভাষাত ৬৭টা উপভাষাৰ শব্দ আছে বুলি তেখেতে কয়। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামীয়ে লিখিত প্ৰবন্ধত কয় যে, অষ্ট্ৰিক, দ্ৰাবিড় আৰু ভোট-চীন, এই তিনিটা মূল ভাষাৰ শব্দই অসমীয়া ভাষাত বিশেষ ঠাই অধিকাৰ কৰি আছে যদিও বিভিন্ন সময়ত বিভিন্ন লোক অসমলৈ আহি নিজ ভাষাৰ শব্দবোৰক অসমৰ পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খুৱাই অসমীয়া শব্দসম্ভাৰ চহকী কৰিছে। শ্ৰীবলাইৰাম সেনাপতি আৰু শ্ৰীবংবং তেৰাঙে লিখিত প্ৰবন্ধ পাঠ কৰে। মিৰি, মিকিৰ, লালুং আদি শব্দৰ ঠাইত মিছিং, কাৰ্বি, টিৱা আদি শব্দ নতুন অভিধানত সন্নিবিষ্ট কৰিব লাগে বুলি শ্ৰীতেৰাঙে কয়। সংশ্লিষ্ট জন-জাতিয়ে নিজভাষাৰ একোখন কোষগ্ৰন্থ হাতেলিখা অৱস্থাত হলেও প্ৰস্তুত কৰিবলৈ সঞ্চালকৰ আসনৰ-পৰা শ্ৰীৰজনীকান্ত দেৱশৰ্মাই আহ্বান জনায়।

সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীঅতুলচন্দ্ৰ বৰুৱাই। শ্ৰীলীলা গগৈয়ে শিবিৰৰ দুয়োদিনৰ চমু

কাৰ্য-বিৱৰণি পাঠ কৰে আৰু প্ৰতিক্ৰিয়াশীল চক্ৰৰ প্ৰৰোচনাত কাৰ্বিসকল ভোল নাযাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথিৰ ভাষণত শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে শিবিৰৰ সাফল্যত সন্তোষ প্ৰকাশ কৰাৰ লগতে 'অসম মৰিলে আমিও মৰিম'—এই মহামন্ত্ৰ প্ৰত্যেক অসমীয়াৰ মহাবাণী হ'ব লাগে বুলি কয়। অভ্যৰ্থনা সমিতিৰ ফালৰপৰা, ডিফু সাহিত্য সভাৰ সভাপতি জয়সিং দলৈ, অভ্যৰ্থনা সমিতিৰ হৈ উপাযুক্ত ৰাণা বেনাৰ্জী, কেশৱ শৰ্মা আৰু বিদ্যা সিং ইংলেঙে একাষাৰ কয়।

সন্ধিয়া সাংস্কৃতিক সম্মিলনৰ উদ্বোধনী ভাষণত শ্ৰীজয়সিং দলৈয়ে কয় যে, নিজা সংস্কৃতি সংৰক্ষণ কৰি, অসমীয়া জাতীয় জীৱনৰ মূল সুঁতিটোৰ লগত নিজক খাপখুৱাই, সাংস্কৃতিক সম্প্ৰীতি অক্ষুণ্ণ ৰাখি কাৰ্বি সমাজ আগুৱাই যাব।

(থভিয়ান যুগুত কৰিলে লেখক-শিবিৰৰ প্ৰতিবেদক শ্ৰীদিলীপকুমাৰ ফুকনে)

# অসম সাহিত্য সভাৰ প্ৰকাশন

( বৰ্তমান মজুত থকা )

| | |
|---|---|
| ১। আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ২। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০·০০ |
| ৩। দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫·০০ |
| ৪। কালিৰাম মেধি ৰচনাৱলী | ২৫·০০ |
| ৫। ভাষণাৱলী ৪ৰ্থ খণ্ড | ২০·০০ |
| ৬। ষ্টাডিজ্ ইন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০·০০ |
| ৭। অসম সাহিত্য সভাৰ ৰূপলেখা | ১৬·০০ |
| ৮। মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ |
| ৯। গোৱালপৰীয়া লোকগীত | ১৫·০০ |
| ১০। কামৰূপী লোকগীত | ১৫·০০ |
| ১১। প্ৰবন্ধ সঞ্চয়ন | ১৫·০০ |
| ১২। নলিনীবালা দেৱী | ১৫·০০ |
| ১৩। কালিৰাম মেধি স্মৃতিমালা | ১২·০০ |
| ১৪। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২·০০ |
| ১৫। অসমীয়া লোকগীতি সংগ্ৰহ | ১২·০০ |
| ১৬। আনন্দৰাম ঢেকিয়াল ফুকন প্ৰি ফৰ আচাম এণ্ড আচামীজ | ১২·০০ |
| ১৭। নাগালেণ্ড | ১০·০০ |
| ১৮। অসমীয়া গল্পগুচ্ছ | ১০·০০ |
| ১৯। বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০·০০ |
| ২০। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ |
| ২১। টিহু লখিমী | ১০·০০ |
| ২২। লংকাকাণ্ড ৰামায়ণ | ১০·০০ |
| ২৩। ডেভলপমেণ্ট অৱ স্ক্ৰিপ্ট ইন এনচিয়েণ্ট কামৰূপ | ১০·০০ |
| ২৪। বেজবৰুৱাৰ দিনলেখা (২য় খণ্ড) | ১০·০০ |
| ২৫। তৰুণৰাম ফুকন স্মৃতিমালা | ১০·০০ |
| ২৬। হেম বৰুৱা | ১০·০০ |
| ২৭। চেক্সপীয়েৰ | ১০·০০ |
| ২৮। ৰাভা জনজাতি | ৭·০০ |
| ২৯। অসমীয়া প্ৰাচীন লিপি | ৭·০০ |
| ৩০। ৰাধাকান্ত সন্দিকৈ ভাঙৰীয়া | ৭·০০ |
| ৩১। অ্যাৰিষ্টটলৰ কাব্যজিজ্ঞাসা | ৬·০০ |
| ৩২। বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ |
| ৩৩। টলষ্টয় | ৬·০০ |
| ৩৪। তিস্তাৰৰ সৌৰৱণ | ৬·০০ |
| ৩৫। পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ |
| ৩৬। হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতিমাল্য | ৬·০০ |
| ৩৭। অসম সাহিত্য সভাৰ সুৰচনী | ৬·০০ |
| ৩৮। অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬·০০ |
| ৩৯। সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৪০। জগন্নাথ বৰুৱা | ৫·০০ |
| ৪১। ভিৰা সম্প্ৰদায় | ৫·০০ |
| ৪২। এনেলচ্ অৱ আচাম সাহিত্য সভা | ৫·০০ |
| ৪৩। স্নেহৰ অৰুণাচল | ৫·০০ |
| ৪৪। শতাব্দীৰ অৰ্ঘ্য | ৫·০০ |
| ৪৫। চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫·০০ |
| ৪৬। চেম্যুৱেল জনচনৰ জীৱনী | ৫·০০ |
| ৪৭। চুটি গল্প | ৫·০০ |
| ৪৮। গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ |
| ৪৯। অধ্যয়ন চক্ৰ | ৫·০০ |
| ৫০। সোণোৱালৰ সাধু | ৫·০০ |
| ৫১। দেউৰী চুতীয়া | ৪·০০ |
| ৫২। কাৰ্বি জনগোষ্ঠী | ৪·০০ |
| ৫৩। ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৫৪। ডিমাছা | ৪·০০ |
| ৫৫। আউটলুক অন নেফা | ৪·০০ |
| ৫৬। অসম সাহিত্য সভা বাৰ্ষিকী, বৰ্ডিয়া | ৪·০০ |
| ৫৭। চুক্তি আৰু চুক্তিবাদ | ৪·০০ |
| ৫৮। ধ্বনি আৰু ৰসতত্ত্ব | ৪·০০ |
| ৫৯। ৰাভা সাধু | ৪·০০ |
| ৬০। শিখধৰ্মীয় সাধু | ৪·০০ |
| ৬১। বড়ো সাধু | ৪·০০ |

| | | |
|---|---|---|
| ৬২। | অসম সাহিত্য সভা পত্রিকাৰ প্ৰবন্ধপঞ্জী | ৪·০০ |
| ৬৩। | বাস্তৱিৰ বিভূতি | ৪·০০ |
| ৬৪। | অসমৰ বনৌষধি | ৪·০০ |
| ৬৫। | নিবেদন | ৪·০০ |
| ৬৬। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪·০০ |
| ৬৭। | অসমীয়া সংগীতৰ ঐতিহ্য | ৩·৫০ |
| ৬৮। | ৰাসায়নিক আৱিষ্কাৰ আৰু আমি | ৩·৫০ |
| ৬৯। | অসমৰ খনিজ সম্পদ | ৩·৫০ |
| ৭০। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩·৫০ |
| ৭১। | ৰহিম ৰূপবানৰ সাধু | ৩·৫০ |
| ৭২। | জীৱনী | ৩·০০ |
| ৭৩। | বিলিজিয়ন অৱ লভ এণ্ড ডিভ'চন | ৩·০০ |
| ৭৪। | মুদ্ৰাৰাক্ষস | ৩·০০ |
| ৭৫। | কর্পূৰমঞ্জৰী | ৩·০০ |
| ৭৬। | অসম সাহিত্য সভা বাৰ্ষিকী : বৰপেটা | ৩·০০ |
| ৭৭। | ,, ,, ,, ,, : ধিং | ৩·০০ |
| ৭৮। | ,, ,, ,, ,, : মাকুম | ৩·০০ |
| ৭৯। | ,, ,, ,, ,, : তেজপুৰ | ৩·০০ |
| ৮০। | লিপি সমস্যা | ৩·০০ |
| ৮১। | টাই ভাষা | ৩·০০ |
| ৮২। | প্লেটো | ৩·০০ |
| ৮৩। | বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ |
| ৮৪। | তৰুণৰাম ফুকন | ৩·০০ |
| ৮৫। | চাহৰ কথা | ৩·০০ |
| ৮৬। | কাৰবি সাধু | ৩·০০ |
| ৮৭। | কামেং সীমান্তৰ সাধু | ৩·০০ |
| ৮৮। | দেউৰী সাধু | ৩·০০ |
| ৮৯। | অভিলেখ | ৩·০০ |
| ৯০। | কিম্বদন্তিৰ সাধু | ৩·০০ |
| ৯১। | কাবাংৰৰ হাত-পুথি | ৩·০০ |
| ৯২। | নৱমী | ২·৫০ |
| ৯৩। | চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু | ২·৫০ |
| ৯৪। | নৃতত্ত্বৰ চমু আভাস | ২·৫০ |
| ৯৫। | মিচিং সাধু | ২·৫০ |
| ৯৬। | ভাষাসভাৰ পৰিচয় | ২·৫০ |
| ৯৭। | সাগৰৰ কথা | ২·৫০ |
| ৯৮। | বৌদ্ধ জাতকৰ সাধু | ২·০০ |
| ৯৯। | আপ্‌ৰুকি অসমীয়া | ২·০০ |
| ১০০। | আন্টীমগাৰী অসমীয়াকো স্কিয়ানি | ২·০০ |
| ১০১। | অসমীয়া লা বড়ো হানে অসমীয়া | ২·০০ |
| ১০২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ২·০০ |
| ১০৩। | নীলাচল পাঠ | ২·০০ |
| ১০৪। | কৰমপূজা আৰু ঝুমুৰ গীত | ১·০০ |
| ১০৫। | সভাপতিৰ অভিভাষণ : ড° নেওগ | ২·০০ |
| ১০৬। | ম'পিন উৎসৱ | ২·০০ |
| ১০৭। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১·৫০ |
| ১০৮। | অসম সাহিত্য সভা পৰিচিতি | ১·০০ |
| ১০৯। | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০·৫০ |
| ১১০। | লক্ষ্মীনাথ বেজবৰুৱা | ০·৫০ |
| ১১১। | বেজবৰুৱাৰ বাণী | ০·৫০ |

প্ৰাপ্তি স্থান :

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১, ফোন—৩৭৬

(খ) গুৱাহাটী কাৰ্যালয়
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১, ফোন—২৪৭৭৬